


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৪৩ ■ গুৱাহাটী ■ শনিবাৰ, ১৭ ছেপ্টেম্বৰ, ২০২২, ৩১ ভাদ, ১৯৪৪ শক  RNP/GH/248/2114-2017  গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 43 Dainandin Barta ■ Guwahati, Saturday ■ 17 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only






## জাননী

বিশ্বকৰ্মা পূজা উপলক্ষে 'দৈনন্দিন বাৰ্তা'ৰ শুভাকাংক্ষী, পাঠক, সংবাদ দাতা, বিজ্ঞাপন দাতা, কাকত বিতৰককে ধৰি ৰাজ্যবাসীলৈ শুভেচ্ছা থাকিল। বিশ্বকৰ্মা পূজা উপলক্ষে কাৰ্যালয় শনিবাৰে বন্ধ থাকিব। তদুপলক্ষে দেওবাৰে কাকতৰ সংখ্যা প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যা সোমবাৰৰ পৰা নিয়মীয়াকৈ প্ৰকাশ পাব।

কাৰ্যাধ্যক্ষ


## ভিক্টৰক অৱশেষত জামিন প্ৰদানেৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিলে সাময়িক সকাহ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** নিযুক্তি কেলেংকাৰিৰ অভিযোগক লৈ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ভিক্টৰ দাসে অৱশেষত জামিন লাভ কৰিবলৈ সক্ষম হয়। আজি আদালতত শুনানিৰ অন্তত গুৱাহাটী উচ্চ ন্যায়ালয়ে ভিক্টৰ দাসক প্ৰদান কৰে অন্তৰ্বৰ্তীকালীন জামিন। অন্তৰ্বৰ্তীকালীন জামিন প্ৰদানৰ ফলত ২৯ ছেপ্টেম্বৰলৈ জামিন পালে ভিক্টৰ দাসে। শেহতীয়াকৈ অনুষ্ঠিত নিযুক্তি পৰীক্ষাত কেলেংকাৰিৰ অভিযোগ তুলি গ্ৰেপ্তাৰ হৈছিল ভিক্টৰ দাস। ভিক্টৰৰ হৈ অধিবক্তা অংশুমান বৰাই আদালতত আজি যুক্তি দৰ্শায়। উল্লেখ্য, ভিক্টৰ দাসে তৃতীয়-চতুৰ্থ বৰ্গৰ নিযুক্তি প্ৰক্ৰিয়াত ধনৰ লেনদেন হোৱা বুলি টুইটাৰত অভিযোগ উত্থাপন কৰিছিল। প্ৰতিটো পদৰ বাবে ৩ লাখ টকাৰ পৰা ৮ লাখ টকালৈ ধনৰ লেনদেন চলিছে আৰু চাকৰি কিনা-বেচা প্ৰক্ৰিয়াৰ ■ ৮ পৃষ্ঠাত

## ভিক্টৰ দাসে অনা অভিযোগ কোনো প্ৰামাণিক তথ্য, সাক্ষী নাই বুলি আৰক্ষীৰ তদন্তত প্ৰমাণ হৈছে ঃ সাংসদ দিলীপ শইকীয়া


**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ১৬ ছেপ্টেম্বৰ ঃ** ভিক্টৰ দাসে অনা অভিযোগ কোনো প্ৰামাণিক তথ্য, সাক্ষী নাই বুলি আৰক্ষীৰ তদন্তত প্ৰমাণিত হৈছে। সেয়ে ন্যায়ালয়ে তেওঁ ওপৰত ব্যৱস্থা লৈছে। এই মন্তব্য সাংসদ দিলীপ শইকীয়াৰ। ১৫ ছেপ্টেম্বৰত ভাৰতীয় জনতা পাৰ্টীৰ খালিংদুৱা মণ্ডলৰ ■ ৮ পৃষ্ঠাত



## ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত পুটিন, মিৰ্জিয়োয়েভ আৰু ইৰাণৰ ৰাষ্ট্ৰপতি ৰাইচিৰ সৈতে দ্বিপাক্ষিক আলোচনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

### এছচিঅ' সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

# আমি গণমুখী উন্নয়ন আৰ্হিত গুৰুত্ব দিছো



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ ছেপ্টেম্বৰ ঃ** উজবেকিস্তানত আৰম্ভ হোৱা ৮খন ৰাষ্ট্ৰৰ ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত আজি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ দিয়ে। ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিশ্বই ক'ভিড-১৯ ■ ৭ পৃষ্ঠাত

## মাৰ্ঘেৰিটাৰ ব্যক্তিগত খণ্ডৰ ইংৰাজী বিদ্যালয়ত অসমীয়া ভাষাৰ...


**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৬ ছেপ্টেম্বৰত ঃ** আপুনি বাৰু আপোনাৰ সন্তানক ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমত পঢ়োৱা কথা চিন্তা চৰ্চা কৰিছে নেকি ? নাইবা আপোনাৰ সন্তানে ব্যক্তিগত খণ্ডৰ ■ ৮ পৃষ্ঠাত



*বিজেপিৰ সভাপতি ভবেশ কলিতাৰ সংবাদ মেল সম্বোধন, গুৱাহাটীত শুকুৰবাৰে*

## এঘাৰবছৰীয়া কিশোৰকো প্ৰদান কৰিছিল লাইচেঞ্চ

ফাৰ্মাচী কাউঞ্চিলৰ কাণ্ড



**দৈনন্দিন বাৰ্তাৰ সংবাদ, ১৬ ছেপ্টেম্বৰ ঃ** মানৱ জীৱনৰ লগত হেতালি খেলা অসম ফাৰ্মাচী কাউঞ্চিলৰ নাছিল ন্যূনতম দায়বদ্ধতা। নিজৰ মুনাফা লাভৰ বাবে বলীয়ান হৈ দালালৰ কথাত উঠা-বহা কৰা একাংশ বিষয়াই মুক্ত মনে অশিক্ষিত ব্যক্তিৰ হাতত তুলি দিছিল ফাৰ্মাচিষ্টৰ লাইচেঞ্চ। এই চাম অনুৰ্বৰ মস্তিষ্কৰ বিষয়াই প্ৰদান কৰা এগৰাকী ফাৰ্মাচিষ্টৰ নাম কুলদীপ চৌধুৰী। এওঁৰ জন্ম হৈছিল ১৯৭৫ চনৰ এক ফেব্ৰুৱাৰীত। ১৯৮৬ চনত মণিপুৰত পঞ্জীয়ন কৰা দেখুৱাই আদায় কৰিছিল ■ ৮ পৃষ্ঠাত



## ■ মৰাণত ছয় জনগোষ্ঠী ঐক্য মঞ্চৰ জৰুৰী কাৰ্যনিৰ্বাহকত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ ■

## প্ৰধানমন্ত্ৰী মোদীৰ জন্ম দিৱসলৈকে ধাৰাবাহিকভাৱে ক'লা দিৱস পালন

তাই-আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী আৰু আদিবাসী

ছয় জনগোষ্ঠীৰ নেতাসকলৰ অভিযোগ— মাহী আই দৃষ্টিৰে চাইছে অসম চৰকাৰে, দিল্লীয়ে নহয়। খীৰতী গাই হিচাপে অসম চৰকাৰে ব্যৱহাৰ কৰিছে

## দ্বিতীয় দিনাও উত্তাল

# ক্ৰমে ওচৰ হৈও যেন দূৰ দিল্লী

২২ ছেপ্টেম্বৰত দিছপুৰত বিধানসভা ঘেৰাও কাৰ্যসূচী
২৬ ছেপ্টেম্বৰত ২৪ ঘণ্টীয়া অসম বন্ধ ঘোষণা
৯ অক্টোবৰত সমগ্ৰ অসমত অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী
১৫ অক্টোবৰত উত্তৰ অসমৰ লখিমপুৰ, ধেমাজি সামৰি গোগামুখত বিশাল গণ সমাৰেশ
১৫ নৱেম্বৰত দিল্লীত ছয় জনগোষ্ঠীৰ গণ-বিক্ষোভ কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৬ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা দাবীত আজি মৰাণত অনুষ্ঠিত হ'ল ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা। সভাত উপস্থিত থাকে আটাছুৰ সভাপতি লিটুল বুঢ়াগোহাঁই, কাৰ্যকৰী ■ ৭ পৃষ্ঠাত



## বানে বিধ্বস্ত কৰা অসমলৈ দিলে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ ২৫০ কোটি টকা

### প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰীক ধন্যবাদ জ্ঞাপন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ ছেপ্টেম্বৰ ঃ** চলিত বৰ্ষত বান আৰু ভূমিস্খলনে বিধ্বস্ত কৰা অসমলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ অধীনত ২৫০ কোটি টকা মুকলি কৰি দিছে। উল্লেখ্য যে এই ধনৰাশি অসমে চলিত বিত্তীয় বৰ্ষতে লাভ কৰিব আৰু ইয়াৰ বাবে বিত্ত বিভাগক যাৱতীয় নিৰ্দেশনা জাৰি কৰিছে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন ■ ৮ পৃষ্ঠাত

অসমৰ ছয় জনগোষ্ঠীক পুনৰ প্ৰতাৰণা

## সকলো কোচ-ৰাজবংশী লোকক ত্যাগৰ আহ্বান

### ক্ষোভিত গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনী



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৬ ছেপ্টেম্বৰ ঃ** 'জাতিতকৈ ৰাজনৈতিক দল ডাঙৰ নহয়, বিজেপিত থকা কোচ-ৰাজবংশীৰ সকলো কৰ্মীক বিজেপিৰ পৰা ওলাই আহক তাৰে আহ্বান। সকলো কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকক বিজেপিৰ পৰা ওলাই অহাৰ লগতে ৰাজনৈতিকভাৱে বিকল্প চিন্তা ■ ৮ পৃষ্ঠাত




*কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশৰ সংবাদ মেল সম্বোধন, গুৱাহাটীত শুকুৰবাৰে*

## প্ৰকৃতিৰ ভয়ংকৰ ৰোষত এনএইচপিচি

### সোৱণশিৰি নদীয়ে খহালে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ দুই নং টানেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৬ ছেপ্টম্বৰ ঃ** পুনৰ প্ৰকৃতিৰ ভয়ংকৰ ৰোষত পৰিছে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ সংস্থা এন এইচ পি চি। বান্ধবিৰোধী দল-সংগঠনবোৰে ২০০০ মেগাৱাট শক্তিসম্পন্ন নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বিৰুদ্ধে অসমৰ বান্ধবিৰোধী বহু দল-সংগঠনে গেৰুকামুখৰ দৰে বালিয়া তথা ভংগুৰ পাহাৰত বৃহৎ নদীবান্ধ নিৰ্মাণ ভৱিষ্যতৰ বাবে ভয়ানক হ'ব বুলি আন্দোলন-প্ৰতিবাদ কৰি প্ৰকল্প নিৰ্মাণত বাধাৰ সৃষ্টি কৰিছিল। তদুপৰি নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বাবে গঠন কৰা বিশেষজ্ঞ সমিতিয়েও গেৰুকামুখত ২০০০ মেগাৱাট শক্তিৰ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বিৰোধিতা কৰি প্ৰতিবেদন দাখিল ■ ৮ পৃষ্ঠাত



## জালিয়াতিৰে আইঅ'চিএলৰ টেণ্ডাৰ লাভ

### ৬৭খন অইল টেংকাৰ যোগানৰ নামত ঠিকাদাৰ-আই অ' চি এলৰ বিষয়াৰ গোপন সম্পৰ্ক ঃ ২০১৮ চনত টেণ্ডাৰ লাভ কৰা একে টেংকাৰে ২০২২তো লাভ কৰিছে টেণ্ডাৰ ঃ বঞ্চিত ঠিকাদাৰৰ অভিযোগ দাখিল

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া সৃষ্টি কৰি অহা ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেড চমুকৈ (আইঅ'চিএল)ত ৭০খন তেলৰ টেংকাৰ যোগান ধৰাৰ ক্ষেত্ৰত অনিয়ম সংঘটিত হোৱাৰ ■ ৮ পৃষ্ঠাত

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ প্ৰতিবাদ অব্যাহত

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনে ছাত্ৰ-ছাত্ৰীৰ মূৰত মাধমাৰ শোধাই হঠকাৰিভাৱে বিভাগসমূহৰ মাচুল ৩৩ শতাংশৰ পৰা ৫৬ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰতিবাদত বিক্ষোভ কাৰ্যসূচী অব্যাহত ৰাখিছে। আজি পুনৰ ছাত্ৰ সমাজে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱন প্ৰাংগণত। ছাত্ৰ সমাজৰ হুংকাৰ— যেতিয়ালৈকে এই মাচুল বৃদ্ধি হ্ৰাস নকৰে তেতিয়ালৈকে বিক্ষোভ কাৰ্যসূচী চলাই যাব ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত।

ৰাজ্যত অত্যধিক হাৰত বিদ্যুৎ মাচুল বৃদ্ধি

## বিজুলী ভৱনত প্ৰৱেশ কৰি আপৰ প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** অত্যধিক মূল্যবৃদ্ধি আৰু কৰৰ বোজা জাপি দিয়াৰ পিছত এইবাৰ অতি সংগোপনে ৰাজ্যৰ জনসাধাৰণৰ বিদ্যুতৰ মাচুল দুগুণতকৈ অধিক বৃদ্ধি কৰি জনতাৰ মূৰত ৰামটাঙোন শোধাইছে হিমন্ত বিশ্ব নেতৃত্বাধীন বিজেপি চৰকাৰখনে। ৰাজ্যত অভাৱনীয় হাৰত বৃদ্ধি হোৱা বিদ্যুৎ মাচুল নিয়ন্ত্ৰণৰ দাবীত আজি আম আদমি পাৰ্টীৰ শতাধিক সদস্যই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী আপৰ সদস্যসকলে ■ ৮ পৃষ্ঠাত

## ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত আজব কাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৬ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ চিকিৎসা মহাবিদ্যালয়ত কি চলিছে। ধুবুৰী জিলা স্বাস্থ্য বিভাগৰ জইণ্ট ডিৰেক্টৰ ইমদাদুল্লাৰ আশীৰ্বাদত অবৈধভাৱে চলিছে চাকৰিৰ বেহা। ■ ৮ পৃষ্ঠাত

## 'আম্বেদকাৰ এণ্ড মোদী ঃ ৰিফৰ্মাৰ্ছ আইডিয়াজ পাৰ্ফমাৰ্ছ ইম্প্লিমেনটেচন' উন্মোচন

### উন্মোচন কৰিলে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ ছেপ্টেম্বৰ ঃ** ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দে আজি 'আম্বেদকাৰ এণ্ড মোদী ঃ ৰিফৰ্মাৰ্ছ আইডিয়াজ পাৰ্ফমাৰ্ছ ইম্প্লিমেনটেচন' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰ, ভাৰতৰ প্ৰাক্তন ■ ৮ পৃষ্ঠাত



### 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ প্ৰস্তুতি তুংগত

## অসমৰ বিভিন্ন প্ৰান্তলৈ গ্ৰন্থৰ চিৰন্তন আৱেদন বিস্তাৰিত কৰাৰ লক্ষ্য

ধেমাজি, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱত অসম গ্ৰন্থমেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ বিভিন্ন প্ৰান্তৰলৈ গ্ৰন্থৰ চিৰন্তন আৱেদন বিস্তাৰিত কৰাৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত সম্প্ৰতি প্ৰস্তুত কৰি তোলা হৈছে এক সুদূৰপ্ৰসাৰী পৰিকল্পনা। মুখ্যমন্ত্ৰী ■ ৮ পৃষ্ঠাত

# চিলাপথাৰত জনজাতিকৰণক লৈ আটাছুৰ পুত্তলিকা দাহেৰে উত্তাল প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৬ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় কেবিনেটে কালি ভাৰতৰ পাঁচখন ৰাজ্যৰ ১২টা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰিলে, কিন্তু অতি পৰিতাপৰ বিষয় যে অসমৰ ছয় জনগোষ্ঠীৰ যি দীৰ্ঘদিনীয়া জনজাতিকৰণৰ দাবী আজি পৰ্যন্ত পূৰণ নকৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ছয় জনগোষ্ঠীক প্ৰতাৰণা কৰিছে। ইয়াক লৈ আজি চিলাপথাৰ নগৰৰ মাজমজিয়াত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কৰ্মীসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এই ছয় জনগোষ্ঠীক জনজাতিকৰণৰ কাৰণে ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহত গঠন কৰা মডেলিটী কমিটীয়ে তিনি মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণত আগুৱাই নিয়া কেৱল নিৰ্বাচনৰ ইছ্যুহে আছিল নেকি বুলি তেওঁলোকে প্ৰশ্ন তোলে। জনজাতিকৰণৰ বাবে সম্পূৰ্ণ বৈশিষ্ট্য থকাৰ পিছতো জনজাতিকৰণ প্ৰদান নকৰি বাৰে বাৰে এই ছয় জনগোষ্ঠীক প্ৰতাৰণা কৰিছে বুলি মন্তব্য প্ৰকাশ কৰে আটাছুৰ কৰ্মীসকলে। আজি এই প্ৰতিবাদস্থলীৰ পৰাই অসম আৰু কেন্দ্ৰীয় চৰকাৰক অনাগত দিনত যদিহে এই ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰে তেনে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

প্ৰাক্তন ছাত্ৰৰ মহানতা

## গাঁঠিৰ ধনেৰে বিদ্যালয়ত প্ৰাৰ্থনাগৃহ নিৰ্মাণ কৰাই কান্দ্ৰা চুড়ী সোঁৱৰণী প্ৰাৰ্থনাগৃহ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১৬ ছেপ্টেম্বৰ ঃ** এজন প্ৰাক্তন ছাত্ৰই নিজৰ গাঁঠিৰ ধনেৰে এটি আহল বহলকৈ প্ৰাৰ্থনা গৃহ নিৰ্মাণ কৰাই বিদ্যালয় কৰ্তৃপক্ষক গতাই দি নিজৰ মহানতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। আমাৰ সমাজত ধনৱন্ত লোক অনেক আছে যদিও সকলোৱে সমাজৰ হকে দান কৰা লোকৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা। সমাজ তথা দহৰ বাবে কাম কৰাৰ ইচ্ছা তথা মানসিকতা থাকিব লাগিব। খাটিসোণা গাঁও নিৱাসী প্ৰয়াত কান্দ্ৰা চুড়ীৰ কনিষ্ঠ পুত্ৰ সঞ্জীৱ চুড়ীয়ে নিজৰ গাঁঠিৰ ধনেৰে নৱজ্যোতি হাইস্কুল প্ৰাংগণত এটি প্ৰাৰ্থনা গৃহ বনাই সমাজৰ বাবে এক নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। খাটিসোণা নৱজ্যোতি হাইস্কুলত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সঞ্জীৱ চুড়ীয়ে তেওঁৰ পিতৃ কান্দ্ৰা চুড়ীৰ সোঁৱৰণত নিৰ্মাণ কৰোৱা কান্দ্ৰা চুড়ী সোঁৱৰণী প্ৰাৰ্থনা গৃহটি উদ্বোধন কৰে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। কান্দ্ৰা চুড়ীৰ কনিষ্ঠ পুত্ৰ সঞ্জীৱ চুড়ীয়ে পিতৃৰ নামত এটি আহল-বহলকৈ নিৰ্মাণ কৰা প্ৰাৰ্থনা গৃহ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে উৎসৰ্গা কৰে। এই প্ৰাৰ্থনা গৃহটি ফিতা কাটি উদ্বোধন কৰে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। তেওঁ এই প্ৰাৰ্থনা গৃহটি উদ্বোধন কৰি সঞ্জীৱ চুড়ীৰ



লগতে পৰিয়াল বৰ্গক এনে কাৰ্যৰ বাবে শলাগ লয়। প্ৰাৰ্থনা গৃহটি উদ্বোধন অনুষ্ঠানটোত নৱজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ত্ৰৈলোক্য নাথ বৰা, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শেৱালি বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নীলিমা ভৰালী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হীৰালাল চুড়ী, ভুৱন মুক্তিয়াৰ, সমাজকৰ্মী কৃষ্ণ ভূমিজ, দাতা পৰিয়ালৰ তথা প্ৰয়াত কান্দ্ৰা চুড়ীৰ সহধৰ্মিণী কালাৱতী চুড়ী, ৰাজু চুড়ী, যোগেন চুড়ী, বিনা চুড়ী, সংগীতা চুড়ী, চন্দ্ৰমা বৰা চুড়ী উপস্থিত আছিল।

ৰাজ্যিক পক্ষী সুৰক্ষা সমিতিৰ উদ্যোগ

## গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পত ফল-মূলৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** ১৪ ছেপ্টেম্বৰত গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পত পক্ষীবিদ নগেন চন্দ্ৰ শৰ্মাই ফল-মূলৰ গছপুলি ৰোপণ কৰে। উক্ত সভাত প্ৰকল্পৰ মুখ্য কাৰ্যবাহী বিষয়া উদ্দীপ্ত শৰ্মা আৰু কৃষি বিষয়া সতীশ চন্দ্ৰ ডেকাৰ লগতে সাংবাদিক শৈলেন কাকতি, বৈদ্যুতিন মাধ্যমৰ নিউজ লাইফ, এন কে টিভি, প্ৰতিদিন টাইম, প্ৰাগ নিউজ আদিৰ সাংবাদিকসকল উপস্থিত থাকে। সভাত ফল-মূলৰ গছপুলি ৰোপণ সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয় আৰু প্ৰকল্পৰ বিষয়ববীয়াৰ লগতে কৰ্মচাৰীসকলকো পক্ষী সুৰক্ষাৰ সন্মানীয় সদস্য হ'ল বুলি ঘোষণা কৰা হয়। প্ৰকল্পৰ স্বাস্থ্য বিষয়া ডাঃ যোগব্ৰত নাথ উপস্থিত থাকিব পৰা নাই যদিও তেওঁৰ স্বাভিমানী সৌজন্যবোধে উপস্থিত সকলোকে সন্মোহিত কৰে। সভাৰ শেষত এটি নাৰিকলৰ পুলি ৰোপণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে পক্ষীবিদ ভুৱনেশ্বৰ শৰ্মাই। তাৰ পিছত একাদিক্ৰমে ফুলেশ্বৰ বসুমতাৰী, নগেন শৰ্মা, প্ৰমিলা ডেকা, হেমলতা মেধি, ৰুমী দেৱী, ড° খৈয়ামুদ্দিন আহমেদ, অমূল্য কুমাৰ দাস, উজ্জ্বল শৰ্মা, লাইলা বেগম, জয়া গোস্বামী, মিতালী দেৱী, পম্পা শৰ্মা, ধ্ৰুৱজ্যোতি শৰ্মা, পৰাশৰ কাশ্যপ, উদ্দীপ্ত পৰাশৰ, সাংবাদিক শৈলেন কাকতি, শৰৎ চন্দ্ৰ নাথ, দেৱেন চন্দ্ৰ নাথ, গোবিন্দ চন্দ্ৰ নাথ, ভুৱন চন্দ্ৰ নাথ প্ৰভৃতিয়ে আম, জাম, কঁঠাল, মধুৰীআম, আম, আমলখি, জলফাই, থাইলেণ্ডৰ বগৰী, ড্ৰেগন ফ্ৰুইটছ, (শৈলেন কাকতি) ঔ টেঙা, কৰ্দৈ, বেল, ডালিম, খেজুৰ, আহত, জৰি, ভৈৰা, বকুল, থেকেৰা টেঙা, তেজপাত, কদম, যজ্ঞডিমৰু, শিমলু প্ৰভৃতি ৫৫১টা গছপুলি ৰোপণ কৰা হয়। স্মৰ্তব্য যে উপ-সভাপতি নগেন শৰ্মাই ১৮৫টা পুলি, দিবাকৰ বসুমতাৰী ৫টা নাৰিকল পুলি, হেমলতা মেধি ৫টা আমৰ পুলি, কমলা দেৱীৰ ৫টা বেলৰ পুলিৰ উপৰি বিভিন্ন গছৰ গুটি বিতৰণ কৰি আহে। ৰোপণ কৰি অহা গছপুলি আৰু গছৰ গুটিৰ সংৰক্ষণৰ দায়িত্ব প্ৰকল্পৰ বিষয়ববীয়াক অৰ্পণ কৰা হয়। এই সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে সম্পাদক উজ্জ্বল শৰ্মাই আৰু শলাগ জ্ঞাপন কৰে উপ-সভাপতি নগেন চন্দ্ৰ শৰ্মাই।

লাহৰীঘাট আঞ্চলিক আমছুৰ শপতগ্ৰহণ অনুষ্ঠান-শৈক্ষিক সজাগতা সভা সম্পন্ন

## ৪জন কৃতী শিক্ষক আৰু ৫জন নীট পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আঞ্চলিক আমছুৰ নৱগঠিত আঞ্চলিক আমছু সমিতিৰ শপতগ্ৰহণ আৰু শৈক্ষিক সজাগতা সভা বিয়লি লাহৰীঘাটৰ মাজমজিয়াত জাকত জিলিকাকৈ বহু লোকৰ সমাগমত সুকলমে সম্পন্ন হয়। বিগত ৭ আগষ্টত গঠন হোৱা নতুন কমিটীৰ সকলো বিষয়ববীয়া আৰু সদস্যসকলক জিলা আমছুৰ সভাপতি আৰু কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষকৰ উপস্থিতিত কালি আনুষ্ঠানিকভাৱে শপতবাক্য পাঠ কৰায়। মুকলি সভাত সঞ্চালনা কৰে আমছুৰ জিলা সভাপতি আশ্বাদুল ইছলামে। উদ্দেশ্য ব্যাখ্যা কৰে জিলা সমিতিৰ আজাহাৰুল ইছলামে। আদৰণী পৰ্বৰ আঁত ধৰে আঞ্চলিক সভাপতি জহিৰুল ইছলাম আৰু সাধাৰণ সম্পাদক আশ্ৰাফুৰ ৰহমান আলামিনে। মূল কাৰ্যসূচীলৈ যোৱাৰ আগতে এখন শৈক্ষিক সজাগতা সভা আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে লাহৰীঘাট অঞ্চলৰ চাৰিজন কৃতী শিক্ষক ক্ৰমে ফজল উদ্দিন ভাসানী, নুৰুল হুছেইন, অজিত বণিক আৰু নজৰুল ইছলামৰ লগতে সদ্যঘোষিত সৰ্বভাৰতীয় পৰ্যায়ৰ নীট পৰীক্ষাত উত্তীৰ্ণ হোৱা লাহৰীঘাট অঞ্চলৰ পাঁচজন ছাত্ৰ ক্ৰমে মেৰাজুল ইছলাম, আজিজুল হক, ওৱাহিদুৰ ৰহমান, শ্বাকিল মহম্মদ, ৰাকিব মোল্লা আৰু মিজানুৰ ৰহমানক এখনকৈ ফুলাম গামোচা, জাপি আৰু অভিনন্দন-পত্ৰৰে সম্বৰ্ধনা



জনোৱা হয়। আমন্ত্ৰিত অতিথি হিচাপে কেন্দ্ৰীয় আমছুৰ তৰফৰ পৰা ইক্ৰামুল হুছেইন, জিলা আমছুৰ সভাপতি আশ্বাদুল ইছলাম, সাধাৰণ সম্পাদকদ্বয় ৰফিকুল ইছলাম আৰু মনচুৰ আহমেদৰ লগতে বিশিষ্ট অতিথি হিচাপে বিশিষ্ট সমাজ সেৱক জাবেদ আলী আহমেদ, জিলা আমছুৰ কাৰ্যকৰী সভাপতি এডভোকেট হাৰুণ অল ৰশিদৰ লগতে বহু ব্যক্তি উপস্থিত আছিল।

## কৃতী শিক্ষয়িত্ৰী পূৰ্ণিমা কলিতাক শিক্ষক গৌৰৱ বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৬ ছেপ্টেম্বৰ ঃ** পছৰীয়াৰ কুশল কোঁৱৰ হাইস্কুলৰ সহঃ শিক্ষয়িত্ৰী পূৰ্ণিমা কলিতাক মানৱ সম্পদ গঢ়াত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ৰাজ্যিক শিক্ষক গৌৰৱ বঁটা প্ৰদান কৰা হয়। ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেশ্বনে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাগ্মীবৰ নীলমণি ফুকন প্ৰেক্ষাগৃহত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰে। কৃতী শিক্ষয়িত্ৰীগৰাকী ১৯৮৮ চনত মুকুল ৰয় ছোৱালী হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি ২০১২ চনলৈ ২৪ বছৰে বিনা বেতনে পাঠদান কৰিছিল। পিছত ২০১৭ চনত উক্ত স্কুলখন কুশল কোঁৱৰ হাইস্কুলৰ লগত একত্ৰীকৰণ কৰাত উক্ত স্কুলত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি ২০২২ৰ ৩০ জুনত অৱসৰ গ্ৰহণ কৰে। অৱশ্যে ইয়াৰ আগতে ২০১৩ চনত তেওঁৰ চাকৰি চৰকাৰীকৰণ হৈ বেতন লাভ কৰে। শিক্ষকতাৰ সমান্তৰালকৈ তেওঁ সামাজিক কামতো সময় অতিবাহিত কৰিছিল। বিশেষকৈ মহিলাসকলৰ অধিকাৰ, মহিলা সবলীকৰণ আদিৰ ওপৰত গৱেষণামূলক চিন্তা-চৰ্চাৰে মহিলাসকলক সমাজত পৰিচয় কৰাই দিয়াত আগভাগ লৈছিল। কলিতা এগৰাকী লোক-সংস্কৃতিৰ শিল্পী হিচাপেও সমাজত পৰিচিত। আই নাম, দিহানাম, বিহুনামৰ নামতী হৈ পৰম্পৰা লোক-সংগীতক জীয়াই ৰখাৰ প্ৰচেষ্টা চলাই আছে।

## ১৮ ছেপ্টেম্বৰত টিহু মহকুমা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ১৬ ছেপ্টেম্বৰ ঃ** চৰকাৰীভাৱে টিহু মহকুমা ঘোষণা হোৱাৰ পাছত ২০১৬ খ্ৰীষ্টাব্দৰ ১৮ ছেপ্টেম্বৰত টিহু মহকুমা সাংবাদিক সন্থা গঠন কৰা হয়। ইয়াৰ পাছৰে পৰা সংগঠনটোৱে সমগ্ৰ টিহু অঞ্চলৰ সামাজিক প্ৰেক্ষাপটত এক সুকীয়া পৰিচয় বহন কৰি আহিছে। এই আপাহতে, ১৮ ছেপ্টেম্বৰত টিহু মহাবিদ্যালয়ৰ কালিচৰণ ডেকা প্ৰেক্ষাগৃহত বিভিন্ন কাৰ্যসূচীৰে টিহু মহকুমা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱস পালনৰ দিহা কৰা হৈছে। টিহু মহকুমা সাংবাদিক সন্থাৰ সম্পাদক ভাস্কৰ কলিতাই জনোৱা অনুসৰি সিদিনা পুৱা ন বজাত টিহু মহকুমা সাংবাদিক সন্থাৰ সভাপতি পংকজ বেজবৰুৱাই টিহু মহকুমা সাংবাদিক সন্থাৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পাছতে কণ্ঠশিল্পী হেমন্ত তালুকদাৰৰ নেতৃত্বত বৃন্দগীত পৰিৱেশন কৰা হ'ব। ইয়াৰ পিছতে সম্বৰ্ধনা আৰু মুকলি সভা বন্তি জ্বলাই শুভাৰম্ভ কৰিব টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে। টিহু মহকুমা সাংবাদিক সন্থাৰ সভাপতি পংকজ বেজবৰুৱাৰ সভাপতিত্বত হ'বলগীয়া সভাত বিশিষ্ট অতিথি হিচাপে মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্তীয় উন্নয়ন নিগমৰ অধ্যক্ষ তথা জনপ্ৰিয় কণ্ঠশিল্পী সীমান্ত শেখৰ, নলবাৰী জিলাৰ আৰক্ষী অধীক্ষক পবিন্দ্ৰ কুমাৰ নাথ, টিহু ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰূপ চৌধুৰী, টিহু উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন, টিহু পৌৰ সভাৰ পৌৰপতি হিমানী মজুমদাৰে অংশ ল'ব। এই অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট সাংবাদিক আৰু প্ৰাক্তন সাংবাদিকক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত মোহন ভাইৰা বঁটাপ্ৰাপক বিশিষ্ট বাঁহীবাদক হৰেকৃষ্ণ তালুকদাৰৰ জাতীয় সংগীত পৰিৱেশনৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সামৰা হ'ব।

## বিহালী কেটেলা চাহ বাগিচাৰ শ্ৰমিকৰ নাৰ্য্য প্ৰাপ্যৰ দাবীত ধৰ্মঘট প্ৰতিবাদ

বিহালী ১৫ ছেপ্টেম্বৰ আজি বিহালীত অসম চাহ মজদুৰ সংঘৰ হেলেম শাখাৰ উদ্যোগত কেটেলা চাহ বাগিচাত শ্ৰমিকৰ নাৰ্য্য প্ৰাপ্য দাবী ত ধৰ্মঘট প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। বিগত ১৮ বছৰ ধৰি মালিক পক্ষই মজদুৰ সকলক প্ৰতাৰণা কৰি আহাৰ অভিযোগ উত্থাপন কৰিছে শ্ৰেমিক সকলে। আজি সকলো শ্ৰমিক একত্ৰিত হৈ হাতে হাতে প্লেকাৰ্ড লৈ বিভিন্ন দাবীৰে কেটেলা চাহ বাগিচাৰ কাৰ্য্যলয়ৰ সম্মুখত দুই শতাধিক চাহ শ্ৰমিকে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।গ্ৰেজুইটি টকা আদায় দিয়ক , শ্ৰমিকৰ অত্যাচাৰ বন্ধ কৰক , বদলি কৰা লোকক কাম দিয়াৰ ব্যৱস্থা কৰক , উপযুক্ত চিকিৎসা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক , শ্ৰমিকে পাবলগীয়া মজুৰি দিয়াৰ ব্যৱস্থা কৰক , শ্ৰমিক ঐক্য জিন্দাবাদ , অসম চাহ মজদুৰ সংঘ জিন্দাবাদ আদি শ্লʼগানে গান চাহ বাগিচাৰ কায্যলয় সন্মূখত কপাই তোলে। এই প্ৰতিবাদৰ পিছত মালিক পক্ষই মজদুৰ সকলক গুৰুত্ব নিদিলে ভবিষ্যতে আৰু জংগী আন্দোলন কৰিব বুলি মজদুৰ সকলকলে সাঙবাদিকক জানিবলৈ দিয়ে। এই




কাৰ্যসূচীত নেতৃত্ব দিয়ে অসম চাহ মজদুৰ সংঘৰ হেলেম শাখাৰ সম্পাদক অবিনাশ প্ৰৰ্জা, সভাপতি অমৰ নায়ক, জ্যেষ্ঠ ব্যক্তি তথা সাংগঠনিক সম্পাদক গগন ৰাজগড়, আমিৰ নাহেকীয়া আদিয়ে।

## বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ত ৰক্তদান শিবিৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৬ ছেপ্টেম্বৰ ঃ** আজি বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত এক ৰক্ত দান শিবিৰ অনুষ্ঠিত হৈ যায়। এই কাৰ্যসূচীত মহাবিদ্যালয়খনৰ ২০জনে ৰক্ত দান কৰে। ইয়াৰে মহাবিদ্যালয়খনৰ অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী আছিল। মহাবিদ্যালয়খনৰ অধ্যক্ষ হাবিবুৰ ৰহমানে সংবাদ মাধ্যমক জনোৱা মতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে জৰুৰীকালীন সেৱাত কাম কৰিব লাগিব। লগতে একোখন গাঁও বাছনি কৰি সেই গাঁওখনক সেউজীয়া গাঁৱলৈ ৰূপান্তৰিত কৰিব লাগিব। ৰক্তদান শিবিৰটোত ড° চন্দন শৰ্মা, ৰাষ্ট্ৰীয় সেয়া আঁচনিৰ তত্ত্বাৱধায়ক অসীম চক্ৰৱৰ্তীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত আছিল।

## আদিবাসী উগ্ৰপন্থীৰ শান্তি চুক্তিত ভাৰতীয় জনতা পাৰ্টীক ধন্যবাদ জ্ঞাপন বিজেপিৰ যুৱ নেতা জিতু কিষাণৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১৬ ছেপ্টেম্বৰ ঃ** আদিবাসী উগ্ৰপন্থীৰ শান্তি চুক্তিত ভাৰতীয় জনতা পাৰ্টীক ধন্যবাদ জ্ঞাপন কৰে প্ৰাক্তন এম চি এল এ তথা ভাৰতীয় জনতা পাৰ্টীৰ যুৱ নেতা জিতু কিষাণৰ। ১৫ ছেপ্টেম্বৰত দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আদিবাসী উগ্ৰপন্থীৰ পাঁচটাকৈ সংগঠন তথা তিনিটা শাখা গোটৰ সৈতে এক ত্ৰিপাক্ষিক শান্তি চুক্তিত স্বাক্ষৰ কৰে। শান্তি চুক্তিত স্বাক্ষৰ কৰা পাঁচটা বিদ্ৰোহী সংগঠন হ'ল— বিৰছা কমাণ্ডো ফ'ৰ্চ, আদিবাসী পিপলছ আৰ্মী, অল আদিবাসী নেচনেল লিবাৰেচন আৰ্মী, আদিবাসী কোব্ৰা মিলিটাৰী অৱ আছাম আৰু চাওতাল টাইগাৰ ফ'ৰ্চ। লগতে বিৰছা কমাণ্ডো ফ'ৰ্চ, অল আদিবাসী নেচনেল লিবাৰেচন আৰ্মী আৰু আদিবাসী কোব্ৰা মিলিটাৰী অৱ আছামৰ তিনিটাকৈ শাখা গোটেও এই চুক্তিত স্বাক্ষৰ কৰে। এই গোটসমূহৰ সৰ্বমুঠ ১,১৮২গৰাকী কেডাৰে অস্ত্ৰ সমৰ্পণ কৰি মূলসুঁতিলৈ উভতি আহিছে। এই শান্তি চুক্তিয়ে ৰাজ্যৰ বিকাশ আৰু শান্তি প্ৰক্ৰিয়া অব্যাহত ৰখাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি কয় জিতু কিষাণে। চুক্তি স্বাক্ষৰ অনুষ্ঠানটিত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, কেবিনেট সঞ্জয় কিষাণ, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু পল্লৱলোচন দাস, ৰাজ্যৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিন্হা, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত । অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হিৰেন নাথ উপস্থিত থাকে।



ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠানত কনকসেন ডেকা

## মাহেকীয়া 'বাৰ্তাপখিলী' অসমীয়া জাতীয় চেতনাৰে সমৃদ্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** 'ভক্তিভাৱেৰে অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰি অহা এখন আলোচনীৰ নেতৃত্ব দি অহা সাহিত্যসেৱী ব্ৰজেন্দ্ৰ নাথ ডেকাই ২৭ বছৰ ধৰি নিৰলসভাৱে ভাষা-সাহিত্যক প্ৰাণ দি আহিছে। 'বাৰ্তাপখিলী' নামৰ এই আলোচনীখন ক'ভিড পৰিস্থিতিৰ সময়তো স্থবিৰ নহ'ল।' অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ পূৰ্ণাংগ মাহেকীয়া আলোচনী 'বাৰ্তাপখিলী'ৰ আজি ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানত এইদৰে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এইদৰে কয় অসম চৰকাৰৰ যুটীয়া আৰক্ষী আয়ুক্ত তথা কবি, 'আইনা' আলোচনীৰ সম্পাদক পাৰ্থসাৰথি মহন্তই। তেওঁ ভাষণ প্ৰসংগত আৰু কয় যে এই আলোচনীৰ আছে অসমীয়া জাতীয় চেতনা। আমাৰ মাতৃভাষাৰ আত্মা এই আলোচনীখন বুলিও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিৎ দাসে আজি বিয়লি ৪ বজাৰ পৰা মাছখোৱা প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম চৰকাৰৰ ৰেচম আৰু হস্ততাঁত বস্ত্ৰ মন্ত্ৰী তথা বড়োলেণ্ড উন্নয়ন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই অংশগ্ৰহণ কৰি কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ ভাষণ প্ৰসংগত অসমীয়া ভাষা সাহিত্যৰ বাবে ব্ৰজেন্দ্ৰ নাথ ডেকাই গোটেই জীৱন উৎসৰ্গা কৰি আহিছে বুলি উল্লেখ কৰি এই আলোচনীখন আমাৰ বাবে ইতিহাস হৈ ৰ'ব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। 'গিৰজনি' আলোচনীৰ মুখ্য সম্পাদক ড° মুকুল চক্ৰৱৰ্তীৰে আদৰণী ভাষণ আগবঢ়োৱা সভাত বিশিষ্ট অতিথি হিচাপে অসমীয়া প্ৰতিদিন কাকতৰ মুখ্য সহযোগী সম্পাদক অচ্যুৎ কুমাৰ পাটোৱাৰীয়েও অংশগ্ৰহণ কৰি নাতিদীৰ্ঘ বক্তব্য আগবঢ়ায়। তেওঁ 'বাৰ্তাপখিলী' আলোচনীখনে অসমীয়া ভাষা-সাহিত্যৰ বাবে এক অভিলেখ ৰচনা কৰিছে বুলি উল্লেখ কৰি কয় যে মানুহৰ কথা কোৱা, মাতৃভাষাৰ কথা কোৱা আলোচনীখনেই হ'ল 'বাৰ্তাপখিলী'। সভাত অন্যগৰাকী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই 'দৈনিক অগ্ৰদূত' কাকতৰ মুখ্য সম্পাদক তথা



অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনকসেন ডেকাই। তেওঁ ভাষণ প্ৰসংগত এই ৰূপালী জয়ন্তী বৰ্ষ গৰকা অসমীয়া ভাষা-সাহিত্যৰ উল্লেখযোগ্য মাহেকীয়া আলোচনী 'বাৰ্তাপখিলী' প্ৰকাশৰ বাবে আমাৰ দায়িত্ব আছে। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত উপায়ুক্ত তথা 'বাৰ্তাপখিলী'ৰ উপদেষ্টা থানেশ্বৰ মালাকাৰেও বক্তব্য আগবঢ়ায়। শিশু শিল্পী নিয়ৰকণা দাসৰ বৰগীত পৰিৱেশনে আৰম্ভ হোৱা অনুষ্ঠানতে এহাজাৰ পৃষ্ঠাৰে সমৃদ্ধ মাহেকীয়া 'বাৰ্তাপখিলী'ৰ শাৰদীয় বিশেষ সংখ্যাটি আনুষ্ঠানিকভাৱে মুখ্য অতিথি আৰু বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা ব্যক্তিসকলে উন্মোচন কৰে। প্ৰফুল্ল বৰ্মনে শৰাইৰ শৰাই আগবঢ়োৱা সভাত 'বাৰ্তাপখিলী'ৰ সম্পাদনা সমিতিৰ কাৰ্যবাহী সম্পাদক গোপাল জালান, দুৰ্গাপ্ৰসাদ হাজৰিকা, বিপুল কুমাৰ দিহিঙীয়াৰ লগতে আলোচনীখনিৰ লগত চিত্ৰশিল্পী হিচাপে সহযোগ আগবঢ়াই অহা বিশিষ্ট চিত্ৰশিল্পী চন্দন চুতীয়া আৰু বিষয়ববীয়াক চিনাকি কৰা হয়।

**Name Correction**

I, Jahanara khatun, W/O. Abdul Kalam, Permanent Residence of Kahibari P. O.- Kirtanpara, P. S.- Abhayapuri, Dist.- Bongaigaon (Assam) Declared vide an affidavit before the Notary Public, North Salmara Sub-Division, Abhayapuri Date 14 December, 2009 that in some Document my Name is re-corded as Jahanara Begum. Henceforth my actual and Correct name Jahanara Khatun.Jahanara Begum and Jahanara Khatun is the same and Single person.

## ৰাইজৰ দান-বৰঙণিৰ সহায়ত জটিল ৰোগত আক্ৰান্ত গংগাপ্ৰসাদ দাসক উন্নত চিকিৎসাৰ বাবে জিএমচিএইচলৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ১৬ ছেপ্টেম্বৰ ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২২নং দঃশালমাৰা সমষ্টিৰ অন্তৰ্গত ফকিৰগঞ্জ মিলনপুৰ গাঁৱৰ যুৱক গংগা প্ৰসাদ দাস বহুদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছিল। অতি দুখীয়া পৰিয়ালটো টকা-পইচা নথকাৰ বাবে চিকিৎসাৰ কোনো উপায় নাপাই অসহায় হৈ বৃদ্ধ মাতৃ আৰু পত্নীয়ে তেওঁৰ চিকিৎসাৰ বাবে ৰাইজৰ সহায় বিচাৰি কাতৰ আহ্বান জনাইছিল। তেওঁলোকৰ সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাইজে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিভিন্ন মাধ্যমেৰে অসহায় পৰিয়ালটোক তাৰ উন্নত চিকিৎসাৰ বাবে ১৬,৫৮২ টকা সহায়ৰ হাত আগবঢ়ায়। সেই টকাৰে আজি তেওঁক উন্নত চিকিৎসাৰ বাবে ৰাইজে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ পঠিয়াই দিয়ে। এই দুৰ্ভগীয়া পৰিয়ালটোক সহায়ৰ হাত



আগবঢ়োৱা সকলো দয়াৱান লোকক ছবিফুল ইছলাম প্ৰধানীয়ে ধন্যবাদ জনাইছে।

## ৰাশিফলত আজিৰ দিনটো

**৩১ ভাদ, শনিবাৰ, ১৭ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা সপ্তমী, নক্ষত্ৰ ঃ ৰোহিণী, জন্ম ৰাশি ঃ বৃষ**
**সূৰ্যোদয়- ৫-১২-২৯, সূৰ্যাস্ত- ৫-২৪-৪১**



■ **মেষ** ঃ বন্ধু আগমন ■ **বৃষ** ঃ উত্তম ভোজন ■ **মিথুন** ঃ গৃহত শুভ কাৰ্য ■ **কৰ্কট** ঃ উৎসৱত অংশগ্ৰহণ ■ **সিংহ** ঃ শিল্পীৰ সন্মান ■ **কন্যা** ঃ **আত্মীয়ৰ আগমন** ■ **তুলা** ঃ আয় বৃদ্ধি ■ **বৃশ্চিক** ঃ সৰ্বসুখ ■ **ধনু** ঃ আনন্দ ■ **মকৰ** ঃ বস্ত্ৰ লাভ ■ **কুম্ভ** ঃ গৃহত উৎসৱ ■ **মীন** ঃ প্ৰেমত আনন্দ।

## জামুগুৰিহাটৰ ডেকাসুন্দৰ গাঁৱত পৰম্পৰাগতভাৱে অনুষ্ঠিত হ'ল শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি দিন ভাওনা হিচাপে শিশুসকলৰ দ্বাৰা পৰিৱেশিত হ'ল 'অৰ্জুন ভঞ্জন' অংকীয়া নাট

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৬ ছেপ্টেম্বৰ ঃ** শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ তিৰোভাৱ তিথিৰ দিনটোত পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা ডেকাসুন্দৰ গাঁৱৰ শিশুসকলৰ দ্বাৰা পৰিৱেশিত দিন ভাওনাই এইবেলিও ৰাইজৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হ'ল। ৯০ দশকৰ পৰাই পৰম্পৰাগতভাৱে শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ তিথিৰ দিনটোত ডেকাসুন্দৰ যুৱক সংঘই পালন কৰি অহা এই শিশু ভাওনাৰ এইবেলি অনুষ্ঠিত হয় মাধৱদেৱ বিৰচিত 'অৰ্জুন ভঞ্জন' নাটভাগ। শিশুসকলেই পৰিৱেশন কৰা সূত্ৰধাৰীৰ পৰা শিশু কৃষ্ণ-নন্দ-যশোদাৰ পৰা সখালৈকে ধৰি ভাওনাভাগত পৰিৱেশন তথা শিশুসকলৰ অভিনয় আছিল আকৰ্ষণীয়। সাংস্কৃতিক শিল্পী প্ৰেশৱ কলিতা আৰু সংগ্ৰাম ৰতন ৰাজবংশীৰ পৰিচালনাত অনুষ্ঠিত শিশু ভাওনাভাগ স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ বিগত সময়ৰ দৰেই এইবেলিও ৰাইজৰ সঁহাৰী আছিল আশাব্যঞ্জক। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ পৰা অভিভাৱকসকলে নিজৰ নিজৰ সন্তানক লগত লৈ অহাৰ উপৰি ভাওনাভাগ প্ৰত্যক্ষ কৰিবলৈ উপস্থিত হয়হি সহস্ৰাধিক লোক। তাৎপৰ্যপূৰ্ণ যে ভাওনাভাগত গায়ন বায়নৰ পৰা খোল-তাল-বাঁহী আদি সকলো শিশুসকলেই পৰিৱেশন কৰাৰ লগতে ভাওনাভাগ প্ৰত্যক্ষ কৰিবলৈ কেইবাখনো গাঁৱৰ মইনা পাৰিজাতৰ লগত জড়িত শিশুসকলকেই আমন্ত্ৰণ জনায় উদ্যোক্তাসকলে। আমন্ত্ৰিত মইনা শিশুসকলে জাতীয় সাজপাৰ পৰিধান কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে ভাওনা প্ৰত্যক্ষ কৰা দৃশ্যও আছিল খুবেই



আকৰ্ষণীয়। শিশুসকলৰ মনত বাল্যকাল তথা শৈশৱ কালৰ পৰাই যাতে গুৰু দুজনাৰ চিন্তা-চৰ্চা তথা আধ্যাত্মিক পৰিৱেশে ঠাই পায় সেই লক্ষ্যৰেই ডেকাসুন্দৰ গাঁৱৰ যুৱক সংঘই এনেদৰে ভাওনাভাগত পূৰ্বৰ পৰাই শিশুসকলক জড়িত কৰাই সকলো কাম কাজ কৰিবলৈ উদগনি যোগোৱাৰ বিষয়টোও ব্যক্ত কৰে উদ্যোক্তাসকলে। নিশালৈও ডেকাসুন্দৰ গাঁৱৰ নামঘৰতেই অনুষ্ঠিত হয় 'কৰ্ণ পৰ্ব' নাটভাগ। 'কৰ্ণ পৰ্ব' নাটভাগৰো প্ৰতিটো চৰিত্ৰৰ সুন্দৰ অভিনয়ে দৰ্শকৰ মন মুহিবলৈ সক্ষম হয়। আজি নিশালৈ অনুষ্ঠিত হ'বলগীয়া দক্ষ যজ্ঞ ভাওনাৰে এইবেলিৰ ডেকাসুন্দৰ গাঁৱৰ ভাওনা উৎসৱৰ সামৰণি পৰিব। ভাওনা উৎসৱটিত ৰাইজৰ অকুণ্ঠ সহযোগিতাৰ বাবে সকলোলৈকে ধন্যবাদ জনাইছে গাঁওবাসীয়ে।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

১৭ ছেপ্টেম্বৰ, ২০২২ ■ শনিবাৰ ■ ৩১ ভাদ, ১৯৪৪ শক




## কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ আগন্তুক দুৰ্গা পূজা উদ্‌যাপন বিষয়ত সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গা পূজা উদ্‌যাপনৰ কেতবোৰ নীতি-নিৰ্দেশনাৰ বিষয়ে বিশদভাৱে আলোচনা কৰিবলৈ আজি কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়ববীয়াসকলৰ লগত এখন সভা অনুষ্ঠিত কৰে। জিলা পুথিভঁৰালত অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অতিৰিক্ত উপায়ুক্ত ড° ধ্ৰুৱজ্যোতি হাজৰিকা আৰু বিক্ৰম চেত্ৰী, উপ-আৰক্ষী আয়ুক্ত সুধাকৰ সিং, যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত হিৰণ্য বৰ্মন, অগ্নি আৰু জৰুৰীকালীন সেৱাৰ উপ-সঞ্চালক নন্দ সিং, সহকাৰী পৰিবহণ আয়ুক্ত গৌতম দাসৰ উপৰি ৰাজহ চক্ৰ বিষয়াসকল আৰু সংশ্লিষ্ট বিভাগসমূহৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাত অতিৰিক্ত উপায়ুক্ত ড° ধ্ৰুৱজ্যোতি হাজৰিকাই জনায় যে আগন্তুক দুৰ্গা পূজা সুকলমে উদ্‌যাপন কৰাৰ সুবিধাৰ্থে প্ৰত্যেকখন পূজা সমিতিয়ে সংশ্লিষ্ট আৰক্ষী থানাৰ পৰা আগতীয়া অনুমতি ল'ব লাগিব। জিলাখনৰ পূজা সমিতিৰ বিষয়ববীয়াসকলৰ লগত পূজা উদ্‌যাপনৰ কেতবোৰ নীতি-নিৰ্দেশনাৰ বাবে বিশদভাৱে আলোচনা কৰিবলৈ কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে অহা ১৯ ছেপ্টেম্বৰ, সোমবাৰে জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ২ বজাত এখন সভা আহ্বান কৰিছে। উক্ত সভাত সমূহ পূজা সমিতিৰ বিষয়ববীয়াক উপস্থিত থাকিবলৈ জিলা প্ৰশাসনে অনুৰোধ জনাইছে।

### ধুবুৰীৰ ভোগডহৰ গাঁও পঞ্চায়তত থকা ৫৪নং আমিনেৰ চৰৰ এটা অংগনৱাড়ী কেন্দ্ৰত নাই গৃহ, নাই ছাইনব'ৰ্ড

## নামমাত্ৰ চলি আছে ধুবুৰীৰ এটা অংগনৱাড়ী কেন্দ্ৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৬ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ ভোগডহৰ গাঁও পঞ্চায়তত থকা ৫৪নং আমিনেৰ চৰৰ এটা অংগনৱাড়ী কেন্দ্ৰত লুণ্ঠন ৰাজ চলাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে স্থানীয় ৰাইজ । দৰাচলতে ৫৪ নং আমিনেৰ চৰ অংগনৱাড়ী কেন্দ্ৰটোত এইগৰাকী হাছিমা খাতুন নামৰ মহিলাই কৰ্মী হিচাপে দায়িত্বত আছে যদিও কৰ্মী হাছিমা খাতুনঞ্জ আৰু তাইৰ স্বামী ময়নুউদ্দিন সেখে কেন্দ্ৰটোত বিগত চাৰি বছৰ ধৰি লুণ্ঠন চলোৱাৰ বিৰুদ্ধে অভিযোগ স্থানীয় ৰাইজৰ , কেন্দ্ৰটোত অধ্যয়নৰত কন কন শিশু সকলৰ খাদ্যৰ লগতে বিভিন্ন সামগ্ৰী ধন কৰ্মী হাছিমা খাতুনে সম্পূৰ্ণ ভাবে আত্মসাৎ কৰি আহিছে, ইয়াৰ পাছত শিশু সকলৰ অভিভাৱক সকলে কৰ্মী হাছিমা খাতুনঞ্জক শিশু সকলৰ খাদ্য আৰু সা- সামগ্ৰীৰ সম্পৰ্কে অবগত কৰাৰ পিছতো কোনো ধৰণৰ গুৰুত্ব দিয়া নাই বুলি অভিযোগ উত্থাপন কৰিছে অভিভাৱক সকলে ,মোঠৰ ওপৰত কৰ্মী হাছিমা খাতুনঞ্জ শিশুসকলক কোনো ধৰণৰ পাঠদান নকৰি ঘৰতে বহি ধন আত্মসাৎ কৰাৰ উপৰিও সমাজ কল্যাণ বিভাগৰ চকুত ধূলি দি বছৰ বছৰ ধৰি বেতন শোষণ কৰি আহিছে বুলি অভিযোগ উত্থাপন হৈছে, মুঠৰ ওপৰত একোই নাই কেন্দ্ৰটোত, দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ বিৰুদ্ধে স্থানীয় ৰাইজে উপায়হীন হৈ কেন্দ্ৰটোৰ নামত আৰটিআই কৰাৰ উপৰিও সমাজ কল্যাণ বিভাগৰ ওচৰত এখন লিখিতভাৱে অভিযোগ দাখিল কৰিছে। অৱশ্যে এই সন্দৰ্ভত অসম চৰকাৰ ধুবুৰী জিলা প্ৰশাসনৰ লগতে সমাজ কল্যাণ বিভাগৰ কৰ্তৃপক্ষই তদন্ত কৰি পৰবৰ্তী সময়ত কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া হ'ব লক্ষণীয়।

### লামডিং মহাবিদ্যালয়ৰ বেংগলী বিভাগৰ উদ্যোগ

## বহুভাষিক কবি সন্মিলন- গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ১৬ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ লামডিং মহাবিদ্যালয়ৰ আলোচনা চক্ৰ হ'লত সাহিত্য একাডেমীৰ উদ্যোগত তথা লামডিং মহা বিদ্যালয়ৰ বেংগলী বিভাগৰ ব্যৱস্থাপনাত বহুভাষিক কবি সন্মিলন অনুষ্ঠিত কৰা হয়। লামডিং মহাবিদ্যালয়ত অনুষ্ঠিত আজিৰ এই কবি সন্মিলনত বহুকেইজন কবিয়ে অংশগ্ৰহণ কৰাৰ লগতে লামডিং মহা বিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাসহ বহু ছাত্ৰ ছাত্ৰী উপস্থিত থাকে। কবি সন্মিলনত মৌচুমী কংসবণিক আৰু নাৰায়ণ দত্তৰ ৰচিত 'বাংলা নিৰ্বাচিত সাহিত্য টীকা' আৰু সঞ্জয় ভট্টাচাৰ্যৰ ৰচিত "হাস্যকৰ ও সংগীৰা" দুখন গ্ৰন্থৰ উন্মোচন কৰে। আজিৰ কবি সন্মিলনৰ সভাপতি তথা নেপালী সাহিত্য একাডেমী বটা প্ৰাপ্ত কবি কে বি নেপালীয়ে । দেবৰাজ মিলিয়ে অসমীয়াত, সঞ্জয় ভট্টাচাৰ্যই বাংলা ভাষাত, বিলাইশ্ৰী ব্ৰহ্মই বড়ো ভাষাত, মাইফাল কেম্পাৰায়ে ডিমাছাত আৰু লঙ্গবীৰ তেৰঙে কাৰ্বি ভাষাত কবিতা পাঠ কৰে।

## অৰুণোদয় আঁচনিত প্ৰকৃত হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰাৰ দাবী হাজোৰ পশ্চিম বংশৰ আছুৰ

### হাজোৰ খণ্ড উন্নয়ন বিষয়াক স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ ছেপ্টেম্বৰ ঃ** বিগত বৰ্ষবোৰত অসম চৰকাৰে ৰাজ্যখনৰ ৰাজকোষৰ বহুমূলীয়া ধন খৰচ কৰি বিভিন্ন ধৰণৰ আঁচনি প্ৰস্তুত কৰিছে। তাৰ ভিতৰত অন্যতম আঁচনি হৈছে 'অৰুণোদয় আঁচনি'। উল্লেখ্য যে,একাংশ পঞ্চায়ত প্ৰতিনিধি আৰু ৰাজনৈতিক দলৰ সদস্যৰ নিজা মইমতালিৰ কাৰণে বহুতো দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল এই আঁচনিখনৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এই আঁচনিখনৰ ওপৰত হৈ থকা দুৰ্নীতি-অনিয়মৰ কথা আছু আৰু ৰাইজে চৰকাৰৰ ওচৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পিছত অসম চৰকাৰে এই আঁচনিখনৰ হিতাধিকাৰীৰ নাম পুনৰ নিৰীক্ষণ কৰি প্ৰকৃত হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰিছে। তাৰেই পৰিপ্ৰেক্ষিতত আজি পশ্চিম বংশৰ আছুৱে হাজো উন্নয়ন খণ্ড বিষয়াক সাক্ষাৎ কৰি পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত ঠাইসমূহত 'অৰুণোদয় আঁচনি' পুনৰ নিৰীক্ষণ প্ৰক্ৰিয়াত প্ৰকৃত হিতাধিকাৰী নামহে যাতে অন্তৰ্ভুক্ত হয় তাৰবাবে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাস আৰু সাধাৰণ সম্পাদক ঋবুল কলিতা স্বাক্ষৰিত এখন স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে প্ৰকৃত দৰিদ্ৰ হিতাধিকাৰীক এই আঁচনিৰ সুবিধা প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰে। স্মাৰক-পত্ৰ প্ৰদান অনুষ্ঠানটোত উপস্থিত থাকি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাই অৰুণোদয় আঁচনিত আৰম্ভণিৰে পৰা এচাম দলীয় কৰ্মী আৰু পঞ্চায়ত প্ৰতিনিধিয়ে দুৰ্নীতিত লিপ্ত হৈ আঁচনিখনৰ পৰা বহুতো দুখীয়া দৰিদ্ৰ লোকক বঞ্চিত কৰিছে বুলি অভিযোগ কৰে। সেয়েহে চৰকাৰে অকল আঁচনি ৰূপায়ণ কৰিলে নহ'ব, আঁচনিখন সঠিক ৰূপত ৰূপায়িত হৈছে নে নাই তাৰ ওপৰতো চকু ৰাখিব লাগিব বুলি মন্তব্য প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত উপস্থিত থাকে ক্ৰমে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক সুৰজিত কলিতা, আছু নেতা প্ৰাঞ্জল কলিতাৰ সুদীপ্ত মেধিৰ লগতে কেইবাজনো আছু কৰ্মী উপস্থিত থাকে।

### কাছুমাৰাত সৌৰচাকি বিতৰণৰ নামত ব্যাপক দুৰ্নীতিৰ অভিযোগ

## স্থানীয় গাঁওবুঢ়া-এছ জি এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৬ ছেপ্টেম্বৰ ঃ** দক্ষিণ বৰপেটাৰ চেঙাৰ চৰাঞ্চলত দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা আঁচনিৰ অধীনত হিতাধিকাৰীৰ মাজত ছ'লাৰ বিতৰণৰ নামত ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত হোৱাৰ এক তথ্য পোহৰলৈ অহাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।চেঙাৰ কাছুমাৰা গাওঁ পঞ্চায়তৰ অন্তৰ্গত গাঁৰ সমূহত শেহতীয়াকৈ সৌৰ চাকিৰ নামত কোটি টকাৰ ভয়ংকৰ কেলেংকাৰি সংঘটিত হোৱাত সচেতন মহলৰ চকু কপালত উঠিছে । অভিযোগ অনুসৰি, প্ৰকৃত হিতাধিকাৰীক নাম মাত্ৰ কাগজে-কলমে চলাৰ বিতৰণ কৰা দেখুৱাই হিতাধিকাৰী ৰাইজৰ মাজত বিতৰণ নকৰাকৈ স্থানীয় গাঁওবুঢ়া আব্দুল হাই আৰু বিভাগীয় ঠিকাদাৰ তথা এছ জি এন্টাৰ প্ৰাইজৰ স্বত্বাধিকাৰী আবু হায়াদ আৰু ছাইদুল ইছলামে ক'লা বজাৰত বিক্ৰী কৰাৰ এক চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে হিতাধিকাৰী ৰাইজে। স্থানীয় একাংশ হিতাধিকাৰী ৰাইজৰ আৰটিআইৰ তথ্যত এই ছোলাৰ কেলেংকাৰিৰ বহু বিস্ফোৰক তথ্য ফাদিল হৈছে। জানিব পৰা মতে, কাছুমাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত পূব আণ্ডাভাঙা, হলংগাপাৰা, শালধাপাৰা, ভেলেঙীমাৰী আৰু ভেলেঙীমাৰী চৰ এই পাঁচখন গাঁৰৰ নামত প্ৰায় ১৪২৫ ছ'লাৰ ছেট বিভাগীয়ভাবে আবন্টন দিয়া হৈছিল ইয়াৰে নাম মাত্ৰ ২৪২টা ছলাৰ গাঁও পঞ্চায়তখনৰ পাঁচখন গাঁওৰ একাংশ হিতাধিকাৰীৰ মাজত বিতৰণ কৰি যাৱতীয় ছ'লাৰ ক'লা বজাৰত বিক্ৰী কৰি চলিত বৰ্ষৰ ৪ ফেব্ৰুৱাৰী মাহত সম্পূৰ্ণ হিতাধিকাৰীৰ মাজত ছ'লাৰ বিতৰণ কৰা শেষ বুলি গাঁওবুঢ়া আৰু ঠিকাদাৰগৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষক জনাইছে বুলি অভিযোগ উত্থাপিত হৈছে। চৰাঞ্চলৰ দৰিদ্ৰ ৰাইজৰ প্ৰতিটো ঘৰ পোহৰেৰে উজলাবলৈ দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা নামৰ অভিলাসী আঁচনি ৰূপায়ণ কৰিছিল চৰকাৰে আৰু সেই আঁচনিতে একাংশ দুৰ্নীতিপৰায়ণ গাঁওবুঢ়া আৰু বিভাগীয় ঠিকাদাৰে সংঘটিত কৰা এনে ভয়ংকৰ দুৰ্নীতি-অনিয়মৰ ক'লা অধ্যায় ইতিমধ্যেই একাংশ হিতাধিকাৰী ৰাইজৰ আৰটিআইৰ তথ্যত ফাদিল হৈ পৰিছে। চৰাঞ্চলত ছ'লাৰ বিতৰণৰ সমগ্ৰ দুৰ্নীতি-অনিয়ম আৰু কেলেংকাৰিৰ সমগ্ৰ তথ্য ফাদিল হোৱাৰ পিছতে আজি বঞ্চিত কে'বাশতাধিক লোক ৰাজপথলৈ ওলাই আহি স্থানীয় গাঁওবুঢ়া আব্দুল হাই আৰু বিভাগীয় ঠিকাদাৰ ক্ৰমে—আবু হায়াদ মাষ্টাৰ, ছাইদুল ইছলামৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনা সন্দৰ্ভত বঞ্চিত হিতাধিকাৰীয়ে ইতিমধ্যে কাছুমাৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এই সমগ্ৰ কেলেংকাৰিৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি ছ'লাৰ কেলেংকাৰিৰ মাষ্টাৰমাইণ্ড এছ জি এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী আৰু দুৰ্নীতিগ্ৰস্ত গাঁওবুঢ়া আব্দুল হাইক বঞ্চিত হিতাধিকাৰীসকলে তদন্ত সাপেক্ষে শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনাইছে।


NEMCARE Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

ADMISSION OPEN FOR 2022-23

OUR COURSES
- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable


## কৈৱৰ্ত জাগৰণ মঞ্চৰ সিদ্ধান্তৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ অভিযুক্তৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৬ ছেপ্টেম্বৰ ঃ** শিক্ষাবিদ, মায়ামৰা ধৰ্মীয় সম্প্ৰদায়ৰ এগৰাকী সংস্কৃতি সাধক, বৰগাঁও বুঢ়া তথা দিনজয় মায়ামৰা সত্ৰৰ খাটনিয়াৰ গোবিন্দ চন্দ্ৰ দাসে কৈৱৰ্ত সমাজৰ প্ৰতি পিঠি দিয়া এক গুৰুতৰ অভিযোগ আনি কৈৱৰ্ত জাগৰণ মঞ্চই কৈৱৰ্ত সমাজৰ যিকোনো সামাজিক অনুষ্ঠানত অংশগ্ৰহণৰ পৰা বিৰত ৰখাৰ সিদ্ধান্তৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। কালি সন্ধিয়া পানীএৰা গাঁৰৰ নিজা বাসগৃহত এখন সংবাদ মেল আয়োজন কৰি সাংবাদিকসকলক সম্বোধন কৰি কয় যে কৈৱৰ্ত জাগৰণ মঞ্চই মৰিছা গাঁৰৰ বৰনামঘৰৰ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাত একপক্ষীয় সিদ্ধান্তৰ বলি হোৱা বুলি কৈ মায়ামৰা দিনজয় সত্ৰৰ সৈতে কৈৱৰ্ত সমাজৰ যি সাতামপুৰুষীয়া সম্পৰ্ক তাক এচাম লোকে বিঘ্নিত কৰাৰ এক কৌশল ৰচনা কৰা বুলি সংবাদ মেলখনত উল্লেখ কৰে। মানসিকভাৱে ভাগি পৰা আশীৰোৰ্ধ্বৰ বৃদ্ধগৰাকীয়ে কয় যে ১৯৬৯ চনৰে পৰা দিনজয় মায়ামৰা সত্ৰৰ লগত জড়িত থাকি সেই সত্ৰতে ভজন আৰু বৰগাঁও বুঢ়া হৈ লগতে বৰ্তমানে সত্ৰখনত সত্ৰ উন্নয়ন আৰু পৰিচালনা সমিতিৰ সৈতেও জড়িত থকাৰ উপৰি সত্ৰখনত বাৰ বৈষ্ণৱৰ এজনৰ দায়িত্ব বহণ কৰি বৰপঞ্চ কৈৱৰ্ত সমাজখনক গৌৰৱান্বিতহে কৰিছে বুলিহে উল্লেখ কৰে সংবাদ মেলত দাসদেৱে। তেওঁ কৈৱৰ্ত সমাজক পিঠি দিয়া অভিযোগক পোনছাতে নস্যাৎ কৰি কৈৱৰ্ত সমাজৰ যিকোনো অনুষ্ঠান-পাৰ্বণত নিয়মীয়া উপস্থিত থকাৰ উপৰিও কৈৱৰ্ত সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক সকলোধৰণৰ সহায়-সহযোগিতা কৰি আহিছে বুলি মত প্ৰকাশ কৰে। উল্লেখ্য যে এই বৰ্ষৰ ২০ আগষ্টত অসমৰ ব্যক্তিগত এটি সংবাদ মাধ্যমত বাতৰিত সম্প্ৰচাৰ হোৱা এটা বাতৰিত শ্ৰীশ্ৰী মায়ামৰা দিনজয় সত্ৰৰ সত্ৰাধিকাৰ মুকুন্দানন্দ গোস্বামীয়ে কৈৱৰ্ত সমাজক লৈ কৰা এক তীৰ্যক আৰু অপমানসূচক বাক্যৰে তুচ্ছ-তাচ্ছিল্য কৰাৰ প্ৰতিবাদকল্পে ২১ আগষ্টত দিনজয় সত্ৰৰ কৈৱৰ্ত কুলৰ নামঘৰত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাৰ সিদ্ধান্তমৰ্মে ৪ ছেপ্টেম্বৰত মৰিছা গাঁৰৰ পোহৰসন্ধানী শিল্পী সমাজৰ প্ৰেক্ষাগৃহত দিনজয় সত্ৰ বৰ্জনৰ সন্দৰ্ভত এখনি বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। কিন্তু উক্ত সভাৰ মূল বিষয়ৰ সন্দৰ্ভত কোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ বিপৰীতে উক্ত ৰাজহুৱা সভাই পানীএৰা গাঁৰৰ একমাত্ৰ গাঁওবুঢ়া তথা দিনজয় সত্ৰৰ খাটনিয়াৰ, বিশিষ্ট সংস্কৃত সাধক গোবিন্দ চন্দ্ৰ দাসক কৈৱৰ্ত সমাজৰ কোনোধৰণৰ কাম-কাজ নতুৱা সবাহত অংশগ্ৰহণ কৰাৰ পৰা বিৰত ৰখাৰহে সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাত দাসদেৱ উপস্থিত নথকাৰ বাবেই নিজ কুলটোৰ প্ৰতি পিঠি দিয়াৰ অভিযোগ আনি মায়ামৰা দিনজয় সত্ৰৰ বিতৰ্কিত বিষয়টো যেতিয়ালৈকে প্ৰশাসনে তদন্ত আৰু অনুসন্ধানৰ জৰিয়তে সত্য-সত্যতা নিৰূপণ নোহোৱা পৰ্যন্ত গোবিন্দ চন্দ্ৰ দাসক কৈৱৰ্ত সমাজৰ সকলোধৰণৰ অনুষ্ঠানৰ পৰা বৰ্জন কৰে। অৱশ্যে এইগৰাকী সংস্কৃতিৱান পুৰুষৰ বিৰুদ্ধে সদ্যহতে যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাক বৃহত্তৰ চাবুৱা অঞ্চলৰ বিদ্বৎ সমাজে বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে এয়া দুৰ্ভাগ্যজনক আখ্যা দিছে।


**সাময়িক তত্বাৱধান কৰা আৰু বিফলতাবোৰত মনোযোগ দিয়া**

**ই-নিবিদা নং. ঃ এছএনটি-৩০-এলএমজি-২০২২-২৩, তাৰিখ ঃ** ১৫-০৯-২০২২; নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **কামৰ নাম ঃ** এছএছই/চিগ/হিল/লামডিঙৰ অধীনত ০৩(তিনি) বছৰৰ বাবে মান্দেৰডিসা-দামছড়া শাখাত ৩৪টা ১৫কেভিএ কিৰ্লোস্কাৰ গ্ৰীন ডিজি ছেটৰ সাময়িক তত্বাৱধান কৰা আৰু বিফলতাবোৰত মনোযোগ দিয়া। **নিবিদা মূল্য ঃ** ৪৯,১২,৩৩৪.০১ টকা; **আমানত ধন ঃ** ৯৮,৩০০/- টকা; নিবিদাৰ **বন্ধৰ** তাৰিখ আৰু সময় ০৭-১০-২০২২ৰ **১৫:০০** ঘণ্টাত আৰু **মুকলিৰ ১৫:৩০** ঘণ্টাত। বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি ৱেবছাইট **www.ireps.gov.in**ত চাওক।

**ডিএছটিই, লামডিং**
**উত্তৰ-পূব সীমান্ত ৰে'লৱে**
হাঁহিমুখে গ্ৰাহকৰ সেৱাত


### পাগলাহাটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জুমুঠি দাহ আক্ৰাছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম জনগোষ্ঠী তথা ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰে প্ৰতাৰণা কৰাৰ প্ৰতিবাদত আজি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ধুবুৰী জিলা সমিতিয়ে পাগলাহাট বজাৰৰ ধুবুৰী-কচুগাঁও গড়কাপ্তানি পথত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ জুমুঠি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে । আক্ৰাছুৰ ধুবুৰী জিলা সমিতিৰ সভাপতি মুকুল ৰায়ৰ নেতৃত্বত আক্ৰাছুৰ শতাধিক নেতা-কৰ্মীয়ে আজি ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত পাগলাহাট বজাৰত সমবেতহৈ নোএছ টি নো ৰেষ্ট, এছ টি আমাৰ ন্যায্য দাবী, অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়, আদি প্ৰতিবাদী শ্ল'গানেৰে এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰি প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ জুমুঠি দাহ কৰে। উল্লেখ্য যে অসমৰ ছয় জনগোষ্ঠীৰ লগতে কোচ-ৰাজবংশী জনগোষ্ঠীক বঞ্চিত কৰি বুধবাৰে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটত ৫ ৰাজ্যৰ ১২ জনগোষ্ঠীক জনজাতিকৰণৰ অনুমোদন জনাইছিল। ফলত অসমৰ মৰাণ, মটক, টাই আহোম, চুতীয়া, আদিবাসী আৰু কোচ-ৰাজবংশী জনগোষ্ঠীয় সংগঠনসমূহ জাঙুৰ খাই উঠি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে।


केनरा बैंक Canara Bank
भारत सरकार का उपक्रम · A Government of India Undertaking
सिंडिकेट Syndicate

**দখলৰ জাননী**
(স্থাৱৰ সম্পত্তিৰ বাবে)

**আঞ্চলিক কাৰ্যালয়, গুৱাহাটী**
**দ্বিতীয় মহলা, মেফেয়াৰ বিল্ডিং, জ্যোতিকুছি, হনুমান মন্দিৰৰ বিপৰীতে, লখৰা ৰোড, গুৱাহাটী, পিন-৭৮১০৩৪, অসম**

যিহেতু, তলত স্বাক্ষৰদানকাৰী কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়া, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল অছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (২০০২ ৰ আইন- ৫৪) আৰু ধাৰা ১৩(১২) ক্ষমতা প্ৰয়োগ কৰি আৰু পঢ়ি উঠি ৰুল-৩ ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতালৈ যাতে জাননীত উল্লেখিত ধনৰাশি পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। একাউণ্টৰ সবিশেষ তলত উল্লেখ কৰা ধৰণে ঃ-

ঋণ লওতাই এই ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ'ল, সেয়েহে এই জাননীৰ জৰিয়তে ঋণ লওতা আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে তলত স্বাক্ষৰকাৰীয়ে তলত বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা ১৩(৪) প্ৰয়োগ কৰি, পঢ়ি উঠি বিধি- ৮ আৰু ৯ অনুসৰি, তলত উল্লেখ কৰা তাৰিখত তেওঁলোকৰ নামৰ বিপৰীতে।

ঋণ লওতাক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক ইয়াৰ জৰিয়তে অৱগত কৰা হ'ল যে উক্ত সম্পত্তি বিষয়ত যাতে লেনদেন নকৰে। অন্যথা কানাড়া বেংকৰ সংশ্লিষ্ট শাখাত পৰিশোধ কৰিব লাগিব তলত উল্লেখ কৰা ধৰণে আদায় দিবলৈ থকা ধন আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ।

আইনৰ ধাৰা ১৩(৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

| ক) ঋণ লওতা/ গেৰাণ্টাৰ/ মৰ্টগেজৰৰ নাম খ) শাখাৰ নাম | দাবী জাননীৰ তাৰিখৰ ভিত্তিত অনাদায় ধনৰ পৰিমাণ | ক) দাবী জাননীৰ তাৰিখ খ) দখলৰ তাৰিখ | বেংকত বন্ধকী থকা সম্পদৰ সবিশেষ |
|---|---|---|---|
| ক) শ্ৰী জিতেন্দ্ৰ ডেকা, স্বত্ত্বাধিকাৰীঃ মেচাৰ্ছ কে আই ডি চি ক্ৰুছাৰ (খ) নলবাৰী | ৮৮,৪১,৩৭৮.১০ টকা (অষ্টাশী লাখ একচল্লিছ হেজাৰ তিনিশ আঠসত্তৰ টকা দহ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০১.০৭.২০২২ খ) ১৫.০৯.২০২২ | **সম্পত্তি নং ১ ঃ** ভূমিৰ ই এম টি সহ নামত আছে শ্ৰী জোতিষ ডেকাৰ, পট্টা নং- ১৯, দাগ নং-১০২৩ আৰু ১০২৪। অৱস্থিত আছে গাঁও নং- ০১, নাথকুছি, ডাকঘৰ- টিহু, মৌজা- নমাটি, জিলা- নলবাৰী (অসম)। ভূমিৰ পৰিমাপঃ ৪ বিঘা-০কঠা-০লেচা। এল এছ আৰ অনুসৰি চাৰিসীমা ঃ উত্তৰে- এন এইচ ৩১, দক্ষিণে ঃ স্বৰ্গীয় ধৰণী বড়ো, পূবে ঃ মঃ আৰ্ফাজ আলী, পশ্চিমে ঃ স্বৰ্গীয় ৰত্নেশ্বৰ দাস। |
| ক) শ্ৰী জিতেন্দ্ৰ ডেকা, স্বত্ত্বাধিকাৰীঃ মেচাৰ্ছ কে আই ডি চি (খ) নলবাৰী | ২,৮৯,৫০,২৪০.৬৯ টকা (দুই কোটি উনানব্বৈ লাখ পঞ্চাছ হেজাৰ দুশ চল্লিছ টকা উনাসত্তৰ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০১.০৭.২০২২ খ) ১৫.০৯.২০২২ | **সম্পত্তি নং ২ ঃ** ভূমিৰ ই এম টি সহ এটা অসম আৰ্হিৰ ঘৰ আৰু এটা আৰ চি চি বিল্ডিং, অৱস্থিত আছে ৱাৰ্ড নং ১, টিহু (সৰ্বেশ্বৰ দাস জুনিয়ৰ কলেজৰ বিপৰীতে), নগৰ আৰু ডাকঘৰঃ টিহু, জিলা- নলবাৰী (অসম)। ভূমিৰ পৰিমাপঃ ০ বিঘা-০১কঠা-৪লেচা। আৰবি আছে দাগ নং ঃ ৬৫ আৰু পট্টা নংঃ ১১৫ (কে. পি.)। সম্পদৰ স্বত্তাধিকাৰী হ'ল জোতিষ ডেকা, শ্ৰী জিতেন্দ্ৰ ডেকাৰ পিতা। এল এছ আৰ অনুসৰি চাৰিসীমাঃ উত্তৰে- গুৰুচৰণ ডেকা আৰু কালীচৰণ ডেকা, দক্ষিণে ঃ টিহু নদী, পূবে ঃ ধৰণী ডেকা, পশ্চিমে ঃ টিহু ফিদাৰ ৰোড।<br>**সম্পত্তি নং ৩ ঃ** ভূমিৰ ই এম টি সহ পট্টা নংঃ ১৮৯, ২০৬, ২৩৬; দাগ নংঃ ৩১৭, ৩১৮, ৩১৯। ভূমিৰ পৰিমাপ ঃ ০১ বিঘা- ০২ কঠা- ০.৫ লেচা। নামত আছে বিভুতি ডেকাৰ। এল এছ আৰ অনুসৰি চাৰিসীমাঃ উত্তৰে- নিলিমা মেধি, দক্ষিণে ঃ ৰমণি শৰ্মা আৰু হেম শৰ্মা, পূবে ঃ বাসুদেৱ শৰ্মা, পশ্চিমে ঃ টিহু ফিদাৰ ৰোড।<br>**সম্পত্তি নং ৪ ঃ** ভূমিৰ ই এম টি সহ পট্টা নংঃ ৩৩৮, দাগ নংঃ ২৮০। ভূমিৰ পৰিমাপ ঃ ০ বিঘা- ০৩ কঠা- ৫.৫ লেচা। নামত আছে শ্ৰী বিভুতি ডেকাৰ। এল এছ আৰ অনুসৰি চাৰিসীমাঃ উত্তৰে- স্বৰ্গীয় খগেন্দ্ৰ কলিতা, দক্ষিণে ঃ লক্ষীকান্ত গোস্বামী, পূবে ঃ টিহু ফিদাৰ ৰোড, পশ্চিমে ঃ লক্ষীকান্ত গোস্বামী। |
| ক) শ্ৰী অনুপ তালুকদাৰ, স্বত্ত্বাধিকাৰী ঃ মেচাৰ্ছ অনুপ ব্ৰীক ইণ্ডাষ্ট্ৰী (খ) পাঠশালা | ৪৫,০৫,১৪২.০৯ টকা (পঞ্চল্লিছ লাখ পাঁচ হেজাৰ এশ বিয়াল্লিছ টকা ন পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০৬.০৭.২০২২ খ) ১৫.০৯.২০২২ | ভূমিৰ ই এম টি সহ পৰিমাপ হ'লঃ ০ বিঘা- ০৩ কঠা- ০ লেচা। আৰবি আছে দাগ নংঃ ৭১২, এন. কে. পট্টা নংঃ ২৮। অৱস্থিত আছে গাঁওঃ মুগুৰীয়া, মৌজাঃ উত্তৰ বজালী, জিলাঃ বৰপেটা (অসম) নামত আছে শ্ৰীমতী অনিমা তালুকদাৰৰ (এল এছ আৰ অনুসৰি)। এল এছ আৰ অনুসৰি চাৰিসীমাঃ উত্তৰে- ৰবীন মেধি, দক্ষিণে ঃ উপেন আৰু দশৰথ তালুকদাৰ, পূবে ঃ বাসন্তী প্ৰিয়া, পশ্চিমে ঃ অঞ্জলি চৌধুৰী। |
| ক) শ্ৰীমতী পুৰৱী কলিতা, (খ) ৰঙিয়া | ২৮,১৮,৬৫০.৩৬ টকা (আঠাইছ লাখ ওঠৰ হেজাৰ ছশ পঞ্চাছ টকা চয়ত্ৰিশ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ২০.০৬.২০২২ খ) ১৫.০৯.২০২২ | ভূমিৰ এটা প্লট, পৰিমাপ হ'ল ঃ ০ বি- ১ কে- ১০ লে। আৰবি আছে দাগ নংঃ ৭৬৫, কে. পি. পট্টা নংঃ ৮৬, অৱস্থিত আছে গাঁওঃ বালিসত্ৰ, মৌজাঃ পশ্চিম বড়িগোগ, থানাঃ কায়া কামৰূপ, অসম। নামত আছে শ্ৰী হৰেণ কলিতাৰ (এল এছ আৰ অনুসৰি)। **চাৰিসীমা ঃ**<br>**দলিল নংঃ ৬৯১/০৭ (কালি ১ কঠা)** উত্তৰেঃ সমীন দাস, দক্ষিণেঃ উমেশ দাস, পূবেঃ উমেশ কুমাৰ, পশ্চিমেঃ পথ।<br>**চুক্তি নংঃ ৬৯০/০৭ (কালি ১০ লেচা)** উত্তৰেঃ সমীন দাস, দক্ষিণেঃ নাৰায়ণ, পূবেঃ নাৰে কুমাৰ, পশ্চিমেঃ পথ। |

**তাৰিখ ঃ ১৫.০৯.২০২২, স্থান ঃ গুৱাহাটী** — **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**



बैंक ऑफ़ बड़ौदा Bank of Baroda

**বৰঘাট শাখা, তেজপুৰ**
**এম. ডি. ৰোড, ঈদগাহ ময়দানৰ ওচৰত, তেজপুৰ, জিলা ঃ শোণিতপুৰ, অসম-৭৮৪০০১**
**ই-মেইল ঃ** borgha@bankofbaroda.co.in

**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰী জাননী**
**পৰিশিষ্ট-IV-A [ৰুল ৬ (২) আৰু ৮ (৬) ৰ অনুবিধি চাওঁক]**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলৱৎকৰণ আইন, ২০০২ ৰ সৈতে প্ৰতিভূতি স্বাৰ্থৰ (বলৱৎকৰণ) নিয়মাৱলী- ২০০২ ৰ নিয়ম ৬(২) আৰু ৮ (৬) ৰ অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ, **বেংক অফ বৰোদা, বৰঘাট শাখা, তেজপুৰ, অসমৰ** ওচৰত বন্ধকীকৃত/ নিৰিখত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহ **বেংক অফ বৰোদা, বৰঘাট শাখা, তেজপুৰ, অসম** চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা অধিগ্ৰহণ কৰা হৈছে আৰু নিম্ন উল্লেখিত এমাউণ্টসমূহৰ পুনৰ আদায়ৰ বাবে **"য'ত আছে", "যি আছে" আৰু "যেনে আছে"** তেনেই বিক্ৰী কৰা হ'ব। ঋণীসকল/ জামিনদাৰসকল/ সুৰক্ষিত সম্পদসমূহ/ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে—

**দখলৰ স্থিতি ঃ** কায়িক।

**সম্পদ পৰ্যবেক্ষণৰ তাৰিখ আৰু সময় ঃ** ১৮.১০.২০২২, পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.০০বজালৈ।

**মুঠ আদায় দিব লগা পৰিমাণ ঃ** ৩,৮৪,৬৩,৫০৮.৫০ টকা (তিনি কোটি চৌৰাশি লাখ তেষষ্ঠি হাজাৰ পাঁচশ আঠ টকা পঞ্চাছ পইচা) তাৰিখ ২২.০৭.২০২২ৰ ভিত্তিত আৰু লগতে সুত আৰু তাৰ ওপৰত অন্যান্য মাচুলসমূহ।

| ক্ৰ/ নং | ঋণ লওতা/ গেৰাণ্টাৰৰ নাম আৰু ঠিকনা | জ্ঞাত দায়বদ্ধতাৰ সৈতে স্থাৱৰ সম্পত্তিৰ বিশদ বিৱৰণ | ই-নিলামৰ তাৰিখ আৰু সময় | সংৰক্ষিত মূল্য, ই এম ডি পৰিমাণ, বিড ইনক্ৰিমেণ্ট পৰিমাণ |
|---|---|---|---|---|
| ১ | ১. **মেচাৰ্ছ এছ. এম. এছচিয়েটচ** স্বত্তাধিকাৰী ঃ শ্ৰী সীমান্ত শইকীয়া আৰু শ্ৰীমতী মিনা শইকীয়া হলেশ্বৰ, এন এইচ ৫২, বৰঝাৰ গাঁও, ডাকঘৰ ঃ তেজপুৰ, জিলা ঃ শোণিতপুৰ,অসম-৭৮৪০০১<br>২. **মেচাৰ্ছ গাভৰু এণ্টাৰপ্ৰাইজ** স্বত্তাধিকাৰীঃ শ্ৰী সীমান্ত শইকীয়া হলেশ্বৰ, এন এইচ ৫২, বৰঝাৰ গাঁও, ডাকঘৰ ঃ তেজপুৰ, জিলাঃ শোণিতপুৰ,অসম-৭৮৪০০১<br>৩. **শ্ৰীমতী মিনা শইকীয়া** স্বামী ঃ শ্ৰী সীমান্ত শইকীয়া হলেশ্বৰ, এন এইচ ৫২, বৰঝাৰ গাঁও, ডাকঘৰ ঃ তেজপুৰ, জিলা ঃ শোণিতপুৰ, অসম-৭৮৪০০১ | ভূমিৰ সকলো অংশ আৰু বিল্ডিং, পৰিমাপ হ'ল ৩ কঠা, আৰবি আছে পট্টা নংঃ ৮৬, দাগ নংঃ ৪৪, অৱস্থিত আছে গাওঁ- বৰঝাৰ উদমাৰী হলেশ্বৰ, মৌজা-হলেশ্বৰ, ডাকঘৰ - হলেশ্বৰ, থানা- তেজপুৰ, জিলা- শোণিতপুৰ, অসম। চাৰিসীমা তলত দিয়া ধৰণে ঃ<br>পূৱে ঃ শ্ৰীমতী পুতুল কটকী।<br>পশ্চিমে ঃ এন এইচ- ৫২<br>উত্তৰে ঃ সুৰেণ বণীয়া।<br>দক্ষিণে ঃ তৰুণ ডেকা। | ২১.১০.২০২২, দিনৰ ১.০০ বজাৰ পৰা ৩.০০ বজালৈ | ১,৪০,৪০,০০০.০০ টকা<br>১৪,০৪,০০০.০০ টকা<br>১,০০,০০০.০০ টকা |

বিক্ৰীৰ বিশদ নিয়ম আৰু চৰ্তাৱলীৰ বাবে, অনুগ্ৰহ কৰি https://www.bankofbaroda.in/e-auction.htm আৰু https://ibapi.in ত দিয়া লিংক চাওঁক।

**তাৰিখ ঃ ১৭.০৯.২০২২**
**স্থান ঃ তেজপুৰ**

**অনুমোদিত বিষয়া**
**বেংক অফ বৰোদা, বৰঘাট শাখা, তেজপুৰ**

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৭ ছেপ্টেম্বৰ ■ ২০২২ ■ ৩১ ভাদ

# আদিবাসী বিদ্ৰোহী সংগঠনৰে দিল্লীত শান্তি চুক্তি স্বাক্ষৰ

আদিবাসীসকলৰ উত্তৰণৰ দিশত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতিৰে দিল্লীত আঠটা আদিবাসী বিদ্ৰোহী সংগঠনৰ সৈতে সম্পাদিত হ'ল শান্তি চুক্তি। অসম চৰকাৰ আৰু আদিবাসী সংগঠনৰ মাজত এই ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি অসমৰ আদিবাসী লোকসকলৰ বাবে আদিবাসী কল্যাণ আৰু বিকাশ পৰিষদ গঠন কৰা হ'ব। তাৰ বাবে ১০০০ কোটি টকাৰ পেকেজৰ লগতে ভাষা-সংস্কৃতি সুৰক্ষা আৰু উত্তৰণৰ দিশ প্ৰজ্বোলিত কৰাৰ আশ্বাস। এই পৰিষদৰ দ্বাৰা ৰাজনৈতিক, অৰ্থনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাকে ধৰি আদিবাসী বসতি প্ৰধান অঞ্চলৰ ক্ষিপ্ৰ উন্নয়ন আৰু বিকাশ সুনিশ্চিত কৰা হ'ব। এই পৰিষদৰ মুখ্য কাৰ্যালয় গুৱাহাটীত হ'ব আৰু সুবিধাজনক ঠাইত মাণ্ডলিক কাৰ্যালয় স্থাপন হ'ব পাঁচবছৰীয়া কাৰ্যকালৰে পৰিষদৰ সদস্যসকলক ৰাজ্য চৰকাৰে নিৰ্বাচন কৰিব আৰু সকলো আদিবাসী সম্প্ৰদায়ৰ আৰু সকলো এলেকাত প্ৰতিনিধিত্ব ইয়াত নিশ্চিত কৰা হ'ব। প্ৰাৰম্ভিক অৱস্থাত চুক্তি মতে বিদ্ৰোহী সংগঠনৰ নেতৃত্বৰ এবছৰৰ বাবে অন্তৰ্বৰ্তীকালীন পৰিষদ গঠন কৰা হ'ব আৰু এই পৰিষদৰ পৰামৰ্শ অনুসৰি চৰকাৰে আদিবাসী বসতিপ্ৰধান অঞ্চল উন্নয়ন কাৰণে প্ৰয়োজনীয় পুঁজি আগবঢ়াব। ইফালে অনুসূচিত জনজাতিৰ মৰ্যাদা বিচাৰি আদিবাসীসকলে দীৰ্ঘদিন ধৰি জনাই অহা দাবীৰ লগতো এটা দফা সন্নিবিষ্ট কৰা হৈছে যে শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ পিছত জনজাতিকৰণৰ এই প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰাৰ কাৰণে ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে প্ৰয়াস কৰিব। ইয়াৰ উপৰি এইকেশটা সম্প্ৰদায়ৰ অনুসূচিত জাতিৰ মৰ্যাদাৰ বিষয়টো ৰাজ্য চৰকাৰে কেন্দ্ৰলৈ প্ৰেৰণ কৰিব বুলি চুক্তিত উল্লেখ আছে। ইফালে উন্নয়নৰ ক্ষেত্ৰত এই চুক্তি অনুসৰি আদিবাসী বসতি প্ৰধান অঞ্চল উন্নয়ন আৰু বিকাশৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰতিবছৰে এশ কোটিৰ বিশেষ পেকেজেৰে শিক্ষা, ক্ৰীড়া, চিকিৎসাকে ধৰি বিভিন্ন আঁচনি গ্ৰহণ কৰিব। ৰাজ্য চৰকাৰে আদিবাসী কল্যাণ আৰু বিকাশ পৰিষদৰ সৈতে আলোচনা কৰি প্ৰকল্প অনুমোদন জনাব। এইক্ষেত্ৰত শিক্ষাৰ বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে তিনিচুকীয়া, গোলাঘাট, শোণিতপুৰ, ওদালগুৰি, বাক্সা, কাৰ্বি আংলং, চিৰাং আৰু কোকৰাঝাৰ জিলাত উচ্চতৰ মাধ্যমিকলৈ থকা আদৰ্শ বিদ্যালয় স্থাপন কৰিব। তদুপৰি যুৱক-যুৱতীৰ বাবে দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন কৰা হ'ব। লগতে শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰিব। আনহাতে, সশস্ত্ৰ বিদ্ৰোহী আদিবাসী সংগঠনৰ যোগ্য সদস্য আৰু আদিবাসী যুৱক-যুৱতীৰ কাৰণে সেনা, অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষী বাহিনীত নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত কৰিব। ইয়াৰ উপৰি আদিবাসী আৰু চাহ বাগানৰ লোকসকলক চাহ কোম্পানী বা বাগানসমূহে যাতে নিজৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অন্তৰ্ভুক্ত কৰে, তাৰ কাৰণে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। লগতে বিদ্ৰোহী সংগঠনৰ সদস্যৰ বিৰুদ্ধে থকা গোচৰ প্ৰত্যাহাৰ আৰু গুৰুতৰ গোচৰসমূহ পুনৰীক্ষণ কৰা হ'ব। লগতে পুনৰ সংস্থাপনৰ ক্ষেত্ৰত এককালীন সাহায্যকে ধৰি প্ৰয়োজনীয় ব্যৱস্থা কৰা হ'ব। ইয়াৰ লগতে ১৯৯৬, ৯৮ আৰু ২০১৪ৰ গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্ত হোৱা লোকক ৰাজ্য চৰকাৰে এক লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰিব। ভূমিৰ অধিকাৰ চাহ জনগোষ্ঠী আৰু সংস্থাসমূহৰ ভূমি অধিকাৰ সুৰক্ষিত কৰিব। তদুপৰি চাহ শ্ৰমিকৰ সমস্যা দূৰ কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই চুক্তি অনুসৰি বিদ্ৰোহী সংগঠনৰ সদস্যই আত্মসমৰ্পণ আৰু অস্ত্ৰ-শস্ত্ৰ চৰকাৰক জমা দিব। চুক্তিত যিবোৰ দফা উল্লেখ আছে আৰু তাক ৰূপায়ণ কৰি আদিবাসীৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি অধিকাৰ নিশ্চিত হ'ব আৰু প্ৰথমবাৰৰ বাবে স্বীকৃতি আৰু সুকীয়া পৰিচয় লাভ কৰিব। এই শান্তি চুক্তিয়ে অসমৰ আদিবাসী সমাজৰ আশা পূৰণ কৰিব। অসমৰ আদিবাসী সমাজৰ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামখন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি স্বাক্ষৰ হৈছে। আদিবাসী সমাজৰ নিপীড়িত লোকসকলৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবেই এদিন সমাজৰ হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামত বহু যুৱক-যুৱতী, নিৰীহ লোকে মৃত্যুবৰণ কৰে, সন্তান হেৰুৱায়। আনকি সতীত্ব হেৰুৱাবলগীয়া হৈছিল। আটাইবোৰ সশস্ত্ৰ সংগঠনে সমাজক এক ন্যায় দিয়াৰ চেষ্টা কৰিব লাগে। আদিবাসী সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকসকলৰ অধিকাৰ প্ৰতিষ্ঠাৰ স্বাৰ্থত সদায় কাম কৰি গ'লেহে চুক্তিখনৰ সফলতা নিৰ্ভৰ কৰিব। তাৰ বাবে জনসাধাৰণেও চৰকাৰক সহযোগ কৰিব লাগিব, তেতিয়াহে আদিবাসী সমাজৰ কল্যাণ আৰু উন্নতি আশা কৰিব পৰা যাব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### বিশ্বকৰ্মা ঃ দেৱতাৰ খনিকৰ

বিশ্বকৰ্মা দেৱ-দেৱতাসকলৰ ভিতৰত খনিকৰ হিচাপে স্বীকৃত। সৰ্বজনবিদিত যে, বিশ্বকৰ্মা সৃষ্টিশীলতাত পাকৈত। বিশ্বকৰ্মা ভগৱান বিষ্ণুৰ পুত্ৰ। বিশ্ব মানে জগত আৰু কৰ্ম মানে সৃষ্টি অৰ্থাৎ সৃষ্টিকৰ্তাই জগতখনৰ পৰিচালক, বিশ্বকৰ্মা। অতিজৰে পৰা হিন্দু ধৰ্মাৱলম্বী লোক সকলে কৌটি কৌটি দেৱ-দেৱীক পূজা অৰ্চনা কৰি আহিছে। যেনেদৰে, বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী, শক্তিৰ দেৱী দুৰ্গা, আৰু ঠিক তেনেদৰে ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী ইতাদ্দিৰ দৰে খনিকৰ তথা কাৰিকৰ,নিৰ্মান কাৰ্যৰ সৰ্বেসেৱা হ'ল বিশ্বকৰ্মা।ঔদ্যোগিক প্ৰতিষ্ঠান, ব্যৱসায়-বাণিজ্য, লগতে শিক্ষা প্ৰতিষ্ঠান সমূহত বিশ্ব কৰ্মাৰ পূজা ভাগ কৰা হয়; যদিওঁ আজি কালি সাম্প্ৰতিক সময়ত ব্যক্তিগতভাৱে মানুহৰ নিজৰ নিজৰ ঘৰতো বিশ্বকৰ্মা পূজা উৎযাপন কৰা হয়। এই সৃষ্টিকৰ্তাৰ পূজা প্ৰতিবছৰে ভাদ মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয়।

বিশ্ব কৰ্মা পূজা আমাৰ ভাৰতবৰ্ষত দুটা ভিন্ন ৰূপত পালন কৰা হয়। উত্তৰ ভাৰতত বৃদ্ধ বিশ্বকৰ্মা, বাহন হৈছে ৰাজহংস। চাৰি হাতত থাকে যথাক্ৰমে, পানী ভৰ্তি কৰ্মণ্ডলু, জৰী, যন্ত্ৰ-পাতি আৰু আন খনত থাকে শাস্ত্ৰ। আনহাতে, পূব ভাৰতত ডেকা ৰূপত বিশ্ব কৰ্মা পূজা পালন কৰা হয়। বাহন হৈছে হাতী। চাৰি হাতৰ এখনত থাকে তুলাচনী, আনখনত হাতত কুঠাৰ, আন খনত থাকে ধনু, আৰু আন এখনত থাকে এটা হাতুৰী।

বিশেষকৈ বিশ্বকৰ্মা হৈছে, সৃষ্টিকৰ্তাৰ খনিকৰ স্বৰূপ। সেই উদ্দেশ্যে কল-কাৰখানা, শিল্প-উদ্যোগ প্ৰতিষ্ঠান, মটৰ-গেৰেজ আদি প্ৰতিষ্ঠানসমূহত বাৰুকৈয়ে এই উৎসৱ পালন কৰা দেখা যায়। উল্লেখ্য যে, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বিভিন্ন ঠাইত এই উৎসৱ পালন কৰি অহা হৈছে অতিজৰে পৰা। য'ত অজস্ৰ ভক্তৰ ভিৰ কৰা দেখিবলৈ পোৱা যায়। বিশ্বকৰ্মা বিশ্ব খনিকৰ, শিল্প কলা আৰু সু-নিপুণ কলাৰ আৰাধ্য হিন্দু দেৱতা।

**চিন্ময় ডেকা**
*জলাহ, টংলা, ওদালগুৰি*
*ফোন ঃ ৬০০২৬-৬৬৫৯৩*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাৰ নান্দনিক মাদকতা

■ নৱ ডেকা

সীমাহীন জ্যোতিপ্ৰপাতেৰে জ্যোতিৰ্ময় কৰি তুলিবলৈ বিদ্যালয়, মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ছোৱাত প্ৰতি বছৰে ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হোৱা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শ্ৰদ্ধা-ভক্তি উদ্ৰেকাৰী যি অবিস্মৰণীয় নান্দনিক মাদকতা জীৱনজোৱা মন-গহনত উজ্জীৱিত হৈ থাকে সেই একে মাদকতাৰ উত্তাল জোৱাৰৰ পয়োভৰ ঘটে শ্ৰমিক সম্প্ৰদায়ৰ মাজত বিশেষকৈ কাৰিকৰী অনুষ্ঠান-প্ৰতিষ্ঠান, শিল্প-উদ্যোগসমূহত উদ্ যাপিত শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজাত। বিশ্বকৰ্মা পূজা শিল্প - উদ্যোগ প্ৰতিষ্ঠানৰ লগত জড়িত শ্ৰমিক সম্প্ৰদায়ৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ আৰু হেঁপাহৰ জালীকটা দিন। এই বিশেষ দিনটোত কৰ্মক্ষেত্ৰসমূহ তীৰ্থক্ষেত্ৰলৈ পৰ্যবসিত হৈ উঠে । ভক্তিৰসত নিমজ্জিত হ'বলৈ জোনালী সময়। বহু প্ৰতীক্ষিত দিনটোত অনন্ত স্থাপত্যকলাৰ সৃষ্টিকাৰী বিশ্বকৰ্মাৰ শ্ৰীচৰণত পুষ্পাঞ্জলি নিৱেদনেৰে উপাসনা কৰে তেওঁলোকৰ নিজ নিজ ক্ষেত্ৰত উত্তৰণৰ ধ্বজা উৰাবলৈ আৰু যন্ত্ৰ আৰু যন্ত্ৰাংশবোৰৰ কোন কাৰিকৰী বিজুতি নহৈ মসৃণ আৰু সুৰক্ষিতভাৱে যাতে কাৰ্য সম্পাদন হৈ থাকে তাৰে কুশল-মংগলৰ কামনা কৰা হয়। অৰ্থাৎ তেওঁলোকে ব্যৱসায়, প্ৰতিষ্ঠানৰ সফলতাৰ বাবে ভগৱান বিশ্বকৰ্মাৰ আশীৰ্বাদ বিচাৰে আৰু কৰ্মক্ষেত্ৰত দুৰ্ঘটনা বা যিকোনো অপ্ৰীতিকৰ ঘটনাৰ পৰা যাতে মুক্ত হৈ সুৰক্ষিত জীৱন যাপন কৰিব পাৰে তাৰ বাবে প্ৰাৰ্থনা কৰে। এক কথাত কৰ্মক্ষেত্ৰৰ পৰা নেতিবাচক বা অশুভ শক্তি প্ৰতিহত কৰিবলৈ বছৰি বিশ্বকৰ্মা পূজা অনুষ্ঠিত কৰা হয়।

সততে বিশ্বকৰ্মা পূজাক লৈ এক বিশাল প্ৰশ্ন উত্থাপিত হোৱা দৃষ্টিগোচৰ হয়। বিশ্বকৰ্মা পূজাৰ উদ্‌যাপনৰ তাৰিখ আন আন পূজা-পাৰ্বণৰ দৰে সলনি নহৈ প্ৰত্যেক বছৰে ১৭ ছেপ্টেম্বৰৰ দিনা কিয় পালন কৰা হয়? কাচিৎহে ১৮ ছেপ্টেম্বৰত পালন কৰা হয়। দৰাচলতে হিন্দু ধৰ্মাৱলম্বী লোকসকলে বৈদিক যুগৰ পৰা তেত্ৰিশ কোটি দেৱতাক পূজা-অৰ্চনা কৰি আহিছে চান্দ্ৰ বৰ্ষপঞ্জী (Lunar Calendar) আৰু সৌৰ বৰ্ষপঞ্জী (Solar Calendar) নামৰ দুটা জ্যোতিবৈজ্ঞানিক বৰ্ষপঞ্জী অনুসৰি। চন্দ্ৰৰ গতিবিধি ওপৰত নিৰ্ভৰ কৰি চান্দ্ৰ বৰ্ষপঞ্জী নিৰ্ধাৰিত হোৱাৰ বিপৰীতে সূৰ্যৰ স্পষ্ট স্থিতিৰ গতিবিধিৰ আধাৰত সৌৰ বৰ্ষপঞ্জী নিৰ্ধাৰিত হয়। অধিকাংশ উৎসৱ-পাৰ্বণই চান্দ্ৰ বৰ্ষপঞ্জীৰ ওপৰত আধাৰিত আৰু গ্ৰেগৰিয়ান কেলেণ্ডাৰ অনুসৰি বিভিন্ন তাৰিখত অনুষ্ঠিত হয়। আনহাতে, বিশ্বকৰ্মা পূজা, মকৰ সংক্ৰান্তি আদিৰ দৰে আন উৎসৱ আছে যিবোৰ সৌৰ বৰ্ষপঞ্জীৰ ওপৰত আধাৰিত আৰু সেয়েহে গ্ৰেগৰিয়ান কেলেণ্ডাৰ অনুসৰি প্ৰতি বছৰে একে তাৰিখত অনুষ্ঠিত হয়। উল্লেখ যে গ্ৰেগৰিয়ান কেলেণ্ডাৰ বা গ্ৰেগৰিয়ান বৰ্ষপঞ্জী দৰাচলতে এখন সৌৰ পঞ্জিকা। সৌৰ বৰ্ষপঞ্জীৰ দৰে গ্ৰেগৰিয়ান বৰ্ষপঞ্জীত ১ বছৰত ১২ মাহ থাকে। সাধাৰণতে ভাদ মাহৰ শেষৰ দিনটোত অৰ্থাৎ ভাদ-আহিনৰ সংক্ৰান্তিৰ দিনা বিশ্বকৰ্মা পূজা প্ৰচলন হৈ আহিছে। বছৰৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি ভাদ মাহটো এদিন হ্ৰাস-বৃদ্ধি হোৱা অনুসৰি বিশ্বকৰ্মা পূজাৰ দিনটো এদিনৰ সালসলনি ঘটে। ২০১৯ চনত ভাদ মাহৰ শেষৰ দিনাটো ১৮ ছেপ্টেম্বৰত হৈছিল বাবে সেই বছৰ ১৮ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল। এইবাৰ পিছে ভাদৰ সংক্ৰান্তিৰ দিন ১৭ ছেপ্টেম্বৰ, গতিকে বিশ্বকৰ্মা পূজা ১৭ ছেপ্টেম্বৰত উদ্‌যাপিত হ'ব।

স্মৰ্তব্য যে সৃষ্টিৰ মুখ্য অভিযন্তা বুলি বিশ্বকৰ্মাক হিন্দু পুৰাণ মতে গণ্য কৰি অহা হৈছে আৱহমান কালৰ পৰা। বিশ্বাস কৰা হয় যে তেওঁ বিশ্বব্ৰহ্মাণ্ডৰ মৌলিক সৃষ্টিকৰ্তা, চাৰিওটা যুগত ঈশ্বৰৰ বাবে বহুতো চমকপ্ৰদ প্ৰাসাদৰ সৃষ্টিকাৰক। সত্য যুগৰ স্বৰ্গলোক, ত্ৰেতা যুগত লংকা, দ্বাপৰ যুগত শ্ৰীকৃষ্ণৰ মুখ্য স্থান দ্বাৰকা আৰু কলি যুগত পুৰীৰ জগন্নাথ মন্দিৰ তেওঁৰ সুকুমাৰ স্থাপত্যৰ উৎকৃষ্টতম নিদৰ্শন বুলি জনাজাত। জনশ্ৰুতি অনুসৰি ভগৱান বিশ্বকৰ্মাই ভগৱান ব্ৰহ্মাক পৃথিৱী সৃষ্টিত হাত উজান দি সহায়ক কৰিছিল আৰু দেৱতাসকলৰ বাবে বিশেষ বিশেষ অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ কৰিছিল। বিভিন্ন মঠ-মন্দিৰ, নগৰ-চহৰ তেওঁৰ স্থাপত্য কলাৰ উত্তম নিদৰ্শন। কলা, স্থাপত্যবিদ্যা আৰু ভাস্কৰ্যবিদ্যাৰ লগত জড়িত মুখ্য ভগৱানৰূপী এই জন দেৱশিল্পীৰ পূজা অসম, ত্ৰিপুৰা, পশ্চিমবংগ, ওড়িশা, বিহাৰ, ঝাৰখণ্ডৰ দৰে পূব ভাৰতৰ ৰাজ্যসমূহত ব্যাপকভাৱে উদ্‌যাপন হোৱাৰ লগতে উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু কৰ্ণাটকৰ বিভিন্ন জিলাতো উদ্‌যাপিত হৈ আহিছে।

বিশ্বৰ প্ৰথমগৰাকী শিল্পী ব্ৰহ্মাৰ পুত্ৰ বিশ্বকৰ্মা চতুৰ্ভুজা, মুখমণ্ডল গধুৰ দাড়িৰে আৱৰা এজন জ্ঞানী সিদ্ধ পুৰুষ। হস্তীক বাহন হিচাপে গ্ৰহণ কৰা বিশ্বকৰ্মাৰ ওপৰৰ সোঁ আৰু বাঁও হাতত জোখ-মাখ কৰা মিজাৰিং টেপ আৰু স্কেল, এখন কিতাপ আৰু তেওঁৰ তলৰ সোঁ আৰু বাঁও হাতত এটা পাত্ৰ ধৰি থাকে । আসনৰ গম্বুজটোত কেইবাটাও অভিযান্ত্ৰিক সঁজুলিৰ ছবি থকা বিশ্বকৰ্মাৰ চকু আয়ত, দৃষ্টি সূক্ষ্ম আৰু মুখৰ ক্ৰান্তি প্ৰোজ্জ্বল। কল-কাৰখানা, উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত শ্ৰমিক, বনুৱা, কৰ্মচাৰী , বিষয়া সকলোৱে সৰ্বদৰ্শী আৰু সৰ্বজ্ঞ বিশ্বখনিকৰজনৰ মৃন্ময় মূৰ্তি বা ধাতুৰ মূৰ্তিত একনিষ্ঠভাৱে পূজা-অৰ্চনাৰে আৰাধনা কৰি উপাস্য দেৱতাগৰাকীৰ পৰা আশীৰ্বাদ ভিক্ষা কৰা দেখা যায়। ধূপ-দীপ- নৈবেদ্যৰে আধ্যাত্মিক ভাবাৱেশত যথাবিহিত ৰীতি-নীতি অনুসৰি পুৰোহিতে মন্ত্ৰোচ্চাৰণ কৰি বেদীত প্ৰতিষ্ঠিত আৰাধ্য দেৱতাগৰাকীৰ পূজা-অৰ্চনা আৰম্ভ কৰে। ভক্তপ্ৰাণ সকলোৱে অন্তৰত শ্ৰদ্ধাপূৰ্ণ অনুৰাগৰ ছন্দময়ী উন্মেষ ঘটে। ৰভা-পৰলাৰ তলীত উপস্থিত শ্ৰমিক, বনুৱা, কৰ্মচাৰী, বিষয়া সকলো সমন্বিতে এক সমন্বয়ৰ বাংময় পৰিৱেশ সূচনা হয়। মাংগলিক অনুষ্ঠানৰ অন্তত পুষ্পাঞ্জলি প্ৰদান, মাহ-প্ৰসাদ বিতৰণ, পূজাৰ ভোগ খিচিৰি গ্ৰহণ কৰি যি অনাবিল সন্তোষ লাভ কৰে সেয়া ভক্তিসিক্ত ৰাইজৰ বাবে সঁচাকৈ নান্দনিক।

এইখিনিতে উল্লেখ কৰিব পাৰি যে বিশ্বকৰ্মা পূজাৰ আগদিনাখন আৰু সেই দিনাখন উদ্যোগ-



প্ৰতিষ্ঠানৰ শ্ৰমিক-বনুৱা কৰ্মচাৰী - বিষয়া সমন্বিতে চাফ-চিকুণৰ এক অঘোষিত প্ৰতিযোগিতা অনুষ্ঠিত হয়। সকলোৱে নিজ নিজ এলেকাত উপলব্ধ যন্ত্ৰ আৰু যন্ত্ৰাংশ, সঁজুলি আৰু আচ-বাববোৰ, ঘঁহি-পিহি, ধুই-পখালি নিকা-নিৰ্মল কৰিবলৈ বদ্ধপৰিকৰ হয়। প্ৰভুৰ পূজাভাগ সমাপন হোৱাৰ পিছত তেল-সেন্দূৰৰ ফোট চিকুণ যন্ত্ৰ আৰু যন্ত্ৰাংশ, সঁজুলি আৰু আচ-বাববোৰত লগাই কুশল-মংগলৰ লগতে সুৰক্ষাৰ আকাংক্ষা প্ৰবল কৰি তুলিবলৈ অনন্ত আকুতি জন্মায়। সন্ধিয়াৰ ভাগত ভিন্নৰঙী আলোকসজ্জাত মুখৰিত হৈ উঠে পূজা প্ৰাংগণবোৰ। সাধাৰণতে পূজাথলীৰ বাকৰিত অনুষ্ঠিত ওজাপালি, নাগাৰা নাম, ভাওনা, ঢুলীয়া-খুলীয়া, লোকগীত আদিৰ বৰ্ণাঢ্য কাৰ্যসূচীৰ সুৰৰ মাধুৰ্যৰে মন-পৰিমণ্ডলত আধ্যাত্মিক আভা উন্মেষণ ঘটা পৰিলক্ষিত হয়। মুঠৰ ওপৰত শ্ৰমিক-বনুৱা কৰ্মচাৰী-বিষয়া সকলোৰে বাবে সঞ্জীৱনী সুধাস্বৰূপ বিশ্বকৰ্মা পূজা বৰ্তমানৰ দৰেই নিৰৱচ্ছিন্নতা অটুট থকাক, অংগে অংগে মনোৰম শোভা বৰ্ধন কৰক, শ্ৰমিক-বনুৱা, কৰ্মচাৰী-বিষয়াৰ যান্ত্ৰিক জীৱনলৈ মধুময় মহাজ্যোতি বৈ আহক, আধ্যাত্মিক জ্যোৎস্নাৰ ৰূপালী পৰশত অতীত আৰু অনাগত ভৱিষ্যতৰ মাজত যোগসূত্ৰ ৰক্ষা হওক তাৰে বাবে নিখুঁত সৃষ্টিৰ খনিকৰজনৰ শ্ৰীচৰণত নিভৃততম নিবিড় কোণৰ পৰা নিবেদিছোঁ প্ৰণিপাত।

*ফোন ঃ ৭৫৭৬৮-৯৫৯৭০*

# ইঞ্জিনিয়াৰ ৰাজমোহন নাথ



ইঞ্জিনিয়াৰ ৰাজমোহন নাথে প্ৰণয়ন কৰা 'হেণ্ডবুক' খনত চিভিল ইঞ্জিনীয়াৰিং বিভাগৰ যাৱতীয় কথাবোৰ, বিশেষকৈ অসমৰ বানপানী, গড়বন্ধা, মথাউৰি চিগা আদি সমস্যাকালীন জৰুৰী ব্যৱস্থাপনাৰ বাবে লাগতীয়াল বহু কথা, নাওখনৰ গঢ়নৰ প্ৰবাদ-বাক্যকে ধৰি এনে বহুকথা আছিল, যিবোৰ সৰ্বকালৰ বাবে প্ৰযোজ্য...

■ পুলকানন্দ কৌশিক

মই যদিও অভিযন্তা নহয়, কিন্তু দেশৰ এজন বিশিষ্ট অভিযন্তাৰ কথা বিশেষভাৱে জানো। শিৱপুল ইঞ্জিনিয়াৰিঙৰ এজন চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ অত্যুৎসাহী ছাত্ৰই ১৯২০ চনৰ পৰা ১৯২৪ চনলৈ হৰপ্পা খননত সংস্কৃত ভাষাত থকা তেওঁৰ ব্যুৎপত্তিৰ বাবেই ছেগা-চোৰোকাকৈ অংশ লোৱাৰ সুযোগ পাইছিল। তেওঁ ৰাখালদাস বন্দোপাধ্যায়, ননীগোপাল মজুমদাৰ আদি প্ৰত্নতত্ত্ববিদসকলৰ লগত কাম কৰাৰ বিপুল অভিজ্ঞতা লাভ কৰি "A clue to the Indus valley script and civilization" লিখি দেশৰ প্ৰমুখ বিদ্বৎ সমাজৰ দৃষ্টিত পৰিছিল। ইঞ্জিনিয়াৰ হৈয়েই এইজন লোক নিয়োজিত হৈছিল পূৰ্ত বিভাগত, অৰ্থাৎ গড়কাপ্টানী বিভাগত। তেজপুৰত মকৰল হৈয়েই তেওঁ ৰাখালদাস বন্দোপাধ্যায়ৰ লগত গঢ় লোৱা গুৰু-শিষ্য পৰম্পৰাত তেজপুৰৰ দ'-পৰ্বত খননত আত্মনিয়োগ কৰিছিল, ১৯২৬ চনত ইঞ্জিনিয়াৰ ৰাজমোহন নাথে তেজপুৰ দ'-পৰ্বতত এটি সু-প্ৰাচীন শিৱ মন্দিৰৰ এখন শৈলদ্বাৰ খননত উদ্ধাৰ কৰি গুৰুসকলক অসমলৈ আনি এই খননৰ সবিস্তাৰে অৱগত কৰোৱাত তাৎক্ষণিকভাৱে ঢাকা সংগ্ৰহালয়ৰ ওজা সংৰক্ষক শিল্পবিদ নলিনীকান্ত ভট্টশালীক অৱগত কৰোৱাত ৰাখাল বেনাৰ্জী, ননীগোপাল মজুমদাৰ আদি ভাৰতৰ বিখ্যাত প্ৰত্নতাত্ত্বিকসকল তেজপুৰৰ দ'-পৰ্বতৰ খননলৈ ঢাপলি মেলি আহি উদ্ধাৰ হোৱা প্ৰত্ন সম্পদৰ অনুপুঙ্খ অধ্যয়নত ব্ৰতী হোৱাত ইঞ্জিনিয়াৰ ৰাজমোহন নাথক প্ৰত্নতত্ত্বৰ খনন কাৰ্যত দীক্ষা দি আগন্তুক কাললৈ প্ৰস্তুত কৰি তোলে।

সমুদ্ৰগুপ্তৰ সমকালীন 'ডবাক' ৰাজ্যৰ স্থিতি ৰাজমোহন নাথে আৱিষ্কাৰ কৰে। কঠীয়াতলী আমলখি পথ নিৰ্মাণৰ কালত তেওঁ একক প্ৰচেষ্টাৰে প্ৰথম কামত ধৰে।

ৰাজমোহন নাথৰ পত্নী ভাৰতী দেৱী আৰু ৰাজমোহনৰ বৰপুত্ৰ তৰুণ কুমাৰ নাথৰ সুবাদত এসময়ত মই তেওঁলোকৰ ঘৰুৱা এজনৰ দৰে হৈ পৰি প্ৰত্নতত্ত্বৰ দৰে অনুসন্ধানী এটি বিষয়ৰ প্ৰতি আগ্ৰহী হৈ উঠাত, পাছত গৈ ১৯৯৫ চনৰে পৰা খাটি, ঘাটি বিচাৰি ৰাজমোহন নাথৰ লিখাবোৰৰ সন্ধানত ব্ৰতী হ'ব লগা হৈছিল, কাম কৰাৰ সুবিধাৰ্থে মোক ভাৰতী দেৱীয়ে ৰাজমোহন নাথ জন্ম-শতবৰ্ষৰ কালত এটি ন্যাস গঠন কৰি বহু ঠাইত কাম কৰাৰ সুবিধা দিয়ে।

মই ইঞ্জিনিয়াৰসকলৰ মাজত ইঞ্জিনিয়াৰ ৰাজমোহন নাথৰ বিষয়ে কিছু কথা ক'বলৈ পাই বিশেষভাৱে উল্লসিত হোৱা নাই এইবাবেই যে মই নিজে ইঞ্জিনিয়াৰ নহয় আৰু এজন খনিকৰ হিচাপে প্ৰত্নতত্ত্বৰ সামান্য এজন ছাত্ৰ হিচাপে কোনো আনুষ্ঠানিক শিক্ষা নোলোৱাকৈ গুৰু পৰম্পৰাত শিকি কাম কৰি যোৱা, বিশেষকৈ প্ৰত্নতাত্ত্বিক ভগ্ন সম্পদৰ পুনৰ গঠন আদিতেই বিস্তৰ মনোনিৱেশ কৰা এজন সাধাৰণ খনিকৰ লোকহে। যদিও মোৰ চাকৰিটো আছিল গড়কাপ্টানী ৰাস্তাৰ, মই কাৰ্যালয় সহায়ক এজনহে। সদায় ওপৰৱালা ইঞ্জিনিয়াৰ সদয় নাছিল চাকৰি কালত মোৰ প্ৰতি।

বুৰঞ্জী অথবা প্ৰত্নতত্ত্বৰ দৰে বিষয় চৰ্চাৰ প্ৰতি থকা মোৰ অত্যুৎসাহ আৰু আগ্ৰহত ভৰসা পাইহে সদ্যহতে মই ইঞ্জিনিয়াৰ ৰাজমোহন নাথৰ জীৱন, কৰ্ম আৰু সংঘাতৰ কিছু আভাস দিবলৈ প্ৰয়াস কৰিলোঁ।

১৮৯৯ খ্ৰীষ্টাব্দত কাছাৰৰ হাইলাকান্দিত ৰঙ্গাউটি নামৰ গাঁও এখনৰ এঘৰ খুব দুখীয়া লোকৰ ঘৰত জন্ম পোৱা এইজন লোক সৰুতেই 'গৰু চাৰি লৰু হাতে' এখন স্কুলৰ অলিন্দত বহি শিক্ষকৰ পাঠ শুনে আৰু আওৰায়। এদিন স্কুল পৰিদৰ্শন কালত ল'ৰাটো ধৰা পৰিল কেনেকৈ, পৰিদৰ্শকে ছাত্ৰক সোধা প্ৰশ্ন এটি ছাত্ৰই উত্তৰ কাটিব নোৱৰাত ল'ৰাটিয়ে বাহিৰৰ পৰাই যেতিয়া উত্তৰ দিলে, লৰু হাতে গৰু চাৰি ফুৰা উদং গাৰে ল'ৰাটো পৰিদৰ্শকৰ হাতত পৰিল, স্কুলৰ সকলো মাচুল ৰেহাই দি পৰিদৰ্শকে ল'ৰাটিক পঢ়ুওৱাৰ ব্যৱস্থা যি কৰি দিলে, সেয়াই ৰাজমোহন নাথৰ আৰম্ভণি।

মই যিমানদূৰ জানো, ৰাজমোহন নাথেও তেনেকুৱা এঘৰৰ পৰা ল'ৰা এটি আনি নিজৰ লগত ৰাখি পঢ়ুৱাই পণ্ডিত কৰিছিল, পৃথিৱীৰ ভালেমান বৈদেশিক বিশ্ববিদ্যালয়ৰ তেওঁ Visiting professor হৈছিল, মহামহোপাধ্যায় ড° বিশ্বনাৰায়ণ শাস্ত্ৰী তেওঁ, পাঁচবাৰকৈ লখিমপুৰৰ পৰা এম পি হোৱা এজন বিশিষ্ট দেশসেৱক, যাৰ সংস্কৃত ভাষণৰ উত্তৰত তেওঁৰ প্ৰকল্পনা অনুযায়ী ভাৰতবৰ্ষত 'সাহিত্য অকাদেমি' বোলা ৰাষ্ট্ৰীয় সংস্থাৰ জন্ম। ৰাজমোহন নাথৰ জন্মশতবৰ্ষ এই বিশ্বনাৰায়ণ শাস্ত্ৰী নামৰ আঁহতগুৰি আঠঘৰীয়া সত্ৰৰ বিধিগত অধিকাৰ গোসাঁইৰ নেতৃত্বত সদৌ ভাৰতবৰ্ষতে উদ্‌যাপিত হৈছিল আৰু মোক ৰাজমোহন নাথৰ পত্নী ভাৰতী দেৱীয়ে সসন্মানে তাৰে সম্পাদক হিচাপে দায়িত্ব দি শাস্ত্ৰীদেউৰে সৈতে ঘূৰি ফুৰি ভাৰতবৰ্ষ দৰ্শনৰো ব্যৱস্থা কৰালে।

ৰয়েল এছিয়াটিক ছ'চাইটীৰ সুবাদত মোৰ এই মহাযাত্ৰাৰ সাফল্য ১৯৯৯ চনত গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত সমাপ্তি ঘটিল।

ৰাজমোহন নাথৰ পৃষ্ঠপোষক খ্ৰীষ্টিয়ান স্কুল পৰিদৰ্শকজনৰ নাম এই মুহূৰ্তত মোৰ মনত নাই, ৰঙ্গাউটি নামৰ গাঁওখনৰ এই ৰূদ্ৰজ ব্ৰাহ্মণসকল মান ভগনৰ সময়ত উটি-ভাহি গৈ হাইলাকান্দিত থিতাপি লোৱা নগাঁৱৰ ৰহাৰ ওচৰৰ দীঘলদৰী অঞ্চলৰ পৰা উপাঙিত হৈ যোৱা নাথ-যোগী এঘৰ বৰ দুখ দৈন্যত জুৰুলা হোৱা লোক। ১৯২৫ চনত গড়কাপ্টানী বিভাগৰ ইঞ্জিনিয়াৰ হোৱা ৰাজমোহন নাথ গোটেইখন অসমতে চাকৰি সূত্ৰে ভ্ৰমণ কালত সকলো ঠাইৰে ঐতিহ্য খুঁচৰি প্ৰত্নতত্ত্ববিদ হিচাপে খ্যাতি লাভ কৰিছিল। তেওঁ বাংলা মাধ্যমত পঢ়ি কাছাৰত জন্ম লোৱা এজন বিশিষ্ট ইঞ্জিনিয়াৰ, যিয়ে অধীক্ষক অভিযন্তা হিচাপে চাকৰিৰ পৰা অৱসৰ লৈয়েই চানমাৰি গুৱাহাটীত ইঞ্জিনিয়াৰিং ইনষ্টিটিউটত অধ্যক্ষতা কৰে।

১৯৪২ চনত তেওঁ লেখা যিখন Hand-book of Assam Engineers গড়কাপ্টানী বিভাগে প্ৰকাশ কৰিছিল, তাৰেই পৰিপূৰ্ণ ৰূপ হ'ল Nath's handbook of Assam Engineers. এতিয়াও পুথিখন পাবলৈ আছে, মণিপুৰত এতিয়াও চলি আছে। জনামতে চানমাৰিৰ ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ অধ্যক্ষতাৰ সময়ত পুথিখনৰ আধুনিক সংস্কৰণ কৰাৰ সময়ত গোৱালপাৰাৰ শালকোছা নামে ঠাইৰ জমিদাৰ চক্ৰৱৰ্তী এজন ইঞ্জিনিয়াৰ সঞ্জীৱলোচনে পুথিখনিৰ যাৱতীয় চিত্ৰ আদি আঁকি আচাৰ্য ৰাজমোহনক সহায় কৰিছিল।

তত্ত্বদৰ্শী, দৰ্শননিধি, প্ৰত্নতাত্ত্বাচাৰ্য ইত্যাদি বিভূষণেৰে ভূষিত এইজন পণ্ডিত ইঞ্জিনিয়াৰে ঋক বেদৰ ব্যাখ্যা, গ্ৰন্থ প্ৰণয়ন কৰি ইংৰাজী লেখাৰে সন্মান লাভ কৰে। একেদৰে বঙ্গীয় সাহিত্য পৰিষদৰ সভাপতি পদ অলঙ্কৃত কৰে।

অসমত গুৰুচৰিতৰ দৰে গ্ৰন্থ, দুইজনা গুৰুৰ বৰগীতৰ টীকা-ভাষ্য লিখা, Background of Assamese culture লিখা লোকজনক কিন্তু অসমে ইমানখিনি সন্মানতো দূৰেই নাথ-যোগী-কাটনী ঘৰৰ কলীয়া বুলি ঠাট্টাহে কৰে।

এটি চক্ৰ সদায় তেওঁৰ বিৰুদ্ধে অসমত সোচ্চাৰ আছিল, যাৰ বাবে আমি সৰুৰে পৰাই ৰাজ্যিক সংগ্ৰহালয়ত তেওঁ সংগ্ৰহ কৰা আৰু প্ৰাপ্তিস্থান লিখা প্ৰাচীন শৈল শিল্পবোৰ দেখাৰ দৰে আজিকালি সেই ৰাজমোহনৰ নাম লিখিত ফলকবোৰ আৰু নাই।

ৰাজমোহন নাথে বঙ্গালী সম্প্ৰদায়ৰ ছোৱালী ভাৰতী দেৱীক বিয়া কৰাই তেজপুৰত বসতি কৰাৰে পৰাই বিশ্বনাৰায়ণ গোস্বামী লগত আছে। মোৰ প্ৰমুখ গুৰু এইজন পণ্ডিত, যিমানদূৰ মোৰ মনত পৰে ভাৰতী দেৱীয়ে তেজপুৰত ৰজনীকান্ত পদ্মপতি আৰু আনন্দ চন্দ্ৰ আগৰৱালাৰ আগত দীঘলকৈ ওৰণী লোৱাৰ বাদে দীঘল ওৰণী নামলৈ গ'লেহে হেনো লৈছিল আৰু সম্পূৰ্ণ সত্ৰীয়া ধৰণে আউনীআটী সত্ৰত দীক্ষাও লৈছিল, যদিও দিনৌ বৃদ্ধ মূৰ্তিত সেৱা আৰু চৰ্যাগীত ঘাঁটাটো মহাযোগী ৰাজমোহনৰ ধৰ্মাচাৰ আছিল। ধৰ্ম আচৰণত তেওঁৰ গোড়ামী নাছিল। ১৯৪২ চনত গুৱাহাটী মিউজিয়াম প্ৰতিষ্ঠা হোৱা আৰু ১৯১২ চনৰে পৰা কাম কৰা 'কামৰূপ অনুসন্ধান সমিতি'ৰো ৰাজমোহন নাথ এজন বিশিষ্ট কৰ্মী। অৱশ্যে 'অসম সাহিত্য সভা'ৰ এখন বুৰঞ্জী অধিৱেশনৰ তেওঁ সভাপতি হিচাপে সন্মানিত হৈছিল। ১৯৬৯ চনত তেওঁ পৰলোক গমন কৰাৰ সময়লৈকে তেওঁ লিখা-পঢ়া আদি কামত আত্মনিয়োগ কৰিছিল।

ইঞ্জিনিয়াৰ ৰাজমোহন নাথে প্ৰণয়ন কৰা 'হেণ্ডবুক' খনত চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ যাৱতীয় কথাবোৰ, বিশেষকৈ অসমৰ বানপানী, গড়বন্ধা, মথাউৰি চিগা আদি সমস্যাকালীন জৰুৰী ব্যৱস্থাপনাৰ বাবে লাগতীয়াল বহু কথা, নাওখনৰ গঢ়নৰ প্ৰবাদ-বাক্যকে ধৰি এনে বহুকথা আছিল, যিবোৰ সৰ্বকালৰ বাবে প্ৰযোজ্য। বাঁহ গছ ওভতাই পানীত গোজ দি খৰস্ৰোতক বাধা দিয়াৰ দৰে কথা ৰাজমোহন নাথৰ পুথিত আছে। আসাম টাইপ ঘৰৰ আৰ্হি ইত্যাদি, ইকৰা, বাঁহৰ হলা, কাঠি-কামি আদিৰে কৰা বেৰত লেপা লেপনৰো এক প্ৰক্ৰিয়াৰ কথা হেনো ইঞ্জিনিয়াৰ ৰাজমোহন নাথে তেওঁৰ ছাত্ৰসকলক শিকাইছিল। মৰাপাট কাটি, গোবৰ আৰু মাটিত গোৰাই তাৰে লিপা মচা কৰা ঘৰৰ বেৰা হেনো বেছিদিনলৈ থাকে, মৰাঠাৰি নিমখত তিয়াই বেৰা দি তাত লেপন দিয়াৰ ফলত ঘৰ হেনো শব্দৰোধক ক্ষমতাৰ হয়, এইবোৰ কথা তেওঁৰ প্ৰথমচাম ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ ছাত্ৰক শিকাইছিল আৰু সকলো ছাত্ৰকে নিজৰ সন্তানৰ দৰে ডাবি-ধমকি দি হাতে কামে খটুৱাই সকলো কাম কৰিবলৈ বাধ্য কৰোৱাইছিল। মোক ৰাজমোহন নাথৰ বিষয়ে চৰ্চা কৰাত গাইড কৰা সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা ককাই এনেকৈয়ো আনকি কৈছিল যে, নিজেই হেনো জীপগাড়ীত ট্ৰলী লগাই নিজেই চলাই গৈ ইমুৰৰ পৰা সিমুৱলৈ গোটেই অসমৰ শৈল ভাস্কৰ্যৰ তেওঁ গুৱাহাটী মিউজিয়ামলৈ নি সজাইছিল। হৰপ্পা খন্দাসকলৰ অন্যতম এইজন অসমীয়া লোকৰ কথা অসমৰ ইঞ্জিনিয়াৰসকলে স্মৰণ কৰা আৰু এজন অনা-ইঞ্জিনিয়াৰৰ দ্বাৰা লিখাই এটি কঠিকা ইঞ্জিনিয়াৰসকলক শুনোৱাৰ দিহা কৰাসকললৈ কৃতজ্ঞতা। অসমত যেতিয়া কেৱল দুজনহে অধীক্ষক অভিযন্তা আছিল, ইয়াৰে এজন আছিল বৰাক উপত্যকাৰ, আনজন ব্ৰহ্মপুত্ৰ উপত্যকাৰ। ৰাজমোহন নাথে দুইটাতে কাম কৰে।

ৰাজমোহন নাথৰ প্ৰণীত বহুত পুথি আৰু গ্ৰন্থৰ সকলো নাম লিখিলে এখন গ্ৰন্থৰে পাতনি ওলাবগৈ। মোৰ এতিয়াও ৰাজমোহন সম্পৰ্কে লিখিবলৈ বহুত কথাই আছে। ভাৰতী দেৱী, তেওঁৰ প্ৰয়াত অধ্যাপিকা নাতিনী, যাৰ সহায়ত মই ৰাজমোহন নাথৰ ন্যাসৰক্ষী, হঠাৎ তেওঁ আত্মহনন কৰাত বহুত তথ্য সম্পদ লুপ্ত হৈছিল, এতিয়া পশ্চিমবঙ্গৰ এটি সুবাদত বাংলাত পোৱা ৰাজমোহনৰ ৫৫৭টা লেখাৰ সম্ভেদ পাই সেয়া অসম সাহিত্য সভাৰ ভদ্ৰ বৰাৰ হাতত অৰ্পণ কৰো।

*ফোন ঃ ৮১৩৫৮-৩৫৩৪৮*



# বিশ্বকৰ্মা পূজাৰ প্ৰসংগৰে...

■ মদন মোহন পাগবন্ধা

ভাদ মাহৰ শেষ দিনটোত পালন কৰা হয় বিশ্বকৰ্মা পূজা। এই দিনটোত সকলোৱে আৰাধনা কৰে ব্যতিক্ৰমী দেৱতা বিশ্বকৰ্মাক। এই বিশ্বকৰ্মা সম্পৰ্কে পুৰাণৰ মত অনুসৰি বসু বংশৰ অষ্টমজন বংশ প্ৰভাসৰ পুত্ৰই হ'ল বিশ্বকৰ্মা। দেৱতা বিশ্বকৰ্মাৰ মাতৃ হ'ল বৃহস্পতিৰ ভগ্নী, বিদুষী নাৰী যোগমায়া। ভাদ আৰু আহিনত সৃষ্টিৰ সম্ভাৱনা হৈ আগমন ঘটে শৰতৰ। এই আহিন মাহতেই যেন প্ৰকৃতিৰ ৰূপ, ৰস, গন্ধস্পৰ্শৰ প্ৰাণ সঞ্চাৰিত হয় মানৱ জাতিৰ। বৰষুণৰ স্পৰ্শত গৰ্ভধাৰণ কৰা বসুমতীৰ বুকুত অংকুৰিত হয় বীজ। কৃষিভূমিত উৎপাদন হয়। এনে দৃষ্টিকোণৰ পৰা কৰ্মৰ প্ৰেৰণা, উৎস, খনিকৰ, কাৰিকৰৰ গুৰু বিশ্বৰ্কমাক সন্তুষ্ট কৰিবলৈ আহিনৰ আগমনৰ লগে লগে পূজা অৰ্চনাৰ কৰা হয়। শাক্ত, বৈষ্ণৱ, শৈৱ — যি মতবাদৰে নহওক, সকলোৱে উপাসনা কৰে বিশ্বৰ্কমাক। বহু সমালোচকে অসমীয়া জাতি অতি উৎসৱপ্ৰৱণ বাবেই এই পূজা পালন কৰে বুলি অভিহিত কৰিছে কিন্তু অসমৰ শিঙৰী পাহাৰত অৱস্থিত পুৰাতত্ত্ব বিভাগে সংৰক্ষণ কৰা বিশ্বকৰ্মা থানখন চাই বিশ্বকৰ্মাৰ অৱস্থিতি অসম বুলি ভবাৰ যথেষ্ট সমল আছে। অতি সাম্প্ৰতিক সময়ত প্ৰায়বোৰ উৎসৱ-পাৰ্বণত এক উচ্ছৃংখল পৰিৱেশে বিৰাজ কৰা দেখা যায়। গতিকে এইক্ষেত্ৰত আমি মনোনিৱেশ কৰি পূজাৰ অধ্যাত্মিকতা ৰক্ষা কৰি পৱিত্ৰ ভাৱত পালন কৰাটো সমীচীন।

*ফোন ঃ ৭০০২১-৭৮৯৬৩*

# বিশ্বকৰ্মা পূজা আধ্যাত্মিকতা নে জাকজমকতা

■ গীতাঞ্জলি হাজৰিকা

বিশ্বকৰ্মা পূজাক বিশ্বৰ খনিকৰস্বৰূপে পূজা কৰা হয়। কিন্তু বৰ্তমান প্ৰেক্ষাপটত এই পূজাৰ আধ্যাত্মিকতা ক'ৰবাত হেৰাই যোৱাৰ উপক্ৰম হৈছে। অতীতত পূজা বুলি ক'লে এক আধ্যাত্মিক বাতাবৰণে বিৰাজ কৰিছিল। মনত এক সভক্তি আৰু পৱিত্ৰতা আছিল। এতিয়া উচ্চস্বৰত গান-বাজনা আৰু জাকজমকতাই প্ৰধানকৈ প্ৰাধান্য পায়। কোনখন পূজাস্থলীতকৈ আনখন পূজাস্থলী আৰ্কষণীয় হয় সেই প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰোঁতে, পূজাৰ গাম্ভীৰ্যতা আৰু পৱিত্ৰতা ম্লান হয়। তাৰ লগতে উচ্চস্বৰত গান-বাজনা, নৃত্যৰ পয়োভৰ আছেই । তাৰো একোপ ওপৰত গৈ ৰাগিয়াল দ্ৰব্য সেৱন কৰি দ্ৰুতগতিত বাহন চলাই নানান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ উপৰি অনেকে নিজৰ জীৱন পৰ্যন্ত হেৰুৱাইছে। গতিকে আমি প্ৰত্যেকে পূজাক অন্তৰাত্মাৰে উপলব্ধি কৰি পূজন কৰিব লাগে। প্ৰতিযোগিতা, উচ্ছৃংখলতাবোৰ পৰিহাৰ কৰি মনৰ পবিত্ৰতাৰে সেৱা কৰিব লাগে। পূজাৰ নামত আনক ব্যতিব্যস্ত কৰা অথবা নিজৰ ধৰ্মক আনৰ আগত হেয়জ্ঞান কৰাৰ সুবিধা দি নীচ মনোভাৱৰ পৰিচয় দিয়াৰ পৰা বিৰত হ'লেহে পূজাৰ মাদকতা-পৱিত্ৰতা আৰু আধ্যাত্মিকতা সকলোৰে হৃদয়ত বিৰাজ কৰিব। এই পূজা বিশ্বকৰ্মা পূজা, দুৰ্গাপূজা বা অন্য যি পূজাই নহওক কিয়। পূজা সদায় পৰম পূজ্য হ'ব লাগে । প্ৰতিযোগিতা জাকজমকতাবোৰ পৰিহাৰ কৰাতোও অপৰিহাৰ্য । এইবিলাকৰ বিপৰীতে পূজাৰ নামত এগচি প্ৰদীপ, ধূপ-ধূনা আৰু এখন শৰাই আগবঢ়াই হৃদয়ৰ ভক্তিৰ অৰ্ঘৰে সেৱা জনালেও আৰধ্য দেৱ-দেৱী সকল নিশ্চয় সন্তুষ্ট হ'ব। নিজৰ জীৱন বিপন্ন কৰি, ঘৰখনত কাৰোবাৰ বুকুত একোৱা জুই জ্বলাই আনক বিৰক্তি দি পূজা কৰাৰ কোনো যুক্তিযুক্ততা নাই । অত্যন্ত এইখিনি পালন কৰিব নোৱাৰিলে ঘৰতে নিৰাপদ অৱস্থান গ্ৰহণ কৰক । অন্যথা পূজাৰ পৱিত্ৰতা লাঘৱ কৰা অথবা পূজাত এনেকুৱা হ'ল বুলি কোৱাৰ থল নাথাকিব । পূজাক পূজা হৈ থাকিবলৈ দিয়ক । প্ৰতিযোগিতা অথবা আপোনাৰ বিনোদনৰ এনিশা দুনিশা নকৰিব । আশা কৰোঁ এইবাৰ প্ৰতিভাগ পূজাই আপোনাৰ - মোৰ অপায়-অমঙ্গল বিনাশ কৰি পৰম মঙ্গল কৰিব । সকলোকে বিশ্বখনিকৰৰ বিশ্বকৰ্মা পূজাৰ সেৱা আৰু ওলগ যাচিছোঁ । পূজাই পঞ্চতন্ত্ৰক পৰম সুখানুভূতি প্ৰদান কৰক।



## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# প্ৰাথমিক বিদ্যালয়ত ইংৰাজী শিক্ষা

আমি অসমৰ অসমীয়া। আমাৰ মাতৃভাষাও অসমীয়া। সেয়েহে জন্মগতভাৱে আমি সকলোৱে অসমীয়া কওঁ। ঘৰখনতো আমি অসমীয়া ভাষাতেই সকলোধৰণৰ কথা-বতৰা পাতোঁ। ল'ৰা-ছোৱালীইতক অসমীয়াতে সম্বন্ধবোৰ শিকাওঁ। শিশুটোৰ শিক্ষা দিওঁ। মুঠৰ ওপৰত অসমীয়াসকলে জন্মগতভাৱে অসমীয়া ভাষাতেই পাৰ্গত হৈ উঠে। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে ইয়াতো বহুখিনি কথা জড়িত হৈ থাকে। আমি বুজন হোৱাৰ লগে লগে ব্যাকৰণৰ মাজেৰে অসমীয়া ভাষাটোৰ বিষয়ে বহু কথা জানিব লগা আৰু শিকিব লগা থাকে। যিহেতু আমি জন্মগতভাৱে অসমীয়া। সেয়েহে মাতৃভাষাটোক হাড়ে-হিমজুৰে জনাটো অতি দৰকাৰ। অসমীয়া ভাষাটো শব্দৰ ফালৰ পৰা ইমানেই চহকী যে ইয়াক কে শেষ কৰিব নোৱাৰি। সেয়েহে আমিও নিজ ভাষাটোক লৈ গৌৰৱবোধ কৰোঁ।

আমি অসমত জন্ম গ্ৰহণ কৰাৰ বাবেই কেৱল যে অসমীয়া ভাষাহে ক'ব লাগিব, এনে নহয়। আমি যিমান পাৰোঁ ভাষা শিকিব লাগে। ভাষাই আমাক সেই সমাজৰ সাহিত্য-সংস্কৃতিৰ বিষয়ে অৱগত কৰে। বৰ্তমান সময়ত বহু অভিভাৱকে ইংৰাজী বা হিন্দী মাধ্যমৰ ব্যক্তিগত বিদ্যালয়ত নিজ সন্তানক পঢ়ুৱাবলৈ যাওঁতে কেৱল সেই বিদ্যালয়ৰ ভাষাৰ মাধ্যমতেহে সকলো সময়ত ঘৰতো ব্যৱহাৰ কৰে। যাৰ ফলস্বৰূপে সন্তানে নিজৰ মাতৃভাষাটোৰ পৰা আঁতৰি যাব লগা হয়। অৱশেষত সন্তান মাতৃভাষাটোকে শুদ্ধকৈ ক'ব, পঢ়িব আৰু লিখিব নজনা হৈ পৰে। তেনে কৰাতকৈ বিদ্যালয়ত থকাৰ সময়খিনিত বন্ধু-বান্ধৱীসকলৰ লগত বিদ্যালয়ৰ মাধ্যমতে কথা-বতৰা পাতিবলৈ দি ঘৰত পুনৰ মাতৃভাষাতে সকলোধৰণৰ কথা-বতৰাসমূহ পাতিব লাগে। নতুন নতুন অসমীয়া শব্দৰ বিষয়ে জান দিব লাগে। সম্বন্ধবোৰ শিকাব লাগে।

অসম চৰকাৰে বহু আলোচনা-বিলোচনা কৰি এইবাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰাই দুটা বিষয়ত ইংৰাজী শিক্ষা বাধ্যতামূলক কৰিবলৈ লোৱা সিদ্ধান্তক আদৰণি জনাইছোঁ। কিয়নো ওপৰৰ ফৰ্মুলাখিনি যদি আমি সকলোৱে ব্যৱহাৰ কৰোঁ, তেতিয়া নিশ্চয় আমি নতুন ভাষা এটাৰ সৈতে মিতিৰালি গঢ়ি পাৰিম, যিয়ে আমাক ভৱিষ্যতে বিভিন্ন ধৰণেৰে সহায় কৰিব। আজিৰ গোলকীকৰণৰ যুগত সকলোতে কেৱল ইংৰাজীৰ পয়োভৰ বেচিকৈ দেখা যায়। ম'বাইল ফোনৰ পৰা আৰম্ভ কৰি আমি দৈনন্দিন ব্যৱহাৰ কৰা প্ৰতিটো সামগ্ৰীয়েই ইংৰাজী ভাষাৰ। অফিচ-কাছাৰীত দৰখাস্ত এখন লিখিবলৈও ইংৰাজী জানিব লাগিব। দেশৰ বিভিন্ন ৰাজ্যত নতুবা দেশৰ বাহিৰলৈ যাবলৈও ইংৰাজী আমাক লাগিবই। সাধাৰণতে অসমীয়া মাধ্যমৰ বেছিসংখ্যক মানুহেই ইংৰাজী বিষয়ত অলপ দুৰ্বল। সেয়েহে অসম চৰকাৰে প্ৰাথমিক বিদ্যালয়ৰ পৰাই ইংৰাজী শিক্ষা প্ৰচলন কৰিব বিচৰা পদক্ষেপ শলাগনীয়। ইয়াৰ পৰা শিক্ষাগুৰুসকল লাভৱান হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলো লাভৱান হ'ব। শিক্ষাগুৰুসকলে ইংৰাজী বিষয়টোৰ সৈতে দৈনিক জড়িত হৈ থকাৰ ফলত বহু নজনা কথা শিকিব পাৰিব আৰু সেইখিনিকে ঘৰত নিজ নিজ সন্তানক বুজাব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলেও ওপৰৰ শ্ৰেণীলৈ যোৱাৰ পিছত ইংৰাজী ভাষাটোক কঠিন বুলি নাভাবি সহজতে আয়ত্ত কৰি ল'ব পাৰিব আৰু নিজ নিজ গৃহত পিতৃ-মাতৃৰ লগতে জেষ্ঠসকলকো ইংৰাজী ভাষাটো শিকাব পাৰিব।

গতিকে ইয়াৰ দ্বাৰা বিভিন্ন ধৰণেৰে সকলোৱেই উপকৃত হ'ব পাৰিব। কিন্তু এইখিনি কৰিবলৈ যাওঁতে মাতৃভাষাটোক পাহৰি গ'লে নহ'ব। মাতৃভাষাটো হৈছে আমাৰ মূল বা ঘাই শিপা।

**দীপামণি কামান**
*ফোন ঃ ৮১৩৪৮৬৯৩৪৪*

# ধৰ্মনিৰপেক্ষ ৰাজনৈতিক দলবোৰ ধৰ্মনিৰপেক্ষনে ?

কোনো গণতান্ত্ৰিক দেশত নিৰ্বাচন এক গুৰুত্বপূৰ্ণ বিষয়। নিৰ্বাচনত জাতি-ধৰ্ম নিৰ্বিশেষে সকলো প্ৰাপ্তবয়স্ক নাগৰিকে স্বাধীনভাৱে নিজৰ মতামত প্ৰকাশৰ সুবিধা পায়, অন্ততঃ এই দেশৰ সংবিধানে ইয়াকে কয়। কিন্তু বৰ্তমান পৰিস্থিতিত ইয়াৰ গ্ৰহণযোগ্যতা কিমান, সেই বিষয়ে বহুতে দ্বি-মতপোষণ কৰে। প্ৰশ্ন হয় যে এই আশাংকা একেবাৰে অমূলক নেকি? ইতিহাসৰ পাতত দেখা যায় ৰাজনৈতিক দল আৰু ৰাজনৈতিক নেতাসকলে বিভিন্ন কৌশল অৱলম্বন কৰি নিৰ্বাচনী বৈতৰণী পাৰ হয়। দলৰ নিৰ্বাচনী ইস্তাহাৰত বহু তত্ত্বৰ অৱতাৰণা কৰি সাধাৰণ জনতাক বিশেষ কিছু সুবিধা কৰি দিয়া প্ৰতিশ্ৰুতি দিয়া হয়। সেয়া পৰৱৰ্তী সময়ত কিমান প্ৰতিশ্ৰুতি পূৰণ হয় সেয়া ইতিহাসে ক'ব। কিন্তু এয়াই নিয়ম।

নিৰ্বাচনত জয়ী হ'বলৈ ৰাজনৈতিক দলবোৰে প্ৰাৰ্থী নিৰ্বাচনত এটা বিশেষ ৰণকৌশল প্ৰয়োগ কৰা দেখা যায়। সেয়া ধৰ্মনিৰপেক্ষ হওক বা ধৰ্মপ্ৰধান দল হওক সকলোৱে এই কৌশল প্ৰয়োগ কৰে। জাত-পাত বা ধৰ্মৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাৰ্থী ঠিক কৰা হয়। যেনে যদি কোনো বিধানসভা বা লোকসভা সমষ্টিত মুছলমান ভোটাৰৰ সংখ্যা বেছি হয়, তেন্তে তেনে সমষ্টিত সংখ্যালঘু প্ৰাৰ্থী খুব সহজেই ৰাজনৈতিক দলৰ নজৰত আহে। যেনে আমাৰ অসমত বৰপেটা বা ধুবুৰী লোকসভা সমষ্টি। মুছলমান প্ৰাৰ্থীসকল সদায় অন্য ধৰ্মাৱলম্বীতকৈ আগত থাকে। আকৌ য'ত হিন্দু সংখ্যাগৰিষ্ঠ তাত মুছলমান প্ৰাৰ্থী নিৰ্বাচনত অংশগ্ৰহণ কৰা অভাৱনীয়। প্ৰাক্তন ৰাষ্ট্ৰপতি তথা প্ৰখ্যাত শিক্ষাবিদ ড° জাকিৰ হুছেইন সদায় আলিগড়ৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হৈছিল, যিটো তেওঁৰ কেতিয়াও মনঃপুত হোৱা নাছিল। জাকিৰ হুছেইনে প্ৰতিবাৰে কংগ্ৰেছ নেতৃত্বক প্ৰশ্ন কৰিছিল, কাৰণ ধৰ্মনিৰপেক্ষ ভাৰতত এয়া কেনেকৈ সম্ভৱ? যদিও ইয়াৰ সুস্পষ্ট উত্তৰ কেতিয়াও হুছেইন পোৱা নাই। সেয়ে প্ৰতিবাৰে তেওঁৰ নিৰ্বাচনী ৰণক্ষেত্ৰ আছিল আলিগড়। ইয়াৰ পিছৰ উদাহৰণটো আৰু চিন্তনীয়। বাবাসাহেব আম্বেদকাৰ যেতিয়া প্ৰথমবাৰ সংবিধান সভাৰ সদস্য হ'বলৈ বম্বেৰ (তৎকালীন) পৰা নিৰ্বাচন খেলি জয়ী হ'ব পৰা নাছিল। তেতিয়া মহত্মা গান্ধীৰ অনুৰোধত বাংলাৰ যোগেন মণ্ডল, যিজনে এটা তফশিলি সমষ্টিৰ পৰা জয়লাভ কৰিছিল আৰু পদত্যাগ কৰে। পিছত আম্বেদকাৰ সেই নিৰ্বাচনী কেন্দ্ৰৰ পৰা নিৰ্বাচনত অংশগ্ৰহণ কৰি জয়ী হয়। ইয়াত আম্বেদকাৰৰ জাত আৰু তফশিলি নিৰ্বাচন সমষ্টি (Reserved constituency) বিশেষভাৱে গুৰুত্বপূৰ্ণ আছিল। গান্ধীজীৰ কৌশল যে কামত লাগিছিল সেয়া নকলেওঁ হ'ব। উল্লেখ্য যে গান্ধীজী যদি এই বিষয়ত হস্তক্ষেপ নকৰিলেহেঁতেন তেন্তে আম্বেদকাৰক 'ভাৰতীয় সংবিধানৰ জনক' হিচাপে পোৱা নগ'লহেঁতেন।

এই ধাৰা এতিয়াও অবিৰতভাৱে চলি আছে। অন্য ৰাজ্যৰ কথা বাদ দিলোঁ, এইখন অসমতে সেয়া বিৰাজমান। তাৰবাবে নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে সমষ্টিৰ জনবিন্যাসৰ ওপৰত ভিত্তি কৰি বিধায়ক বা সাংসদসকলৰ কথাৰ সুৰ সলনি হয়। সেয়ে কেতিয়াবা বিষয়হীনবোৰ বিতৰ্ক হয়। মিঞা মিউজিয়াম বা মোগল বিতৰ্ক এইবোৰ মুছলমানক ভাল পায় নকৰে বা মিঞাৰ উন্নয়নৰ কাৰণে নকৰে। এইবোৰ হৈছে হৈ-হাল্লা ভালপোৱা মিঞাৰ আকৰ্ষণ লাভ কৰা অন্যতম মাধ্যম। কাৰণ মিঞাই কোনো কথাৰ গূঢ়াৰ্থ অনুভৱ নকৰাকৈয়ে বাঃ বাঃ দিয়ে। সততে জহাই ফুৰা ধৰ্মনিৰপেক্ষ দল কংগ্ৰেছৰ কথা প্ৰথমে ধৰা যাওক। তেওঁলোক আজিৰ তাৰিখত কোনো হিন্দু বসতি প্ৰধান সমষ্টিত মুছলমানক আৰু কোনো মুছলমান বসতি প্ৰধান সমষ্টিত হিন্দুক প্ৰাৰ্থী নিদিয়ে। কাৰণ মুখত আমি যিমানেই ধৰ্মনিৰপেক্ষৰ গুণ-গান গাই থাকো, নিৰ্বাচনৰ সময়ত নিজ ধৰ্মৰ ব্যক্তিক জয়ী কৰোৱাটো প্ৰধান লক্ষ্য হৈ পৰে। এই ক্ষেত্ৰত বিজেপিৰ কথা সুকীয়া। তেওঁলোকে খোলাখুলিকৈ হিন্দুত্বৰ কথা কৈছে। তেওঁলোকে ধৰ্মনিৰপেক্ষতাৰ মুখা পিন্ধা নাই। সেয়ে তেওঁলোক এই আলোচ্যৰ আওতাত নাহে। এআইইউডিএফ মুখত যদিও ধৰ্মনিৰপেক্ষ, বাস্তৱত তেওঁলোকো সাম্প্ৰদায়িক। তেওঁলোকেও আল্লাহৰ নামত ভোট খোজে যিদৰে বিজেপিয়ে ৰামৰ নামত খোজে। এআইইউডিএফ দলে মুছলমান বসতি প্ৰধান সমষ্টিৰ বাহিৰে অন্য ক'তো প্ৰাৰ্থী দিয়াৰ কথা ভাবিব নোৱাৰে। অৱশ্য শেহতীয়াভাৱে বিজেপিৰ লাভাৰ্থে কিছুমান হিন্দু বসতি প্ৰধান সমষ্টিত প্ৰাৰ্থী দিয়ে মুছলমান ভোট বিভাজন কৰাৰ বাবে। সৰ্বভাৰতীয় ৰাজনৈতিক প্ৰেক্ষাপটত এই দৃশ্য বিৰাজমান সেয়া তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টী বা যিকোনো দল হওক সকলোৱে হিন্দুৰ আগত হিন্দুক আৰু মুছলমানৰ আগত মুছলমানক দাঙি ধৰিছে। আচলতে প্ৰকৃত ধৰ্মনিৰপেক্ষ তেতিয়াই হ'ব যেতিয়া হিন্দু মুছলমান বসতি প্ৰধান আৰু মুছলমান হিন্দু বসতি প্ৰধান সমষ্টিৰ পৰা বিধায়ক বা সাংসদ হিচাপে জয়ী হৈ আহিব।

**আনিছুৰ ৰহমান**
*ফোন ঃ ৭০০২৯৯৯৭৩৮*

# বিনিয়োগৰ আহিলা SIP বা ছিপৰ বিষয়ে...

টকাৰ প্ৰয়োজননো কাক নহয়। আমি সকলোৱে টকা উপাৰ্জনৰ বাবে ব্যক্তি বিশেষে ভিন ভিন কাম কৰোঁ। চাকৰি, ব্যৱসায়, কৃষিকৰ্ম, দিন হাজিৰা আদি যিয়েই নকৰিলেও আমাৰ আটাইৰে উদ্দেশ্য কিন্তু এটাই— টকা উপাৰ্জন কৰা। হয়, আমি আটায়ে টকা উপাৰ্জন কৰিব লাগে। অধিকৰ পৰা অধিকতম্ টকা উপাৰ্জন কৰিব বিচাৰিব লাগে। আমি কষ্ট কৰি উপাৰ্জন কৰাৰ উপৰিও আমাৰ কষ্টোপাৰ্জিত ধনৰাশি নিৰ্ভৰযোগ্য ঠাইত বিনিয়োগ হৈ আমাৰ জমাৰ জোলোঙাখন যাতে ডাঙৰ হয় সেয়া আমি বিচাৰোঁ। যিটো আমি নিষ্ক্ৰিয় আয় (passive income) বুলি কব পাৰোঁ ।

Systematic Investment Plan (পদ্ধতিগত বিনিয়োগ আঁচনি)ক চমুকৈ ছিপ (SIP) বুলি কোৱা যায়। ই এক পদ্ধতিগত আৰু সুশৃংখলাবদ্ধ বিনিয়োগ। ছিপ মিউচুৱেল ফাণ্ডত বিনিয়োগ কৰাৰ এটা ৰাস্তা, য'ত কম পৰিমাণৰ ধন নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে জমা থোৱা যায়। ছিপত বিনিয়োগ কৰিব খোজা ধনৰাশি এটা নিৰ্দিষ্ট তাৰিখত স্বয়ংক্ৰিয়ভাৱে সংযোজিত বেংক একাউন্টৰ পৰা গৈ থাকে । কম পৰিমাণৰ ধন নিয়মিতভাৱে ৰাহি কৰি দীৰ্ঘম্যাদী বিত্তীয় লক্ষ্য পূৰণ কৰাৰ ক্ষেত্ৰত ছিপৰ বিকল্প নাই। ছিপত বিনিয়োগ কৰাৰ সময়ত দুটা কথা লক্ষ্য ৰাখিব লাগে ঃ কোনো নিৰ্দিষ্ট সময়ৰ (fixed duration) বাবে নে অনিৰ্দিষ্ট সময়ৰ (perpetual) বাবে আমি বিনিয়োগ কৰি গৈ থাকিম। অন্য বিনিয়োগৰ আহিলাৰ দৰে, ছিপত বিনিয়োগ কৰোঁতেও আপুনি নিশ্চয় আপোনাৰ বিনিয়োগ হোৱা ধনৰাশিৰ অধিকতম্ হাৰত বৃদ্ধি হোৱাটো বিচাৰিব। যিসকলৰ শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিবলৈ সঠিক জ্ঞান আৰু সময়ৰ অভাৱ তেওঁলোকৰ বাবে ছিপ এক উত্তম আহিলা, যাৰ জৰিয়তে আমি নিয়মিত আৰু অনুশাসিত ৰূপত বিনিয়োগ কৰি বজাৰৰ উত্থান-পতনৰ লগত জড়িত ৰিস্কৰ পৰা ৰেহাই পাব পাৰোঁ।

ছিপত বিনিয়োগ কৰিলে শ্বেয়াৰ বজাৰৰ উত্থান-পতন বিশেষভাৱে মন কৰিবলগীয়া নহয়। কিয়নো ছিপত বিনিয়োগ কৰা ফাণ্ডৰ প্ৰতি ইউনিটৰ মূল্য বাঢ়ি গ'লে কম ইউনিট ধৰি দিয়া যায় আৰু প্ৰতি ইউনিটৰ মূল্য কমি গ'লে একে বিনিয়োগ মূল্যতে বেছি ইউনিট ধৰি দিয়া হয়। ছিপত বিনিয়োগ কৰা আৰু বিনিয়োগ কৰা ধনৰাশি উলিয়াই অনাৰ কোনো ধৰা-বন্ধা সময় নাথাকে। সম্পূৰ্ণৰূপে বা আংশিকভাৱে যিকোনো সময়তে জমা হোৱা ধন উলিয়াই আনিব পৰা যায়। একেদৰে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে জমা কৰা ধনৰাশিৰ পৰিমাণটোৰো যিকোনো সময়তে



বঢ়াব বা কমাব পাৰি। প্ৰত্যক্ষভাৱে শ্বেয়াৰ বজাৰত বিনিয়োগ কৰাৰ দৰে ইয়াত বিনিয়োগ কৰোঁতে ক'ত কেতিয়া কিমান ধন বিনিয়োগ কৰা ভাল হ'ব সেয়া চিন্তা কৰিবলগীয়া নাথাকে। কিন্তু বিনিয়োগ কৰা ফাণ্ডটোৰ পূৰ্বৰ ৰেকৰ্ড, ৰিটাৰ্নৰ সুস্থিৰতা, ফাণ্ডটোৰ শ্ৰেণী আদি বহুত বিষয় চালি-জাৰি চোৱা দৰকাৰ।

**কংকন তালুকদাৰ**
*ফোন ঃ ৯১০১৩৭১৫০৫*

# কৃষ্ণান্ত ভগৱান স্বয়ম্

আমাৰ সমাজত শ্ৰীকৃষ্ণৰ বিষয়ে জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে জানে। কৃষ্ণ এক সংস্কৃতি। এই সংস্কৃতিক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ গুৰুসকলে সকলো অসমীয়াৰ মাজত এনেদৰে বিয়পাই দিছিল যে চান্দসাঁই নামৰ এগৰাকী ইছলামধৰ্মী লোকেও স্বইচ্ছাই বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। চান্দসাঁইৰ আল্লাহো এজন আৰু বৈষ্ণৱ ধৰ্মৰো 'কৃষ্ণান্ত ভগৱান স্বয়ম'। এই আদৰ্শ সাতমপুৰুষীয়া এক ঐতিহ্য। এই ঐতিহ্যক সকলো অসমীয়াই মানি আহিছে। সামন্তবাদৰ প্ৰথম বিদ্ৰোহী শ্ৰীকৃষ্ণৰ আদৰ্শত সকলো সমান। দামোদৰ বিপ্ৰৰ দৰে দৰিদ্ৰ ব্ৰাহ্মণৰ পৰা মহাপৰাক্ৰমী সসাগৰা পৃথিৱীৰ অধিকাৰী যুধিষ্ঠিৰো তেওঁ মিত্ৰ আছিল। তেওঁ কেৰাহীৰ তলীত লাগি থকা সামান্য শাকেৰেও সন্তুষ্টি লাভ কৰিছিল আৰু জৰাসন্ধৰ দৰে বীৰ ৰজাৰো ৩২ বিধ ব্যঞ্জনৰ ভোজন গ্ৰহণ কৰা নাছিল। মুঠতে কৃষ্ণভক্তি লৌকিক নহয়, ই আত্মিক বিষয়। আমাৰ ভক্তি বহুধা বিভক্ত। ভক্তি এইটো নহয় যে আপোনাৰ সন্মুখত অনাহাৰে অযুত শিশুৱে কান্দি আছে আৰু আপুনি নাম-কীৰ্তনত ব্যস্ত হৈ আছে। প্ৰকৃত ভক্তিত ত্যাগ আৰু সন্তুষ্টি থাকে। আপোনাৰ প্ৰতিটো খোজত ভক্তি পৰিস্ফুট হয়।

বহুতেই মহাভাৰতৰ কৰ্ণক শ্ৰেষ্ঠ বুলি কয়। কিন্তু দানবীৰ কৰ্ণক লৈ এটা সৰু কাহিনীতেই সকলো কথা স্পষ্ট হয়—

কুৰুক্ষেত্ৰৰ যুদ্ধৰ পিছত সত্যভামাই কৃষ্ণক সুধিছিল যে এই কুৰুক্ষেত্ৰত সকলোৱে মৃত্যু আপোনাৰ হাততেই হৈছে। যিটো কথা ঘটোটকোচৰ পুত্ৰ বাৰ্বৰিকেও কৈ গৈছে যে কুৰুক্ষেত্ৰৰ ৰণত এপাট অস্ত্ৰই তেওঁ দেখিছিল, সেয়া আছিল সুদৰ্শন চক্ৰ আৰু সেই অস্ত্ৰৰ গৰাকীজন আছিল শ্ৰীকৃষ্ণ, যিয়েই সমস্ত দুষ্টক বধ কৰিছিল।

যদিওবা, লৌকিকত সেয়া যুদ্ধ। কিন্তু বধ কৰ্তাজন আছিল আপুনি। কৃষ্ণই সত্যভামাৰ কথাক শলাগিছিল। তেতিয়া সত্যভমাই কৃষ্ণক দানবীৰ কৰ্ণক কিয় হত্যা কৰিলে সুধিলত কৃষ্ণই কৈছিল—আচলতে তেওঁলোকে নিজৰ বাবে নিজে দণ্ড বিচাৰ কৰিছিল। সিদিনাখন অভিমন্যুৰ বধৰ দিনা দানবীৰ কৰ্ণই সামান্য এটি দান দিয়া নাছিল। সেয়া আছিল জলদান। জলদানৰ দৰে আন কোনো দানেই শ্ৰেষ্ঠ নহয়। অভিমন্যুক সপ্তৰথী বেঢ়ি ধৰাৰ সময়ত মৃত্যুকাতৰ যন্ত্ৰণাত পানী পানী বুলি তেওঁ চিঞৰিছিল বহুবাৰ। সেই চিঞৰ শুনিছিল, ব্যেহুৰ বাহিৰত ৰৈ থকা বৃকোদৰ ভীমে। তেওঁ কৈছিল, হে অভিমন্যু তুমি বীৰগতি প্ৰাপ্ত কৰাৰ আগত সেই সপ্তৰথীৰ মাজতেই এগৰাকী মহান ত্যাগী দানবীৰ আছে। যিগৰাকী আমাৰ জ্যেষ্ঠ ভাতৃ দুৰ্যোধনৰ সখা, তেওঁ নিজৰ সন্তানকো দানৰ বাবে হত্যা কৰিব পাৰিছিল। তেওঁ মহাৰথী কৰ্ণ। তেওঁৰ পিঠিতেই আছে আজি পানীৰ ভাৰ। তেওঁক এবাৰ কোৱা তোমাৰ পিয়াহ লাগিছে বুলি আৰু সেই পুণ্যাত্মাৰ হাতেৰে জলপান কৰি স্বৰ্গগামী হোৱা বোপা।

অভিমন্যুয়ে ভীমৰ কথামতেই কৰ্ণক কাকুতি-মিনতি কৰি পিয়াহৰ পানীৰ কথা কোৱাত কৰ্ণই অট্টহাস্য কৰিছিল আৰু মুমুৰ্ষু অৱস্থাত থকা কিশোৰ অভিমন্যুৰ নাকৰ আগত পানী ঢালি দিছিল। সেই সময়ত অভিমন্যুয়ে পানীৰ এটা বিন্দুৰ বাবে চিৎকাৰ কৰিছিল। কিন্তু দানবীৰ কৰ্ণই পানী দিয়া নাছিল, তাৰ পৰিৱৰ্তে দিছিল এটা প্ৰচণ্ড গদাৰ কোব। সেই গদাৰ কোবতেই সেই আজন্মা বীৰ অভিমন্যুৰ বীৰগতি হৈছিল।

কৃষ্ণৰ বৰ্ণনাত সত্যভামাই কান্দি উঠিছিল আৰু কৈছিল-সেই মিথ্যাবাদী দানবীৰ বোলা মহাপাপীৰ তেন্তে শাস্তি বহুতেই কম হ'ল।

উপৰিউক্ত কাহিনীটোৱে আমাৰ সততা আৰু নিষ্ঠাক এনেদৰেই প্ৰতিফলিত কৰিছে।

অচ্যুত কেশৱ বিষ্ণু-সত্যম হৰিম জনাৰ্দনম হংস নাৰায়ণ-ত্ৰিসন্ধ্যা স্মৰণেৰে।

**দিবাকৰ ৰেণু**
*ফোন ঃ ৮৬৩৮১৪৩৮১৫*

# নিযুক্তি হওক স্বচ্ছতাৰে..

অসমত শেহতীয়াভাৱে শাসকীয় চৰকাৰখনৰ নিবনুৱাসকলৰ নিযুক্তিৰ জৰিয়তে সংস্থাপনৰ বাবে যি তৎপৰতা পৰিলক্ষিত হৈছে, সি খুবেই প্ৰশংসনীয়। সেই উদ্দেশ্যৰে ৩য় আৰু ৪ৰ্থ বৰ্গৰ প্ৰায় ২৬ হাজাৰ পদৰ বাবেও পৰীক্ষা অনুষ্ঠিত হৈ যায়, যিয়ে নিবনুৱাসকলৰ মাজত এক নতুন আশাৰ ৰেঙনি আনে। সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৰে চৰকাৰেও পৰীক্ষা অনুষ্ঠিত কৰাৰ যৎপৰোনাস্তি চেষ্টা চলাইছে। আনকি পৰীক্ষাৰ কেইদিনত ইন্টাৰনেট সেৱা পৰ্যন্ত কৰ্তন কৰিছে। কিন্তু যোৱা সপ্তাহত ভিক্টৰ দাস নামৰ এজন যুৱকৰ এই পৰীক্ষাৰ সন্দৰ্ভত কৰা এটা টুইটে যেন কিছু সন্দেহৰ অৱতাৰণা কৰিছে। তেওঁ উল্লেখ কৰা মতে এটি দালাল চক্ৰই এই নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত তলে তলে তেওঁলোকৰ দুষ্কাৰ্য চলাই যোৱাৰ চেষ্টা চলাইছে। চাকৰি দিয়াৰ বাবদ কোনোবা দুষ্ট চক্ৰই ৩-৮লাখ টকা দাবী কৰা, কিছু পৰীক্ষাৰ্থীয়ে উকা অ'এমআৰ পৰীক্ষা হলত জমা দিয়া, এই কেলেংকাৰীত কোনোবা প্ৰাক্তন বিধায়ক আদিও জড়িত আছে বুলি তেওঁ অভিযোগ উঠোৱাৰ পিছতেই যোৱা ৯-৯-২০২২ তাৰিখ শুকুৰবাৰে তেওঁক অসম পুলিচে আটক কৰে এনে এটা স্বচ্ছ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অসমৰ জনগণক বিপথে পৰিচালিত কৰিব বিচৰাৰ অজুহাতত আৰু এসপ্তাহৰ বাবে পুলিচৰ জিম্মাত সোধা-পোছাৰ বাবে ৰখাৰ ব্যৱস্থা কৰে। এই কথাটোৱেই যেন সমগ্ৰ প্ৰক্ৰিয়াটোৰ প্ৰতি এটা সন্দেহৰ ভাব মানুহৰ মনত সুমুৱাই দিলে। যদিহে তেওঁক বন্দী নকৰি তেওঁ যোগান ধৰা তথ্যৰ ভিত্তিত পুলিচ প্ৰশাসনে তদন্ত আগবঢ়াই নিলেহেঁতেন, নিশ্চয়কৈ পুলিচ প্ৰশাসনৰ প্ৰতি সাধাৰণ জনগণৰ বিশ্বাস দুগুণে বাঢ়িল হয়। যদিহে তদন্তৰ অন্তত ভিক্টৰ দাসৰ অভিযোগ মিছা প্ৰমাণিত হ'লহেঁতেন নিশ্চয়কৈ তেওঁ উচিত শাস্তি পোৱাৰ যোগ্য। কিন্তু তাকে নকৰি ভিক্টৰ দাসক অৰ্থাৎ অভিযোগকাৰীকেই বন্দী কৰা কথাটোৱে এনেকুৱা এটা কথাক বুজাই যেন কোনোবা এজন বিশেষ ব্যক্তিৰ ঘৰত চুৰি হৈছে বুলি অভিযোগ কৰাৰ সময়ত চোৰজনক লগতে দেখুৱাই দিব নোৱাৰাৰ বা চোৰজনৰ তথ্য যোগান ধৰিব নোৱাৰাৰ বাবে সেই অভিযোগকাৰী ব্যক্তিজনকে পুলিচ-প্ৰশাসনে জে'লত ভৰাই ৰাখিলে। এনে ক্ষেত্ৰত আচলতে অভিযোগৰ তদন্ত কৰাৰ দায়িত্ব পুলিচ-প্ৰশাসনৰ বুলিহে ভাবোঁ আমি সাধাৰণ জনতাই। ইয়াৰ সমান্তৰালভাৱে দেখা গ'ল দুটামান নিউজ চেনেলে প্ৰমাণ কৰিব বিচাৰিলে ভিক্টৰ দাস কমলপুৰৰ পূব পানীটেমা ৰাধা-কৃষ্ণ যুগল মিলন প্ৰাথমিক বিদ্যালয়ৰ এজন শিক্ষক হোৱাৰ লগতে বিদ্যালয়ত দেৰিকৈ উপস্থিত হয় আৰু দুটাকৈ ব্যক্তিগত ক'চিং চেন্টাৰৰ শিক্ষকতা কৰি আছে। চাকৰি নিযুক্তিৰ কেলেংকাৰিৰ অভিযোগ কৰাৰ সময়ত ভিক্টৰ দাসৰ বিপক্ষে এনেবোৰ কথাৰে তেওঁৰ প্ৰতি এনে ব্যক্তিগতভাৱে আক্ৰোশমূলক আচৰণে প্ৰকৃততে কি বুজাব বিচাৰিছে , সি এক দুৰ্বোধ্য বিষয় হৈ পৰিছে।

ভিক্টৰ দাসৰ প্ৰসংগ মাৰ নৌযাওঁতেই শেহতীয়াভাৱে ঘোষণা হোৱা লখিমপুৰ মেডিকেল কলেজৰ ৪ৰ্থ বৰ্গৰ পৰীক্ষাৰ ফলাফলে পুনৰ জনতাৰ চকু কপালত উঠাইছে। উক্ত পৰীক্ষা অনুষ্ঠিত হোৱাৰ দিনাখনেই অৰ্থাৎ ১৩ মাৰ্চত নগাঁৱৰ জুৰীয়াৰ আমিনুল হক নামৰ এজন বিশেষভাৱে সক্ষম পৰীক্ষাৰ্থীয়ে এটা ফেচবুক প'ষ্ট কৰিছিল। আমিনুলে উল্লেখ কৰিছিল যে ধেমাজি পাব্লিক স্কুলৰ চেন্টাৰৰ ১২৬৯০০৪২ নম্বৰৰ অমিত নামৰ পৰীক্ষাৰ্থীজন তেওঁৰ আগৰ বেঞ্চত বহিছিল আৰু উকা অ'এমআৰ জমা দিয়াৰ চেষ্টা চলাইছিল। নিৰীক্ষক আৰু আন পৰীক্ষাৰ্থীসকলে বিৰোধিতা কৰাত অমিতে কেৱল মাত্ৰ ৫-১০টা মান উত্তৰ অ'এমআৰত পূৰ কৰি অ'এমআৰ জমা দিয়ে। সদ্য ঘোষিত ফলাফলত উক্ত অমিত নামৰ পৰীক্ষাৰ্থীজন নিৰ্বাচিত হয়। গতিকে, উল্লিখিত ঘটনাটোৱে প্ৰমাণ কৰে যে নিযুক্তি প্ৰক্ৰিয়াটোত নিশ্চয়কৈ এটা দুষ্ট চক্ৰৰ কিছু কিছু হাত আছে।

দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীল বুলি সততে ঘোষণা কৰি থকা চৰকাৰখন তথা মাননীয় মুখ্যমন্ত্ৰীৰ এই ক্ষেত্ৰত নিশ্চয়কৈ কিছু কৰণীয় আছে। নিবনুৱা যুৱপ্ৰজন্মৰ সঠিকভাৱে আৰু সঠিক নীতিৰে সংস্থাপন পাবলৈ হ'লে এনে দুষ্ট চক্ৰৰ সম্পূৰ্ণৰূপে নিৰ্মূল হ'ব লাগিব। আনকি মুখ্যমন্ত্ৰী মহোদয়ে দুৰ্নীতিৰ তথ্য পালেই পুলিচ-প্ৰশাসনক জনাবলৈ কয় যদিও এইক্ষেত্ৰত অভিযোগকাৰীজনে নিৰাপত্তা অনুভৱ কৰিব লাগিব। তদুপৰি সঠিক নীতিৰে উচিত তদন্ত কৰি প্ৰকৃত দোষীক কৰায়ত্ত কৰিলেহে চৰকাৰ তথা পুলিচ-প্ৰশাসনৰ ওপৰত সাধাৰণ জনগণৰ আস্থা থাকিব। অন্যথা অভিযোগকাৰী ভিক্টৰ দাসৰ গতি হ'বলৈ হ'লে কোনো সচেতন ব্যক্তি দুৰ্নীতিৰ বিৰুদ্ধে ওলাই আহিবলৈ সাহস নকৰিব আৰু দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ শূন্য সহনশীল নীতিও অসাৰ প্ৰতিপন্ন হ'ব।

**পংকজ ভৰালী**
*ফোন ঃ ৭০০২৫৫৪০৫৭*

# আজানে কাৰো ধৰ্মীয় অনুভূতিত আঘাত নিদিয়ে

মছজিদৰ আজানক লৈ কৰ্ণাটক উচ্চ ন্যায়ালয়ে যি ঐতিহাসিক ৰায় দিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। এই ৰায়ে সকলোৱে দৃষ্টি আকৰ্ষণ কৰিছে। কৰ্ণাটক উচ্চ ন্যায়ালয়ে ধৰ্মনিৰপেক্ষতা বজাই ৰখাৰ যি দৃষ্টান্ত দেখুৱাইছে সেয়া তাৰিফযোগ্য। আজানৰ পৰা আৰম্ভ কৰি মাদ্ৰাছা, মছজিদ, দৰগাহক লৈ দেশৰ এক শ্ৰেণীৰ ধৰ্মান্ধ মানুহৰ আচৰণ দেখিলে লজ্জাবোধ হয়। দেশৰ সংবিধানত পৰিষ্কাৰভাৱে ধৰ্মনিৰপেক্ষতাৰ কথা কোৱা হৈছে। গণতন্ত্ৰ, ঐক্য আৰু সম্প্ৰীতি ৰক্ষাৰ বাবে সকলো ধৰ্মৰ প্ৰতি শ্ৰদ্ধা আৰু ভালপোৱা থকা একান্ত জৰুৰী। সেয়া নহ'লে গণতন্ত্ৰ বিপন্ন হ'ব নোৱাৰে। সকলো ধৰ্মতে আছে সহমৰ্মিতা আৰু শান্তিৰ কথা। এক শ্ৰেণীৰ তথাকথিত উগ্ৰ ধৰ্মান্ধ মানুহ মাইকত আজান দিয়াক লৈ বিতৰ্ক কৰি দেশৰ সংহতিক বিনষ্ট কৰিবলৈ বিচাৰিছে। মন্দিৰত ঘন্টা বা শঙ্খ বাজিলেও অন্য ধৰ্মৰ মানুহৰ তাত কোনো অসুবিধা নহয়। এইটো হিন্দু ধৰ্মৰ ৰীতি। ধৰ্মীয় কোনো আচাৰ-আচৰণক সকলো ধৰ্মৰ মানুহেই স্বাগতম জনোৱা দৰকাৰ। কিন্তু বিজেপিশাসিত ৰাজ্যবিলাকত অহিন্দুসকলৰ আচাৰ-অনুষ্ঠান বেছি বাধাপ্ৰাপ্ত হোৱা দেখা গৈছে। যিটো দুৰ্ভাগ্যজনক। দেশৰ বিভিন্ন ৰাজ্যত বিভিন্ন সম্প্ৰদায়ৰ মহিলাসকলে মূৰত ওৰণি লয়। ইয়াত কাৰো আপত্তি থাকিব নোৱাৰে। তেনেদৰে কোনোৱে যদি বোৰ্খা বা মূৰত স্কাৰ্ফ পৰিধান কৰে তাতো কাৰো অসুবিধা হোৱাৰ কথা নহয়। মাইকত আজান দিয়া, মন্দিৰত ঘন্টা বজোৱা, শঙ্খধ্বনি, গিৰ্জাত ঘন্টা বজোৱা, মাজাৰত যোৱা, বৰদিন উদ্যাপন কৰা, পূজাত যোৱা, ঈদৰ নামাজ পঢ়া- এইবিলাক আমাৰ দেশৰ সংস্কৃতি। সেয়ে মাইকত আজান দিয়া, মন্দিৰত ঘন্টা বা শঙ্খধ্বনি বা গিৰ্জাৰ ঘন্টাক লৈ হৈ চৈ নকৰি দেশৰ মানুহৰ সাৰ্বিক উন্নয়ন কিভাবে হ'ব তাক লৈ ভবা উচিত।

**মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**
*ফোন ঃ ৯৯৫৭৩১০৪৩৬*

# গাঁৱত চিচি টিভি আৰু নিউজ চেনেলবোৰ বেছি হ'ল

আগতে আমি জানিছিলোঁ যে চিচি টিভিবোৰ চহৰৰ ডাঙৰ ডাঙৰ দোকানসমূহত, ডাঙৰ ডাঙৰ হোটেলসমূহত, বিভিন্ন ধৰণৰ চৰকাৰী কাৰ্যালয়সমূহত নতুবা ডাঙৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহতহে লগোৱা হৈছিল। কিন্তু এতিয়া গাঁৱৰ ভিতৰে ভিতৰে চিচি টিভি আৰু নিউজ চেনেলবোৰ হ'ল। ইহঁতে পুৱাৰ পৰাই আপোনাক নিৰীক্ষণ কৰিব— ক'লৈ গৈছে, কি কৰিছে, কি কামত গৈছে, কি খাইছে, কাৰ লগত গৈছে, ক'ত বহিছে ইত্যাদি ইত্যাদি।

আপুনি ঘৰৰ পৰা ওলাই গৈ উভতি ঘৰ নৌপাওঁতেই গাঁৱৰ নিউজ চেনেলসমূহে আপোনাৰ আগতীয়া বাতৰি সম্প্ৰচাৰ কৰি দিব। 'আমুকৰ জীয়েক আমুকৰ পুতেকৰ লগত অমুকলৈ গৈছে। আমুকে আমুকক এনেকৈ ক'লে। আমুকৰ পুতেকে আমুকক বাইকত উঠাই লৈ গ'ল। আমুকৰ ঘৰত আমুক আহি বহি আছেহি' ইত্যাদি।

গাঁৱৰ সেই চিচি টিভি আৰু নিউজ চেনেলবোৰে যদি এইবোৰ কৰাতকৈ নিজৰ ঘৰখনৰ কথা চিন্তা কৰাহেঁতেন... ! সন্তান আৰু পৰিয়ালৰ বিষয়ে সেইসকলে চিন্তা কৰা হ'লে আজি অসমৰ এই অৱস্থা নহ'লহেঁতেন। কেৱল যে গাঁওসমূহতে চিচি টিভি আৰু নিউজ চেনেলবোৰ বাঢ়িছে এনে নহয়। বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী আৰু বে-চৰকাৰী কাৰ্যালয়সমূহ, বিভিন্নধৰণৰ অনুষ্ঠানসমূহৰ মাজতো ইহঁতে বহুলভাৱে প্ৰচাৰ লাভ কৰিছে। এক কথাত ক'বলৈ গ'লে গাঁৱৰ পৰা আদি কৰি চহৰৰ প্ৰতিটো গলিত আৰু সকলো ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠানতেই এই চিচি টিভি আৰু নিউজ চেনেলসমূহ সক্ৰিয় হৈ আছে। যি সমাজৰ বাবে অতি ক্ষতিকাৰক। এইসমূহে সমাজৰ একো উন্নিত সাধিব নোৱাৰে। বৰঞ্চ সমাজখন বিশৃংখলহে কৰে। সেয়েহে আমি সেইসকলক আহ্বান জনাওঁ যে আপোনালোকে চিচি টিভি আৰু নিউজ চেনেলসমূহৰ চাকৰি এৰি দিয়ক আৰু নিজৰ লগতে ঘৰখন আৰু দেশখন লাভৱান হ'ব পৰাকৈ নিজকে কৰ্মী হিচাপে গঢ়ি তোলক। ঘৰৰ ছন পৰি থকা মাটিখিনিত খেতি কৰক। অকলে অসুবিধা হ'লে দুই-তিনিজন যুৱক-যুৱতীক লগত লৈ লওক। নতুবা আপোনাৰ ভাল লগা কৰ্মটো কৰক, য'ৰ পৰা আপোনাৰ পৰিয়ালটো আৰু ঘৰখন সুন্দৰকৈ পৰিচালনা কৰিব পাৰে। আপোনাৰ কৰ্ম দেখি যাতে ঘৰৰ সকলোৱে আপোনাৰ দৰে কৰ্মী হৈ পৰে। পাৰিলে দহজনক আগুৱাই যাবলৈ সাহস আৰু প্ৰেৰণা যোগাওক।

**সত্যজিৎ গগৈ**
*ফোন ঃ ৭৩৯৯৬৬২৮৬৭*

# কাশ্মীৰৰ সমস্যা আৰু সম্ভাৱনা

কাশ্মীৰ মানে ভাৰতৰ ফলৰ ভাণ্ডাৰ। কাশ্মীৰ মানে প্ৰকৃতিৰ এক অনন্য ৰূপ, যি সমগ্ৰ বিশ্বতে ভূ-স্বৰ্গৰূপে খ্যাত। কিন্তু ভাৰতৰ উত্তৰ দিশত অৱস্থিত কাশ্মীৰ উপত্যকা বহু সমস্যাৰে জৰ্জৰিত। ভাৰত আৰু পাকিস্তানৰ স্বাধীনোত্তৰ কালৰে পৰা বৰ্তমান সময়লৈ কাশ্মীৰৰ সমস্যাই যেন পিছ নেৰা হৈছে। কিয়নো শৈক্ষিক, অৰ্থনীতি আৰু ৰাজনৈতিকভাৱে, প্ৰত্যক্ষভাৱে বাৰুকৈয়ে প্ৰভাৱ পেলাই আহিছে। যাৰ ফলত বৰ্তমানৰ শিক্ষিত কাশ্মীৰৰ যুৱপ্ৰজন্মৰ এক অন্যতম চিন্তনীয় বিষয় হৈ পৰিছে। কাৰণ এনেদৰে ভৱিষ্যৎ দিনতো সমস্যাৰ লগত যুঁজি থাকিবলগীয়া হ'লে কাশ্মীৰ প্ৰকৃত ভূ-স্বৰ্গ এদিন নিঃশেষ হোৱাৰ অধিক আশংকা হৈ পৰিছে। কাশ্মীৰৰ সমস্যাসমূহৰ ভিতৰত অন্যতম প্ৰধান সমস্যা হৈছে সন্ত্ৰাসবাদ সমস্যা। নৱৈৰ দশকত জন্ম হোৱা সন্ত্ৰাসবাদী সংগঠনসমূহে বৰ্তমানো কাশ্মীৰৰ উন্নয়নৰ ক্ষেত্ৰখনত বাধা আৰোপ কৰি আহিছে বুলি ক'ব পাৰোঁ। কিয়নো কাশ্মীৰৰ উন্নয়নৰ সৰ্বাধিক বাজেটৰ টকা সন্ত্ৰাসবাদ নিৰ্মূলত ব্যয় কৰিব লগা হয়। এইকাৰণে কাশ্মীৰৰ অন্য সমস্যা সমাধানৰ পথ কিছুমান বাধাৰ প্ৰভাৱ পেলায়। সেয়ে কাশ্মীৰৰ সমস্যা সমাধান কৰিবলৈ হ'লে প্ৰথমতে সন্ত্ৰাসবাদ সম্পূৰ্ণ ৰূপে নিৰ্মূল কৰিব লাগিব। কিন্তু জম্মু আৰু কাশ্মীৰত সন্ত্ৰাসবাদৰ দৰে সংবেদনশীল সমস্যা সমাধান হ'বনে? কিয়নো ইয়াৰ মূল কাৰণ হৈছে ৰাজনৈতিক নেতা। কিয়নো কাশ্মীৰৰ সন্ত্ৰাসবাদী সমস্যাকে মূল ইছ্যু হিচাপে লৈ বছৰ বছৰ ধৰি নিৰ্বাচনসমূহত অৱতীৰ্ণ হৈ আহিছে। সেয়ে তেওঁলোকে কাশ্মীৰত সক্ৰিয় হৈ থকা সন্ত্ৰাসবাদী সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি অহা নাই বুলি গণ্য কৰিব পাৰোঁ। তদুপৰি কাশ্মীৰৰ প্ৰধান সমস্যা সন্ত্ৰাসবাদৰ মূল গুৰি ধৰোঁতা হিচাপে চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানৰ প্ৰত্যক্ষ জড়িত আছে। কিয়নো কাশ্মীৰত সক্ৰিয় হৈ থকা হিজবুল মুজাহিদ্দীন, লস্কৰ-ই-তৈবা আদিৰ দৰে শক্তিশালী সন্ত্ৰাসবাদী সংগঠনসমূহক পাকিস্তানৰ পৰাই পৰিচালনা কৰি আহিছে। ইয়াৰ মূল উদ্দেশ্য হৈছে সীমা সমস্যা। কিয়নো পাকিস্তানে ১৯৪৭ চনৰে পৰা কাশ্মীৰক নিজৰ দখললৈ নিবলৈ বহুতবাৰ চেষ্টা অব্যাহত ৰাখি আহিছে। কিন্তু চুবুৰীয়া দেশ পাকিস্তানে সফল ৰূপ দিব পৰা নাই। ইংৰাজৰ দুশ বছৰীয়া শাসন ওফৰাই ভাৰত আৰু পাকিস্তান ১৯৪৭ চনৰ ১৪ আৰু ১৫ আগষ্টত দুখন পৃথক পৃথক ৰাষ্ট্ৰ হিচাপে স্বাধীনতা লাভ কৰাৰ পাছতো প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা কাশ্মীৰ কোনো ৰাষ্ট্ৰৰ দখলত নাছিল। সেয়ে পাকিস্তানে নিজৰ দখললৈ নিবলৈ তদানীন্তন গৱৰ্নৰ জেনেৰেল মহম্মদ আলি জিন্নাৰ নেতৃত্বত ১৯৪৭ চনৰ ২১ অক্টোবৰত কাশ্মীৰৰ ওপৰত হঠাৎ আক্ৰমণ কৰে। পাকিস্তানী সৈন্যই আক্ৰমণ কৰি বাৰামূলা পৰ্যন্ত নিজৰ দখললৈ নিবলৈ সক্ষম হৈছিল। সেয়ে কাশ্মীৰৰ তেতিয়াৰ মহাৰজা হৰি সিঙে অসহায় হৈ ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ওচৰত সহায়ৰ হাত বিচাৰিছিল। যাৰ ফলত মহাৰজা হৰি সিঙে ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ লগত ১৯৪৭ চনৰ ২৬ অক্টোবৰত এক চুক্তিত স্বাক্ষৰ কৰে। ঠিক তেতিয়াৰে পৰা কাশ্মীৰ ভাৰতৰ অংশ হৈ পৰিছিল। সেয়ে চুক্তিৰ আধাৰতে ভাৰত চৰকাৰে কাশ্মীৰলৈ ততাতৈয়াকৈ অৰ্থাৎ ১৯৪৭ চনৰ ২৭ অক্টোবৰত প্ৰথমবাৰলৈ ভাৰতীয় সৈনিক প্ৰেৰণ কৰে। কিয়নো তেতিয়ালৈ কাশ্মীৰ এখন স্বায়ত্তশাসিত অঞ্চলহে আছিল। কিন্তু পাকিস্তানে দখলৰ পৰা মুক্তি লাভ কৰিবলৈ ভাৰতৰ সহায়ৰ হাত বিচাৰি স্বাক্ষৰিত চুক্তিত কাশ্মীৰ ভাৰতৰ অংশ হিচাপে অনুমতি প্ৰদান কৰিবলৈ বাধ্য হয়। এইকাৰণে স্বাধীনতাৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজত প্ৰথমখন যুদ্ধ হোৱা দেখিবলৈ পাইছিলোঁ। কিন্তু এই যুদ্ধত ভাৰতৰ সৈনিকে নিজৰ বীৰত্বৰে পাকিস্তান সৈনিকক পৰাস্ত কৰি কাশ্মীৰ উদ্ধাৰৰ অভিযান ধাৰাবাহিকভাৱে চলাই গৈছিল। সেইখিনিতে ভাৰত চৰকাৰৰ পৰা তৎকালীণভাৱে যুদ্ধবিৰতিৰ ঘোষণা কৰে। যুদ্ধৰ পৰিসমাপ্তি হোৱাৰ পাছত অৰ্থাৎ ৪ জানুৱাৰী, ১৯৪৭ চনত ৰাষ্ট্ৰসংঘই পাকিস্তানক কাশ্মীৰ ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। এইদিনাৰ পৰা কাশ্মীৰ এক অমীমাংসিত অঞ্চল হিচাপে পৰিগণিত হ'ল। কিয়নো ভাৰত আৰু পাকিস্তানৰ মাজত লাইন অৱ কন্ট্ৰোল নামেৰে সৃষ্টি হোৱা দেখিবলৈ পালোঁ। তদুপৰি এইদিনাৰ পৰাই কাশ্মীৰৰ অন্য এটা অংশৰো সৃষ্টি হ'ল, যাক কোৱা হয়, পাক অধিকৃত কাশ্মীৰ। ইয়াৰ পিছত কাশ্মীৰৰ আৰু এক অন্য এটা অংশৰ সৃষ্টি হ'ল, যাক অক্সাই চীন বুলি কোৱা হয়। যাৰ ফলত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা তথা ভূ-স্বৰ্গ হিচাপে খ্যাত কাশ্মীৰ তিনিটা ভাগত বিভক্ত হৈ যায়। ইয়াৰে সৰ্বাধিক অংশ ভাৰতৰ দখলত।

ভূ-স্বৰ্গ হিচাপে কাশ্মীৰ সমস্যাৰ সৈতে ৰাষ্ট্ৰসংঘৰ ১৯৪৮ চনৰ পৰা ১৯৬৫ চনলৈ সোতৰ বছৰৰ স্থায়ী সম্পৰ্ক আছিল। কিন্তু ১৯৬৫ চনৰ ইণ্ডো-পাক্ যুদ্ধৰ পৰা ১৯৭১ চনত তৃতীয় বাৰৰ বাবে সংঘটিত হোৱা ভাৰত-পাক্ যুদ্ধৰ সামৰণি পৰ্যন্ত কাশ্মীৰৰ সৈতে ৰাষ্ট্ৰসংঘৰ সম্পৰ্ক নামমাত্ৰহে বৰ্তি আছিল। যি পৰৱৰ্তী সময়ত অৰ্থাৎ ১৯৭২ চনৰ ছিমলা চুক্তি স্বাক্ষৰৰ পিছত সম্পূৰ্ণৰূপে শেষ হয়। কিন্তু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ১৯৪৮ চনৰ পৰা ১৯৭১ চনলৈ মধ্যস্থতা আৰু সমাধানৰ উদ্দেশ্যে কাশ্মীৰ সমস্যাৰ ওপৰত ২৩ টাকৈ প্ৰস্তাৱ গ্ৰহণ কৰে। তদুপৰি ১৯৪৮ চনৰ ১ জানুৱাৰীত ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউএন সদনৰ ৩৫নং অনুচ্ছেদ (ষষ্ঠ অধ্যায়)ৰ অধীনত, পাকিস্তানে জম্মু-কাশ্মীৰ উপত্যকাত পাকিস্তানী জনজাতীয় আক্ৰমণত 'সহায় তথা অৱদান' আগবঢ়োৱাৰ অভিযোগ উত্থাপন কৰিছিল। ৰাষ্ট্ৰসংঘত ভাৰতে দাবী কৰিছিল যে কাশ্মীৰ উপত্যকাৰ সকলো শাসিত অঞ্চল আইনগতভাৱে ভাৰতৰ অন্তৰ্গত, যি ভাৰতৰ লগত হোৱা হিন্দু ৰজাসকলৰ স্বাক্ষৰিত চুক্তিৰ ফল।

দশক দশক ধৰি কাশ্মীৰৰ সমস্যা সমাধান কৰিবলৈ বৰ্তমানৰ ভাৰত চৰকাৰে ভাৰতীয় সংবিধানৰ অধিনিয়ম অনুচ্ছেদ ৩৭০ আৰু ৩৫ (১ম অধ্যায়) ২০১৯ চনৰ ৫ নৱেম্বৰত সংসদত সংশোধন কৰি গৃহীত কৰে। তদুপৰি সংসদৰ সৰ্বসন্মতিক্ৰমে গৃহীত হোৱাৰ পিছত জম্মু-কাশ্মীৰ পূৰ্ণাংগ ৰাজ্য ভংগ কৰি লডাখ আৰু জম্মু-কাশ্মীৰ দুখনকৈ পৃথক পৃথক কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে। কিন্তু বৰ্তমানো কাশ্মীৰ সম্পূৰ্ণ ৰূপে সমস্যাৰ সমাধান হৈছে বুলি ক'ব নোৱাৰোঁ। কিয়নো কাশ্মীৰত সময়ে সময়ে সৈনিকৰ লগতে নিৰীহ লোকৰো সন্ত্ৰাসবাদীৰ হাতত মৃত্যু হোৱা দেখিবলৈ পাওঁ। সেয়ে কাশ্মীৰৰ প্ৰধান সমস্যা সন্ত্ৰাসবাদী নিৰ্মূল কৰিবলৈ হ'লে ৰাজনৈতিক নেতাসকল নিকা হোৱাটো অতিকৈ প্ৰয়োজনীয়তা বোধ কৰোঁ। সৌ সিদিনা কাশ্মীৰৰ স্থানীয় প'ৰ্টেল চেনেলত স্থানীয় কাশ্মীৰি লোকক এটা সাক্ষাৎকাৰ অনুষ্ঠানত এই কথা ইয়াৰ স্থানীয় যুৱপ্ৰজন্মই ব্যক্ত কৰিছে। কিয়নো কাশ্মীৰত বহু বছৰৰ পৰা মাত্ৰ দুটা পৰিয়ালৰ মাজতে ৰাজনৈতিকভাৱে শাসনভাৰ ৰাখি কাশ্মীৰৰ লোকক শোষণ কৰি আহিছে বুলি ক'ব পাৰি। এই পৰিয়াল দুটাৰ এটা মুফতি পৰিয়াল আৰু আনটো আব্দুলাৰ পৰিয়ালৰ কথা উল্লেখ কৰিব পাৰোঁ। কাৰণ তেওঁলোকে বহু বছৰ পৰা কাশ্মীৰৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈ আহিছে। কিন্তু তেওঁলোক কাশ্মীৰৰ স্থানীয় মুছলমান সম্প্ৰদায় লোক হোৱাৰ পাছতো কাশ্মীৰৰ স্থায়ী সমাধান বিচৰা নাছিল। সেয়ে স্বাধীনতাৰ পঁয়শত্তৰ বছৰ অতিক্ৰম হোৱাৰ পাছতো কাশ্মীৰ শৈক্ষিক দিশত বিশেষ গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হোৱা নাই। কিয়নো ৰাজ্যখন বৰ্তমান সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত ৬৭.১৬ শতাংশৰে পোন্ধৰ নম্বৰ স্থানতে সীমিত থাকিব লগা হৈছে। কাৰণ এখন দেশ বা ৰাজ্যৰ বাবে উন্নয়নৰ অন্যতম কাৰণ হৈছে শৈক্ষিক পৰিৱেশ। যদি ৰাজ্যখনত শৈক্ষিক উন্নয়ন সাধন হয়, তেতিয়াহ'লে বাকী সমস্যা অতি সোনকালে সমাধান সম্ভৱ হৈ পৰে। সেয়ে সমাজখন বা যুৱপ্ৰজন্ম শিক্ষিত হোৱাটো অতিকৈ গুৰুত্বপূৰ্ণ। কিন্তু চৰকাৰৰ শৈক্ষিক দিশত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখিবলৈ পোৱা নাযায়। সেই কাৰণে কাশ্মীৰত ৰাজনৈতিক নেতাসকলে কেৱল শাসনৰ কাৰণে তৰ্ক-বিতৰ্ক কৰি থকাতকৈ শৈক্ষিক দিশত অতিকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব, তেতিয়াহে কাশ্মীৰৰ প্ৰধান সন্ত্ৰাসবাদৰ দৰে সমস্যা সমাধান সম্ভৱ হৈ উঠিব। কিয়নো আজিৰ যুৱপ্ৰজন্ম শিক্ষিত হোৱাৰ লগে লগে সন্ত্ৰাসবাদৰ দৰে মাৰাত্মক এটা সমস্যা সমাধান সম্ভৱ হ'ব বুলি ক'ব পাৰোঁ। কাৰণ যুৱপ্ৰজন্ম শিক্ষিত হোৱাৰ লগে লগে সন্ত্ৰাসবাদীৰ প্ৰতি আকৃষ্ট নিঃশেষ হ'ব বুলি ক'ব পাৰোঁ। কাশ্মীৰত সন্ত্ৰাসবাদী নিৰ্মূলৰ ক্ষেত্ৰত যুৱপ্ৰজন্মৰ যথেষ্ট অৰিহণা প্ৰয়োজন। তদুপৰি কাশ্মীৰত যদি সন্ত্ৰাসবাদী নিৰ্মূল হৈ যায়, তেতিয়া সীমা বিবাদৰ দৰে সমস্যাও অতি সোনকালে সমাধান সম্ভৱ হৈ উঠিব। কিয়নো কাশ্মীৰৰ সন্ত্ৰাসবাদী নিৰ্মূল হোৱাৰ লগে লগে যুৱপ্ৰজন্মৰ মাজত এক শান্তিৰ পৰিৱেশ ঘূৰি আহিব আৰু শান্তি শৃংখলা ঘূৰি অহাৰ পাছত এখন দেশক অন্য এখন দেশে সোনকালে আক্ৰমণ কৰিব নোৱাৰে। সেয়ে চৰকাৰে যুৱপ্ৰজন্মৰ মাজত শৈক্ষিক পৰিৱেশৰ এক সুন্দৰ বাতাবৰণ সৃষ্টি কৰিব লাগিব, তেতিয়া নিশ্চিতভাৱে দশক দশক ধৰি সমস্যাৰে জৰ্জৰিত হৈ থকা কাশ্মীৰ ভাৰতৰ পৰ্যটনস্থলী হোৱাৰ উপৰিও ভূ-স্বৰ্গ হিচাপে সমগ্ৰ বিশ্বতে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হ'ব।

**ভাস্কৰজ্যোতি কুটুম**
*ফোন ঃ ৬০০৫০১২৫৮১*

# মুদৈবড়ী সমষ্টিৰ টংলা চাৰি নম্বৰ খণ্ডত ৰাইজক দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষাত ব্যৰ্থ জনপ্ৰতিনিধি

## ■ বাট-পথ আৰু পকী নলা নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিওঁ আওকাণ জনপ্ৰতিনিধিৰ
## ■ বানপানীত ডুবি থকা ৰাইজৰ খবৰ এটা নল'লে ই এম দিগন্ত বৰুৱাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** বিটিচিত ১৭ বছৰীয়া বিপিএফ চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে কঠোৰ সমালোচনা কৰি দুৰ্নীতিমুক্ত আৰু সম-উন্নয়নৰ লগতে কমিচনৰাজ বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দি ৰাইজৰ আগত ভোট ভিক্ষা কৰি ৰাইজৰ ভোটেৰে বিটিচিত চৰকাৰ গঠন কৰা বিজেপি , ইউ পি পি লৰ ডেৰ বছৰীয়া শাসনত কালতে আমুৱাইছে ৰাইজৰ। কাৰণ, নিৰ্বাচনৰ আগতে ৰাইজক দিয়া কোনো এটা প্ৰতিশ্ৰুতি ৰক্ষা কৰিব সক্ষম হোৱা নাই এইখন বিজেপি-ইউ পি পি এলৰ মিত্ৰ শক্তিৰ বিটিচি চৰকাৰ। ইয়াৰে ব্যতিক্ৰম নহয় বি টি আৰৰ ওদালগুৰি জিলাৰ মুদৈবড়ী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত টংলা চাৰি নম্বৰ খণ্ডৰ বৃহত্তৰ চিত্ৰনগৰ অঞ্চল। সৰ্বাধিক অসমীয়া ভাষীক শিক্ষিত লোকৰ বসতিস্থল এই টংলা চহৰৰ চাৰি নম্বৰ খণ্ডত অতি শেহতীয়াভাৱে হোৱা বানপানীৰ সময়ত ৰাইজে একঁকাল পানীত ডুবি থকাৰ পিছতো এবাৰো খবৰ নোলোৱা সমষ্টিটোৰ পাৰিষদ দিগন্ত বৰুৱাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰোৰ এটাও বিগত ডেৰ বছৰে পূৰণ কৰাত ব্যৰ্থ হোৱাত ক্ষোভিত হৈছে ৰাইজ। শেহতীয়া কৃত্ৰিম বানপানীৰ সময়ত চিত্ৰনগৰবাসীৰ একাংশ ৰাইজে ফোনযোগে পাৰিষদ বৰুৱাক খবৰ জনাই পৰিস্থিতিৰ নিজ চকুৰে চাবলৈ মাতিছিল যদিও গা এৰা দিয়া মনোভাবেৰে চাবলৈ অহাটো দূৰৈৰ কথা, খবৰ এটাও নল'লে বানপানীত ডুবি থকা দুৰ্ভগীয়া ৰাইজৰ। এই অভিযোগ চিত্ৰনগৰবাসীৰ। তদুপৰি নিৰ্বাচনৰ পূৰ্বে ভোট ভিক্ষা কৰা বিজেপি দলৰ প্ৰাৰ্থী দিগন্ত বৰুৱাই বিজয়ী হ'লে সকলোবোৰ পথ আৰু উপ-পথ পকীকৰণ কৰাৰ লগতে পথ আৰু উপ-পথৰ দাঁতিত পকী নলা নিৰ্মাণ কৰি কৃত্ৰিম বানৰ সমস্যা দূৰ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দি বিগত ডেৰ বছৰৰ ভিতৰত টংলা চাৰি নম্বৰ খণ্ডত পথ - উপ পথ আৰু পকী নলা নিৰ্মাণ কৰা দূৰৈৰ কথা বৃহত্তৰ চিত্ৰনগৰবাসী ৰাইজৰ খবৰ এটাও লবলৈ অঞ্চলটোত উপস্থিত নহ'ল। অথচ, বিটিচিৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী সদস্য হোৱাৰ সুবাদত বৰুৱাই প্ৰায়ে বিভাগীয় কাম কাজত চিত্ৰনগৰৰ গাতে লাগি থকা বৰজলাহস্থিত জলসিঞ্চন সংমণ্ডল কাৰ্য্যালয়লৈ আহে যদিও চিত্ৰনগৰবাসীৰ ওচৰত সুযোগ বুজি মাত এষাৰ দিবলৈ ইচ্ছা প্ৰকাশ নকৰাত যথেষ্ট ক্ষোভিত হৈছে অঞ্চলবাসী। দুৰ্নীতিত পোত যোৱা বিপিএফৰ শাসন ওফৰাই পৰিৱৰ্তনৰ শ্ল'গান দিয়া বিজেপি-ইউ পি পি এলৰ চৰকাৰখনেও বিপিএফৰ পদাংকণ অনুসৰণ কৰা বুলি সমষ্টিৰ ৰাইজে অভিযোগ উত্থাপিত কৰি কয় যে চিত্ৰনগৰৰ এম বি ৰোডৰ পৰা জলসিঞ্চন কাৰ্যালয়লৈ যোৱা পথটোত বিশেষকৈ পথটোৰ উত্তৰ দিশে এটা পকী নলাৰ প্ৰয়োজন আছিল যদিও উক্ত পকী নলাটো নিৰ্মাণ কৰিবলৈ অকণো গুৰুত্ব আৰোপ কৰা নাই পাৰিষদ বৰুৱাই। তদুপৰি এম বি ৰোডৰ ইণ্ডিয়ান অইল ডিপোৰ সমীপৰে চিত্ৰনগৰৰ গুৰুত্বপূৰ্ণ পথটোৰ কাষত ৰাইজে কৃত্ৰিম বানপানীৰ পৰা ৰক্ষা পাবলৈ অন্তত এটা পকী নলা নিৰ্মাণ কৰিবলৈ দাবী জনায় অহাৰ পিছতো অকণো কানসাৰ নিদিয়া সমষ্টিটো জনপ্ৰতিনিধিগৰাকীৰ ভূমিকাক সন্দেহৰ চকুৰে চাইছে ৰাইজে। আনহাতে, এম বি ৰোডৰ পৰা জলসিঞ্চন কাৰ্যালয়লৈ যোৱা পথটোৰ পৰা যোৰ পুখুৰীৰ পিছফালে যোৱা উপ পথটো অংশলটোৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ উপ পথ যদিও আজিলৈকে কোনো এখন চৰকাৰে উপ পথটো পকীকৰণত গুৰুত্ব নিদিলে। পৰিৱৰ্তন জয় গান গাই শাসনৰ গাদীত বহা বৰ্তমানৰ বিটিচি চৰকাৰখনে উক্ত উপ-পথটো নিৰ্মাণ কৰাৰ লগতে পকী নলা নিৰ্মাণ কৰি ৰাইজৰ যাতায়ত আৰু বানৰ সমস্যাৰ অন্ত পেলাব বুলি আশা কৰিছিল যদিও ৰাইজৰ আশাত চেঁচা পানী ঢালি ব্যক্তিগত স্বাৰ্থ পূৰনত ব্যস্ত থকা এইখনো চৰকাৰক আগন্তুক নিৰ্বাচনত এশিকনি দিবলৈ চিত্ৰনগৰবাসীয়ে এতিয়াৰে পৰা কঁকালত টঙালি বান্ধি জনপ্ৰতিনিধিৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, টংলা কলেজ পথৰ সমীপৰে টংলা চাৰি নম্বৰ খণ্ডৰ টংলা বালিকা চিনিয়ৰ চেকেণ্ডাৰী স্কুল আৰু খণ্ড বন বিষয়াৰ কাৰ্য্যালয়ৰ সন্মুখেৰে বৰজলাহ খেতি পথাৰলৈ জলসিঞ্চনৰ পানী যোৱা অতি গুৰুত্বপূৰ্ণ নলাটো হাবি-জংঘলেৰে পোত খাই কাৰ্যক্ষমহীন হৈ থকা হেতুকে বিটিচিৰ পৰিৱৰ্তনৰ শেগান দিয়া নতুন চৰকাৰক স্থানীয় ৰাইজে পকীকৰণ কৰিবলৈ দাবী জনাই আহিছিল যদিও উক্ত নলাটো পকী কৰা দূৰৈৰ কথা পৰিষ্কাৰ কৰি বৰষুণৰ পানী বাগৰি যাবলৈ সুবিধা কৰি নিদিয়াৰ অভিযোগ ৰাইজৰ। টংলা চিত্ৰনগৰবাসী ৰাইজ উপযুক্ত নলা নদৰ্মা আৰু সুচল যাতায়ত ব্যৱস্থাৰ বাবে পথ-উপ পথৰ দৰে এনেবোৰ বহু জলন্ত সমস্যাৰ লগত বিশেষকৈ বাৰিষা কালত কৃত্ৰিম বানপানীৰ সৈতে যুঁজি আহিছে যদিও প্ৰতিটো নিৰ্বাচনৰ সময়ত ভোট ভিক্ষা কৰা দলীয় মনোনীত প্ৰাৰ্থীসকলে নিৰ্বাচনত বিজয়ী হলে সকলো সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনত বিজয়ী হৈ ৰাইজৰ সমস্যাৰ সমাধানৰ বিপৰীতে পিঠি দিয়া স্বভাৱত অতিষ্ঠ হৈ আগন্তুক নিৰ্বাচনৰ সময়ত ৰাইজৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আওকাণ কৰা নেতাসকলক ৰাজনৈতিক ভাবে বৰ্জন কৰিবলৈ চিন্তা চৰ্চা কৰিছে। টংলা চিত্ৰনগৰবাসী ৰাইজে অতি সোনকালে ৰাইজৰ সমূহীয়া সমস্যাসমূহ সমাধান কৰিবলৈ দাবী জনাইছে। অন্যথা আগন্তুক নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিবলৈ সাজু হৈছে বুলি অৱগত কৰে। এই ক্ষেত্ৰত পানেৰী বিধান সভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীকো সমষ্টিৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ ৰাইজে দাবী জনাইছে।




*তেজপুৰত বিশ্বকৰ্মাৰ মূৰ্তি বিক্ৰী কৰিছে এজন বিক্ৰেতাই*

# শক্তি খণ্ডৰ পিছত এইবাৰ গ্ৰামীণ বেংকক ব্যক্তিগতকৰণ কৰিব চৰকাৰে

## গ্ৰামীণ বেংকৰ ব্যক্তিগতকৰণৰ বিৰোধিতাৰে ২৩ ছেপ্টেম্বৰত পালন হ'ব দেশজোৰা ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ শক্তি খণ্ডটোৰ পিছত এইবাৰ চৰকাৰে গ্ৰামীণ বেংকক ব্যক্তিগতকৰণ কৰিব ওলাইছে। দেশৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা গ্ৰামীণ বেংকসমূহৰ ব্যক্তিগতকৰণৰ প্ৰচেষ্টাক অসম গ্ৰামীণ বিকাশ বেংকৰ সৈতে জড়িত হৈ থকা বিষয়া আৰু কৰ্মচাৰী সন্থাই তীব্ৰ নিন্দা কৰিছে। সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত সন্থাই উল্লেখ কৰিছে যে- গ্ৰামীণ বেংকসমূহৰ ব্যক্তিগতকৰণৰ বিৰোধিতাৰ লগতে National Rural Bank of India গঠন কৰি গ্ৰামীণ বেংক সমূহক শক্তিশালী কৰাৰ বাবে All India Regional Rural Bank Employees Association [AIRRBEA] ৰ আহ্বান মতে সমগ্ৰ দেশৰ গ্ৰামীন বেংকৰ বিষয়া কৰ্মচাৰী সমূহে আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে। উক্ত কাৰ্য্যসূচীৰ অংশ হিচাপে বিগত ১০ আগষ্টত নতুন দিল্লীত ধৰ্ণা কাৰ্যসূচীও পালন কৰা হয়। ইয়াৰ লগতে অহা ২৩ ছেপ্টেম্বৰত দেশজোৰা গ্ৰামীণ বেংক ধৰ্মঘট সৰ্বাত্মাক ৰূপত পালন কৰা হব। যিহেতু গ্ৰামীণ বেংক সমূহে দেশৰ গ্ৰামীণ অংশ জনসাধাৰণক সুলভ মূল্যত বেংকিং সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। চৰকাৰী আচনি সমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গ্ৰামীণ বেংক সমূহে উল্লেখনীয় সফলতা লাভ কৰিছে। জন ধন আচনিৰ অধীনত খোলা একাউন্টসমূহৰ প্ৰায় ২০শতাংশ একাউন্ট গ্ৰামীণ বেংকসমূহত খোলা হৈছে। ইয়াৰ ওপৰিও প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, অটল পেন্সন যোজনা আদি ৰূপায়নতো গ্ৰামীন বেংক সমূহে অগ্ৰনী ভূমিকা পালন কৰি আহিছে। ইয়াৰ সমান্তৰাল ভাৱে গ্ৰামীন বেংক সমূহে প্ৰদান কৰা সৰ্বমুঠ ঋণৰ প্ৰায় ৯০শতাংশ ঋণ হৈছে অগ্ৰণী খণ্ডত প্ৰদান কৰা ঋণ যাৰ দ্বাৰা দেশৰ সাধাৰণ খেতিয়ক, লঘু উদ্যোগী, আম সহায়ক গোটৰ লাখ লাখ লোক উপকৃত হৈছে।গতিকে যি সমসয়ত গ্ৰামীন বেংকৰ কৰ্মচাৰী সকলে গ্ৰামীণ বেংকক শক্তিশালী কৰাৰ বাবে আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে। তেনে সময়তে কেন্দ্ৰীয় চৰকাৰে বিগত ১৪ ছেপ্টেম্বৰত গ্ৰামীণ বেংক সমূহৰ আইপিঅ'ৰ বাবে বিধি প্ৰকাশ কৰিছে। গতিকে অসম গ্ৰামীন বিকাশ বেংক বিষয়া আৰু কৰ্মচাৰী সন্থাই দেশৰ গ্ৰাম্যাঞ্চলৰ লাখ লাখ লোকৰ কথা চিন্তা কৰি চৰকাৰক গ্ৰামীন বেংক সমূহৰ ব্যক্তিগতকৰণৰ প্ৰক্ৰিয়াৰ পৰা বিৰত থকাৰ বাবে আহ্বান জনাইছে। চৰকাৰৰ উক্ত সিদ্ধান্তৰ বিৰোধিতাৰে AIRRBEAৰ আহ্বানত অসমতো অসম গ্ৰামীন বিকাশ বেংকৰ সমূহ বিষয়া কৰ্মচাৰীয়ে অহা ২৩ ছেপ্টেম্বৰত ধৰ্মঘটত চামিল হ'ব বুলি অসম গ্ৰামীন বিকাশ বেংক বিষয়া সন্থাৰ সাধাৰণ সম্পাদক জীৱেশ চক্ৰৱৰ্তী আৰু কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক সমীৰন মেধীয়ে প্ৰেছ বিজ্ঞপ্তিটোত প্ৰকাশ কৰিছে। এই ধৰ্মঘটক সফল ৰূপ দিবৰ বাবে সকলোকে আগবাঢ়ি আহিবলৈ অসম গ্ৰামীন বিকাশ বেংক কৰ্মচাৰী সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক নীলোৎপল কাকতিয়ে আহ্বান জনাইছে।

# নিশা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ঘগ্ৰাপাৰৰ দক্ষিণগাঁওৰ নিৰ্মীয়মান নলবাৰী মেডিকেল কলেজ পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দক্ষিণগাঁৱত অৱস্থিত নৱনিৰ্মিত নলবাৰী মেডিকেল কলেজখন কালি পৰহি নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই পৰিদৰ্শন কৰি নিৰ্মীয়মাণ মেডিকেল কলেজখনৰ কামৰ বুজ লয়।



লগতে মন্ত্ৰীগৰাকীয়ে বিভাগীয় আমোলা-বিষয়াৰ সৈতে এক বৈঠকত মিলিত হৈ মেডিকেল কলেজখনৰ কামৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত আগন্তুক অক্টোবৰ, নৱেম্বৰ মাহত নৱনিৰ্মিত কলেজখন মুকলি হ'ব বুলি সদৰী কৰে। লগতে মন্ত্ৰীয়ে চৰকাৰে স্বচ্ছ আৰু নিকা পদ্ধতিৰে ৰাজ্যখনৰ নিবনুৱাক বিভিন্ন বিভাগত নিযুক্তি প্ৰদান কৰি আহিছে আৰু আগলৈও কৰিব, একাংশ চেনেল আৰু একাংশ ৰাজনৈতিক দলেহে নিযুক্তিত কেলেংকাৰি হোৱা বুলি ভুৱা প্ৰচাৰ চলাইছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আগন্তুক দিনত ৰাজ্যখনৰ দুখীয়া পৰিয়ালৰ নিবনুৱাই অসম চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি পাবলৈ সক্ষম হ'ব- মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ঘোষণা কৰাৰ উপৰিও স্বাস্থ্য সেৱা নীতি আৰু কল্যাণমূলক ব্যৱস্থাক প্ৰসাৰিত কৰাত স্বাস্থ্যখণ্ডৰ উন্নত আন্তঃগাঁথনি মূল ভূমিকা পালন কৰি অহাৰ কথাও সদৰী কৰে। মন্ত্ৰীগৰাকীৰ নিশাৰ এই কাৰ্যসূচীত নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকন, এনএইচএমৰ কাৰ্যবাহী সঞ্চালক মনোজ চৌধুৰী, চিকিৎসা শিক্ষাৰ সঞ্চালক অনুপ বৰ্মন, নলবাৰী মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ (প্ৰফেছৰ) যোগেশ শৰ্মা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়া মনীষা কলিতা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সম্পাদক মৃগেন শৰ্মা, শ্যামন্ত শৰ্মা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ অ'বিচি মৰ্চাৰ উপ-সভাপতি দ্বিজেন দাসৰ লগতে আন আন সংশ্লিষ্ট অংশীদাৰসকলো উপস্থিত থাকে।

# চাৰিঙীয়াত জন্মোৎসৱ উপলক্ষে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১৬ ছেপ্টেম্বৰ ঃ** পূৰ্বৰ পৰম্পৰাৰে এইবাৰো যোৰহাটৰ চাৰিঙীয়া বৰনামঘৰত আয়োজন কৰা হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ ভাগি। ৪ অক্টোবৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অনুষ্ঠানৰ উক্ত দিনা পুৱা ৯ বজাত কুইজ প্ৰতিযোগিতা আৰু দিনৰ ১১ বজাত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হব। ৫ অক্টোবৰৰ দিনা পুৱা ৭ বজাত ভাগৱত শোভাযাত্ৰা সম্পন্ন কৰাৰ পিছত বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব বৰগীত প্ৰতিযোগিতা। ৬ অক্টোবৰ শেষৰ দিনা দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হব লগীয়া ধৰ্মালোচনা-সভাত যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি সংকল্প গগৈ নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰিব। উক্ত দিনাই নিশালৈ কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালী আৰু তেওঁ পৰিয়ালবৰ্গই সেৱকী হিচাপে আগবঢ়োৱা 'ৰুক্মিণী সয়ম্বৰ ৰুক্মবীৰৰ দৰ্পচূৰ্ণ' ভাওনা স্থানীয় শিল্পীৰ দ্বাৰা চাৰিঙীয়া বৰনামঘৰত প্ৰদৰ্শন কৰা হ'ব। আনহাতে, প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৬০০১৬২২০৮২ আৰু ৯৪৩৫২৯৩৯১৪ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। উদ্‌যাপন সমিতিয়ে কেউদিনৰ অনুষ্ঠানত স্থানীয় ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

# ৰঙাপৰাৰ উৰণীয়া সেতুৰ সমীপৰ পশু চিকিৎসালয় গাঁৱলৈ হস্তান্তৰৰ আহ্বান ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৬ ছেপ্টেম্বৰ ঃ** ৰঙাপৰা নগৰত স্থাপিত পশু চিকিৎসালয়খন শেহতীয়াকৈ উৰণীয়া সেতু নিৰ্মাণৰ পাছত ৰাইজে পশুধন চিকিৎসা কৰাবলৈ নিয়াৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। ৰঙাপৰা অঞ্চলৰ কুৰিৰো অধিক চাহ বাগিচা, বহুকেইখন পঞ্চায়তৰ অধীনৰ পশুধনসমূহ ৰুগীয়া হোৱাৰ সময়ত বা বিশেষ কাৰণবশতঃ চিকিৎসালয়খনলৈ আনিব লগীয়া হ'লে ৰাইজে উৰণীয়া সেতুৰে অথবা সেতুৰ সেৱা পথৰে আনিব লগীয়া হয়। তাৰ উপৰিও নগৰখন পূৰ্বৰ তুলনাত বিভিন বাণিজ্যিক অট্টালিকা নিৰ্মাণ হোৱাৰ পাছত নগৰখনৰ মাজ-মজিয়াত এনেধৰণৰ জৰাজীৰ্ণ ৰূপত চিকিৎসালয়খন ৰখাৰ পৰিৱৰ্তে গাঁও অঞ্চলৰ চৰকাৰী ভূমিত চিকিৎসালয়খন স্থাপন কৰিলে পশুধনৰ সৈতে জড়িত ৰাইজসকল নগৰৰ মাজ-মজিয়াৰে অথবা উৰণীয়া সেতু পাৰ হৈ পশুধন অনাৰ পৰা ৰক্ষা পৰিব বুলি বিভিন্ন মহলে জানিবলৈ দিছে। ইপিনে, জানিব পৰা মতে নাহৰণি গাঁও পঞ্চায়তৰ অধীনৰ পুৰণি লাল বজাৰতো চৰকাৰী ভূমি আছে, সেয়া চৰকাৰে বিচাৰ্য কৰিব পাৰে বুলি ৰাইজে মত প্ৰকাশ কৰে। ইয়াৰ উপৰিও চৰকাৰে ৰঙাপৰাত আজিলৈকে এখনো শিশু উদ্যান নিৰ্মাণ কৰা নাই, সেয়েহে উক্ত ভূমিত এখন শিশু উদ্যান আৰু পদপথৰ সমীপত নিবনুৱাসকলৰ বাবে বাণিজ্যিক দোকানগৃহ নিৰ্মাণ কৰি চৰকাৰৰ ৰাজহ বৃদ্ধি কৰাৰ লগতে নগৰখনক এক সুন্দৰ ৰূপত গঢ় দিব পাৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।




# খুমটাইত টাই আহোম ছাত্ৰ সন্থাৰ তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ১৬ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰে দেশৰ ৫খন ৰাজ্যৰ ১৫টা জনগোষ্ঠীক জনজাতিৰ মৰ্যদা প্ৰদান কৰি অসমৰ ছয় জনগোষ্ঠীক বঞ্চনা কৰাত খুমটাই চাৰিআলিত আটাছুৱে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ যে সদৌ টাই আহোম ছাত্ৰ সন্থা গোলাঘাট মহকুমা সমিতি, খুমটাই আঞ্চলিক আৰু কচুপথাৰ আঞ্চলিক সমিতিৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে যোৱা যি ১২টাকৈ জনগোষ্ঠীক জনজাতি প্ৰদান কৰিলে কিন্তু অসমৰ ছটাকৈ জনগোষ্ঠীক যি চৰম প্ৰতাৰণা কৰিলে তাৰ প্ৰতিবাদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰি অসম চৰকাৰ হাই হাই, ছয় জনগোষ্ঠী জিন্দাবাদ, নৰেন্দ্ৰ মোদী হাই হাই শীৰ্ষক শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উপস্থিত থাকে গোলাঘাট মহকুমাৰ কাৰ্যকৰী সভাপতি ভাস্কৰজ্যোতি ফুকন, কচুপথাৰ আঞ্চলিক সমিতিৰ সম্পাদক কংকুৰ গগৈ, খুমটাই আঞ্চলিক সমিতিৰ সভাপতি পুলিন বৰুৱাকে ধৰি কে'বাজনো সংগঠনৰ কাৰ্যকৰ্তা।

# বিশিষ্ট শিক্ষাবিদ, সাংবাদিক, সাহিত্যিক আলোক গোহাঁইৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ১৬ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ সদৰ সোণাৰি শান্তিপুৰ নিৱাসী, বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সাংবাদিক-সাহিত্যিক, সদৌ অসম বৌদ্ধ মহাসভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আলোক গোহাঁইৰ যোৱা ১৩ ছেপ্টেম্বৰত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। শিক্ষকতাৰ সমান্তৰালকৈ সাহিত্য চৰ্চা, সাংবাদিকতা চলাই নিয়া তেওঁৰ



ভালেসংখ্যক প্ৰবন্ধ-পাতি দৈনকি জনমভূমি, দৈনিক অগ্ৰদূত, আমাৰ অসম, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন আদি বাতৰি কাকতত প্ৰকাশ পাইছিল। জনমভূমি গোষ্ঠীৰ সন্মানীয় কনক চন্দ্ৰ শৰ্মা বঁটাও তেওঁ লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৫২ চনৰ ১ জানুৱাৰীত সাপেখাঁতীত জন্মগ্ৰহণ কৰা আলোক গোহাঁয়ে কিছুদিন সাঁপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো শিক্ষকতা কৰিছিল। মৃত্যুৰ সময়ত তেওঁ শিক্ষয়িত্ৰী পত্নীৰ লগতে দুগৰাকী জীয়াৰী, এজন ভাতৃ, সাতগৰাকী বিবাহিত ভগ্নী আৰু অসংখ্য আত্মীয় স্বজনক এৰি যায়।

# বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক আঁকোৱালি লোৱা গৃহৰক্ষী জোৱানৰ পৰিয়ালক ক্ষতিপূৰণৰ দাবী অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ

## স্মাৰক-পত্ৰ প্ৰদান অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চৰাইদেউ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাক

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাতী, ১৬ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ সাপেখাতী আৰক্ষী থানাৰ অন্তৰ্গত ১নং হাওঁফাওঁ গাঁও নিৱাসী বৰহাট আৰক্ষী থানাত গৃহৰক্ষী হিচাপে কৰ্মৰত হেমন্ত গগৈয়ে জিলাখনৰ কেন্দ্ৰবিন্দু সোণাৰিত অনুষ্ঠিত মুখ্যমন্ত্ৰী উপস্থিত থকা এটি অনুষ্ঠানৰ পৰা কৰ্তব্য সম্পাদন কৰি পুৱা নিজ কৰ্তব্যস্থলীলৈ যোৱাৰ পথত ১১০০০ ভল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰত লাগি থিতাতে মৃত্যুক আঁকোৱালি লোৱা ঘটনাই সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছিল। উল্লেখ্য, বিদ্যুৎ বিভাগৰ চৰম গাফিলতি তথা দায়িত্বজ্ঞানহীনতাৰ বাবেই এই ভয়ানক ঘটনা সংঘটিত হোৱাত এতিয়া সমগ্ৰ জিলাখনৰ সচেতন মহল তথা দল সংগঠনে প্ৰতিক্ৰিয়া আগবঢ়োৱা পৰিলক্ষিত হৈছে। সমান্তৰালকৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে অকাল মৃত্যুক আঁকোৱালি লোৱা হেমন্ত গগৈৰ পৰিয়ালবৰ্গক ক্ষতিপূৰণ প্ৰদান কৰিবলৈ সোণাৰিস্থিত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ কাৰ্যবাহী অভিযন্তাক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। সভাপতি ঝৰ্ণা মহন আৰু সাধাৰণ সম্পাদক লংকেশ্বৰ গগৈৰ স্বাক্ষৰিত স্মাৰক-পত্ৰত তেওঁলোকে স্পষ্টকৈ মত প্ৰকাশ কৰিছে যে বিদ্যুৎ বিভাগৰ অকৰ্মণ্যতাৰ বাবেই আজি পৰ্যন্ত জিলাখনত বহুকেইটা ঘটনা সংঘটিত হৈ আহিছে। বিশেষকৈ সদ্য সংঘটিত এই ঘটনাই পুনৰ যেন বিভাগটোৰ ফোঁপোলা স্বৰূপ উদঙাই তুলিছে বুলি জানিব দিয়ে। ইয়াৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোক তাৎক্ষণিকভাৱে ক্ষতিপূৰণ দিবলৈ স্মাৰক-পত্ৰৰ যোগেদি দাবী জনাই অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, চৰাইদেউ জিলা সমিতিয়ে।

# লখিমপুৰ ব্লক মণ্ডলৰ কৃষক মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ লখিমপুৰ ব্লক মণ্ডল কৃষক মৰ্চাৰ এখনি কাৰ্যনিৰ্বাহক সভা বৃহস্পতিবাৰে এঙাৰখোৱা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। ভাৰতীয় জনতা পাৰ্টীৰ লখিমপুৰ ব্লক মণ্ডলৰ সভাপতি মধু দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে লখিমপুৰ ব্লক মণ্ডলৰ সভাপতি সুচন্দ্ৰ খাটনিয়াৰ, মণ্ডলৰ উপসভানেত্ৰী প্ৰভা শইকীয়া জিলাৰ কৃষক মৰ্চাৰ প্ৰভাৰী ৰাম শইকীয়া ,লখিমপুৰ ব্লক মণ্ডলৰ সংখ্যালঘূ মৰ্চাৰ সভাপতি ম:আব্দুল মোনাফ ,জিলাৰ সংখ্যালঘু মৰ্চাৰ সম্পাদক ম:ইউনুষ আলি ,দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা ভদ্ৰেশ্বৰ বৰুৱা ,কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তুৰ বিশেষজ্ঞ ডঞ্জলক্ষী কান্ত নাথ, জিলা কৃষি বিভাগৰ সহকাৰী পৰিদৰ্শক দিলীপ কুমাৰ বৰা, জিলাৰ কৃষক মৰ্চাৰ সভাপতি প্ৰমেন ভূএগ্ৰা, জিলাৰ কৃষক মৰ্চাৰ উপ-সভাপতি অনন্ত নেওগ, জিলাৰ কৃষক মৰ্চাৰ সম্পাদক বিজু শইকীয়া, বিহপুৰীয়া গ্ৰাম্য মণ্ডল সভাপতি উৎপল বৰা, কৃষক মৰ্চাৰ তেলাহী মণ্ডলৰ সভাপতি নিতুল গগৈ, জিলা কৃষক মৰ্চাৰ কাৰ্যালয় সম্পাদক হোমেন বৰুৱা আৰু দলৰ অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকি অসমত আধুনিক কৃষি পদ্ধতিৰ প্ৰয়োগ আৰু কৃষকৰ উপাৰ্জন বৃদ্ধি প্ৰসংগ ৰ লগতে অসমত উদ্যান শস্য ক্ষেত্ৰখনৰ প্ৰসাৰ আৰু ইয়াৰ সম্ভাৱনীয়তাৰ ওপৰত আলোচনা কৰা হয়। এই সভাতেই দুজনকৈ প্ৰবীণ কৃষককো সন্মান জনায়।




# মাজবাট আঞ্চলিক বন বিভাগৰ বালিভৰ্তি ডাম্পাৰ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১৬ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাটত বালিভৰ্তি ডাম্পাৰ জব্দ কৰে মাজবাট আঞ্চলিক বন বিভাগে। জানিব পৰা মতে কালি মাজবাট আঞ্চলিক বন বিভাগৰ বীট অফিচাৰ মিন্টু বড়োৰ নেতৃত্বত বনকৰ্মীৰ দলে মাজবাট ৰাজহ চক্ৰৰ অন্তৰ্গত গেলাবিল অঞ্চলত আবেলি ৪ মান বজাত অভিযান চলাই অবৈধভাৱে কঢ়িয়াই নি থকা অৱস্থাত চালানবিহীন বালিভৰ্তি দুখন ডাম্পাৰ জব্দ কৰি মাজবাট আঞ্চলিক বন বিভাগৰ কাৰ্যালয়লৈ লৈ আনে। মাজবাট আঞ্চলিক বন বিভাগৰ বীট অফিচাৰ মিন্টু বড়োৱে সাংবাদিকক কয় যে এএছ ২৭ চি ৭৮২২আৰু এএছ ১৪ এচি ১৫৫৬ নম্বৰৰ চালানবিহীন বালিভৰ্তি দুখন ডাম্পাৰ বন বিভাগৰ কাৰ্যালয়লৈ অনা হয় বুলি জানিবলৈ দিয়ে।

# আমগুৰিত নাগালেণ্ডলৈ বহিঃৰাজ্যৰ গাহৰিৰ মুক্ত ছিণ্ডিকেট

## ৰাজহ ফাঁকিৰে দৈনিক নাগালেণ্ডলৈ গাহৰি সৰবৰাহ, ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাত পুনৰ আৰম্ভ বহিঃৰাজ্যৰ গাহৰিৰ মুক্ত ছিণ্ডিকেট। কিছুদিন পূৰ্বে আফ্ৰিকান ছোৱাইন ফিভাৰৰ বাবে শিৱসাগৰ জিলাত গাহৰিৰ বিক্ৰী আৰু ব্যৱসায় বন্ধ থকাৰ পিছত এইবাৰ জিলাখনত গাহৰিৰ মুক্ত ছিণ্ডিকেট আৰম্ভ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, শিৱসাগৰ জিলাৰ আমগুৰি আৰু হালোৱাটিঙৰ পৰা চুবুৰীয়া ৰাজ্য নাগালেণ্ডত বহিঃৰাজ্যৰ গাহৰিৰ অবৈধ সৰবৰাহ আৰু বিক্ৰীৰ জৰিয়তে একাংশ অসাধু ব্যৱসায়ীয়ে ছিণ্ডিকেট চক্ৰ পৰিচালিত কৰি আহিছে। পশ্চিমবংগ, উত্তৰ প্ৰদেশৰ পৰা সৰবৰাহ হোৱা গাহৰি আমগুৰি, হালোৱাটিঙৰ ৬১নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নাগালেণ্ডলৈ সৰবৰাহ হয়। আনহাতে, নাগালেণ্ডলৈ সৰবৰাহ হোৱা গাহৰি নাগালেণ্ডৰ চেকগেটৰ সমীপত বলেৰ' পিক আপৰ যোগেদি পুনৰ শিৱসাগৰ জিলাৰ আমগুৰি আৰু হালোৱাটিঙলৈ সৰবৰাহ হয়। এই সৰবৰাহ চক্ৰৰ সৈতে আমগুৰিৰ জনৈক ভাই, শশাংক, বেবী বাহিনীৰ নেতৃত্বত আৰম্ভ হয় ছিণ্ডিকেট। আমগুৰি আৰু হালোৱাটিঙৰ মাজেদি বলেৰ' পিক আপৰ যোগেদি যোৰহাট জিলাৰ চেলেংহাট, জাঁজী হাতীমূৰীয়াৰ এক বিশেষ স্থানত মজুত কৰে বহিঃৰাজ্যৰ গাহৰি। উক্ত বহিঃৰাজ্যৰ গাহৰি পুনৰ আমগুৰিত প্ৰৱেশ কৰি নামতি, জাঁজী, সোণাৰি, চৰাইদেউ আদি এলেকালৈ সৰবৰাহ কৰে। স্মৰ্তব্য যে ছিণ্ডিকেট চক্ৰটোৱে ব্যৱহাৰ কৰা বলেৰ' পিক আপত কোনো কেটল পাৰ্মিট নাই। একোখন বলেৰ' পিক আপত ১৫-১৬টাকৈ গাহৰি সৰবৰাহ কৰাৰ পিছতো আমগুৰি-হালোৱাটিং আৰক্ষীৰ চকু নপৰে। ৰাজ্যখনৰ থলুৱা গাহৰি পালকৰ মূৰত মাধমাৰ শোধাই গাহৰিৰ ছিণ্ডিকেট চক্ৰটোৱে কোটি কোটি টকা ৰাজহ ফাঁকিৰে অবাধে বহিঃৰাজ্যৰ পৰা বিশেষকৈ উত্তৰ প্ৰদেশৰ পৰা সৰবৰাহ কৰি আহিছে অবৈধ গাহৰিৰ মুক্ত ব্যৱসায়। আমগুৰি আৰক্ষী থানা, হালোৱাটিং আৰক্ষী থানা আৰু নামতি আৰক্ষী থানাৰ সন্মুখেৰে দৈনিক কে'বাশতাধিক গাহৰি নাগালেণ্ডলৈ চালান হৈ আহিছে। এইক্ষেত্ৰত আমগুৰিৰ জনৈক ভূএগ্ৰা উপাধিৰ দুই ভাতৃ, শইকীয়া, ম'ৰাবজাৰৰ জনৈক অভিজিৎ, হালোৱাটিঙৰ জনৈক জিমিৰ লগতে সাপেখাঁতী লংপটীয়াৰ জনৈক হৰেনে বৃহৎ গাহৰিৰ ছিণ্ডিকেটেৰে নাগালেণ্ডলৈ গাহৰিৰ অবাধ সৰবৰাহ চলাই আহিছে। এনে বহিঃৰাজ্যৰ গাহৰি আমগুৰিৰ বৰবাম, চুতীয়াবস্তি, নেপালিবস্তি, হালোৱাটিঙৰ পৰাই সৰু সৰু টাটা ডি আই গাড়ীত নিশাৰ ভাগত ৬১নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ধোদৰ আলিয়েদি বহুকেইখন আৰক্ষী থানা পাৰ হৈ নাগালেণ্ডত প্ৰৱেশ কৰে। উল্লেখ্য যে এই অবৈধ ছিণ্ডিকেট চক্ৰটোৱে সৰবৰাহ কৰা গাড়ীৰ কোনো কেটল পাৰ্মিট নথকাৰ লগতে অসম চৰকাৰৰ পশুপালন সৰবৰাহৰ নিয়ম, খাদ্য সুৰক্ষা, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ আৰু অসমৰ দহ লাখ গাহৰি পালকৰ সুৰক্ষা নস্যাৎ কৰি সমগ্ৰ অসমতে গাহৰিৰ ছিণ্ডিকেট চলাই আহিছে। এইক্ষেত্ৰত শীঘ্ৰে প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে আমগুৰিৰ বহুকেইটা জাতীয় দল-সংগঠনে।

# দুৰ্গম চৰাঞ্চলত নিৰলে সেৱা আগবঢ়াই অহা এগৰাকী শিক্ষকৰ কথাৰে...

■ হিমাংশু পাঠক

নলবাৰী জিলাৰ টিহুৰ ওচৰৰ ঐতিহ্যমণ্ডিত টিহু নৈৰ পাৰৰ নমাটিত জন্ম গ্ৰহণ কৰা এগৰাকী শিক্ষক দিবাকৰ শৰ্মা। অত্যন্ত সৰল, নিৰহংকাৰী এইগৰাকী শিক্ষকে বিগত সাত বছৰে ধুবুৰী জিলাৰ দুৰ্গম চৰাঞ্চলত সেৱা আগবঢ়াই আহিছে। ঐতিহ্যমণ্ডিত কটন কলেজৰ পৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা দিবাকৰ শৰ্মাই এগৰাকী ছবিৰ শিক্ষক হিচাপে প্ৰথমতে শিক্ষকৰ পৃথিবীত প্ৰথমটো খোজ পেলাইছিল। অসম সৰ্বশিক্ষা মিছনৰ 'জ্যোতিকেন্দ্ৰ'ৰ নলবাৰী জিলাৰ টিহু আৰু নলবাৰী চহৰত প্ৰায় ৮টা কেন্দ্ৰত সেই দায়িত্ব পালন কৰিবলৈ গৈ তেওঁ এটা সাংঘাতিক সমস্যাৰ সন্মুখীন হৈছিল। কাৰণ তেওঁ সেই ছাত্ৰ-ছাত্ৰীসকলৰ বহুসংখ্যকেই আছিল প্ৰাপ্তবয়স্ক আৰু ৰাগিয়াল দ্ৰব্যৰ প্ৰতি আসক্ত। তেওঁলোকৰ বেছিভাগেই আছিল নলবাৰী আৰু টিহু ৰে'ল ষ্টেচনত কৰ্মৰত হৰিজন সম্প্ৰদায়ৰ মজদুৰ আৰু চাফাইৱালাৰ সন্তান। তেওঁলোকৰ সৈতে শিক্ষক দিবাকৰৰ বয়সৰ বহুত বেছি ব্যৱধান নাছিল। এনেদৰে ৰে'লৰ বনুৱা আৰু ৰিক্সাৱালাৰ সতি-সন্ততিৰে 'ৰিক্সাৱালাৰ স্কুল' নাম দি কটন কলেজত অধ্যয়ন কৰি থকা সময়তো তেওঁ কেইগৰাকীমান সতীৰ্থৰ সৈতে গুৱাহাটী ৰে'ল ষ্টেচনত অনাই-বনাই ঘূৰি ফুৰা, ড্ৰাগছ-



সুৱাৰ কবলত পৰা কেইজনমান তেনে লোকৰ সন্তানেৰে সন্ধিয়াৰ সময়ত 'কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস'ৰ সন্মুখৰ পৰিত্যক্ত ঘৰটোত শিক্ষাদান কৰিছিল। গতিকে পূৰ্বৰ অভিজ্ঞতা থকা বাবে সেই কেন্দ্ৰসমূহত তেওঁৰ কিছু কম কষ্টৰ বিনিময়ত আগবাঢ়িবলৈ সক্ষম হৈছিল। কেন্দ্ৰবিলাকত ছবিৰ শিক্ষাৰ লগতে যোগাসন আৰু আন আন কিছুমান শিক্ষাও দিবলগীয়া হৈছিল। কিন্তু দুখৰ বিষয়, বহু শিক্ষাৰ্থী কেন্দ্ৰত এবাৰ গৈ দেখাৰ পিছত পুনৰবাৰ লগ পোৱাৰ সৌভাগ্য তেওঁৰ হোৱা নাছিল। তাৰে বেছিভাগ শিক্ষাৰ্থী আছিল ছাত্ৰী। তেওঁলোকৰ বেছিভাগেই বিয়া হৈছিল। তথাপিও তেওঁ সেৱাৰ মনোবল ত্যাগ কৰা নাছিল। জ্যোতি কেন্দ্ৰৰ বহু শিক্ষাৰ্থীক ছবিৰ মাধ্যমেৰে এক সুন্দৰ পৰিৱেশলৈ আনিবলৈ তেওঁ সক্ষম হৈছিল। জ্যোতি কেন্দ্ৰৰ সেই সেৱাৰ পৰা এটা সময়ত অব্যাহতি লৈ ব্যক্তিগত বিদ্যালয় এখনৰ অধ্যক্ষৰ দায়িত্ব লৈছিল চিৰাং জিলাৰ পাণবাৰী নামৰ এখন ঠাইত। উক্ত অৰণ্যৰ ওচৰৰ আওহতীয়া অঞ্চলটোত তেওঁৰ শিক্ষক জীৱনৰ পৰিসীমা আছিল অন্তহীন। বনৰীয়া হাতীৰ উপদ্ৰৱত কম্পমান হৈ থকা উক্ত অঞ্চলটোত তেওঁ প্ৰতিগৰাকী লোকৰ বাবে আছিল দয়া আৰু সহায়ৰ একমাত্ৰ অৱস্থিতি। ভিতৰুৱা ঠাইখনত তেওঁৰ বহুতো ছাত্ৰ-ছাত্ৰী, গাঁৱৰ মানুহক বনৰীয়া হাতীয়ে গচকি মাৰিছিল। সেই সময়ত তেওঁ সেইসকল দুৰ্ভগীয়াৰ ওচৰত থিয় হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে তেওঁক সেয়ে অলপো ভয় কৰা নাছিল, বৰং অত্যন্ত শ্ৰদ্ধা কৰিছিল। বনৰীয়া হাতীৰ গচকত উচন হোৱা প্ৰতিটো পৰিয়ালক চৰকাৰী সাহায্য আদায় কৰি দি তেওঁলোকক জীয়াই থকাৰ এটি ক্ষীণ পোহৰ দিয়াৰ ক্ষেত্ৰত তেওঁ এক বিশেষ ভূমিকা লৈছিল। বন বিভাগক আবেদন কৰি সেই অঞ্চলত হাতী আহিব নোৱাৰাকৈ চ'লাৰ ফেন্সিঙৰ ব্যৱস্থা কৰিবলৈও সক্ষম হৈছিল। সেই সময়ত অঞ্চলটোত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজৰ সহযোগত কুষ্ঠৰোগ নিৰাময়কৰণ, ডাইনী প্ৰথাৰ বিৰুদ্ধে বাটৰ নাট আদি পৰিৱেশন কৰি এক বিশেষ পৰিৱেশ ওভতাই আনিবলৈ তেওঁ সক্ষম হৈছিল। তাৰ পৰৱৰ্তী সময়ত বিজনীৰ মাণিকপুৰত মাণিকপুৰ জাতীয় বিদ্যালয়তো এবছৰমান অধ্যক্ষৰ দায়িত্ব পালন কৰি অঞ্চলটোত সুখ্যাতি লাভ কৰিছিল। এটা স্বাধীন মন লৈ সৃষ্টিশীল কামবোৰ কৰাত তেওঁক সতীৰ্থ শিক্ষক-শিক্ষয়িত্ৰীসকলেও সহায়-সহযোগিতা আগবঢ়াইছল।

পৰৱৰ্তী সময়ত টেট পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ বৰপেটা জিলাৰ লুইতৰ পাৰৰ খোলাবান্ধা চৰত চৰকাৰী চাকৰিত যোগদান কৰে। প্ৰথমতে তেওঁ বিদ্যালয় গৃহতেই থাকি সেৱা আগবঢ়াইছিল। তাৰ পিছত খোলাবান্ধা চৰৰ ছেকেণ্ডৰ আলী নামৰ এগৰাকী ব্যক্তিৰ ঘৰত থাকি সেই অঞ্চলত শিক্ষাৰ পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছিল। তেওঁ দশম শ্ৰেণীত পঢ়ি থকা বহুতো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈয়ে শিক্ষা প্ৰদান কৰিছিল। নৈৰ মাজতেই ছয়-সাত মাহ কটাই দূৰৈত থকা আপোনজনৰ কথা ভাবি মাজে সময়ে দুখত তেওঁৰ মনৰ ব্যাকুলতাৰ কথা আমাক জনাইছিল। কিন্তু কোনোদিনে নিজৰ দুখৰ প্ৰতিক্ৰিয়া ছাত্ৰ-ছাত্ৰীসকলক জানিব দিয়া নাছিল। এনেদৰেই সেই অঞ্চলৰ সমাজ জীৱনত নিজক সমৰ্পণ কৰি প্ৰায় দুবছৰ কাল অতিবাহিত কৰাৰ পিছত মণ্ডল সমল কেন্দ্ৰ সমন্বয়কৰ দায়িত্বও পালন কৰিছিল। তাৰ পিছতেই পুনৰ ধুবুৰী জিলাৰ চৰ-চাপৰি অঞ্চলতেই তেওঁ নিযুক্ত হৈছিল। প্ৰথমে তেওঁ পূৰ্বতে সেৱা আগবঢ়াই অহা চৰ-চাপৰি অঞ্চলসমূহৰ দৰে এটা অতি স্পৰ্শকাতৰ সামাজিক পৰিৱেশত বহুতো অসুবিধাৰ সন্মুখীন হৈছিল যদিও তেওঁ সকলো সহজ কৰি লৈছিল। চৰাঞ্চলৰ অত্যন্ত গুৰুত্বপূৰ্ণ সমস্যাটো হ'ল মাতৃভাষা। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাতৃভাষাৰে শিক্ষা গ্ৰহণ কৰাটো, তেওঁলোকৰ স্বাধীনতা। গতিকে তেওঁ তেওঁলোকৰ কথিত ভাষা আৰু অসমীয়াক মিশ্ৰণ কৰি যিকোনো প্ৰকাৰে পাঠদানৰ ব্যৱস্থা কৰি ল'লে। এটা পোহৰমুখী যাত্ৰা পুনৰ আৰম্ভ হ'ল। নিজ বিদ্যালয়ৰ লগতে ওচৰ-পাঁজৰৰ বিদ্যালয়ত 'কুঁহিপাত' নামেৰে পুথিভঁৰাল নিৰ্মাণ কৰি, সেই অঞ্চলত জ্ঞানৰ পোহৰ বিলাবলৈ চেষ্টা অব্যাহত ৰাখিলে। বিদ্যালয়ৰ প্ৰধান শিক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰী, সমাজকৰ্মী, সংবাদকৰ্মী, শিক্ষা বিভাগৰ কৰ্তৃপক্ষ আৰু উক্ত অঞ্চলৰ সমাজ সচেতন অনেক লোকৰ বিপুল সঁহাৰিত উক্ত পুথিভঁৰালটো অতি সোনকালে জনপ্ৰিয় হৈ উঠিল। উক্ত অঞ্চলৰ উঠি অহা প্ৰজন্মক লৈ এটা অতি সুন্দৰ শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিবলৈ তেওঁ সক্ষম হ'ল। গাঁৱলৈ গৈ ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ তৰফৰ পৰা এটিকৈ বাঁহ আনি বিদ্যালয়ৰ চৌদিশে বেৰ দিয়াৰ উপৰিও এখন ফুলনি পাতিলে। গছপুলি ৰোপণ কৰাৰ বাবে সেই অঞ্চলৰ ৰাইজৰ সহযোগত এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিলে। বহু বিধি-পথালি অপশক্তিক আওকাণ কৰি শিক্ষাৰ্থীৰ মংগলৰ বাবে তেওঁ অতি নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি আহিছে। বতাহ-ধুমুহাত ফেনে-ফোটোকাৰে ময়মত্তহৈ থকা লুইতৰ বুকুৰে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি একমাত্ৰ কৰ্তব্যৰ খাতিৰত সেৱা আগবঢ়াই অহা এইসকল শিক্ষকৰ কাৰোবাৰ ঘৰত বৃদ্ধা পিতৃ-মাতৃ, সগৰ্ভা পত্নী, দুৰাৰোগ্য ৰোগত আক্ৰান্ত ভাতৃৰ চিন্তা শিক্ষা প্ৰদানৰ সময়ত কোনো ছাত্ৰ বা ছাত্ৰীয়ে কিঞ্চিতো জানিব নোৱাৰে। উক্ত অঞ্চলৰ সৰল, হজুৱা, হালোৱা, কৃষক লোকসকলৰ মানৱীয় প্ৰমূল্যক আগত ৰাখি তেওঁ বৰ্তমানো সেই সেৱা আগবঢ়াই আহিছে। মোনাত এসোপামান গছপুলি লৈ ঠায়ে ঠায়ে ৰোপণ কৰি আনন্দ পোৱা দিবাকৰ শৰ্মাই দিবাকৰ ৰেণু ছদ্ম নামেৰে নিজৰ সাহিত্য প্ৰতিভা দেখুৱালৈ সক্ষম হৈছে। বিভিন্ন আলোচনী, দৈনিক আৰু সাপ্তাহিক বাতৰি কাকতত বহু গুৰু গম্ভীৰ বিষয়ৰ ওপৰত নিয়মিতভাৱে স্তম্ভ লিখি গৈছে। শিক্ষকতা বৃত্তিৰ দৰে গুৰু দায়িত্ব পালন কৰাৰ উপৰিও সমাজৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি নিয়মিত লিখা স্তম্ভ লেখাবোৰ শলাগিব লগীয়া। ইয়াৰ পৰা তেওঁৰ অধ্যয়নশীল মনটোৰ প্ৰতি থকা একাগ্ৰতাৰ স্পষ্ট প্ৰমাণ পোৱা যায়। এজন অধ্যয়নশীল ব্যক্তিয়েহে যে সমাজৰ হিতৰ কথা চিন্তা কৰিব পাৰে সেয়া তেওঁৰে কৰি থকা কাৰ্যসমূহ নিৰীক্ষণ কৰিলেই অনুমান কৰিব পাৰি। ইতিমধ্যে তেওঁ বহুতো গ্ৰন্থ সম্পাদনা কৰাৰ উপৰিও মৌলিক গ্ৰন্থও প্ৰকাশ কৰিছে। কবি হিচাপে সুখ্যাতি লাভ কৰা দিবাকৰে ইতিমধ্যে স্বদেশ আৰু বিদেশতো নিজৰ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে।

শিক্ষকৰ পৃথিৱীখন অতিশয় জটিল আৰু স্পৰ্শকাতৰ। চৰম ত্যাগ আৰু সেৱাৰেহে এজন শিক্ষক সফল হ'ব পাৰে। শিক্ষক মানে কেৱল বিদ্যালয় নহয়। বিদ্যালয়ৰ চাৰিওফালৰ পৰিৱেশ, সমাজ আৰু দেশৰ প্ৰতিটো যোগাত্মক চিন্তাৰ আধাৰ হ'ল শিক্ষক। স্থিতাৱস্থাত যেনেদৰে প্ৰগতি নাই, তেনেদৰে অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণ অবিহনে এজন শিক্ষক প্ৰগতিশীল হ'ব নোৱাৰে। এজন প্ৰকৃত শিক্ষক হ'ব লাগিব- সূৰ্যৰ দৰে, প্ৰতিদিনেই নতুন আৰু অন্বেষণকাৰী। দিবাকৰ শৰ্মাও তেনেই এগৰাকী শিক্ষক। নিৰলে নিৰলে নিজৰ বৃত্তিক শ্ৰদ্ধা জনায়, দুৰ্গম চৰাঞ্চলৰ গাঁৱে গাঁৱে চাইকেলখন চলাই জ্ঞান বিলাই ফুৰা এইগৰাকী ভাতৃপ্ৰতিম শিক্ষক বন্ধুৰ লগতে সমগ্ৰ শিক্ষক জাতিলৈ জনালোঁ আন্তৰিক শুভেচ্ছা। শিক্ষকসকলৰ মংগল হওক, দেশ আৰু জাতিৰ প্ৰগতি হওক।

ফোন ঃ ৮৬৩৮৬৭৩৪৮০

# ক্ৰমে ওচৰ হৈও যেন দূৰ দিল্লী

*প্ৰথম পৃষ্ঠাৰ পৰা* সভাপতি বসন্ত গগৈ, মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ, সম্পাদক দেবকান্ত মৰাণ, মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, সম্পাদক স্বৰূপ গোহাঁই, কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক হেমন্ত বৰা, কোঁচ আৰু সদৌ চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালা, সম্পাদক জগদীশ বৰাইকৰ লগতে উক্ত ছটা সংগঠন বহু বিষয়ববীয়া আৰু সদস্যসকল। সভাৰ সিদ্ধান্ত অনুসৰি— ২২ ছেপ্টেম্বৰত দিছপুৰত বিধানসভা ঘেৰাও কাৰ্যসূচী। ২৬ ছেপ্টেম্বৰত ২৪ ঘণ্টীয়া অসম বন্ধ ঘোষণা। ৯ অক্টোবৰত সমগ্ৰ অসমত অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী। ১৫ অক্টোবৰত উত্তৰ অসমৰ লখিমপুৰ, ধেমাজি সামৰি গোগামুখত বিশাল গণ সমাৱেশ। ১৫ নৱেম্বৰত দিল্লীত ছয় জনগোষ্ঠীৰ গণ-বিক্ষোভ কাৰ্যসূচী। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিবসলৈকে ধাৰাবাহিকভাৱে ক'লা দিবস পালন। ছয় জনগোষ্ঠীৰ নেতাসকলৰ অভিযোগ— 'মাহী আই দৃষ্টিৰে চাইছে অসম চৰকাৰে। দিল্লীয়ে নহয়। খীৰতী গাই হিচাপে অসম চৰকাৰে ব্যৱহাৰ কৰিছে।' ছয় জনগোষ্ঠী ঐক্য মঞ্চই ছয় জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত বৃহস্পতিবাৰৰ পৰা ৰাজ্যজুৰি অব্যাহত আছে প্ৰতিবাদ। দেশৰ বাৰটা জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ বিপৰীতে অসমৰ ছটা জনগোষ্ঠী তাই-আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী আৰু আদিবাসীসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰাত বৃহস্পতিবাৰৰ পৰা ৰাজ্যজুৰি অব্যাহত আছে এই প্ৰতিবাদ। মৰাণ নগৰৰ মাজমজিয়াত ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চই বিশেষ জৰুৰী কাৰ্যনিৰ্বাহ সভাৰ শেষত মৰাণ নগৰৰ মাজমজিয়া ট্ৰেফিক পইণ্টত প্ৰধানমন্ত্ৰীৰ লগতে ৰাজ্য চৰকাৰৰ কেইবাজনো মন্ত্ৰীৰ পুত্তলিকা দাহ কৰি হুংকাৰ দিয়ে। আনহাতে, ডিব্ৰুগড়তো আজি ছয় জনগোষ্ঠীক শীঘ্ৰে জনজাতিকৰণ কৰাৰ দাবীত যুৱ ছাত্ৰ পৰিষদ, অসমে প্ৰতিবাদ সাব্যস্ত কৰে আৰু প্ৰধানমন্ত্ৰীৰ জুমুঠি দাহ কৰে।

**ধনশিৰি মহকুমা চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি ঃ** বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশ, ছত্ৰীশগড়, হিমাচল প্ৰদেশ, কৰ্ণাটক, তামিলনাডু এই পাঁচ ৰাজ্যৰ বাৰটা জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ পিছতে উত্তাল হৈ পৰিছে সমগ্ৰ অসম। অসমতো দীঘদিন ধৰি ভূমিপুত্ৰ চুতীয়া, তাই আহোম, কোঁচ ৰাজবংশী, মটক, মৰাণ, চাহ জনগোষ্ঠী দল-সংগঠনৰ নেতা-কৰ্মীসকল। বাৰে বাৰে নিৰ্বাচনৰ আগমুহূৰ্তত জনজাতিকৰণ কৰা হ'ব বুলি এই ছয় জনগোষ্ঠীসমূহক প্ৰতিশ্ৰুতি দি নিৰ্বাচনত জয়ী হৈ চৰকাৰ গঠন কৰা হয় যদিও কোনোদিনে কোনো এখন কেন্দ্ৰীয় চৰকাৰে এই জনগোষ্ঠীসমূহক জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰিলে। বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ দুবাৰকৈ কেন্দ্ৰত চৰকাৰ গঠন কৰি ক্ষমতাসীন হৈছে যদিও অসমৰ এই জনগোষ্ঠীসমূহক আজিকোপটি জনজাতিৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰিলে। যেতিয়াই এই জনগোষ্ঠীসমূহৰ দল-সংগঠনসমূহে জনজাতিকৰণৰ দাবী উত্থাপন কৰে তেতিয়াই কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক এই জনজাতিকৰণৰ ক্ষেত্ৰত দেখা দিয়া জটিলতা দূৰ কৰিবলৈ এখনকৈ মন্ত্ৰী গোট গঠন কৰি দিয়ে যদিও গঠন কৰি দিয়া মন্ত্ৰী গোটেও আজিকোপটি কোনো ধৰণৰ প্ৰতিবেদন দাখিল কৰিব পৰা নাই। যাৰ ফলত এই ছয় জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা পাবলৈ সক্ষম হোৱা নাই। কেন্দ্ৰীয় চৰকাৰে পাঁচখন ৰাজ্যত ১২টাকৈ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাক লৈ অসমতো চুতীয়া, মৰাণ, মটক, তাই আহোম, চাহ জনগোষ্ঠী, কোঁচ ৰাজবংশীসকলেও নিজা জনগোষ্ঠীসমূহক জনজাতিকৰণৰ দাবীত সৰৱ হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে পাঁচখন ৰাজ্যৰ বাৰটাকৈ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰিছে কিন্তু অসমৰ ছটাকৈ জনগোষ্ঠীয়ে দীঘদিন ধৰি জনজাতিকৰণৰ দাবী উত্থাপন কৰি আহিছে যদিও কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰাৰ কোনো লক্ষণ দেখা নাই। অসমৰ চুকে-কোণে ছয় জনগোষ্ঠীৰ লোকসকল কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ পৰিছে। অসমৰ প্ৰতিটো প্ৰান্তত ছয় জনগোষ্ঠীয়ে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ধনশিৰি মহকুমাৰ সৰুপথাৰতো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে চুতীয়া ছাত্ৰ সন্থাই। বৃহস্পতিবাৰে সৰুপথাৰ নগৰত ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। শুকুৰবাৰেও উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাই উৰিয়ামঘাটত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। প্ৰতিবাদী কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ আৰু টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদীসকলে নৰেন্দ্ৰ মোদী গ' বেক, নৰেন্দ্ৰ মোদীৰ কাম নাই, হিমন্ত বিশ্ব শৰ্মাৰ কাম নাই, হিমন্ত বিশ্ব শৰ্মা গ' বেক, অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰৰ কাম নাই, চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিবই লাগিব, এই জুই জ্বলিছে জ্বলিবই, চুতীয়া ছাত্ৰ সন্থা জিন্দাবাদ আদি প্ৰতিবাদী শ্ল'গানেৰে উৰিয়ামঘাট নগৰ উত্তাল কৰি তোলে। প্ৰতিবাদীসকলে প্ৰতিবাদী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা আৰু টায়াৰ জ্বলাই পৰিৱেশ উত্তাল কৰি কাৰ্যসূচী চলাই থকাৰ সময়ছোৱাত প্ৰায় এশ মিটাৰ নিলগত থকা উৰিয়ামঘাট আৰক্ষী কিন্তু বহু পলমকৈহে প্ৰতিবাদস্থলীত উপস্থিত হয়। প্ৰতিবাদী কাৰ্যসূচীত ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়া, সম্পাদক ৰক্তিম হাজৰিকা, উৰিয়ামঘাট আঞ্চলিক সমিতিৰ সভাপতি দীপাংকৰ বৰা, সম্পাদক ৰাহুল শইকীয়াৰ উপৰি বহুকেইগৰাকী চুতীয়া ছাত্ৰ সন্থাৰ সদস্য উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰে যদিহে আগন্তুক দিনত চুতীয়া জনগোষ্ঠীক জনজাতিকৰণ নকৰে তেনেস্থলত অনাগত দিনত জংগী আন্দোলন কৰাৰ লগতে নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ভোটদান কৰিব বুলি জানিবলৈ দিয়ে।

**বঙাইগাঁৱত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি আক্ৰাছুৰ প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও ঃ** দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ মৰ্যাদা বিচাৰি আন্দোলন কৰি অহা অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰতাৰণা কৰি অহাত ক্ষুদ্ধ হৈ পৰিছে আক্ৰাছু। শেহতীয়াভাৱে কেন্দ্ৰীয় কেবিনেটে পাঁচখন ৰাজ্যৰ কেইবাটাও জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে নতুনকৈ অনুমোদন জনোৱাৰ বিপৰীতে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ চৰকাৰে বাৰে বাৰে আভুৱা-ভাঁৰি অহাত ক্ষোভত ফাটি পৰিছে আক্ৰাছু। সাব্যস্ত কৰিছে প্ৰতিবাদ। শুকুৰবাৰেও আক্ৰাছুৱে জনজাতিকৰণৰ দাবীত তথা চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে বঙাইগাঁও চহৰত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আক্ৰাছুৰ বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত বঙাইগাঁও চহৰৰ মাজমজিয়াৰ মূল ৰাজপথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰাৰ লগতে ভাৰত চৰকাৰ মুৰ্দাবাদ, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ন' এছ টি ন' ৰেষ্ট, অসম চৰকাৰ হায় হায়, নৰেন্দ্ৰ মোদী হায় হায়, হিমন্ত বিশ্ব শৰ্মা হায় হায়, অসম চৰকাৰ লেই লেই চেই চেই, ন' কমতাপুৰ ন' ৰেষ্ট আদি বিভিন্ন শ্ল'গান দি ৰাজপথ উত্তাল কৰি তোলে। ইপিনে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দ্বিপেন পাঠকে কয় যে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে নতুনকৈ যিকেইটা জাতি- জনগোষ্ঠীক জনজাতিকৰণৰ বাবে অনুমোদন জনাইছে তাক আমি আদৰণি জনাইছো। কিন্তু তাৰ লগে লগে অসমৰ কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি যি প্ৰতাৰণা কৰি আহিছে তাক আমি ধিক্কাৰ আৰু গৰিহণা দিছো। লগতে আমি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সকীয়াই দিছো যে তেওঁ আমাক দিয়া প্ৰতিশ্ৰুতি শীঘ্ৰে পূৰণ কৰক। অন্যথা আমি জংগী আন্দোলন গঢ়ি তোলাৰ বাবে প্ৰস্তুত আছো আৰু তাৰ ফলত উদ্ভৱ হ'ব পৰা যি কোনো পৰিস্থিতিৰ বাবে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী জগৰীয়া হ'ব বুলিও সকীয়াই দিয়ে। আনহাতে, জিলা আক্ৰাছুৰ কাৰ্যকৰী সভাপতি ৰবীন বৰ্মনে কয় যে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে পাঁচখন ৰাজ্যৰ কেইবাটাও জনগোষ্ঠীক নতুনকৈ জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু অতি তাৎপৰ্যৰ কথা যে অসমৰ ছয় জনগোষ্ঠীয়ে দীৰ্ঘদিনৰ পৰা আন্দোলন কৰি অহা সত্ত্বেও জনজাতিকৰণৰ ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰে কেৱল ব্লেক মেইলিং কৰি আহিছে। চৰকাৰৰ এই কাৰ্যক আমি ধিক্কাৰ জনাইছো। যেতিয়া বিধানসভা আৰু লোকসভা নিৰ্বাচন আহিলে নিৰ্বাচনী ইস্তাহাৰত তেওঁলোকে কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব বুলি উল্লেখ কৰে। আনকি নৰেন্দ্ৰ মোদীয়ে বঙাইগাঁৱলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অহাৰ সময়তো চৰকাৰ গঠন কৰিলে তিনি মাহৰ ভিতৰত জনজাতিকৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। কিন্তু কেৱল ব্লেক মেইলিং কৰি অহাৰ বাহিৰে আজিলৈকে কোনো বাস্তৱ পদক্ষেপ গ্ৰহণ কৰা দেখা নগ'ল। জাতি - জনগোষ্ঠীক এইদৰে কিমান দিনলৈ ব্লেক মেইলিং কৰিব? সেয়ে অনাগত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ সময়ত আক্ৰাছুৱে ব্লেক মেইলিং কৰি অহাসকলৰ বিৰোধিতা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ বুলি কয়। লগতে তীব্ৰ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত আক্ৰাছুৰ জিলা সমিতিৰ বিষয়ববীয়া আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে।

**ওদালগুৰিত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰতিমূৰ্তি দাহ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি ঃ** যোৱা দুদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰে অসমৰ পাঁচ জনগোষ্ঠীৰ লগতে কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া জনজাতিকৰণৰ দাবী নস্যাৎ কৰি পাঁচখন ৰাজ্যৰ ১২টা জনগোষ্ঠীক কেবিনেটত জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৱে। কিন্তু ইয়াৰ সমান্তৰালকৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সমগ্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীক বাৰে বাৰে নস্যাৎ কৰি জনজাতিকৰণৰ ক্ষেত্ৰত প্ৰতাৰণা কৰাৰ বাবে আজি সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা, ওদালগুৰি জিলা কোচ সন্মিলনীয়ে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্তি দাহ কৰি সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ উপ-সভাপতি নৰজিত কোচে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক প্ৰতাৰণাৰ আখ্যা দি এই প্ৰতিমূৰ্তি দাহ কাৰ্যসূচীৰ জৰিয়তে অসম চৰকাৰক সকীয়নি দি আগন্তুক ২০২৪ত হ'ব লগা লোকসভা নিৰ্বাচনত বিজেপি চৰকাৰক কোচ ৰাজবংশী জনগোষ্ঠীটোৰ লোকসকলে উচিত প্ৰত্যুত্তৰ দিব বুলি হুংকাৰ দি নৰেন্দ্ৰ মোদী, অৰ্জন মুণ্ডা, হিমন্ত বিশ্ব শৰ্মা হায় হায়, ন' এছ টি ন' ৰেষ্ট, বিজেপি চৰকাৰ প্ৰতাৰক, নৰেন্দ্ৰ মোদী গ' বেক আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, প্ৰতিবাদ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ কোঁচ ৰাজবংশী সন্মিলনীৰ সহকাৰী সম্পাদক ব্ৰজ ডেকাই কোচ ৰাজবংশী জনগোষ্ঠীক কেবিনেটত অন্তৰ্ভুক্ত নকৰাৰ বাবে তীব্ৰ প্ৰতিবাদ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অৰ্জুন মুণ্ডা আৰু হিমন্ত বিশ্ব শৰ্মাক মিছলীয়া আখ্যা দি শীঘ্ৰে কোচ ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণ কৰিবলৈ দাবী জনোৱাৰ লগতে দাবী পূৰণ নহ'লে ধৰ্মৰ ভিত্তিত নহয় জাতিৰ স্বাৰ্থত বিজেপি চৰকাৰৰ বিৰুদ্ধে ভোট দি প্ৰতাৰক বিজেপি চৰকাৰখনক ওফৰাই দিয়াৰ হুংকাৰ দিয়ে। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত গ্ৰহণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত অংশ গ্ৰহণ কৰে-ওদালগুৰি জিলা কোচ ৰাজবংশী মহিলা সন্মিলনীৰ সভানেত্ৰী বিজয়া ডেকা, জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক ধৰ্মেশ্বৰ বৰা, উপ-সভাপতি সোমেশ্বৰ ডেকা আৰু ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি অৰণ্য ডেকা আদি ছাত্ৰ নেতাই অংশ গ্ৰহণ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

**জনজাতিকৰণৰ পৰা বঞ্চিত কোচ ৰাজবংশী ঃ বা'ৰ ভকুৱামাৰীত পুত্তলিকা দাহ কৰি প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী ঃ** জনজাতিকৰণৰ পৰা অসমৰ ছয় জনগোষ্ঠীক বঞ্চিত কৰাৰ পিছতে জ্বলিছে ৰাজ্য। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বাক্সা জিলাতো প্ৰতিবাদ আছে বিভিন্ন দল-সংগঠনৰ। আজি কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৱে বাক্সা জিলাৰ শালবাৰী মহকুমাৰ আনন্দ বজাৰ-গোৰৰ্ধনা সংযোগী পথৰ ভকুৱামাৰীত পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আক্ৰাছুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে কেন্দ্ৰী চৰকাৰ হায় হায়, ৰাজ্য চৰকাৰ হায় হায়, প্ৰধানমন্ত্ৰী মিছলীয়া আদি শ্ল'গান দি উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি আক্ৰাছুৰ সাধাৰণ সম্পাদক কপিল দেৱ সিংহই অনাগত দিনত বিজেপি হাতাও, আদিবাসী বচাও কাৰ্যসূচী ৰূপায়ণৰ হুংকাৰ দিয়ে। অৱশ্যে পুত্তলিকা দাহৰ মাজতেই প্ৰতিবাদস্থলীত আনন্দ বজাৰ আৰক্ষী উপস্থিত হৈ পুত্তলিকাত পানী ঢালি নুমাই দিয়ে।

# আমি গণমুখী উন্নয়ন আৰ্হিত গুৰুত্ব দিছো

*প্ৰথম পৃষ্ঠাৰ পৰা* মহামাৰীক অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। ক'ভিড-১৯ আৰু ইউক্ৰেইন সংকটৰ ফলত বিশ্বব্যাপী যোগান শৃংখলাত ব্যাঘাত জন্মিছে। আমি সেইবোৰো অতিক্ৰম কৰিব লাগিব। তেওঁ কয়, 'আমি জনকেন্দ্ৰিক উন্নয়ন আৰ্হিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো। আমি প্ৰতিটো ক্ষেত্ৰতে উদ্ভাৱনক সমৰ্থন কৰি আছো। আজি আমাৰ দেশত ৭০,০০০তকৈও অধিক ষ্টাৰ্ট-আপ আৰু ১০০তকৈও অধিক ইউনিকৰ্ণ আছে'। মোদীয়ে লগতে কয়— 'আমি ভাৰতক এক উৎপাদন কেন্দ্ৰলৈ ৰূপান্তৰ কৰিব বিচাৰো।' প্ৰধানমন্ত্ৰীয়ে এছচিঅ'ৰ সদস্য ৰাষ্ট্ৰসমূহক ইখন দেশে সিখন দেশৰ বাবে পৰিবহণৰ সুবিধা সৃষ্টি কৰিবলৈ আৰু এনেদৰে স্থিতিস্থাপক যোগান শৃংখলা নিশ্চিত কৰাৰ বাবেও আহ্বান জনায়। যুদ্ধবিধ্বস্ত আফগানিস্তানলৈ সামগ্ৰী প্ৰেৰণৰ বাবে ভাৰতক এনে সুবিধা প্ৰদান কৰিবলৈ পাকিস্তানক মোদীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে এছচিঅ' দেশসমূহৰ মাজত পাৰস্পৰিক বিশ্বাস আৰু সহযোগিতাক সমৰ্থন কৰে। লগতে কয়— 'মহামাৰী আৰু ইউক্ৰেইনৰ সংকটে বিশ্বব্যাপী যোগান শৃংখলাত বহুতো ব্যাঘাত সৃষ্টি কৰিছে, যাৰ ফলত বিশ্ব অভূতপূৰ্ব শক্তি আৰু খাদ্য সংকটৰ সন্মুখীন হৈছে।' এই বছৰৰ প্ৰত্যাহ্বানপূৰ্ণ গোলকীয় আৰু আঞ্চলিক পৰিৱেশত এছচিঅ'ৰ কাৰ্যকৰী নেতৃত্বৰ বাবে উজবেক ৰাষ্ট্ৰপতি মিৰ্জিয়োয়েভক অভিনন্দন জনায় মোদীয়ে। আজি, যেতিয়া সমগ্ৰ বিশ্বই মহামাৰীৰ পিছত অৰ্থনৈতিক পুনৰুদ্ধাৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, এছ ই অ'ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এছ ই অ'ৰ সদস্য দেশসমূহে বিশ্বব্যাপী জিডিপিৰ প্ৰায় ৩০ শতাংশ অৰিহণা যোগায় আৰু বিশ্বৰ জনসংখ্যাৰ ৪০ শতাংশ লোক এছ ই অ' দেশসমূহত বাস কৰে। ভাৰতে এছ ই অ'ৰ সদস্যসকলৰ মাজত অধিক সহযোগিতা আৰু পাৰস্পৰিক বিশ্বাস বৃদ্ধিত গুৰুত্ব দি আহিছে বুলি মোদীয়ে উল্লেখ কৰে। মোদীয়ে কয় যে ভাৰতক উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰি আছো। ভাৰতৰ যুৱ আৰু প্ৰতিভাশালী কৰ্মশক্তিয়ে আমাক স্বাভাৱিকভাৱে প্ৰতিযোগিতামূলক কৰি তোলে। এই বছৰ ভাৰতৰ অৰ্থনীতি ৭.৫ শতাংশ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে, যি বিশ্বৰ সৰ্ববৃহৎ অৰ্থনীতিত সৰ্বাধিক হ'ব। আজি, ভাৰতত ৭০ হাজাৰৰো অধিক ষ্টাৰ্ট-আপ আছে, যাৰ ভিতৰত ১০০ৰো অধিক ইউনিকৰ্ণ। আমাৰ অভিজ্ঞতা আন বহুতো এছ চি অ' সদস্যৰ বাবেও কামত আহিব পাৰে। এই উদ্দেশ্যৰ বাবে, আমি ষ্টাৰ্ট-আপ আৰু উদ্ভাৱনৰ ওপৰত এক নতুন বিশেষ কাৰ্যকৰী গোট স্থাপন কৰি এছ চি অ'ৰ সদস্য দেশসমূহৰ সৈতে আমাৰ অভিজ্ঞতা ভাগ-বতৰা কৰিবলৈ সাজু। বিশ্বই আজি আন এক ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে — আৰু সেয়া হৈছে আমাৰ নাগৰিকসকলৰ খাদ্য সুৰক্ষা নিশ্চিত কৰা। এই সমস্যাটোৰ এটা সম্ভাব্য সমাধান হ'ল বাজৰা খেতি আৰু ব্যৱহাৰৰ প্ৰচাৰ কৰা। ২০২৩ বৰ্ষটো আন ইণ্টাৰনেচনেল ইয়েৰ অৱ মিলেটছ হিচাপে উদ্‌যাপন কৰা হ'ব। আমি এছ চি অ'ৰ অধীনত 'মিলেট ফুড ফেষ্টিভেল' আয়োজন কৰাৰ কথা বিবেচনা কৰা উচিত। উল্লেখ্য যে দুবছৰৰ অন্তত এছ চি অ' সন্মিলনত নেতাসকল এনেদৰে মিলিত হৈছে। সন্মিলনখনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং, ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইচি, পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফ আৰু মধ্য এছিয়াৰ দেশসমূহৰ অন্যান্য নেতাসকল উপস্থিত আছে। সন্মিলনখন দুটা অধিৱেশনত অনুষ্ঠিত হ'ব। সীমিত অধিৱেশন আৰু বৰ্ধিত অধিৱেশন। সীমিত অধিৱেশন কেৱল এছ চি অ'ৰ সদস্য ৰাষ্ট্ৰসমূহৰ বাবে আৰু বৰ্ধিত অধিৱেশনত পৰ্যবেক্ষক দেশৰ নেতাসকলে অংশগ্ৰহণ কৰিব।

**ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত পুটিন, মিৰ্জিয়োয়েভ আৰু ইৰাণৰ ৰাষ্ট্ৰপতি ৰাইচিৰ সৈতে দ্বিপাক্ষিক আলোচনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী**

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঐতিহাসিক উজবেক চহৰত দুবছৰৰ ভিতৰত ছাংহাই সহযোগিতা সংস্থাৰ (এছচিঅ') প্ৰথমখন সন্মিলনত অংশগ্ৰহণ কৰিব। আঠজনীয়া গোটৰ সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং আৰু ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইচি, পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফ আৰু মধ্য এছিয়াৰ দেশসমূহৰ অন্যান্য নেতাসকল উপস্থিত আছে। প্ৰধানমন্ত্ৰী মোদীয়ে আঞ্চলিক নিৰাপত্তা প্ৰত্যাহ্বান, বাণিজ্য, বিনিয়োগ আৰু শক্তি খণ্ডৰ দৰে বিষয়সমূহক লৈ বিভিন্ন দেশৰ ৰাষ্ট্ৰ প্ৰধানৰ সৈতে আলোচনা কৰিব। সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন, উজবেক ৰাষ্ট্ৰপতি শৱকত মিৰ্জিয়োয়েভ আৰু ইৰাণৰ ৰাষ্ট্ৰপতি ৰাইচিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব বুলি জানিব পৰা গৈছে। তেওঁ আজি উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শৱকত মিৰ্জিয়োয়েভক ছাংহাই সহযোগিতা সংস্থা (এছচিঅ') সন্মিলনত সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উজবেকিস্তানৰ সমাৰকন্দত অনুষ্ঠিত ছাংহাই কো-অপাৰেচন অৰ্গেনাইজেচন (এছচিঅ') সন্মিলনত চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন, পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফ, উজবেক ৰাষ্ট্ৰপতি শৱকত মিৰ্জিয়োয়েভ আৰু মধ্য এছিয়াৰ নেতাসকলৰ সৈতে একেলগে আলোকচিত্ৰৰ বাবেও প'জ দিয়ে। এই সন্মিলনৰ সময়তে উজবেকিস্তানৰ সৈতে ভাৰতৰ বাণিজ্যৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁ উজবেক ৰাষ্ট্ৰপতি মিৰ্জিয়োয়েভক সাক্ষাৎ কৰিবলৈও অপেক্ষা কৰি আছিল। তেওঁ লগতে কয়— 'মই ২০১৮ চনত তেওঁৰ ভাৰত ভ্ৰমণৰ কথা মনত পেলাইছো। তেওঁ ভাইব্ৰেণ্ট গুজৰাট সন্মিলনকো আকৰ্ষণীয় কৰি তুলিছিল। উক্ত অনুষ্ঠানত তেওঁ সন্মানীয় অতিথি আছিল। তদুপৰি, সন্মিলনত অংশগ্ৰহণ কৰা আন কেইজনমান নেতাৰ সৈতে মই দ্বিপাক্ষিক বৈঠকত মিলিত হ'ম।' দুয়োখন দেশৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কত শীতলতাৰ মাজতে চীনৰ ৰাষ্ট্ৰপতি ঝি আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বৰীফৰ সৈতেও মোদীয়ে আলোচনা কৰাৰ সম্ভাৱনা আছে। ২০০১ চনৰ জুন মাহত ছাংহাইত আৰম্ভ কৰা এছচিঅ'ৰ আঠখন সদস্য ৰাষ্ট্ৰ আছে, সেই সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত আছে ছজন প্ৰতিষ্ঠাপক সদস্য, চীন, কাজাখস্তান, কিৰগিজস্তান, ৰাছিয়া, তাজিকিস্তান আৰু উজবেকিস্তান, ভাৰত আৰু পাকিস্তানে ২০১৭ চনত সদস্যপদ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বৃহস্পতিবাৰে উজবেকিস্তানলৈ গৈছে। সন্মিলনৰ সময়তে মোদীয়ে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে সুকীয়া সুকীয়াকৈ বৈঠকত মিলিত হ'ব। প্ৰধানমন্ত্ৰীয়ে কাৰ্যালয়ে এই প্ৰসংগত কয়— 'এছচিঅ' সন্মিলনত মই সাময়িক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়, এছচিঅ'ৰ সম্প্ৰসাৰণ আৰু সংগঠনটোৰ ভিতৰত বহুমুখী আৰু পাৰস্পৰিকভাৱে লাভজনক সহযোগিতা অধিক বৃদ্ধি কৰাৰ ক্ষেত্ৰত মত বিনিময় কৰিম।' তেওঁ লগতে কয় যে সন্মিলনখনত বাণিজ্য, অৰ্থনীতি, সংস্কৃতি আৰু পৰ্যটনৰ ক্ষেত্ৰত কেইবাটাও সিদ্ধান্ত লোৱা হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য লাডাখক লৈ অচলাৱস্থা আৰম্ভ হোৱাৰ পিছৰে পৰা মোদী আৰু জিনপিঙে ইজনে সিজনৰ সৈতে আনুষ্ঠানিকভাৱে কথা পতা নাই। লাডাখত চীনৰ সেনাই আগ্ৰাসন চলোৱাক লৈ বিগত কিছু বছৰ ধৰি ভাৰত আৰু চীনৰ মাজত সংঘাত অব্যাহত আছে। এনে সংঘাতৰ পৰিণতিতে কুৰিজনকৈ ভাৰতীয় সেনাৰ প্ৰাণো গৈছে। ইয়াৰ মাজতে ভাৰত আৰু চীনৰ মাজত লাডাখ সংকটক লৈ ১৬ লানি আলোচনা অনুষ্ঠিত হৈছে। শেহতীয়া আলোচনা মৰ্মে দুয়োখন দেশে পূব লাডাখৰ গোগ্ৰা আৰু হট স্প্ৰিং অঞ্চলৰ পৰা সৈন্য প্ৰত্যাহাৰ কৰা আৰম্ভ কৰিছে।

# অসমীয়া সমাজত নামঘৰৰ প্ৰয়োজনীয়তা

■ হেমা চহৰীয়া



সহজ ভাষাত ক'বলৈ গ'লে নামঘৰ বুলিলে আমি উত্তৰ-পূব ভাৰতীয় অসম ৰাজ্যৰ গাঁও- ভূঁই, চুবুৰিত থকা সমূহীয়া সেৱাৰ থলীস্বৰূপকে বুজো। নামঘৰ জাতীয় জীৱনৰ চেতনাস্বৰূপ। যিয়ে প্ৰতিজন অসমীয়াৰ হৃদয় স্পৰ্শ কৰে। এই নামঘৰৰ আদি বীজ ৰোপণ কৰিছিল আমাৰ পৰম আদ্যগুৰু, নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে।

অসমৰ নগাঁও জিলাত গুৰুজনাই প্ৰথমে ধৰ্মৰ খুঁটি পুতি নামঘৰ প্ৰতিষ্ঠা কৰিছিল আৰু পৰৱৰ্তী সময়ত তেওঁৰ শিষ্যসকলে এই নামঘৰ অসমৰ বিভিন্ন ঠাই লৈ সম্প্ৰসাৰিত কৰে। নামঘৰ আৰু সত্ৰসমূহক কেন্দ্ৰ কৰিয়েই নৱ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যসমূহে আজিও অসমীয়া লোকসকলৰ মাজত ভক্তিৰ অমৃত গংগা নিগৰোৱাৰ উপৰিও অসমীয়া জাতিটোৰ জাতীয় সত্তা ৰক্ষা কৰি আহিছে।

নামঘৰ সদায় পূবা-পশ্চিমাকৈ সজা হয়। মণিকূট আৰু মূল ভৱন নামে ২ ভাগত বিভক্ত নামঘৰ। মণিকূটক নামঘৰৰ পৱিত্ৰতম্ স্থান হিচাপে গণ্য কৰা হয়। সাধাৰণ মানুহৰ ইয়াত প্ৰৱেশ নিষিদ্ধ। গুৰু আসন সদায় পূবা- পশ্চিমাকৈ প্ৰতিষ্ঠা কৰা হয়। ভক্তসকলেও পূবা-পশ্চিমাকৈ বহি নাম-কীৰ্তন কৰে। নামঘৰৰ মূল ভৱনটো সকলোৰে বাবে খোলা থাকে। এই মূল ভৱনতেই বিভিন্ন আলোচনা বা সভা-সমিতি চলায়। নামঘৰসমূহ ধৰ্মীয় আৰু সংস্কৃতি চৰ্চাৰ কেন্দ্ৰ হিচাপে সকলোৰে গণ্য কৰি ভকত-বৈষ্ণৱসকলে গৌৰৱ অনুভৱ কৰে।

নামঘৰতে ভকত-বৈষ্ণৱবৃন্দই হিন্দুধৰ্মৰ উৎসৱ পাৰ্বণ উদ্‌যাপন যেনে-বাৰ্ষিক নাম, ভাওনা শংকৰদেৱ-মাধৱদেৱৰ তিথি কৃষ্ণৰ জন্মাষ্টমী, বিয়াৰ আগে-পিছে দিব লগা শৰাই গাঁৱত বেমাৰ-আজাৰ হ'লে এই বিষয়ে ল'বলগীয়া কিছুমান ব্যৱস্থাৰো আলোচনা গাঁৱৰ জগৰ দায়-দোষৰ বাবেও বিচাৰ সভাখন সাধাৰণতে নামঘৰতে পতা দেখা যায়।

নামঘৰ অসমীয়া সমাজৰ প্ৰাণস্বৰূপ জাতীয় নাট্যশাল। এই নামঘৰসমূহ সামাজিক সমতা সংৰক্ষণৰ বিশাল ক্ষেত্ৰ হোৱাৰ উপৰিও নানা শিল্প চৰ্চাৰ প্ৰাণস্বৰূপ। ভাওনাত আৱশ্যক হোৱা মুখা বনোৱা কৰ্ম-সংস্কৃতি বা কুটিৰ শিল্পৰ উন্নয়ন ভাওনা নথকা হ'লে নহ'লহেঁতেন।

নামঘৰক জাতীয় ভাওনা ঘৰ বুলিও ক'ব পাৰি। কিয়নো গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা নামঘৰসমূহতে পতা হয়। এই ভাওনাৰ জৰিয়তে ভালেমান অভিনেতা -অভিনেত্ৰীৰ জন্ম হয়। অন্যহাতে, আক্ষৰিক জ্ঞান নথকা গাঁওবাসীয়ে ৰামায়ণত থকা ৰামৰ কাহিনী, মহাভাৰতত থকা কৰ্ণ, অভিমন্যু আদিৰ কাহিনীৰ যোগেদি শাস্ত্ৰীয় জ্ঞান আয়ত্ত কৰাৰ সুযোগ পায়।

নামঘৰ ধৰ্মচৰ্চা আৰু প্ৰচাৰৰ মূল ভেটি। নামঘৰসমূহত ধৰ্মীয় মুকলি সভা হয়। এনে ধৰ্মীয় মুকলি সভাত শংকৰদেৱ-মাধৱদেৱৰ বৰগীত, শাস্ত্ৰীয় নৃত্য প্ৰদৰ্শন কৰা হয়, ধৰ্মীয় আলোচনা হয়। এনে সংস্কৃতিসমূহে অসমীয়া জাতিটোৰ সংস্কৃতি আৰু সভ্যতাৰ মান নিৰ্ণয় কৰে। এনে ধৰ্মীয় অনুষ্ঠানলৈ গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে বোৱা কাপোৰ পৰিধান কৰা দেখা যায়। গতিকে দেখা যায় নামঘৰক মূল ভেটি কৰিয়েই জাতীয় কৃষ্টিসমূহ ৰক্ষা পৰিছে।

মুঠতে নামঘৰক বাদ দি অসমীয়া সমাজ সংস্কৃতিৰ কথা কল্পনাই কৰিব নোৱাৰি। এতিয়াও দেখা যায় প্ৰতি দেওবাৰ বা বৃহস্পতিবাৰে আৰু ভাদ মাহৰ প্ৰতিদিনে গাঁৱৰ নামঘৰত কীৰ্তন বা ভাগৱত পাঠ চৰ্চা কৰে।

গতিকে ক'ব পাৰি নামঘৰক মূল ভেটি হিচাপে লৈ অসমীয়া জাতিটোৰ কৃষ্টি-সংস্কৃতিসমূহৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ উদ্ভৱ আৰু জাতীয় সত্তাটো গঢ়ি উঠিছে বুলি। শেষত ক'ব বিচাৰোঁ অসমীয়া সমাজত নামঘৰৰ প্ৰয়োজন অপৰিসীম। গুৰু দুজনাৰ এই অমৰ সৃষ্টি নামঘৰ অসমীয়া সমাজত সদায় উজলি থাকক।

ফোন ঃ ৮০১১৩-৬৭৬২৯

## প্ৰথম পৃষ্ঠাৰ পৰা—

# সকলো কোচ-ৰাজবংশী

কৰিবৰ সময় হ'ল'। আজি তামাৰহাট প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদ মেলত গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতি সুৰত চন্দ্ৰ ৰায়ে তেওঁৰ জীৱনৰ ২৪ বছৰ বিজেপিৰ লগত জড়িত থকাৰ কথা উল্লেখ কৰি আজি তেওঁ বিজেপিৰ পৰা অব্যাহতি লয় বুলি উল্লেখ কৰে গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতি সুৰত চন্দ্ৰ ৰায়ে। কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰে জনজাতিকৰণৰ ক্ষেত্ৰত অসমৰ অন্যতম জনগোষ্ঠী কোচ-ৰাজবংশী জনগোষ্ঠীটোক পুনৰ প্ৰতাৰণা কৰাত গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনী জাঙুৰ খাই উঠিছে। কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে দেশৰ পাঁচ ৰাজ্যৰ ১২টা জনগোষ্ঠীক জনজাতিকৰণৰ সিদ্ধান্ত লোৱাৰ পিছত আজি গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীয়ে তামাৰহাট প্ৰেছ ক্লাবত এক সংবাদ মেল অনুষ্ঠিত কৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সংবাদ মেলত গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি সুৰথ চন্দ্ৰ ৰায়ে কয় যে ৰাজনৈতিক, শৈক্ষিক, আৰ্থ-সামাজিক আদি সকলো দিশতে পিছপৰি থকা কোচ-ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণৰ দাবীত সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীয়ে দীৰ্ঘ দিনৰে পৰা আন্দোলন কৰি আহিছে যদিও কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে বাৰে বাৰে জনগোষ্ঠীটোক প্ৰতাৰণা কৰি আহিছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে দেশৰ পাঁচখন ৰাজ্যৰ বাৰটা জনগোষ্ঠীক জনজাতিকৰণ কৰি অসমৰ জয় জনগোষ্ঠীৰ লগতে ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীক পুনৰবাৰ প্ৰতাৰণা কৰিলে। কোচ-ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণৰ ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন অসম বা কেন্দ্ৰীয় চৰকাৰৰ যে সদিচ্ছা নাই সেয়া সঁচা বুলি প্ৰতিপন্ন হ'ল। গতিকে প্ৰৱঞ্চক বিজেপি দলটোত থকা কোচ-ৰাজবংশী জনগোষ্ঠীৰ সকলো লোকক বিজেপি দল ত্যাগ কৰাৰ বাবে গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতি সুৰথ চন্দ্ৰ ৰায়ে সংবাদ মেলযোগে আহ্বান জনায়। চৰকাৰে বাৰে বাৰে প্ৰতাৰণা কৰাৰ প্ৰত্যুত্তৰ অহা ২০২৪ৰ সাধাৰণ নিৰ্বাচনত দিয়া হ'ব বুলি কৈ কোচ-ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰা ৰাজনৈতিক দলত অন্তৰ্ভুক্ত হোৱাৰ বাবে কোচ-ৰাজবংশী লোকসকলক গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতিগৰাকীয়ে সংবাদ মেলযোগে আহ্বান জনায়। অহা নৱেম্বৰ মাহৰ পৰা অসমৰ দুৱাৰমুখ শ্ৰীৰামপুৰত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ লগতে আন্দোলন তীব্ৰতৰ কৰি তোলা হ'ব বুলি কৈ গণতান্ত্ৰিক আন্দোলনৰ ভাষা বুজি নোপোৱা চৰকাৰৰ বিৰুদ্ধে জনগোষ্ঠীটোৰ নৱ-প্ৰজন্মই যদি আন্দোলনৰ নামত বেলেগ পন্থা অৱলম্বন কৰে তাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনেই জগৰীয়া হ'ব বুলি সন্মিলনীৰ জিলা সভাপতি সুৰথ চন্দ্ৰ ৰায়ে সংবাদ মেলত তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। মন কৰিবলগীয়া কথা যে গোসাঁইগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতিৰ দায়িত্ব পালন কৰি থকাৰ সমান্তৰালকৈ ১৯৯৮ চনৰ পৰা ক্ৰমে বিজেপি দলৰ গোসাঁইগাঁও মহকুমা কমিটীৰ সাধাৰণ সম্পাদক, হাতীধুৰা মণ্ডল কমিটীৰ সভাপতি, কোকৰাঝাৰ জিলা কমিটীৰ উপ-সভাপতি আৰু বৰ্তমান বিজেপি দলৰ ৰাজ্যিক কমিটীৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প কোষৰ সদস্য হিচাপে দায়িত্ব পালন কৰি থকা সুৰথ চন্দ্ৰ ৰায়ে অতি সোনকালে বিজেপি দল ত্যাগ কৰিব বুলি সংবাদ মেলযোগে ঘোষণা কৰে।

**কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত প্ৰতাৰণা ঃ কেন্দ্ৰ তথা অসম চৰকাৰক চৰম মিছলীয়া আৰু বিশ্বাসঘাতক আখ্যা কোচ ৰাজবংশী জাতীয় পৰিষদৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে ভাৰতবৰ্ষৰ পাঁচখন ৰাজ্যৰ ১৫টা নিপীড়িত জনগোষ্ঠীক জনজাতিকৰণৰ বাবে লোৱা পদক্ষেপক কোচ ৰাজবংশী জাতীয় পৰিষদে আদৰণি জনাই কেন্দ্ৰীয় চৰকাৰে অসমৰ কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বাৰম্বাৰ প্ৰতিশ্ৰুতি প্ৰদানৰ পিছতো পুনৰ জনগোষ্ঠীকেইটাক জনজাতিকৰণৰ স্বীকৃতি প্ৰদানৰ পৰা বঞ্চিত কৰা চৰকাৰৰ দুমুখীয়া কাৰ্যক 'এয়া ডাবল ইঞ্জিনযুক্ত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ ছয় জনগোষ্ঠীৰ প্ৰতি চৰম প্ৰৱঞ্চনা' বুলি মন্তব্য কৰিছে। এক প্ৰেছ বিবৃতিত কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ চৰম দায়িত্বহীনতাৰ কাৰণে শত প্ৰতিশ্ৰুতি প্ৰদানৰ পিছতো এইবেলিও ছয় জনগোষ্ঠীক জনজাতিকৰণৰ পৰা বঞ্চিত কৰিলে বুলি বিষোদগাৰ ব্যক্ত কৰি কেন্দ্ৰীয় তথা অসম চৰকাৰক চৰম মিছলীয়া তথা বিশ্বাসঘাতক বুলি ধিক্কাৰ দিয়ে। কোচ ৰাজবংশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় নেতাদ্বয়ে বিবৃতিযোগে তীব্ৰ আক্ষেপ কৰি কয় যে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে কে এ চি আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদ নামৰ দুখন পৰিষদৰ গইনা লৈ আক্ৰাছু, সন্মিলনী, যুৱ পৰিষদ, মহিলা সমিতিৰ কিছু নেতাক ক্ষমতা প্ৰদানেৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সংগঠন আক্ৰাছুক আৰু আন আন কেইবাটাও কোচ ৰাজবংশী সংগঠনক কৌশলেৰে বিভক্ত কৰি জনগোষ্ঠীটোৰ সংগ্ৰামী সত্তাটোক ধ্বংস কৰা বুলি উল্লেখ কৰে। নেতাদ্বয়ে আক্ৰাছু, সন্মিলনী আদি সংগঠনৰ নেতা কে এ চি আৰু উন্নয়ন পৰিষদৰ বিষয়বাব তথা সদস্য পদত অধিষ্ঠিত হোৱাৰ পিছতো দৃষ্টিকটুভাৱে শাসনাধিষ্ঠিত দলৰ পকেটত সোমাই কোচ ৰাজবংশী জনগোষ্ঠীয়ে নাই কোনো কালেই জনজাতিকৰণৰ সুবিধা লাভ নকৰে তাৰ বাবে শেষ গজালটো মাৰি জনগোষ্ঠীটোক নিঃশেষ কৰাত হাত উজান দিছে বুলি তীব্ৰ কটাক্ষ কৰে। বৰ্মন আৰু ৰায়ে বিবৃতিটোত সজোৰে কয় যে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদ জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্যৰ বিকল্প হ'ব নোৱাৰে বুলি কৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে দুখন কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰি দিবলৈ নে নাই ৰাজহুৱাকৈ স্পষ্ট কৰিবলৈ দাবী জনায়। কোচ ৰাজবংশী জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু জনজাতিকৰণৰ হকে গঠন হোৱা জাতীয় ছাত্ৰ সংগঠন আক্ৰাছুক আজি এচাম তথাকথিত ছাত্ৰ নামধাৰী বয়োবৃদ্ধ বিবাহিত, সন্তানৰ পিতৃ, ঠিকাদাৰ, ব্যৱসায়ীয়ে ব্যক্তিগত তথা ৰাজনৈতিক স্বাৰ্থ চৰিতাৰ্থ কৰিবৰ বাবে ভাগ ভাগ কৰি চৰকাৰৰ পকেটত সোমাই জনগোষ্ঠীটোৰ সংগ্ৰামী সত্তাক নিঃশেষ কৰাৰ ফলতেই আজি কেন্দ্ৰীয় আৰু অসম চৰকাৰে বাৰে বাৰে জনগোষ্ঠীটোক জনজাতিকৰণৰ ক্ষেত্ৰত চৰম প্ৰৱঞ্চনা কৰাৰ সুযোগ পালে বুলি আক্ষেপেৰে উল্লেখ কৰে। সেইদৰে ঐতিহ্যমণ্ডিত কোচ ৰাজবংশী সন্মিলনীক এচাম তথাকথিত জাতীয়তাবাদীৰ মুখা পিন্ধা আৰু শাসকীয় ৰাজনৈতিক দলৰ বহতীয়াই নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি অহাটো জাতিটোৰ বাবে চৰম দুৰ্ভাগ্যজনক বুলি কয়। নেতাদ্বয়ে কয় যে ব্যক্তি স্বাৰ্থ জড়িত জাতিদ্ৰোহী নেতাসকলৰ হাতোৰাৰ পৰা জনগোষ্ঠীটোক ৰক্ষা কৰাৰ বাবে জনগোষ্ঠীটোৰ সৰ্বসাধাৰণ ৰাইজে পদক্ষেপ গ্ৰহণ নকৰিলে কোনোকালেই জনগোষ্ঠীটোৱে ন্যায্য অধিকাৰ পাবলৈ সক্ষম নহ'ব বুলি উল্লেখ কৰি ৰাইজক ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবলৈ আহ্বান জনায়। কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয়তাবাদৰ গইনা লৈ কে এ চি আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ গাদীত বহা তথাকথিত বাঘা বাঘা নেতাসকলে দিনত চৰকাৰৰ বিপক্ষে মাত মাতে যদিও নিশা হ'লে মন্ত্ৰী, বিধায়ক আৰু ৰাজনৈতিক দলৰ নেতাৰ বাৰাণ্ডা আৰু অতিথি কক্ষত দুপৰ ৰাতিলৈ খোলাপাৰ দি তৈলমৰ্দন কৰি ব্যক্তিগত মুনাফা আদায়ত ব্যস্ত থাকে। এনে অন্তৰ্ঘাতীৰ আৰু দুমুখীয়া নেতাৰ দ্বাৰা কোনো কালেই কোচ ৰাজবংশী জনগোষ্ঠীৰ মংগল যে নহ'ব সেয়া ধ্ৰুৱৰূপ। সেয়েহে কে এ চি আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ সকলো বিষয়বাব আৰু সদস্যসকলক জাতিৰ স্বাৰ্থত দালালি কৰা সুযোগ সন্ধানী নিদি সামাজিকভাৱে বৰ্জন কৰিব লাগে বুলি বিবৃতিত প্ৰকাশ কৰে।

# ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত

এগৰাকী নাৰ্ছৰ দপদপনি। ২০১৬ চনৰ পৰা সকলোৱে চকুৰ সন্মুখত চলাইছে নাৰ্ছগিৰি। পিছে নাছগৰাকীৰ নাই চাকৰী অনুমতি আৰু এপইণ্টমেণ্ট। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ অনুমতিত হেনো দীৰ্ঘ দিন কৰিছে কাম। আজি এই তথ্য পোহৰলৈ অহাত জিলাখনত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা সম্পৰ্কে আজি ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ গোপন সূত্ৰৰ পৰা খেদি সাংবাদিকৰ দল চিকিৎসা মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত উক্ত নাৰ্ছগৰাকীক সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত নাৰ্ছগৰাকীয়ে জনায়— তেওঁ ২০১৬ চনৰ পৰা কাম কৰি আছে। তেওঁৰ নাম মঞ্জুমা আৰু যুটীয়া সঞ্চালকজনে চাকৰি দিছে আৰু বৰ্তমান এ এন এম পদত কাম কৰি আছে। তেওঁৰ হাতত নাই কোনো নিযুক্তি-পত্ৰ, পৰিচয়-পত্ৰ। আনহাতে, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ ভাষ্য ২০২২ চনত স্থানীয় বিধায়কে লিখি দিয়াৰ বাবে হেনো নিয়োজত কৰিছিল মহিলাগৰাকীক। ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ আজব কাণ্ড। ২০১৬ চনৰ পৰা কৰ্মৰত এগৰাকী মহিলা। নাৰ্ছজনে কৰ্মৰত মহিলাৰ নাই কোনো চাকৰী অনুমতি বা appointment Letters. একাংশৰ দালালৰাজ অব্যাহত পূৰ্বৰ অসামৰিক চিকিৎসালয় আৰু বৰ্তমানৰ চিকিৎসা মহাবিদ্যালয়ত। মহিলাগৰাকী নিজমুখে স্বীকাৰ কৰিলে সকলো। অৱশেষত চিকিৎসালয় এৰি পলায়ন দালালসকলৰ আদৰ্শ মহিলাগৰাকীৰ। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ ভাষ্য, কেৱল স্থানীয় বিধায়ক নজৰুল হকে লিখি দিয়াৰ বাবেই হেনো কাম কৰাৰ অনুমতি দিছিল মহিলাগৰাকীক। উক্ত ঘটনা পোহৰলৈ অহাৰ পিছত বিভিন্ন দল-সংগঠনে ঘটনাৰ তদন্তৰ দাবী জনাইছে।

# মাৰ্ঘেৰিটাৰ ব্যক্তিগত খণ্ডুৰ

ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন কৰি আছে নেকি? তেন্তে (আমাৰ এই প্ৰতিবেদন আপোনাৰ বাবে) এতিয়া এবাৰ চিন্তাৰ কৰি চাব হ'ল। আপোনাৰ সন্তানটিক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত কেনেদৰে শিক্ষা প্ৰদান কৰা হৈছে। মাৰ্ঘেৰিটাৰ এখন আগশাৰীৰ ব্যক্তিগত খণ্ডুৰ ইংৰাজী বিদ্যালয়ৰ শিক্ষাৰ নমুনা দেখিলে আপোনাৰো চকু কপালত উঠিব। মাৰ্ঘেৰিটাৰ বৰগোলাইস্থিত ব্লু বাৰ্ড ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলখনৰ অসমীয়া ভাষা জ্ঞানৰ নমুনা দেখিলে আপুনি মূৰ্ছা যাব পাৰে। ছমহীয়া পৰীক্ষাৰ চতুৰ্থ শ্ৰেণীৰ অসমীয়া বিষয়ৰ প্ৰশ্ন কাকত দেখি হতভম্ব হৈ পৰে বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক-অভিভাৱিকাসকল। প্ৰশ্ন কাকতখনত শব্দসমূহৰ মাজত থাকিব লগা ব্যৱধান, বাক্য গাঁথনি, যতি চিহ্ন মানে দায়ী, কণা আদি একোৱেই নাই। নাই মানে নায়েই আৰু। বানানৰ কথাটো বাদেই দিলো। অৱশ্যে নহ'বনো কিয়? বিদ্যালয়খনৰ অসমীয়া বিষয় শিক্ষয়িত্ৰীগৰাকীও হেনো বঙালী মাধ্যমতে অধ্যয়ন কৰা। বিদ্যালয়খনৰ মুৰব্বীগৰাকীৰ মতে হেনো এয়া এটি সামান্য ভুল। বিদ্যালয়খনৰ কম্পিউটাৰত হেনো অসমীয়া ছফ্‌টৱেৰ নথকা বাবেই এই সামন্য ভুলটো হৈ গ'ল। শিক্ষা বিভাগেও কেনেদৰে এগৰাকী বঙালী মাধ্যমত অধ্যয়ন কৰা শিক্ষয়িত্ৰীক অসমীয়া বিষয় শিক্ষয়িত্ৰী হিচাপে অনুমোদন জনালে সিও এক ৰহস্য বিষয় হিচাপেই পৰিগণিত হৈছে। অসমীয়া বিষয়ৰ শিক্ষক নোহোৱাকৈ শেহতীয়াকৈ বিদ্যালয়খনত নৱম আৰু দশম শ্ৰেণীত অসমীয়া ভাষাক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা বিষয়টোৱে বিদ্যালয়খনৰ অসমীয়া ভাষাৰ প্ৰতি কি দায়িত্ব আছে সেয়া যেন উদঙাই দিছে। কাকতখনত সন্নিৱিষ্ট হোৱা প্ৰশ্ন কেইটামানৰ নমুনা এনেধৰণৰ— ১) এখনফলৰঝুৰিআংকিৰংকৰা, ২) তলৰশব্দকেইটাভাঙিলিখা। কাকতখন এনেদৰেই প্ৰস্তুত কৰি সমাধান কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক কৰিবলৈ দিয়া হৈছে। এতিয়া আপোনালোকেই এবাৰ চিন্তা কৰক। এনে ধৰণৰ ইংৰাজী মাধ্যমৰ যোগেদি আপোনাৰ সন্তানে কি শিক্ষা লাভ কৰিব সহজেই অনুমেয়। মাৰ্ঘেৰিটাৰ একাংশ সচেতন ব্যক্তিয়ে শিক্ষা বিভাগে বিদ্যালয়খনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। সকলোতে যেন এতিয়া অসমীয়া ভাষাক নিশেষঃ কৰাৰ কুজকাৰাজ চলিব ধৰিছে। বাৰে বাৰে অসমীয়া ভাষাক কৰা হৈছে অপমান। কেৱল মুনাফা লাভৰ বাবেই যেন এচাম পুঁজিপতি বণিয়াই সকলো নীতি-নিয়ম জলাঞ্জলি দি অসমীয়া ভাষাক এলাগি কৰি জধে-মধে ইংৰাজী মাধ্যমৰ বিদ্যালয় খুলি ব্যৱসায় কৰি আহিছে। তথাকথিত এচাম অসমীয়াই এইক্ষেত্ৰত এইসকল পুঁজিপতিক হাত উজান দিয়া পৰিলক্ষিত হৈ আহিছে। এচামে আকৌ এনে বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাই গৰ্বত বুকু ফিন্দাই থাকে। বহু অসমীয়াৰ বাবে এতিয়া যেন নিজৰ সন্তানে অসমীয়া ভাষা ক'ব আৰু লিখিব নজনাটো এক গৌৰৱৰ বিষয়। অসমীয়া কথা ক'লে বা লিখিলে এই চাম অসমীয়া সমাজত মান-সন্মান লাঘৱ হয়। ইয়াৰ বাবেই বাৰে বাৰে অসমীয়া ভাষাক অপমান কৰি যাবলৈ সাহস কৰিছে এইসকল পুঁজিপতি বণিয়াই। অসমীয়াসকল যেতিয়ালৈকে নিজৰ ভাষাটোৰ প্ৰতি শ্ৰদ্ধাশীল নহ'ব তেতিয়ালৈকে এনে ঘটনা সংঘটিত হৈয়ে থাকিব।

# এঘাৰবছৰীয়া কিশোৰকো

অসম ফাৰ্মাচী কাউঞ্চিলৰ পঞ্জীয়ন নম্বৰ (৮৩৮২), সুনীৰমল দাস। অসম ফাৰ্মাচী কাউঞ্চিলৰ পৰা আদায় কৰা পঞ্জীয়ন নম্বৰ ৮৮৮১। এইগৰাকী তথাকথিত ফাৰ্মাচিষ্টে ১৯৯৭ চনত মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হৈয়েই ১৯৯৩ চনৰ মে' মাহৰ পৰা ১৯৯৮ চনৰ জুলাই মাহলৈ ফাৰ্মাচিষ্টৰ অভিজ্ঞতাৰ প্ৰমাণ-পত্ৰ লৈ উপস্থিত হয় অসম ফাৰ্মাচী কাউঞ্চিলত। বহল আৰু উদাৰ একাংশ বিষয়াই বিনাবাক্যে একান্ত বাধ্য ছাত্ৰৰ দৰে প্ৰদান কৰিছিল ফাৰ্মাচিষ্টৰ পঞ্জীয়ন। মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়া আপোনাৰ নিদ্ৰা ভংগ হ'বনে? নে এনে এচাম তথাকথিত ফাৰ্মাচিষ্টৰ হাতত ৰাইজক গিনিপিগ কৰি এৰি দি হাত সাবটি বহি থাকি স্বাস্থ্য বিভাগৰ উন্নয়নৰ ফটা ঢোল বজাই সেয়া নিতান্তই বিচাৰ্যৰ বিষয় হিচাপে বিবেচিত হৈছে জনসাধাৰণৰ মাজত।

# 'আম্বেদকাৰ এণ্ড মোদী

মুখ্য ন্যায়াধীশ কে জি বালাকৃষ্ণণ, কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ড° এল মুৰুগান আৰু ব্লুক্ৰাফ্‌ট ডিজিটেল ফাউণ্ডেচনৰ সঞ্চালক হিতেশ জৈন উপস্থিত থাকে। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি অনুৰাগ ঠাকুৰে কয় যে গ্ৰন্থখন কেৱল মহান সংস্কাৰক বাবা চাহেব ড° ভীমৰাও আম্বেদকাৰৰ উচ্চ ভাৱনা আৰু দৃষ্টিৰ সংকলনেই নহয়, বৰঞ্চ এয়া বিগত আঠটা বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ধাৰণাসমূহ কেনেদৰে কাৰ্যকৰী কৰিছে, তাৰো এক দৃষ্টান্ত। এয়া ড° আম্বেদকাৰৰ দৃষ্টিক বাস্তৱায়িত কৰিবলৈ গ্ৰহণ কৰা দুসাধ্য প্ৰচেষ্টাৰ দলিল। ঠাকুৰে ড° আম্বেদকাৰৰ অৱদানক স্মৰণ কৰি কয় যে তেওঁ এগৰাকী শ্ৰেষ্ঠ ৰাষ্ট্ৰনেতা আছিল, যাৰ ধাৰণা, দৰ্শনে আজি আমি জনা আমাৰ ৰাষ্ট্ৰ আৰু দেশৰ ভেটি গঢ়ি তুলিছিল। 'আম্বেদকাৰে সমতা, মানৱ অধিকাৰ আৰু সামাজিক ন্যায়ৰ বাবে গোটেই জীৱন উৎসৰ্গা কৰিছিল। তেখেত আছিল উপান্ত আৰু সামাজিকভাৱে নিপীড়িতসকলৰ প্ৰবক্তা। তেখেতৰ জীৱন আৰু প্ৰভাৱে আধুনিক ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত এক সামগ্ৰিক প্ৰভাৱ বিস্তাৰ কৰি আহিছে', মন্ত্ৰীজনে লগতে কয়। তেওঁ আৰু কয় যে প্ৰথমগৰাকী আইন মন্ত্ৰী হিচাপে ড° আম্বেদকাৰে বৈষম্যবিহীন এখন সমাজৰ কল্পনা কৰিছিল। ইয়াৰ জৰিয়তে উপান্তসকলক মূলসুঁতিলৈ আনি উন্নয়নৰ লাভা-লাভ সকলোকে সমানে বিতৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। কিন্তু স্বাধীনতাৰ পিছৰে পৰা চৰকাৰসমূহে গ্ৰহণ কৰা প্ৰচেষ্টাত এই ধাৰণাসমূহ বাস্তৱায়িতকৰণৰ ৰেশ নাছিল। ২০১৪ৰ পৰা চৰকাৰখনে এইসমূহ উদ্দেশ্যক নিৰলসভাৱে পালন কৰি আহিছে। চৰকাৰখনৰ মৌলিক দৰ্শনৰ ওপৰত আলোকপাত কৰি শ্ৰীঠাকুৰে কয় যে চৰকাৰ গঠনৰ লগে লগে প্ৰধানমন্ত্ৰীগৰাকীয়ে সমাজৰ দলিত, নিপীড়িত আৰু বঞ্চিত শ্ৰেণীৰ কাৰণে নিজকে উৎসৰ্গা কৰিব বুলি ঘোষণা কৰিছিল। তেতিয়াৰ পৰাই চৰকাৰখনৰ কাৰ্য আৰু নীতিয়ে অন্ত্যোদয়ৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে। মেক ইন ইণ্ডিয়াই হওক বা প্ৰডাকচন লিংকড ইনচেণ্টিভ আঁচনিয়েই হওক, এই সকলোতে ড° আম্বেদকাৰে কল্পনা কৰা এখন আধুনিক ভাৰতক বাস্তৱায়িতকৰণৰ ৰূপৰেখা অংকিত হৈছে। ড° বাবাচাহেব আম্বেদকাৰৰ 'বহুজন হিতয়, বহুজন সুখয়' (জনসাধাৰণৰ সুখৰ বাবে, জনসাধাৰণৰ কল্যাণৰ বাবে) জীৱন মন্ত্ৰটো সদায়েই প্ৰধানমন্ত্ৰী মোদীৰ উন্নয়ন আৰ্হিৰ আধাৰ হৈ আহিছে। শিক্ষাৰ ক্ষেত্ৰত দেশখনত আইআইটি, আইআইএম, আইআইআইটি আদি উচ্চ শিক্ষানুষ্ঠানসমূহৰ সংখ্যা বৃদ্ধি পাইছে। আম্বেদকাৰৰ দৃষ্টিৰে অনুপ্ৰাণিত হৈ আৰু স্বকীয় অনুৰূপ বিশ্বাসৰে প্ৰেৰিত হৈ প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰাথমিক, উচ্চ আৰু চিকিৎসা শিক্ষাত গুৰুত্ব আৰোপেৰে শিক্ষা খণ্ডটোক ক্ষিপ্ৰতাৰে ৰূপান্তৰিতকৰণৰ ক্ষেত্ৰত সকলো প্ৰচেষ্টাই গ্ৰহণ কৰিছে। যোৱা আঠটা বছৰত ২০৮খনৰো অধিক মেডিকেল কলেজ স্থাপন কৰা হৈছে আৰু চিকিৎসা পাঠ্যক্ৰমৰ আসনৰ সংখ্যা ৭৮ হাজাৰৰ পৰা ১ লাখৰো অধিকলৈ বৃদ্ধি পাইছে। এই পৰিসংখ্যা এক অতুলনীয় কৃতিত্ব। আমি দেশখনৰ ৰোগী অনুপাতে চিকিৎসকৰ সংখ্যাৰ ব্যৱধান দূৰ কৰিবলৈয়ো কাম অব্যাহত ৰাখিছো, যাতে দেশখনৰ দৰিদ্ৰতম লোকজনেও সু-চিকিৎসাৰ সুবিধা লাভ কৰে। মন্ত্ৰীজনে দেশখনৰ মৌলিক আন্তঃগাঁথনিৰ উন্নয়ন সাধনত আলোকপাত কৰি কয় যে দেশখনৰ অত্যন্ত দুৰ্গম অঞ্চলসমূহত বিদ্যুৎ যোগান ধৰা হৈছে, ৪৫ কোটিৰো অধিক লোকে বেংক একাউণ্ট খুলিছে, সংকটৰ সময়ত মহিলাসকলৰ একাউণ্টলৈ ৩১ হাজাৰ কোটিৰো অধিক টকা হস্তান্তৰ কৰা হৈছে। 'অনুসূচিত জাতিৰ যুৱক-যুৱতীসকলৰ অগ্ৰগতি সাধনৰ বাবে ড° আম্বেদকাৰৰ দৃষ্টিৰে ৰজিতা খুৱাই ২০২০ত আম্বেদকাৰ ছ'চিয়েল ইন'ভেচন এণ্ড ইনকিউবেচন মিছনৰ শুভাৰম্ভ কৰা হৈছে', মন্ত্ৰীজনে কয়। বাবা চাহেবৰ প্ৰতি সন্মান জ্ঞাপনাৰ্থে প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন চৰকাৰখন পঞ্চতীৰ্থ গঠন কৰিছে আৰু লগতে সংসদত ড° আম্বেদকাৰৰ প্ৰতিচ্ছবি স্থাপন কৰিছে। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কবিন্দে তেওঁৰ ভাষণত ড° আম্বেদকাৰৰ বহুমুখী ব্যক্তিত্ব সম্পৰ্কে গভীৰ আলোচনা কৰে। স্বাধীন ভাৰতৰ আৰম্ভণিৰ বৰ্ষকেইটাত তেওঁৰ অৱদানৰ কথা স্মৰণ কৰি ক'বিন্দে কয় যে বাবা চাহেবে অৱদানে বেংকিং, জলসিঞ্চন, বিদ্যুৎ ব্যৱস্থা, শিক্ষা ব্যৱস্থা, শ্ৰম ব্যৱস্থাপনা, ৰাজহ শ্বেয়াৰিং ব্যৱস্থা আদিৰে জড়িত নীতিসমূহ যুগুততৰ বৰঙণি আগবঢ়াইছিল। ক'বিন্দে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১০ত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে তাত গৌৰৱ যাত্ৰা আয়োজনৰ কথা স্মৰণ কৰে। এটি সুশোভিত হস্তীৰ পিঠিত ভাৰতীয় সংবিধানৰ এটি বিশাল কপী ৰখা হৈছিল। সেই সময়ত মুখ্যমন্ত্ৰী মোদীয়ে ৰাইজৰ সৈতে খোজকাঢ়ি অগ্ৰসৰ হৈছিল। সংবিধানৰ প্ৰতি শ্ৰদ্ধা আৰু বাবা চাহেব আম্বেদকাৰলৈ শ্ৰদ্ধা নিৱেদনমূলক এই যাত্ৰা আছিল অতুলনীয়। ড° আম্বেদকাৰৰ দৃষ্টি আৰু প্ৰধানমন্ত্ৰী মোদীৰ নীতিৰ মাজৰ সাদৃশ্যতাৰ আলোকপাতেৰে ক'বিন্দে কয় যে সমগ্ৰ দেশৰ পৰা লাভ কৰা দুই লাখৰো অধিক ধাৰণাৰ আধাৰত নিজৰ মাতৃভাষাত শিক্ষাৰ ব্যৱস্থা কৰা নতুন শিক্ষা নীতিয়ে বাবা চাহেবৰ ধাৰণাক প্ৰতিফলিত কৰিছে। তেওঁ আৰু কয় যে অগণন জটিল আইনৰ ঠাইত চাৰি শ্ৰম সংহিতা, শ্ৰমিকৰ বাবে ইউনিভাৰ্ছেল একাউণ্ট নম্বৰ ড° আম্বেদকাৰৰ দৃষ্টিৰেই ফল। এই অনুষ্ঠানৰ পূৰ্বে ন্যায়াধীশ কে জি বালাকৃষ্ণণ আৰু অনুৰাগ ঠাকুৰে ছেণ্ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনে আজাদী কা অমৃত মহোৎসৱৰে সংগতি ৰাখি ড° বি আৰ আম্বেদকাৰৰ জীৱন, শিক্ষা আৰু অৱদানৰ ওপৰত গুৰুত্ব আৰোপেৰে আয়োজন কৰা তিনিদিনীয়া ডিজিটেল ইণ্টাৰেক্টিভ মাল্টি-মিডিয়া প্ৰদৰ্শনী উদ্বোধন কৰে। দৰ্শনাৰ্থীসকলে এক ভাল অভিজ্ঞতা লাভ কৰিব পৰাকৈ এই প্ৰদৰ্শনীখন ডিজাইন কৰা হৈছে। একে সময়তে ইয়াৰ জৰিয়তে ড° আম্বেদকাৰৰ আদৰ্শ আৰু চৰকাৰখনৰ উন্নয়নমূলক পদক্ষেপৰাজিৰ বিষয়েও সজাগতা সৃষ্টি কৰা হৈছে। ইয়াত হ'ল'কিউব, ডিজিটেল ইণ্টাৰেক্টিভ পাজল, আৰএফআইডি ভিত্তিক ডিজিটেল ইণ্টাৰেক্টিভ ডিছপ্লে, ইণ্টাৰেক্টিভ টাচ ৱাল আৰু ফ্লিপ বুক প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

# ভিক্টৰক অৱশেষত জামিন

আঁৰত প্ৰাক্তন বিধায়ক থকা বুলিও অভিযোগ কৰিছিল। তেওঁ মুখ্যমন্ত্ৰী, আৰক্ষী সঞ্চালকপ্ৰধান, বিশেষ সঞ্চালকপ্ৰধানক উদ্দেশ্যি টুইট কৰিছিল। এই টুইটক কেন্দ্ৰ কৰি সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়া হৈছিল। তাৰ পিছতেই ৯ ছেপ্টেম্বৰত ভিক্টৰ দাসক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁক ৭ দিনৰ বাবে পাণবজাৰ আৰক্ষীয়ে নিজৰ জিম্মাত লয়। ইফালে ভিক্টৰ দাসক গ্ৰেপ্তাৰৰ পিছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। দুৰ্নীতিৰ অভিযোগ তোলা ভিক্টৰক গ্ৰেপ্তাৰ কৰা কাৰ্যক গৰিহণা দিছে বিৰোধী দলসমূহে। এয়া চৰকাৰৰ স্বৈৰাচাৰিতা বুলি উল্লেখ কৰিছে কেইবাজনো বিৰোধী নেতাই। আৰক্ষীয়ে সোধা-পোছাৰ বাবে ভিক্টৰৰ চাৰিগৰাকী ছাত্ৰ-ছাত্ৰীকো তলব কৰিছিল যদিও সোধা-পোছা কৰি তেওঁলোকক যাবলৈ দিয়া হয়। আনহাতে, শাসকীয় পক্ষৰ মন্ত্ৰী-বিধায়কে ভিক্টৰক কোনো কাৰণতে ক্ষমাৰ অযোগ্য প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। মুখ্যমন্ত্ৰীয়ে এই কাৰ্যক জেমছ বণ্ডৰ চিনেমা বুলি উল্লেখ কৰাৰ বিপৰীতে মন্ত্ৰী পীযূষ হাজৰিকায়ো এয়া সম্পূৰ্ণ ভিত্তিহীন বুলি উল্লেখ কৰে। ইফালে পাণবজাৰ থানাৰ লকআপতে হঠাৎ অসুস্থ হৈ পৰিছিল ভিক্টৰ দাস। বৃহস্পতিবাৰে নিশা প্ৰায় ১০ বজাৰ পৰা অসুস্থ হৈ পৰিছিল ভিক্টৰ। জ্বৰ আৰু প্ৰচণ্ড মূৰৰ বিষত হঠাৎ অসুস্থ হৈ পৰা ভিক্টৰ দাসক আজি অৱশেষত আদালতে জামিন দিয়ে।

# ভিক্টৰ দাসে অনা অভিযোগ

উদ্যোগত আৰু ওদালগুৰি জিলাৰ সহযোগত ভাৰতীয় জনতা পাৰ্টীৰ ৰতনপুৰ ভিচিডিচি কাৰ্যালয়ত অনুষ্ঠিত সভাত উপস্থিত থকা সাংসদগৰাকীয়ে সভাৰ শেষত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ এইদৰে কয়। তেওঁ বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ বিপক্ষে জয়া কলিতাই কৰা অভিযোগ ভিত্তিহীন আৰু বিজেপি দল শাসন থকা বাবে নিযুক্তি সম্পৰ্কে দালালি তথা মধ্যভোগীসকলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত ৰাকেশ পালৰ গ্ৰেপ্তাৰ কথা উনুকিয়ায়। তেওঁ কয় য়ে, সাংগঠনিক সভাৰ জৰিয়তে অঞ্চল তথা জিলাখনত দলীয় স্থিতি অনাগত দিনত সুদৃঢ় কৰাৰ লগতে কেন্দ্ৰ-ৰাজ্য-বিটিচি সন্মিলিত চৰকাৰখনে যি বিকাশৰ ধাৰা অব্যাহত ৰাখিছে সেয়ে জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াসেৰে এই সাংগঠনিক সভাৰ মূল লক্ষ্য। সভাত মঙলদৈ লোকসভাৰ সাংসদ তথা ভাৰতীয় জনতা দলৰ ৰাষ্ট্ৰীয় সম্পাদক দিলীপ শইকীয়া, বিটিচি পৰিষদৰ মনোনীত সদস্য অৰ্পণা মেধি, মঙলদৈ নগৰ উন্নয়ন অধ্যক্ষ তথা দৰং জিলা সমিতিৰ উপ-সভাপতি প্ৰতাপ বৰদলৈ, জিলা সভাপতি সুনীল বসুমতাৰী, সম্পাদক বলেন্দ্ৰ ব্ৰহ্ম, জয়কান্ত শৰ্মা, জিলা উপ-সভাপতি অজয় হাজৰিকা, জিলা প্ৰাক্তন সভাপতি কাৰ্তিক চন্দ্ৰ বড়ো', যুৱ নেতা অৰ্জুন দৈমাৰী, খালিংদুৱা মণ্ডলৰ সভাপতি সমৰেশ দাস, পানেৰী ভিচিডিচিৰ সভাপতি দুলু শৰ্মা আদিকে ধৰি জিলা বিষয়ববীয়া তথা খালিংদুৱাৰ মণ্ডলৰ বিষয়ববীয়াৰ লগতে সমূহ সদস্য উপস্থিত থাকে।

# বিজুলী ভৱনত প্ৰৱেশ কৰি

পল্টনবজাৰস্থিত বিজুলী ভৱনৰ চৌহদত প্ৰৱেশ কৰি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। হিমন্ত বিশ্ব মুৰ্দাবাদ, বিদ্যুৎ মাচুল হ্ৰাস কৰক, শক্তি বিভাগ মুৰ্দাবাদ আদি শ্ল'গানেৰে বিজুলী ভৱনৰ চৌহদ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি আপৰ ৰাজ্যিক যুটীয়া সমন্বয়ক জিতুল ডেকাই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এতিয়া কৰৰ সম্ৰাট। চৰকাৰ চলাবলৈ পুঁজি নাই। দেউলীয়া চৰকাৰ। জনতাক কৰৰ বোজা জাপি দি চৰকাৰ চলাব বিচাৰিছে মুখ্যমন্ত্ৰীয়ে। কৰৰ টকাৰে হেলিকপ্টাৰ লৈ ঘূৰে মুখ্যমন্ত্ৰীয়ে। কোটি টকা খৰচ কৰি কেবিনেট পাতে। দেউলীয়া চৰকাৰে ব্ৰহ্মপুত্ৰৰ তলেৰে কলিয়াবৰৰ পৰা জামুগুৰিলৈ সুৰংগ বনাব বুলি কৈছে। জনতাৰ অৱস্থা নাই, আৰ্থিক অনাতন। জনতাৰ পৰা কৰ লৈ মুখ্যমন্ত্ৰীয়ে সুৰংগ বনাব নেকি বুলি কটাক্ষ কৰে আপৰ নেতা জিতুল ডেকাই। প্ৰতিবাদৰ সময়ত আপৰ নেতা-কৰ্মী আৰু আৰক্ষীৰ মাজত ঠেলাঠেলিৰ সৃষ্টি হয়। নিৰাপত্তাৰক্ষীয়ে চৌহদৰ মূল প্ৰৱেশদ্বাৰ বন্ধ কৰিবলৈ বৃথা চেষ্টা কৰে যদিও আন্দোলনকাৰীসকলৰ অগ্ৰগতিত বাধা দিব নোৱাৰিলে। উল্লেখ্য যে দিল্লীৰ আপ চৰকাৰে ২০০ ইউনিটলৈ আৰু পঞ্জাব চৰকাৰে ৩০০ ইউনিট পৰ্যন্ত বিদ্যুৎ মাচুল ৰেহাই দিছে। কিন্তু অসমত বছৰেকত দুই-তিনিবাৰ পৰ্যন্ত বিদ্যুৎ মাচুল চৰকাৰে বৃদ্ধি কৰিছে। তিলমানো বিদ্যুৎ উৎপাদন নকৰা দিল্লীয়ে যদি জনতাক বিজুলী মাচুল ৰেহাই দিব পাৰে, অসমে কিয় নোৱাৰিব বুলি আপে অসম চৰকাৰক প্ৰশ্ন কৰে। প্ৰতিবাদৰ মাজতে এ পি ডি চি এলৰ বিষয়াসকলে প্ৰতিবাদকাৰীসকলক সাক্ষাৎ কৰি শক্তিমন্ত্ৰীলৈ দলটোৱে প্ৰেৰণ কৰা স্মাৰক-পত্ৰ প্ৰদান কৰে। প্ৰতিবাদটোত আপৰ শতাধিক নেতা-কৰ্মীৰ লগতে হেমন্ত ফুকন, বিদ্যুৎ ৰঞ্জন দাস, মানস শৰ্মা, অনুৰূপা ডেকাৰজাও উপস্থিত থাকে।

# প্ৰকৃতিৰ ভয়ংকৰ ৰোষত

কৰিছিল। কিন্তু বিগত তিনি-চাৰি বছৰ ধৰি নদীবান্ধবিৰোধী দল-সংগঠনবোৰৰ দুৰ্বল স্থিতি আৰু শেহতীয়াভাৱে একেবাৰে পালন কৰা মৌন ব্ৰতৰ বাবে এন এইচ পি চিয়ে প্ৰকল্পৰ ৮০-৯০ শতাংশ নিৰ্মাণ কাৰ্য সম্পন্ন কৰি ২০২৩ জানুৱাৰী মাহৰ পৰা বিদ্যুৎ উৎপাদন কৰিব বুলি সদম্ভে ঘোষণা কৰিছে। দল-সংগঠনবোৰৰ এনে দুৰ্বল স্থিতিৰ বিপৰীতে সোৱণশিৰি নদীয়ে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণত এন এইচ পি চিক ধাৰাবাহিকভাৱে প্ৰচণ্ড আঘাত দি অহাই নহয় প্ৰকল্প নিৰ্মাতা সংস্থা এন এইচ পি চিক ব্যাপক পৰিমাণে ক্ষতিগ্ৰস্ত কৰি তুলিছে। নদীখনৰ আক্ৰোশৰ ফলত দীৰ্ঘ বছৰ ধৰি বান্ধ নিৰ্মাণত এন এইচ পি চি হকা-বাধাৰ সন্মুখীন হৈ আহিছে আৰু সময় মতে প্ৰকল্প নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰা নাই। আজি শুকুৰবাৰেও পুৱা এন এইচ পি চিৰ তথাকথিত অত্যাধুনিক নিৰ্মাণ শৈলীৰ অহংকাৰক তচ্‌-নচ্‌ কৰি পুনৰ সোৱণশিৰি নদীয়ে খহাই নিলে বিৰাটকায় পাহাৰ আৰু পাহাৰটোত নিৰ্মাণ কৰা কংক্ৰিটৰ টানেল। উক্ত খহনীয়াৰ ফলত টানেলটো পাহাৰৰ বহু ফুট তললৈ বহি যোৱা বুলি তথ্য পোৱা গৈছে। উল্লেখনীয় যে, আজি খহাই নিয়া টানেলটো হৈছে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ মূল বান্ধৰ ২নং টানেল আৰু এন এইচ পি চিৰ অধীনস্থ ঠিকাদাৰী সংস্থা ছ'মা এণ্টাৰপ্ৰাইজে উক্ত টানেলটো নিৰ্মাণ কৰিছিল। জানিব পৰা মতে কালি নিশাৰ পৰা গেৰুকামুখ পাহাৰত মজলীয়া ধৰণে বৰষুণ দিছিল আৰু আজি পুৱাৰ ভাগলৈ বৰষুণ অব্যাহত আছিল। বৰষুণৰ ফলত সোৱণশিৰিৰ নদীপৃষ্ঠ বাঢ়ি আহিছিল আৰু নদীপৃষ্ঠ বৃদ্ধি পোৱাত গেৰুকামুখৰ বালিয়া তথা ভংগুৰ পাহাৰ অধিক ভংগুৰ হৈ পৰিছিল। তেনেস্থলত সোৱণশিৰি নদীয়ে নদীপৃষ্ঠৰ সমান্তৰালভাৱে উক্ত টানেলটো খহাই নিয়ে আৰু টানেল খহি যোৱাৰ পিছত এন এইচ পি চিৰ ২০২৩ চনৰ বিদ্যুৎ উৎপাদনৰ স্বপ্ন যে দিঠক নহ'ব তাৰ আশংকা পূৰামাত্ৰাই বৃদ্ধি পালে। সোৱণশিৰি নদীৰ এই খহনীয়াত এন এইচ পি চিৰ বিষয়া-কৰ্মচাৰীসকল আতংকিত পৰা বুলি জানিব পৰা গৈছে আৰু তেওঁলোকৰ অত্যাধুনিক নিৰ্মাণ শৈলীৰ ওপৰত পুনৰ প্ৰশ্নৰ অৱতাৰণা হোৱাই নহয় স্বয়ং এন এইচ পি চিৰ বিষয়া-কৰ্মচাৰীসকল বান্ধ নিৰ্মাণৰ শক্তি আৰু শৈলীক লৈ লোকচক্ষুৰ আগত চৰম লজ্জাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে।

# অসমৰ বিভিন্ন প্ৰান্তলৈ

ড° হিমন্তবিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আগ্ৰহ আৰু পৰিকল্পিত আঁচনি অনুযায়ী অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত এইবাৰ গুৱাহাটীকে ধৰি অসমৰ চাৰিটা স্থানত অসম গ্ৰন্থমেলাৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই সিদ্ধান্ত অনুযায়ী অহা ৪ নৱেম্বৰৰ পৰা ১৩ নৱেম্বৰলৈ ধেমাজিৰ কাছাৰী ময়দানত 'অসম গ্ৰন্থমেলা-ধেমাজি' অনুষ্ঠিত হ'ব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই আজি এক সংবাদ বিজ্ঞপ্তিত জনোৱা মতে 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ পাছতে অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা আৰু অসম শৈক্ষিক কেন্দ্ৰৰ যৌথ উদ্যোগত অহা ২ ডিচেম্বৰৰ পৰা ১১ ডিচেম্বৰলৈ যোৰহাট কাছাৰী ময়দানত অনুষ্ঠিত হ'ব 'অসম গ্ৰন্থমেলা-যোৰহাট'। এই গ্ৰন্থমেলা পৰিসমাপ্তিৰ পাছতে অহা ২৯ ডিচেম্বৰ-২০২২ তাৰিখৰ পৰা ৯ জানুৱাৰী, ২০২৩ তাৰিখলৈ অনুষ্ঠিত হ'ব গুৱাহাটীৰ চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত 'অসম গ্ৰন্থমেলা-গুৱাহাটী'। এই গ্ৰন্থমেলাৰ সফল সামৰণিৰ পাছত ফেব্ৰুৱাৰী মাহত শেষৰখন গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বঙাইগাঁৱত। প্ৰকাশন পৰিষদৰ সচিবে আৰু জনোৱা মতে 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ বাবে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি পূৰ্ণগতিত চলিছে। ধেমাজিত প্ৰথমবাৰৰ বাবে আয়োজন কৰিবলৈ লোৱা 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ কাৰ্যসূচী প্ৰস্তুতি, অতিথি নিমন্ত্ৰণ তথা বিপণী আৱণ্টনৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই প্ৰক্ৰিয়া অনুযায়ী 'অসম গ্ৰন্থমেলা-ধেমাজি'ত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক গ্ৰন্থ প্ৰকাশক তথা বিক্ৰেতাসকলে বিপণীৰ বাবে অহা ১৯ ছেপ্টেম্বৰৰ পৰা অসম প্ৰকাশন পৰিষদৰ বামুণীমৈদামস্থিত কাৰ্যালয়, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ পাণবজাৰস্থিত কাৰ্যালয় নতুবা অসম প্ৰকাশন পৰিষদৰ ৱেবছাইট www.publicationboradassam.com -ৰ পৰা ডাউনলোড কৰি আৱেদন-পত্ৰ সংগ্ৰহ কৰি অহা ১০ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। গ্ৰন্থমেলা সন্দৰ্ভত সবিশেষ জানিবৰ বাবে—বিশেষ কৰ্তব্যৰত বিষয়া, অসম প্ৰকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী-২১ ফোন ঃ ৯১-৯৮৬৪৬-৫১২৭১ নাইবা সাধাৰণ সম্পাদক, সদৌঅসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা, পাণবজাৰ গুৱাহাটী-১ ফোন ঃ ৯১-৮৬৩৮৭-৩১৬৫৯ এই ঠিকনাত যোগাযোগ কৰিব পাৰিব।

# নগাঁও চহৰত দিন-দুপৰতে চুৰিকাণ্ড

## বিয়া পাতিবলৈ সাঁচি থোৱা সোণৰ গহণা, নগদ ধন লৈ উধাও হ'ল চোৰ

### সমগ্ৰ ঘটনা বন্দী হ'ল চি চি টি ভি কেমেৰাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত শান্তিপুৰত আজি দিন-দুপৰতে বিয়া পাতিবলৈ সাঁচি থোৱা সোণৰ গহণা আৰু নগদ ধন লৈ উধাও হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই চুৰিকাণ্ডৰ সমগ্ৰ ঘটনা বন্দী হ'ল চি চি টি ভি কেমেৰাত। হয়বৰগাঁৰৰ শান্তিপুৰ নিবাসী ইন্দ্ৰজিৎ ৰয় নামৰ লোকজনৰ ঘৰত দিন-দুপৰতে গৃহস্থ নথকাৰ সুযোগত চোৰে লুটিলে বিয়া পাতিবলৈ সাঁচি থোৱা সোণৰ গহণাৰ আৰু নগদ ধন। উল্লেখ্য যে পূৰ্বেও এই গৃহতে চুৰিকাণ্ড সংঘটিত হৈছিল যদিও আৰক্ষীয়ে আজিলৈকে চোৰৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। যাৰ বাবে গৃহস্থই এইবাৰ লগাইছিল চি চি টি ভি কেমেৰা। তাতে বন্দী হৈ ৰ'ল সমগ্ৰ দৃশ্য। এইবাৰ চি চি টি ভি কেমেৰাৰ দৃশ্য চাই আৰক্ষীয়ে চোৰ ধৰিব পাৰে নে নাই সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব। উল্লেখ্য, নগাঁও চহৰত সঘনাই চুৰিকাণ্ড হৈ থকাত সৰ্বসাধাৰণ ৰাইজক উদ্বিগ্ন কৰি তুলিছে।

# ভূমি দালালৰ উচটনিত থলুৱা কৃষকৰ নিৰাপত্তাহীনতাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৬ ছেপ্টেম্বৰ ঃ** চৰকাৰী ভূমি বেদখলকাৰীৰ বিৰুদ্ধে উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ নৰম স্থিতিয়ে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বেদখলকাৰী, ভূমাফিয়াৰ বিৰুদ্ধে জাননী জাৰি কৰিও উচ্ছেদৰ সদিচ্ছা নহ'ল উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ। উত্তৰ গুৱাহাটীৰ উত্তৰ ফুলুং আৰু দক্ষিণ লেঙাৰ দুহাজাৰো অধিক বিঘা চৰকাৰী ভূমি বেদখলৰ বিৰুদ্ধে আজিৰ পৰা কেইদিনমান পূৰ্বে হঠাৎ সাৰ পাইছিল ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়। এক জাননীৰ জৰিয়তে ১৫ ছেপ্টেম্বৰৰ সময়সীমা বান্ধি বেদখলকাৰীক সকীয়নি দিছিল আঁতৰি যাবলৈ। ১৫ ছেপ্টেম্বৰৰ পিছত আঁতৰি নগ'লে উচ্ছেদৰ কথা আছিল প্ৰশাসনৰ। প্ৰশাসনৰ জাননী পোৱাৰ পিছত দুই-একৰ বাহিৰে কেৰেপেই নকৰিলে চৰকাৰী জাননী। যাৰ বাবে ক্ষোভিত হৈ পৰিছে লেঙা আৰু পাৰ্শ্বৱৰ্তী অঞ্চলৰ কৃষক তথা সৰ্বসাধাৰণ ৰাইজ। সন্দেহযুক্ত লোকৰ আগ্ৰাসনত শংকিত এতিয়া উত্তৰ গুৱাহাটীৰ থলুৱা কৃষক। নতুন নতুন ভূমি এলেকা দখলৰ লগতে থলুৱা কৃষকৰ পশুধন কাঢ়ি নিয়ে সন্দেহযুক্ত লোকে। অঞ্চলটোত চুৰি-ডকাইতিৰ ঘটনা সংঘটিত হোৱাৰ অন্তৰালত এই সন্দেহযুক্ত লোক জড়িত থকাৰ সন্দেহ একাংশ ৰাইজৰ। তাৰ পিছতো থলুৱাৰ সুৰক্ষাৰ পৰিৱৰ্তে প্ৰব্ৰজনকাৰী সন্দেহযুক্ত লোকৰ প্ৰতিহে দৰদ কামৰূপ জিলা প্ৰশাসনৰ। যাৰ বাবে প্ৰশাসনৰ ভূমিকাক সমালোচনা কৰি ভূ-মাফিয়া তথা ভূমি দালালৰ পৰা কৃষি ভূমি উচ্ছেদ কৰি থলুৱাক প্ৰদানৰ দাবী কৰিছে সচেতন লোকে। ৰাজ্যৰ অন্য প্ৰান্তত চৰকাৰী বেদখল উচ্ছেদ কৰিবৰ বাবে তৎপৰ হৈ থকা চৰকাৰখনে কি কাৰণত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী ক্ষেত্ৰ জালুকবাৰী সমষ্টিৰ চৰকাৰী বেদখলী ভূমি উচ্ছেদ কৰিবলৈ অপাৰগ তাক লৈ নানা প্ৰশ্নৰ অৱতাৰণা হৈছে সচেতন মহলত। উত্তৰ গুৱাহাটীৰ বেদখল উচ্ছেদত হেমাহিৰ আঁৰত দিছপুৰীয়া অংক থকাৰ সন্দেহ প্ৰকাশ হৈছে সৰ্বসাধাৰণ ৰাইজৰ মাজত। কিয়নো, উত্তৰ গুৱাহাটীৰ চৰকাৰী ভূমি উচ্ছেদৰ নামত বাৰে বাৰে পিছ হোঁহকে প্ৰশাসনে। কেতিয়াবা দুই-এক লোকৰ খেতিৰ জেওৰা ভাঙিয়ে দায় সাৰি আহিছিল উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে। এনেদৰে কামৰূপ প্ৰশাসনে নিজৰ খোপা-ঢিলা স্থিৰেৰে কাৰ্য সম্পাদন কৰি অহাৰ বাবে চিন্তিত হৈ পৰিছে সচেতন মহল। ইয়াৰ উপৰি দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা তথা জাতি মাটি ভেটি ৰক্ষাৰ শপত লোৱা মুখ্য মন্ত্ৰীয়েও গৃহ সমষ্টিৰ বেদখল উচ্ছেদ কৰি কথা ৰাখিব পাৰিবনে তাকে লৈ সচেতন মহলত নানা প্ৰশ্নৰ অৱতাৰণা হৈছে। এতিয়া জালুকবাৰীক নিজৰ ঘৰ বুলি পৰিচয় দিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ ঘৰৰ বেদখল উচ্ছেদ কৰিবলৈ আগবাঢ়ি আহিব নে নিজৰ কথা তথা জাতি মাটি ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি ফুটুকাৰ ফেন হৈ পৰিব সেয়া সময়তহে হ'ব লক্ষণীয়।

# বানে বিধ্বস্ত কৰা অসমলৈ

বিভাগৰ মুৰব্বী পৱন কুমাৰে। ইপিনে অসমলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ ২৫০ কোটি টকা মোকলাই দিয়াত সন্তোষ প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। টুইটাৰত মুখ্যমন্ত্ৰীয়ে কয়- আমি আদৰণীয় প্ৰধানমন্ত্ৰী আৰু আদৰণীয় গৃহমন্ত্ৰীৰ ওচৰত অত্যন্ত কৃতজ্ঞ যে এই বছৰ বৃহৎ বানপানী আৰু ভূমিস্খলনৰ ফলত হোৱা ক্ষতি পূৰণৰ বাবে অসমক সহায় কৰিবলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ২৫০ কোটি টকা মুকলি কৰি দিছে। উল্লেখ কৰা মতে বৰ্তমান দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ শীৰ্ষস্থানত আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ৰাজ্যসমূহক সহায় কৰি আহিছে। এছএমএছ, ম'বাইল এপ আৰু পৰ্টেল আদিৰ সহায়ত 'কমন এলাৰ্টিং প্ৰটকল' প্ৰকল্পৰ জৰিয়তে দুৰ্যোগৰ বিষয়ে আগতীয়া সতৰ্কবাণী প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

# জালিয়াতিৰে আইঅ'চিএলৰ

গুৰুতৰ অভিযোগৰ মাজতে আন এক চাঞ্চল্যকৰ অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ অনুসৰি চলিত বৰ্ষত আই অ' চি এলে RCC/ERO/৩৭/২০২১-২২/PT-২১৫ৰ যোগেদি তেলৰ টেংকাৰ যোগান ধৰাৰ যি টেণ্ডাৰ ঘোষণা কৰিছিল এই টেণ্ডাৰ প্ৰক্ৰিয়াত অৱতীৰ্ণ হোৱা ঠিকাদাৰে এ এছ-২৩ এ চি-৫৮০৯, AS23BC-0485, AS01EC-4397, AS01EC-4398 নম্বৰৰ টেংকাৰকেইখনক আই অ' চি এলৰ তেল সৰবৰাহ কৰিবলৈ নিবিদা লাভ কৰিছিল। কিন্তু ৰহস্যজনক কথাটো হ'ল যে উল্লিখিত টেংকাৰকেইখনৰ নামত আই অ' চি এলে ২০১৮ চনত ঘোষণা কৰা AOD SO/OPS/POL/PT-7/2018 দ্বাৰা ঠিকাদাৰে টেণ্ডাৰ লাভ কৰিছিল। এই অসম্ভৱ প্ৰক্ৰিয়াৰ মাজেৰে কেনেদৰে ঠিকাদাৰে পুৰণা টেংকাৰৰ নামত নতুন টেণ্ডাৰ লাভ কৰিলে ইয়াক লৈ আই অ' চি এলত জড়িত হৈ থকা ঠিকাদাৰৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যিহেতু উজনি অসমৰ গোলাঘাট, শিৱসাগৰ, মেটেকা, ডিমৌ, খোৱাং আদিৰ লগতে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ ৬১গৰাকীকৈ ঠিকাদাৰে এই টেণ্ডাৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল। কাৰণবশতঃ ১০গৰাকী ঠিকাদাৰে আই অ' চি এলে টেণ্ডাৰ পেপাৰত উল্লেখ কৰা নীতি-নিৰ্দেশনাৰ মাজেৰে টেণ্ডাৰ পেপাৰ সম্পূৰ্ণ নকৰাৰ ফলত এই টেণ্ডাৰ প্ৰক্ৰিয়াৰ পৰা সেইসকল ঠিকাদাৰ বাহিৰ হ'বলগীয়াত পৰিছিল। কিন্তু ৫১গৰাকী ঠিকাদাৰক আই অ' চি এলে যোগ্য বুলি বিবেচিত কৰাৰ পিছতো ১৮গৰাকী ঠিকাদাৰকেই ৭০খন টেংকাৰৰ ভিতৰত ৬৭খন টেংকাৰ যোগান ধৰিবলৈ পিছ দুৱাৰেদি কৰ্তৃত্ব প্ৰদান কৰিছিল বুলি গুৰুতৰ অভিযোগ উঠিছে আৰু ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী উঠিছে। যিহেতু আই অ' চি এলৰ নীতি-নিৰ্দেশনা অনুসৰি প্ৰথম শ্ৰেণীৰ ঠিকাদাৰৰ স্থানত থাকিবৰ বাবে টেংকাৰ যোগান ধৰাৰ পৰা বঞ্চিত হোৱা ৩৩গৰাকী ঠিকাদাৰৰ ভিতৰত প্ৰায় ১৮গৰাকীমান ঠিকাদাৰে আই অ' চি এলৰ সকলো নীতি-নিৰ্দেশনা সম্পূৰ্ণৰূপে পালন কৰি তাৎক্ষণিকভাৱে টেংকাৰ যোগান ধৰাৰ বাবে সাজু হৈ আছিল। ইয়াৰ ভিতৰত একাংশ ঠিকাদাৰে টেংকাৰ নিজৰ লগত মজুতো কৰি ৰাখিছিল। কিন্তু আই অ' চি এলৰ দুমুখীয়া নীতিৰ ফলত পুৰণা টেংকাৰকেই নতুন টেণ্ডাৰত যোগান ধৰিবলৈ একাংশ ঠিকাদাৰে কৰ্তৃত্ব লাভ কৰিলে। এই সমস্ত টেণ্ডাৰ প্ৰক্ৰিয়াত চূড়ান্ত দুৰ্নীতি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি উজনি অসমৰ গোলাঘাট, শিৱসাগৰ, মেটেকা, ডিমৌ, খোৱাং আদিৰ লগতে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বঞ্চিত ঠিকাদাৰসকলে একত্ৰিত হৈ আই অ' চি এলৰ তিনিচুকীয়া-ডিগবৈ-গোলাইস্থিত টাৰ্মিনেলৰ CTMক এক অভিযোগ-পত্ৰ ইতিমধ্যে দাখিল কৰিছে। বঞ্চিত ঠিকাদাৰৰ দাবী, দুৰ্নীতিৰে টেণ্ডাৰ লাভ কৰা এনে দুৰ্নীতিপৰায়ণ ঠিকাদাৰক শীঘ্ৰে আই অ' চি এলে। ব্লেক লিষ্ট কৰিব লাগে। এতিয়া প্ৰশ্ন উত্থাপন হৈছে যে আই অ' চি এলে ঠিকাদাৰৰ বাবে বান্ধি দিয়া কঠোৰ নীতি-নিৰ্দেশনাৰ বাবেই প্ৰথম শ্ৰেণীৰ স্থান ল'বৰ বাবে ঠিকাদাৰে নতুনকৈ টেংকাৰ ক্ৰয় কৰিবলগীয়াত পৰিছিল যদিও আই অ' চি এলে যোগ্যতা অৰ্জন কৰাৰ পিছতো এনে নতুন টেংকাৰ মজুত থকা ঠিকাদাৰক টেংকাৰ যোগানৰ কৰ্তৃত্ব প্ৰদান নকৰি পুৰণা টেংকাৰৰ নামত টেণ্ডাৰ আৱণ্টন দিয়া কাৰ্যই আই অ' চি এলৰ আভ্যন্তৰীণ দুৰ্নীতিৰ ক'লা পৃষ্ঠা পোহৰলৈ আনিছে।

### হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ ১৩নং চক্ৰৰ সৌজন্যত ৰাষ্ট্ৰীয় পোষণ পষেক উদ্‌যাপন

# শিশু, প্ৰসূতি মাতৃৰ বিকাশৰ স্বাৰ্থত ন-উদ্যমৰ গতিশীল যাত্ৰাৰে এখন সুস্থ সমাজ গঢ় দিয়াৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় পুষ্টি মাহ উদ্‌যাপন ঃ ডাঃ নছিউৰ ৰহমান



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ ছেপ্তেম্বৰ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ গোসাইঘাট অংগনৱাড়ী কেন্দ্ৰত অসম চৰকাৰৰ সমাজ কল্যান বিভাগৰ অন্তৰ্গত হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনত ১৩ নং চক্ৰৰ সৌজ্যনত ৰাষ্ট্ৰীয় পোষন মাহ ২০২২' উদ্‌যাপন কৰা হ'য়। সেই অনুসৰি এখনি পোষণ পোষেক সভা সম্পন্ন কৰা হয়। সভাত শিশু-কিশোৰীসকলৰ বিকাশৰ ক্ষেত্ৰত লব লগা যতন, পৰিষ্কাৰ পৰিচ্ছন্নতা মানি চলা, আইৰন সেৱন, প্ৰেৰণ সেৱা, এনিমিয়া ৰোধ কৰা,আদি বিভিণ্ন বিষয়ৰ ওপৰত গৰ্ভৱতী শিশু. প্ৰসূতি মাতৃসকলক সজাগ কৰাৰ উদ্দেশ্যে সাৰুৱা বক্তব্য দাঙি ধৰে হাজো সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ড° নছিউৰ ৰহমানে। তদুপৰি আজিৰ সভাত সজাগতামূলক বাটৰ নাট, শোভাযাত্ৰা, গীত, নৃত্য, অভিনয় শৈলী, গৰ্ভৱতী মহিলাক পঞ্চামৃত পৰিৱেশনৰ লগতে পৰিপুষ্টি আহাৰৰ নিদৰ্শন ৰূপে ভিন্ন প্ৰকাৰৰ খাদ্য সম্ভাৰ ,শাক-পাচলি,কণী,আইৰন টেবলেট, কচু ঢেঁকীয়া,আমলখি, শিলিখা আদি সজাই পৰাই এখনি পোষন মেলাওঁ প্ৰদৰ্শন কৰা হৈছে। সজাগতামূলক সভাখনত মুখ্য সেৱিকা টি কবিতা দেৱী,চাৰ্য ঠাকুৰীয়া, সমাজসেৱক প্ৰমোদ চন্দ্ৰ ডেকা, গিৰীশ মেধি, ডাঃ নয়ন মোহন, পঞ্চায়ত সভানেত্ৰী জুনু বেগমকে প্ৰমুখ্যে সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনস্থ পানীপাৰা, ধোপৰগুৰি, কলিতাকুছি, বৰুৱাবাৰী, গোসাঁইঘাট আদি গাঁৱৰ ২৫টা অংগনৱাড়ী কেন্দ্ৰৰ শতাধিক কৰ্মী-সহায়িকা, এএনএম আশাকৰ্মী তথা অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।




# ১৮ আগষ্টৰ পৰা বাক্সা জিলাত উপ-ৰাষ্ট্ৰীয় টিকাকৰণ

## মুছলপুৰত স্বাস্থ্য বিভাগৰ ব্লক টাস্ক ফ'ৰ্চৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** অহা ১৮ আগষ্টৰ পৰা বাক্সা জিলাত উপৰাষ্ট্ৰীয় টিকাকৰণৰ কাম আৰম্ভ হ'ব। ০-৫ বছৰ বয়সৰ শিশুক প'লিঅ'ৰ টিকাকৰণৰ কাম আৰম্ভ হ'ব। এই উদ্দেশ্য আজি বাক্সা জিলাৰ সদৰ মুছলপুৰত জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত উপ-ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস উপলক্ষে ব্লক টাস্ক ফৰ্চৰ এখন সভা অনুষ্ঠিত হয়। অহা ১৮ আগষ্টৰ পৰা অসমৰ ১৯খন জিলাৰ লগতে বাক্সা জিলাতো উপৰাষ্ট্ৰীয় টিকাকৰণ কৰা হ'ব। এই উপলক্ষে আজি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ব্লক টাস্ক ফৰ্চৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত অংশগ্ৰহণ কৰে জিলা উপায়ুক্ত মাচণ্ডা মেকডালিন পাৰ্টিনে। উপায়ুক্তগৰাকীয়ে প'লিঅ' প্ৰতিষেধক টিকাকৰণেৰে ১০০ শতাংশই সফলভাৱে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। যদি আশা কৰ্মী আৰু অংগনৱাড়ী কৰ্মীসকলে সঠিকভাৱে কাম নকৰে তেনেহলে টিকাকৰণ কৰা আৰু নকৰা শিশুৰ প্ৰকৃত তথ্য উলিয়াব পৰা নাযাব, সেয়েহে স্বাস্থ্য বিভাগৰ কৰ্মচাৰীৰ লগত আশা কৰ্মী আৰু অংগনৱাড়ী কৰ্মীসকলে সঠিকভাৱে টিকাকৰণৰ কাম কৰাৰ লগতে প্ৰকৃত তথ্য লিপিবদ্ধ কৰিবলৈ আহ্বান জনায়। এই সভাত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰেও ভাষণ প্ৰদান কৰে।বাক্সা জিলা টিকাকৰণ বিষয়া ডাঃ হিতেশ কাকতিয়ে ভাষণত কয় যে শিশুক টিকাকৰণ কৰিবলৈ আশা কৰ্মী সকলৰ প্ৰতি আহ্বান জনায়। এই সভাত বাস্কা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ভাস্কৰ জ্যোতি বৰা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মনোজ দাস, বাস্কা খণ্ড উন্নয়ণ বিষয়া চখেমলী ব্ৰহ্ম, বিদ্যালয় সমূহৰ পৰিদৰ্শক ভৱেন দেউৰী, মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰেৱতী কুমাৰ বসুমতাৰী, চিকিৎসা বিষয়াসকল, সমূহীয়া স্বাস্থ্য বিষয়া, ব্লক প্ৰগ্ৰেম মেনেজমেন্ট ইউনিট, সহকাৰী ব্লক প্ৰগ্ৰেম মেনেজাৰ, এএনএম, আশা চুপাৰভাইজাৰ সকল উপস্থিত থাকে।

### দৰঙত চৰকাৰী মাটি আবণ্টনৰ নামত কি চলিছে?

# পিজিআৰ ভিজিআৰৰ মাটিও বিক্ৰীৰ চক্ৰান্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১৬ ছেপ্টেম্বৰ ঃ** ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখন 'বসুন্ধৰা'ৰ দৰে নতুন পন্থাৰে মাটি সম্পৰ্কীয় যাৱতীয় কাম-কাজ স্বচ্ছ আৰু নিকাকৈ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি অহাৰ সময়তে দৰঙত চৰকাৰী মাটি আবণ্টনৰ ক্ষেত্ৰত সংঘটিত হৈছে ব্যাপক অনিয়ম। এই বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ দৰং জিলা সমিতিয়ে। অভিযোগ অনুসৰি জিলাখনৰ একাংশ মাটিৰ দালাল, পাবত গজা স্বেচ্ছাসেৱী সংগঠন আৰু সমবায়ে বিভিন্ন ঠাইত ছন পৰি থকা চৰকাৰী মাটি নানা চল-চাতুৰীৰে আবণ্টন লাভৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আনকি খোদ শাসকীয় দল বিজেপিৰ ৰাজনৈতিক প্ৰভাৱ খটুৱাই জিলাখনৰ বাহিৰৰ অনুষ্ঠানেও মাটি আবণ্টন লাভ কৰাৰ যাৱতীয় প্ৰস্তুতি হাতত লৈছে। উল্লেখ্য যে গুৱাহাটীৰ 'টিপকাই' নামৰ এনজিঅ'টোৰ নামত মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত বড়মাটি মৌজাৰ মোৱামাৰী গাঁৱৰ ১৮নং দাগৰ ৪ বিঘা ৪ কঠা মাটি আবণ্টনৰ যাৱতীয় কাম-কাজ বহুখিনি আগবাঢ়িছে। আনহাতে, একেখন গাঁৱৰে ২১নং আৰু ২৩ নং দাগৰ ৫ বিঘা ৪ কঠা মাটি 'শিৱম এগ্ৰ' মাৰ্কেটিং' নামৰ প্ৰতিষ্ঠানটিক আবণ্টন দিয়াৰ যো জা চলোৱাত আৰ্শ্চয প্ৰকাশ কৰিছে সংগঠনটোৱে। মাথো ইমানেই নহয় মঙলদৈৰ নিকটৱৰ্তী প্ৰফুল্ল নগৰৰ পিজিআৰ আৰু ভিজিআৰ ভূমিও বিক্ৰীৰ চক্ৰান্তত লিপ্ত হৈছে একাংশ মাটিৰ দালাল আৰু লাট মণ্ডলৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত। তেনে পৰিপ্ৰেক্ষিতত চৰকাৰী নীতি-নিয়মৰ আওতাত নথকা স্বেচ্ছাসেৱী অনুষ্ঠানৰ নামত ভূমি আবণ্টন দিয়া কাৰ্য বন্ধ কৰাৰ লগতে পিজিআৰ ভিজিআৰ ভূমি বিক্ৰী বন্ধ কৰিবলৈ দৰং জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে সংগঠনটোৱে জিলা সমিতিৰ উপাধ্যক্ষ ডেকা আৰু সম্পাদক বিচিত্ৰ শৰ্মাই। ইয়াৰ অন্যথা তীব্ৰ গণ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলিও উল্লেখ কৰিছে জিলা সমিতিয়ে।

# বিহালীৰ বেদেতী চাহ বাগিচাৰ ৰংগমঞ্চত খণ্ড পৰ্যায়ৰ ৰাষ্ট্ৰীয় পোষণ মাহ পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৬ ছেপ্টেম্বৰ ঃ** নব'বিবাহিতা মহিলা :শিশু সকলক লৈ আজি বেদেতী চাহবাগিচাৰ ৰঙ্গমঞ্চত ৰাষ্ট্ৰীয় পোষণ মাহ পালন কৰে। বিহালী সংহত শিশু উন্নয়ন প্ৰকল্পৰ পৰিসংখ্যা বিষয়া সত্যজিৎ শৰ্মায়ে আৰ্তধৰা সভাখনত শুভাৰম্ভণি তে অংগনবাড়ী কৰ্মী সকলৰ দ্বাৰা সমবেত সংগীত পৰিবেশন কৰা হয়। ইয়াৰ পিছতে সভাপতিৰ আসন অলংকৃত



কৰে বিহালী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া চাকলতা দাসে। জাতীয় সংগীতৰে মুকলি কৰা সভাখনত অন্ন-প্ৰসন্ন আৰু পঞ্চামৃত খোৱাৰ ব্যৱস্থা পৰিবেশন কৰে। ইয়াৰ পিছতে কিশোৰ-কিশোৰী সকলৰ দ্বাৰা ঝুমুই নৃত্য প্ৰদৰ্শন কৰে। তাৰ পিছতে বিহালী মহকুমাৰ স্বাস্থ্য বিষয়া যোগেন চন্দ্ৰ বেয়ে গৰ্ভৱতী মহিলা, এনিমিয়া অথবা ৰক্ত হীনতাৰ বিষয়ে বহলাই বক্তব্য ৰাখে। সভাৰ সন্মুখ ভাগত প্ৰদৰ্শনী মূলক পুষ্টিকৰ শাক পাচলি প্ৰদৰ্শন কৰে। সভাত ইউনিচেফৰ জিলা সমন্বয় বিষয়া ঝৰ্ণা গোস্বামীয়ে শিশু, মহিলা উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। এই সভাত বিহালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নবৰত্ন কাকতী, জিলা প্ৰকল্প সমন্বয়ক বিষয়া পৰিস্মীতা দত্ত, চুপাৰভাইজাৰ দিপালী হাজৰিকা, বন্যায়ন্তী বায়মেধী আৰু সমূহ অংগনবাড়ী কৰ্মী আৰু সহায়িকা সহযোগীতাত অনুষ্ঠিত হয় এই সজাগতা সভা। খণ্ড প্ৰকল্প সমন্বয়ক প্ৰণৱ বৰগোহাঁই, বাপন মজুমদাৰ আৰু পৰিসংখ্যা বিষয়া সত্যজিৎ শৰ্মাৰ নেতৃত্বত অনুষ্ঠিত সভাত বিহালী বৰ্জিলী -পমিলী বিহুৱা দললোৱে বিহু প্ৰদৰ্শন কৰে। বেদেতী চাহ বাগিচা অঞ্চলৰ দুই শতাধিক মহিলা শিশু সহ অংশ লোৱা সভাখনত বৰালীমখা শাখাৰ অংগনবাড়ী কৰ্মীয়ে সজাগতা মূলক এখনি নাটক প্ৰদৰ্শন কৰে।

# ভূৰাগাঁৱৰ খেৰকটাত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন

## পোষণ সজাগতা শোভাযাত্ৰা, সজাগতা সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ১৬ ছেপ্টেম্বৰ ঃ** ১ ছেপ্টেম্বৰৰ পৰা ৩০ ছেপ্টেম্বৰলৈ সমগ্ৰ ভাৰতবৰ্ষতে ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন হৈ আছে। মৰিগাঁও জিলাৰ লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত ২২নং খেৰকটা কুৰাৰতলী অংগনাবড়ী কেন্দ্ৰত পোষণ মাহ উপলক্ষে বিস্তৃত কাৰ্যসূচীৰে পোষণ সজাগতাৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে পুৱা ৫ টা অংগনাবাড়ী কেন্দ্ৰৰ কৰ্মী, সহায়িকা সকলে স্বচ্চতাৰ কাৰ্যসূচী ৰূপায়ন কৰে। ইয়াৰ পিছতে কেন্দ্ৰটোৰ শিশু সকলক আৰু তেওঁলোকৰ মাতৃ সকলক যোগাসনৰ সজাগতাৰ বিষয়ে কোৱা হয় আৰু যোগাসন কৰোৱা হয়। ইয়াৰ পিছতে স্হানীয় ৰাইজক লগত লৈ এক পোষণ সজাগতা শোভাযাত্ৰা কৰা হয়। উক্ত শোভাযাত্ৰা উদ্বোধন কৰে খেৰকটা প্ৰাথমিক বিদ্যালয়ৰ



সহকাৰী শিক্ষক সনজিব সৰকাৰে। পোষণ সজাগতা শোভাযাত্ৰাৰ পিছতে অংগনাবাড়ী কৰ্মী আৰু সহায়িকাসকলে পোষণ সম্পৰ্কে এখন বাটৰ নাট প্ৰদৰ্শন কৰে। ইয়াৰ পিছতে ৪১৬নং খেৰকটা অংগনাবাড়ী কেন্দ্ৰৰ সভাপতি বলৰাম মজুমদাৰ সভাপতিত্বত অনুষ্ঠিত হয় পোষণ সজাগতা সভা। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন আৰু থলুৱা শাক-পাঁচলিৰ প্ৰদৰ্শনী মুকলি কৰা হয়। মুখ্য অতিথি খেৰকটা পথাৰ প্ৰা: বিদ্যালয়ৰ প্ৰধান শিক্ষক। খেৰকটা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মুকেশ বৰদলৈয়ে ভাষণ প্ৰদান কৰি পোষণ মাহৰ তাৎপৰ্য্য ব্যাখ্যা কৰে আৰু পুষ্টিকৰ সহজলভ্য খাদ্য, পৰিষ্কাৰ পৰিচ্ছন্নতা, ক'ভিড সজাগতা আদি বিষয়ৰ ওপৰত বহল ব্যাখ্যা আগবঢ়াই সকলোকে সজাগ কৰে। উক্ত অনুষ্ঠানত অংগনাবাড়ী কৰ্মী আৰু সহায়িকাসকলে গীত, কবিতা, ঘোষা নাম, বিয়াগীত, নাটক আদি পৰিৱেশন কৰে। অংগনবাদী কৰ্মী বেগম আচমিয়া জেনিফাৰে আতধৰা ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপনৰ অনুষ্ঠানত অংগনাবাড়ীৰ কৰ্মী আৰু সহায়িকাসকল, স্বাস্থ্য কৰ্মী , আশা কৰ্মীৰ লগতে স্থানীয় ৰাইজে অংশ লয়।

# গোলাঘাট লক্ষীবাৰীত তিনি দিনীয়াকৈ ২৪তম্ ৰাস মহোৎসৱ আৰু পূৰ্ণাংগ নাটক উদ্‌যাপনৰ প্ৰস্তুতি ঃ উদ্‌যাপন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৬ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বৃহত্তৰ লক্ষীবাৰী অঞ্চলৰ প্ৰায় ৩০ খনৰ গাঁৱৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰীৰ উদ্যোগত ২৪ তম্ ৰাস মহোৎসৱ আৰু পূৰ্ণাগ নাটক প্ৰদৰ্শনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে।সেই উপলক্ষে আজি শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰীৰ প্ৰাঙ্গনত প্ৰায় তিনি শতাধিক ৰাইজৰ উপস্থিতিত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সুৰেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় ৰাজহুৱা সভা।শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰী সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই উদ্দেশ্য বাখ্যা কৰা সভাত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা সবিতা গগৈ, শ্ৰীমন্ত শংকৰজ্যোতি কেন্দ্ৰীয় সমাজ লক্ষীবাৰীৰ সভাপতি নন্দেশ্বৰ দত্ত, সম্পাদক পিংকু শইকীয়া, শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলা মঞ্চৰ প্ৰাক্তন সম্পাদক দীপক হাজৰিকা ,দীলিপ কাকতি,সাংস্কৃতিক কৰ্মী জগত বৰবৰুৱাৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অহা ৭ ,৮ আৰু ৯ নৱেম্বৰত তিনিদিনীয়াকৈ ভগৱান শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা আৰু পূৰ্ণাগ নাটক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।আনহাতে উক্ত সভাতে নন্দেশ্বৰ দত্ত,দীলিপ কাকতি,নিৰ্মল শইকীয়া,সবিতা গগৈ,বিপুল গগৈ,ৰুদ্ৰ গগৈ,ব্ৰজেন ফুকন, ৰত্নেশ্বৰ ঠেঙালক উপদেষ্টা, সুৰেন বৰাক সভাপতি, দ্বিজেন শইকীয়াক কাৰ্যকৰী সভাপতি,ৰাজনীশ বৰাক সম্পাদক,অপূৰ্ব দত্ত,মুনীন দত্ত,লক্ষীনন্দ বৰাক সহকাৰী সম্পাদক,পৰাগ শইকীয়া,কুশল কাকতি আৰু কুশল শইকীয়াক সাংস্কৃতিক সম্পাদক,অনন্ত শইকীয়া, বিকাশ শইকীয়া, গকুল হাজৰিকাক সাংস্কৃতিক সম্পাদক, গৌৰাংক বৰা, সৌৰভ হাজৰিকা, ৰাস্তৱ শইকীয়া, বিজিত বৰা আৰু শইকীয়াক সদস্য হিচাপে লৈ এখন ১৭জনীয়া শক্তিশালী ৰাস আৰু নাটক উদ্‌যাপন সমিতি গঠন কৰে।

# উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত নৱাগত আদৰণী সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ১৬ ছেপ্টেম্বৰ ঃ** উজনি মাজুলীৰ অগ্ৰণী শিক্ষানুষ্ঠান খেৰকটীয়া মহাবিদ্যালয়ত প্ৰতিবছৰৰ দৰেই এইবাৰো ২০২২ চনৰ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ছাত্ৰ একতা সভাৰ সৌজন্যত আজি দিনযোৰা কাৰ্যসূচীৰে নৱাগত আদৰণি সভা উদযাপন কৰা হয়। পুৱা ৯ বজাত প্ৰথম কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ বিষয় ববীয়াৰ সহযোগত অধ্যাপক ড° উপেন বৰা। দ্বিতীয় কাৰ্যসূচীত শ্বহীদ তৰ্পণ অনুষ্ঠান, তৰ্পন কৰে ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকা শিৱানী দলেয়ে। উক্ত ছহিদ তৰ্পনথলীত ছহীদৰ আত্মাৰ শান্তিৰহকে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। পুৱা ১০:৩০ বজাত মহাবিদ্যালয়ৰ তোৰণৰ পৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক গুমৰাগ নৃত্যৰে আদৰণি জনায়। দিনৰ ১১ বজাত নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰিত অসমৰ খ্যাতনমা লেখিকা-ঔপন্যাসিক গল্পকাৰ, কবি জুৰী বৰা বৰগোহাঞিক মহাবিদ্যালয়ৰ চৌহদলৈ গুমৰাগ নৃত্যৰে আদৰণি জনোৱা হয়। দিনৰ ১১:২০ বজাত লক্ষিপ্ৰিয়া খনিকৰে এটি বৰগীত পৰিৱেশনেৰে মঞ্চসভা শুভাৰম্ভ হয়। ড° বিউটি গগৈয়ে আঁতধৰা অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° জাহ্নৱী লহকৰ বৰুৱাই। সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক বিধান কুমাৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি লেখিকা-ঔপন্যাসিক জুৰি বৰা বৰগোহাঞিয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি অতি কমসময়তে বহুতো গুৰুত্বপূৰ্ণ বিষয়ত ভাষণ প্ৰদান কৰে। উল্লেখ্য যে ফে'চবুক, ইনষ্টাগ্ৰাম,ৱাটচএপ আৰু ৰিল'চ আদিৰ দৰে সামাজিক মাধ্যমসমূহে বৰ বেয়াকৈ আসক্ত কৰি বৰ্তমানৰ সমাজ ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীসকলক গ্ৰাস কৰি পেলাইছে। এইবোৰ সামাজিক মাধ্যমৰ আসক্তিয়ে আমাৰ মূল্যৱান সময়বোৰ অপচয় কৰিছে। গতিকে এইবোৰৰ পৰা আমি নিজকে আঁতৰাই আনি পুথি অধ্যয়নৰ প্ৰতি মন দিয়া উচিত। মুখ্য অতিথি হিচাপে উপস্থিত থাকে প্ৰাক্তন সভাপতি ফণীধৰ টাহুৰে। ১২:৩০ বজাত অধ্যক্ষাৰ প্ৰচেষ্টাত অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অন্তৰংগ অনুষ্ঠানত জুৰি বৰা বৰগোহাঞিৰ সৈতে ছাত্ৰ-ছাত্ৰী তথা অধ্যাপকসকলে বহুতো গুৰুত্ব বিষয়ত মত-বিনিময় কৰে। সভাত উপবিষ্ট নিৰ্দিষ্ট বক্তা, মুখ্য অতিথি, সংবাদ কৰ্মীসকলক শলাগৰ শৰাই আগবঢ়াই অধ্যাপক ড° উপেন বৰাই। পৰৱৰ্তী সময়ত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত গীত-নৃত্যৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# দক্ষিণ চতিয়াৰ এটা জৰাজীৰ্ণ লোকনিৰ্মাণ পথ, যাতায়াতৰ নামত জীয়াতু ভুগিছে স্থানীয় ৰাইজে

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া,১৬ ছেপ্টেম্বৰ ঃ** চতিয়াৰ দক্ষিণ অঞ্চলৰ এটা লোকনিৰ্মাণ পথে ৰাইজক জীয়াতু ভোগাইছে পথ নে পুখুৰী ধৰিবে নোৱাৰি! এয়া ৭৬নং বিশ্বনাথ সমষ্টিৰ ওপৰকৰৈয়নী লোকনিৰ্মাণ পথ! পথৰ অৱস্থা দেখিলে আপোনাৰো চকু কপালত উঠিব। সদাব্যস্ত এই পথ ছোৱাই দক্ষিণ চতিয়া অঞ্চলৰ যাতায়াতৰ বাবে একমাত্ৰ আৰু মূল পথ। দৈনিক শ শ লোক আৰু ছাত্ৰ-ছাত্ৰীয়ে যাতায়াতৰ নামত ভুগিব লাগে যমৰ যাতনা। কাণসাৰ নাই জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষৰ। বিগত বহু




বছৰৰ পৰাই এনে জৰাজীৰ্ণ অৱস্থাত আছে ওপৰ কৰৈয়নী লোকনিৰ্মাণ পথটো। মেৰামতিৰ বাবে স্থানীয় ৰাইজে দাবী জনাইছিল যদিও গুৰুত্ব নাই বিধায়ক কিম্বা লোকনিৰ্মাণ বিভাগৰ। শীঘ্ৰেই মেৰামতিৰ বাবে দাবী জনায় স্থানীয় ৰাইজ তথা দল-সংগঠন সমূহে। এতিয়া পথ ছোৱা নিৰ্মানৰ বাবে স্থানীয় বিধায়ক তথা লোকনিৰ্মাণ বিভাগে কি পদক্ষেপ লয় সেইয়া হে হ'ব লক্ষ্ণীয়।

# অসম লেখিকা সংস্থাৰ পূব গুৱাহাটী শাখাৰ চুটি গল্পৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** পূব গুৱাহাটী শাখা, লেখিকা সংস্থা, অসমৰ উদ্যোগত দেওবাৰে অসম প্ৰকাশন ভাৰতী, চিৰিয়াখানাৰ সমীপত শ্ৰদ্ধাঞ্জলি কাননৰ সন্মুখৰ নামঘৰ পথত এখনি চুটি গল্পৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। গুৱাহাটী লেখিকা সংস্থা শাখাৰ সদস্যসকলক চুটি গল্প-অণুগল্পৰ চৰ্চাত বিষয়গত দিশসমূহৰ প্ৰতি মনোনিৱেশেৰে প্ৰসিদ্ধ আলোচকৰ আলোচনা আৰু গল্পকাৰৰ সৈতে অন্তৰংগ আলাপেৰে লেখনিৰ সৌষ্ঠৱ বৃদ্ধিৰ লক্ষ্যৰে এনে কাৰ্যসূচী হাতত লোৱা হৈছে বুলি জনায় আয়োজক সমিতিয়ে। পুৱা ৯ বজাত উদ্বোধনী গীতৰে অনুষ্ঠান আৰম্ভ কৰা হ'ব অভিনয় শিল্পী, সাহিত্যিক, সাংবাদিক গীতিকাৰ জিমণি চৌধুৰীয়ে উদ্বোধক হিচাপে উপস্থিত থাকিব। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব লেখিকা সংস্থা, অসমৰ সভাপতি মৃদুলা শৰ্মা। সমল ব্যক্তি হিচাপে উপস্থিত থাকিব দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গৱেষণা তত্ত্বাৱধায়ক তথা সহযোগী অধ্যাপক ড° জাহ্নৱী দেৱী। দুপৰীয়া ১ বজাত অন্তৰংগ আলাপৰ আঁত ধৰিব টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা নাৰীবাদী লেখক অৰূপা পটংগীয়া কলিতা। উলেখ্য, কোনো লোকে এই কৰ্মশলাখনত অংশগ্ৰহণ কৰিব বিচাৰিলে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। পঞ্জীভুক্ত কৰিবলৈ যোগাযোগ কৰক ৮৪০২০৩৮৭৬৭ /৯৮৬৪০৯৪৮২১।

# উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত হিন্দী দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লালুক, ১৬ ছেপ্টেম্বৰ ঃ** আজি ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত লখিমপুৰ জিলাৰ গুৱাধাকৰাৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰাঙ্গনত হিন্দী দিৱস উদযাপন কৰা হয় ।উক্ত হিন্দী দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱক বিতু গগৈয়ে ।হিন্দী দিৱসৰ কাৰ্যসূচীত বাধাকৰা শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য মণিকুমাৰ পেগুৰ লগতে সহকাৰী আচাৰ্যসকল উপস্থিত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক ভাষণ প্ৰদান কৰে ।ইয়াৰ উপৰিও হিন্দী দিৱসৰ কাৰ্যসূচীৰ অংশস্বৰূপে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় ।কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে বাধাকৰা শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্য হিমাংশু চায়েঙ্গীয়াই ।উক্ত কুইজ প্ৰতিযোগিতাত মুনকৃষ্ণা



পেগু,পূজা পেগু আৰু মৰমী শৰ্মাই প্ৰথম বিজয়ী দলৰ পুৰস্কাৰ,বিপৰ বৰদলৈ,হিমাংশু সোনোৱাল আৰু বিকি পেগুয়ে দ্বিতীয় বিজয়ী দলৰ পুৰস্কাৰ আৰু অক্ষ সোণোৱাল, দিগন্ত পেগু আৰু শংকৰপ্ৰতিম পেগুৱে তৃতীয় বিজয়ী দলৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। কুইজ প্ৰতিযোগিতাৰ শেষত বিজয়ী দল কেইটাক বঁটা বিতৰণ কৰা হয় ।উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত উক্ত হিন্দী দিৱসৰ কাৰ্যসূচীৰ শেষত এটা সজাগতামূলক সমদল উলিওৱা হয় ।সমদলত নিকেতনখনৰ আচাৰ্য আৰু শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি কাৰ্যসূচী সফল কৰি তোলে।

# কুলহাটীৰ ৰাইজৰ উদ্যোগত শতবাৰ্ষিকী সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপনৰ ব্যাপক আয়োজন, ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কুলহাটী ৰাইজৰ শতবাষিকি সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা এইবেলি অহা ২৫ ছেপ্টেম্বৰৰ পৰা ৫ অক্টোবৰলৈ এঘাৰ দিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুস্থিত কৰাৰ ব্যাপক আয়োজন কৰা হৈছে। ইতিমধ্যে শতবাষিকী সাৰ্বজনীন দুৰ্গাপূজা পৰিচালনাৰ বাবে গোবিন্দ ভৰালীক সভাপতি, ধীৰেন দাসক কাৰ্যকৰী সভাপতি, ৰমেনজ্যোতি দাস, দিলীপ ঠাকুৰীয়া আৰু হৰেন দাসক উপ-সভাপতি, মনোজ দাসক মুখ্য সম্পাদক, অৰূপজ্যোতি দাস, বেণুধৰ দাস আৰু যাদৱ দাসক সম্পাদক ৰূপে লৈ গঠন কৰা হৈছে এখনি শক্তিশালী উদ্‌যাপন সমিতি। কুলহাটী সাৰ্বজনীন দুৰ্গা মন্দিৰ প্ৰাংগণত আয়োজন কৰা শতবাৰ্ষিকী দুৰ্গা পূজাৰ প্ৰস্তূতি ইতিমধ্যে তুংগত কৰি তোলা পৰিলক্ষিত হৈছে । সেই অনুসৰি ২৫ ছেপ্টেম্বৰৰ পুৱা ৮ বজাত কুলহাটী ৰাইজৰ পতাকা উত্তোলন কৰিব কুলহাটী গাওঁ উন্নয়ন সমিতিৰ সভাপতি মনোমোহন দাসে। শতবাষিকী দুৰ্গা পূজাৰ পতাকা উত্তোলন কৰিব শতবাৰ্ষিকী দুৰ্গা পূজা পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ ভৰালীয়ে।



ধৰ্মধ্বজা উত্তোলন কৰিব উদ্যোগপতি তথা বনাতৰ বন্ধু বনমালী শৰ্মাই। বন্তি প্ৰজ্বলনত অংশগ্ৰহণ কৰিব কুলহাটী গাঁও উন্নয়ন সমিতিৰ সম্পাদক তপনজ্যোতি দাস আৰু শতবাৰ্ষিকী দুৰ্গা পূজা পৰিচালনা সমিতিৰ মুখ্য সম্পাদক মনোজ দাসে। ইয়াৰ পিছত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। পুৱা ৮.৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰাখন শুভ উদ্বোধন কৰিব হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী, ভাৰত চৰকাৰৰ প্ৰতিমা ভৌমিক, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া আৰু বিশিষ্ট অভিনেত্ৰী আশা বৰদলৈয়ে। ইয়াৰ পিছত দিনৰ এক বজাত প্ৰীতি ভোজন । বিয়লি 'মহালয়া শীৰ্ষক আলোচনা-চক্ৰ'খনি সঞ্চালনা কৰিব দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গণেশ চন্দ্ৰ দাসে। সন্ধিয়া মৰমী শইকীয়া আৰু ডালিমী পাটোৱাৰীৰ দ্বাৰা পৰিৱেশন কৰা নাগাৰা নাম উদ্বোধন কৰিব চিৰিশ পাঠকে। ২৬ ছেপ্টেম্বৰৰ পুৱা আয়তীসকলৰ দ্বাৰা নাম প্ৰসংগ, বৃক্ষৰোপণ ,ৰাজহুৱা সভা, আৰতি আৰু সন্ধিয়া সদৌ অসম ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৭ ছেপ্টেম্বৰ পুৱা আয়তীসকলৰ দ্বাৰা নাম প্ৰসংগ,সৰু লৰা ছোৱালীৰ চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা আৰু সন্ধিয়া আৰতি হ'ব। ২৮ ছেপ্টেম্বৰৰ পুৱা আয়তীসকলৰ দ্বাৰা নাম। বিয়লি ২ বজাত 'সমাজ গঠনত নাৰীৰ ভূমিকা' শীৰ্ষক আলোচনাখনি উদ্বোধন কৰিব ৰিণিকি ভূঞা শৰ্মাই। সন্ধিয়া আৰতি আৰু স্থানীয় শিল্পীৰ গীত-মাত-নৃত্য প্ৰদৰ্শন কৰা হ'ব। ২৯ ছেপ্টেম্বৰৰ পুৱা আয়তীৰ নাম হ'ব। বিয়লি ২ বজাত কৃতী ছাত্ৰ-ছাত্ৰী আৰু বীৰ সৈনিক ৰমেশ চন্দ্ৰ কোচৰ সম্বৰ্ধনা অনুষ্ঠান হ'ব। সন্ধিয়া আৰতি আৰু স্থানীয় শিল্পীৰ গীত-মাত পৰিৱেশন কৰা হ'ব। ৩০ ছেপ্টেম্বৰৰ পৰা আয়তীৰ নাম। বিয়লি ২ বজাত বিয়ানাম প্ৰতিযোগিতা, আইনাম প্ৰতিযোগিতা, নাগাৰা নাম আৰু সন্ধিয়া আৰতি। ১ অক্টোবৰৰ পুৱা আয়তীৰ নাম। ইয়াৰ পিছত 'সনাতন ধৰ্মত দুৰ্গা পূজাৰ মহত্ত্ব' শীৰ্ষক আলোচনা-চক্ৰ, স্মৃতি গ্ৰন্থ উন্মোচন কৰা হ'ব । সন্ধিয়া বিল্ব বোধন, কল্পাৰম্ভ, ষষ্ঠীৰ বিহিত পূজা, দেৱীৰ আমন্ত্ৰণ আৰু শিল্পীৰ গীত পৰিৱেশন।২ অক্টোবৰৰ পুৱা জলাৰোহণ অনুষ্ঠান, সপ্তমী বিহিত পূজা আৰম্ভ, আমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা, আয়তীৰ নাম, মহাভোগ বিতৰণ, ওজাপালি, সন্ধিয়া আৰতি আৰু গামোচা মিনি থিয়েটাৰৰ দ্বাৰা নাট্যাভিনয়। ৩ অক্টোবৰৰ পুৱা জলাৰোহণ অনুষ্ঠান, মহাষ্টমীৰ বিহিত পূজা, আয়তীৰ নাম, হোম-যজ্ঞ, মহাভোগ বিতৰণ, ওজাপালি, আৰতি আৰু নিশা ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ নাট্যাভিনয়। ৪ অক্টোবৰৰ পুৱা মহানৱমীৰ বিহিত পূজা আৰম্ভ, জলাৰোহণ অনুষ্ঠান, আয়তীৰ নাম, মহাভোগ বিতৰণ, ওজাপালি, আৰতি আৰু নিশাৰ সাংস্কৃতিক অনুষ্ঠানত গীতালী কাকতি,আচুৰ্য বৰপাত্ৰই গীত পৰিৱেশন কৰিব। ৫ অক্টোবৰৰ পুৱা দশমীৰ বিহিত পূজাৰম্ভ, ৰাজহুৱা সভা, স্বচ্ছতাৰ বঁটা প্ৰদান আৰু দিনৰ ২ বজাত দেৱীৰ প্ৰতিমা লৈ শোভাযাত্ৰা আৰু কলাজল নৈত প্ৰতিমা বিসৰ্জন দিয়া হ'ব। সমূহ কাৰ্যসূচীত ৰাইজৰ সহায় তথা সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# আমনিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা শালনা সংযোগী পথটো বিধ্বস্ত হোৱাত ডাম্পাৰ আবদ্ধ কৰি ৰাইজৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ আমনি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা শালনা সংযোগী মূল পথটো বিগত বহুদিন ধৰি বিধ্বস্ত হৈ থকাত আজি আমনি অঞ্চলত স্থানীয় একাংশ লোকৰ লগতে চাহ সংগঠনৰ একাংশ সদস্যই বহুকেইখন ডাম্পাৰ আবদ্ধ কৰি পথটো অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে বিগত বহু দিন ধৰি আমনি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা শালনা আৰু আঞ্জুকপানী সংযোগী গড়কাপ্তানী বিভাগৰ পথটোৰ জৰাজীৰ্ণ অৱস্থা হোৱাত বৃহত্তৰ অঞ্চলসমূহৰ ৰাইজে জলাকলা খাব লগাত পৰিছে। উক্ত পথটোৰে নিতৌ সহস্ৰাধিক ডাম্পাৰ আৰু চিমেণ্ট বা চিমেণ্ট বনোৱা বিভিন্ন সামগ্ৰীভৰ্তি অত্যধিক গধুৰ বাহনে পথটোৰে লগতে চাহ বাগানৰ কদৰ্যময় পৰিৱেশ সৃষ্টি কৰি আহিছে বুলি অভিযোগ উঠিছে। প্ৰতিদিনে আমনি ৰে'ল ষ্টেচনৰ পৰা ৰঙাগড়াস্থিত চিমেণ্ট ফেক্টৰীলৈ মাত্ৰাধিক চিমেণ্ট বনোৱা সামগ্ৰী কঢ়িয়াই নিয়া গধুৰ বাহনে পথটোৰ লগতে অঞ্চলটোত ধূলিময় পৰিৱেশ সৃষ্টি কৰি আহিছে বুলি অভিযোগ উঠিছে। আজি আমনি অঞ্চলৰ একাংশ স্থানীয় লোকৰ লগতে চাহ সংগঠনৰ বহুকেইজন সদস্য উপস্থিত হৈ উক্ত পথটো অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে চিমেণ্ট বনোৱা সামগ্ৰী কঢ়িয়াই অনা বহুকেইখন ডাম্পাৰ আবদ্ধ কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে স্থানীয় লোকে আবদ্ধ কৰা অত্যধিক বোজাই কঢ়িয়াই অনা ডাম্পাৰকেইখন আৰক্ষীয়ে জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা এএছ ০৯চি ৮৯০৯ এএছ ১১ চি চি ২২৬৭ এএছ ০২ ই ৮ ৮ ৫৮ আৰু এএছ ০২ চি চি ৬০ ৭৬ নম্বৰৰ ডাম্পাৰকেইখনৰ লগতে আৰু এখন ডাম্পাৰ আৰক্ষীয়ে জব্দ কৰি আৰক্ষী থানালৈ লৈ আনি পৰৱৰ্তী সময়ত আৰক্ষীয়ে জিলা পৰিবহণ বিভাগৰ হাতত গতাই দিয়ে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।



## গুৱাহাটীত ড° সূৰ্যকান্ত হাজৰিকাৰ কাব্যগ্ৰন্থ উন্মোচন
# জীৱনৰ বৰ্ণিল অভিজ্ঞতা কবিতাৰেও প্ৰকাশ কৰিব পাৰি ঃ ড° মলিনা দেৱী ৰাভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** আজি জীৱনৰ বৈচিত্ৰময় অভিজ্ঞতাৰে সত্তৰৰ দশকৰ পৰা কাব্যচৰ্চা আৰু গীতিকবিতা ৰচনা কৰি অহা, বিশিষ্ট সাহিত্যিক ড° সূৰ্যকান্ত হাজৰিকাৰ নৱতম কাব্য সংকলন 'সময়ৰ কথা' মহানগৰীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাংগণত শুভ উন্মোচন কৰি নিখিল ৰাভা লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখিকা, শিক্ষাবিদ ড° মলিনা দেৱী ৰাভাই কয়- 'জীৱনৰ বৰ্ণিল অভিজ্ঞতা কবিতাৰেও প্ৰকাশ কৰিব পাৰি। কবিতা অৰ্থযুক্ত হ'ব লাগে। কবিয়ে পৰিৱেশ সৃষ্টি কৰিব লাগে। চিন্তাৰ প্ৰকাশ পাব লাগে। ছন্দ, তাল, মান, লয় কবিতাৰো থাকিব লাগে।' ড° ৰাভাই উন্মোচনী ভাষণত তেওঁ নিজৰ ধৰ্ম, কৃষ্টি, সমাজ, সংস্কৃতি, পৰম্পৰা, ঐতিহ্যক অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা-ভক্তিৰে কৰা হাজৰিকাৰ সৃষ্টি কৰ্মৰ শলাগ লয়। সভা উদ্বোধন কৰি অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বিশিষ্ট সংগীতজ্ঞ অৰুণী ৰঞ্জন পাঠকে কয়- 'মানুহক আমি জানিবলৈ, বুজিবলৈ, শিকিবলৈ চেষ্টা কৰিব লাগে। পঢ়িব লাগে, পঢ়ুৱাব লাগে। শিল্প-সাধনা, সাহিত্য সাধনা, সংস্কৃতি সাধনা কৰা লোকসকলে সমাজৰ মাজত সদায় জীয়াই থাকে। কবিতা-গীতৰ মাজত প্ৰভেদ নাই বুলি ক'ব পাৰি। ড° সূৰ্যকান্ত হাজৰিকাই সাহিত্যৰ লগতে সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ কথা স্মৰিলে।' সাংবাদিক-কবি-লেখক দীপক শৰ্মাই আঁত ধৰা সভাত গোৱালপাৰাৰ বিকালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা বিশিষ্ট কবি ড° এম গোপাল সিংহই মুখ্য অতিথিৰ ভাষণত কয়-'কবিতাই খুনা পাবে হৃদয়ত। কবিতাৰ দাৰ্শনিক। সময় সাপেক্ষে কবিতা লিখিব লাগে কবিয়ে। কবিতাৰে মহান।' নেপালী সাহিত্য সভাৰ উপ-সভাপতি তথা বিশিষ্ট লেখিকা নিকু শৰ্মা পৰাজুলিয়ে অতিথিৰ ভাষণত কয়- 'এখন অন্তৰৰ পৰা অইন এখন অন্তৰলৈ অনুৰণন কৰিব পৰা সৃষ্টি কৰিব লাগে কবি-সাহিত্যিকে। অহংকাৰী, অভিমানী লোক কোনোদিন আগুৱাব নোৱাৰে।' অসম সাহিত্য সভাৰ প্ৰাক্তন সহ সম্পাদক, 'সাহিত্য কৌৰৱ' কমল কলিতাই কয়-'কবিতাৰ ঋষিৰ লেখিয়া। কবিয়ে অনুশীলন কৰিলে বহু উন্নত কবিতা সৃষ্টি কৰিব পাৰে। ভাল কবিতা বিদ্যুতৰ দৰে।' সভাত ৰাষ্ট্ৰীয় কবি সংঘৰ উপাধ্যক্ষ ড° গীতা দত্ত চক্ৰৱৰ্তীয়ে কয়-'অসমৰ গ্ৰন্থ যদি অইন ভাষালৈ অনূদিত হয় তেতিয়াহ'লে অসমৰ সাহিত্যিকে বহু সন্মান কঢ়িয়াই আনিব।' ড° সূৰ্যকান্ত হাজৰিকাৰ নাতিদীৰ্ঘ ভাষণৰ অন্তত শলাগৰ শৰাই আগবঢ়াই এছ কে হাজৰিকা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° ইভা হাজৰিকাই।

# বিলাসীপাৰা জিলা দাবী সমিতিৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা, ১৬ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰা জিলা দাবী সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা বুধবাৰে সন্ধিয়া বিলাসীপাৰা মহকুমা ৰাজহুৱা পুথিভঁৰালত অৱসৰী অধ্যক্ষ তৰণীকান্ত ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি আহবায়ক দয়াল পালে ২০১৩ চনৰ পৰা অনুষ্ঠুপীয়াকৈ চলাই অহা জিলা দাবী সমিতিৰ কাম-কাজৰ বিৱৰণ দাঙি ধৰে আৰু আগন্তুক দিনত সমিতিখনক সক্ৰিয় কৰি কাম-কাজ কৰাৰ বাবে উপস্থিত ৰাইজৰ সহায়-সহযোগ কামনা কৰে। সভাত বহ্নিপীঠ কলেজৰ বৰ্তমানৰ অধ্যক্ষ শেখ হেদায়েতুল্লাহ, প্ৰাক্তন অধ্যক্ষ ড° প্ৰভাস দাস, প্ৰাক্তন বেংক বিষয়া পুৰন্দৰ নাথ, সমাজকৰ্মী শ্ৰীকান্ত চক্ৰৱৰ্তী, প্ৰাক্তন জিলা পৰিষদ সদস্য খালিদ হুছেইন, প্ৰবন্ধকাৰ আলতাফ হুছেইন, মাৰোৱাৰী মঞ্চৰ শেঠিয়া, আছু আৰু আমছুৰ প্ৰতিনিধি আদিয়ে ভাষণ প্ৰদান কৰে। সভাত তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। চাপৰ আৰু সাপটগ্ৰামত অভিৱৰ্তন অনুষ্ঠিত কৰাৰ পিছত দুৰ্গা পূজাৰ পিছত বিলাসীপাৰাত সকলো দল-সংগঠন আৰু জনগোষ্ঠীয় সংগঠনক লৈ এখন অভিৱৰ্তঅন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱা হয়। লগতে তিনিও ঠাইত ব্যাপক দেৱাল লিখন কৰা আৰু জনজাগৰণ সভা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তাৱ লোৱা হয়। সভাৰ পিছত দাবী সমিতিৰ ফালৰ পৰা এখন সংবাদ মেল অনুষ্ঠিত কৰে। সভাখনে বিলাসীপাৰাৰ সৰ্বস্তৰৰ লোকৰ মাজত ব্যাপক সঁহাৰি লাভ কৰিছে।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে যুৱ মৰ্চাৰ উদ্যোগত বৃহৎ ৰক্তদান আৰু ব্যাপক গছপুলি ৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** ভাৰতবৰ্ষৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন বিগত বৰ্ষসমূহৰ দৰে ১৭ ছেপ্টেম্বৰৰ পৰা দুই অক্টোবৰলৈকে এই বছৰো 'সেৱা পখেক' নামেৰে বিভিন্নধৰণৰ সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ভাৰতীয় জনতা পাৰ্টী আৰু অন্যান্য মৰ্চাসমূহৰ সমান্তৰালকৈ ভাৰতীয় জনতা যুৱ মৰ্চায়ো কেতবোৰ সেৱামূলক কাৰ্যক্ৰমৰ আয়োজন কৰা হৈছে। ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ পৰা প্ৰেৰিত এক বিজ্ঞপ্তিৰ জৰিয়তে মৰ্চাৰ ৰাজ্যিক সভাপতি সিদ্ধাংকুৰ অংকুৰ বৰুৱাই সদৰী কৰে যে ১৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে চল্লিশখন সাংগঠনিক জিলাৰ ৩৯৯টা মণ্ডলত ৫০ সহস্ৰাধিক কাৰ্যকৰ্তাই ৰক্তদান কৰিব। উল্লেখ্য যে ৰক্তদাতাসকলৰ সকলো তথ্য সামৰি ৰাখিবলৈ আৰু ৰক্তৰ প্ৰয়োজনীয়জনৰ সুবিধাৰ্থে ৰাষ্ট্ৰীয় স্তৰৰ পৰা এটা অনলাইন পৰ্টেল মুকলি কৰা হৈছে। সকলো ৰক্তদাতাই ই-ৰক্তকোষ পৰ্টেলটোত অনলাইন পঞ্জীয়ন কৰি ল'ব লাগিব। ২৫ ছেপ্টেম্বৰত পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মতিথি উপলক্ষে যুৱ মৰ্চাৰ উদ্যোগত ব্যাপক গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ধাৰণক্ষম পৰিবেশৰ বাবে ব্যাপক গছপুলি ৰোপণৰ উপৰিও যুৱ-মৰ্চাই ৰোপণ কৰা গছপুলিৰ যত্ন লোৱাৰো এক যোজনা তৈয়াৰ কৰা হৈছে। যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তথা লোকসভাৰ সাংসদ তেজস্বী সূৰ্যই কাৰ্যকৰ্তাসকললৈ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে আহ্বান জনাই কয় যে নৰেন্দ্ৰ মোদীৰ জীৱন ৰাষ্ট্ৰ নিৰ্মাণৰ এক যাত্ৰা। তেওঁৰ জীৱন ৰাষ্ট্ৰৰ সেৱাৰ বাবে উৎসৰ্গিত।



*গুৱাহাটীৰ ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত ডাঃ অমল চন্দ্ৰ কটকীয়ে উদ্বোধন কৰে এইচ ডি আৰ ব্ৰাকিথেৰাপি ইউনিট*

# চাম্পায় হুৰিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আগিয়া, ১৬ ছেপ্টেম্বৰ ঃ** ৰাভা জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা অন্যতম সাহিত্য-সংস্কৃতি-সামাজিক অনুষ্ঠান চাম্পায় হুৰি'ৰ ৪৬সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে গোৱালপাৰা জিলাৰ ৰংছাই বজাৰস্থিত নিজা কাৰ্যালয় প্ৰাংগণত উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসুচী অনুসৰি পুৱা চাৰে ন বজাত অনুষ্ঠানটোৰ পতাকা উত্তোলন কৰে চাম্পায় হুৰিৰ সভাপতি নৰেন ৰাভা হাকাচামে। দহ বজাত স্মৃতি তৰ্পণ কৰে চাম্পায় হুৰিৰ উপ-সভাপতি বৰেন চন্দ্ৰ ৰাভাই। দিনৰ বাৰ বজাত চাম্পায় হুৰিৰ সভাপতি নৰেন ৰাভা হাকাচামৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু সাহিত্য চ'ৰা অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰি চাম্পায় হুৰিৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট সাহিত্যিক চাৰুমোহন ৰাভাই কয় যে ১৯৭৬ চনৰ ১৫ ছেপ্টেম্বৰত জন্ম লাভ কৰা 'চাম্পায় হুৰি'-এ জন্ম লগ্নৰে পৰা ৰাভা জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণ, প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত বিশেষভাৱে ভূমিকা গ্ৰহণ কৰি আহিছে। যাৰ বাবে উক্ত সময়ছোৱাক ৰাভা সাহিত্যৰ বুৰঞ্জীত 'চাম্পায় যুগ' - হিচাপে অভিহিত কৰা হয়। বিশিষ্ট নাট্যকাৰ, সাহিত্যিক প্ৰকাশ ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত সাহিত্য চ'ৰা অনুষ্ঠানত বিশিষ্ট কবি কালিদাস ৰাভা হাটো, বায়দা আঞ্চলিক ৰাভা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট কবি ধীৰেন ৰাভা, বায়দা মহাবিদ্যালয়ৰ অধ্যক্ষ শান্তাৰাম ৰাভা, সাহিত্যিক শিৱপ্ৰসাদ ৰাভা হাদু, চাম্পায় হুৰিৰ সম্পাদক ৰবীন্দ্ৰ ৰাভাই কবিতা পাঠ কৰাৰ বিপৰীতে বিশিষ্ট সাহিত্যিক চাৰু মোহন ৰাভাই গল্প আৰু সদৌ ৰাভা কৃষ্টি সন্মিলনৰ উপদেষ্টা ভবেন ৰাভা দয়নাঙে ৰাভা স্তুতি মন্ত্ৰ পাঠ কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# চিলাপথাৰত মিছিং ভাষাৰ বাৰ্ষিক আলোচনী 'জিলি'ৰ দ্বিতীয় সংস্কৰণ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৬ ছেপ্টেম্বৰ ঃ** মিছিং ভাষাত প্ৰকাশিত ত্ৰিমাসিক ই-আলোচনী 'জিলি' প্ৰতিবছৰে কৰা ছপা সংকলনখনৰ দ্বিতীয় সংস্কৰণটো বুধবাৰে চিলাপথাৰত উন্মোচন কৰা হয়। চিলাপথাৰৰ আবু-তানি অতিথিশালাত অনুষ্ঠিত কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য সম্পাদক দেৱনন্দ পেগু আৰু সম্পাদক গোলাপ বড়িৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা আলোচনীখন উন্মোচন কৰে মিছিং আগম কেবাঙৰ প্ৰাক্তন সভাপতি বসন্ত কুমাৰ দলেই। মিছিং আগম কেবাঙৰ উপ-সভাপতি হৰিনাৰায়ণ পেগুৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটোত মিছিং আগম কেবাঙৰ প্ৰাক্তন সহকাৰী সম্পাদক খগেন পেগু, জিলিৰ উপদেষ্টা অমিলতা টায়ে মিলি, ই-আলোচনী 'সাহিত্যৰ ডেউকা'ৰ মুখ্য সম্পাদক মণ্টুৰাম টাইড, প্ৰাক্তন বেংক বিষয়া দিলীপ পেগু, মনোজ লাগাচু, ভগীৰথ মিলি, দীপ্তিৰাণী পেগু, সুভদ্ৰা পেগু, ঝৰ্ণা জিলি দলে, হাচনা মিপুনকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ শতাধিক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানতেই জিলিৰ উদ্যোগত অনুষ্ঠিত কৰা কবিতা প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপক ৰিয়ানা পাংগিং, দ্বিতীয় স্থানপ্ৰাপক মায়ি পাংগিং আৰু যুটীয়াভাৱে তৃতীয় স্থানপ্ৰাপক ঊষাৰাণী পেগু আৰু ভোগেন্দ্ৰ দলেক তেওঁলোকৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। বহুকেইগৰাকী শিল্পীৰ গীত, নৃত্য, কবিতাৰে জীপাল কৰি তোলে পৰিৱেশ।

## লাহৰীঘাট আঞ্চলিক আমছুৰ শপত গ্ৰহণ অনুষ্ঠান- শৈক্ষিক সজাগতা সভা সম্পন্ন
# ৪জন কৃতী শিক্ষক-৫জন নীট পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আঞ্চলিক আমছুৰ নৱগঠিত আঞ্চলিক আমছু সমিতিৰ শপত গ্ৰহণ আৰু শৈক্ষিক সজাগতা সভাখন বিয়লি লাহৰীঘাটৰ মাজমজিয়াত বহু লোকৰ সমাগমত সুকলমে সম্পন্ন হয়। বিগত ৭ আগষ্টত গঠন হোৱা নতুন কমিটীৰ সকলো বিষয়ববীয়া আৰু সদস্যক জিলা আমছুৰ সভাপতি আৰু কেন্দ্ৰীয় সমিতিৰ পৰ্যৱেক্ষকৰ উপস্থিতিত আজি আনুষ্ঠানিকভাৱে শপতবাক্য পাঠ কৰোৱায়। মুকলি সভা সঞ্চালনা কৰে আমছুৰ জিলা সভাপতি আশ্বাদুল ইছলামে। উদ্দেশ্য ব্যাখ্যা কৰে জিলা সমিতিৰ আজাহাৰুল ইছলামে। আদৰণী পৰ্বৰ আঁত ধৰে আঞ্চলিক সভাপতি জহিৰুল ইছলাম আৰু সাধাৰণ সম্পাদক আশ্ৰাফুৰ ৰহমান আলামিনে। মূল কাৰ্যসূচীলৈ যোৱাৰ আগতে এখন শৈক্ষিক সজাগতা সভা আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান ৰখা হয়। উক্ত অনুষ্ঠানতে লাহৰীঘাট অঞ্চলৰ চাৰিজন কৃতী শিক্ষক ক্ৰমে—ফজল উদ্দিন ভাষাণী, নুৰুল হুছেইন, অজিত বণিক আৰু নজৰুল ইছলামৰ লগতে সদ্যঘোষিত সৰ্বভাৰতীয় পৰ্যায়ৰ নীট পৰীক্ষাত উত্তীৰ্ণ হোৱা লাহৰীঘাট অঞ্চলৰ পাঁচজন ছাত্ৰ ক্ৰমে মেৰাজুল ইছলাম, আজিজুল হক, ৰাহিদুৰ ৰহমান, শ্বাকিল মহম্মদ, ৰাকিব মুল্লা আৰু মিজানুৰ ৰহমানক এখনকৈ ফুলাম গামোচা, জাপি আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আমন্ত্ৰিত অতিথি হিচাপে কেন্দ্ৰীয় আমছুৰ তৰফৰ পৰা ইক্ৰামূল হুছেইন, জিলা আমছুৰ সভাপতি আশ্বাদুল ইছলাম, সাধাৰণ সম্পাদকদ্বয় ৰফিকুল ইছলাম আৰু মনচুৰ আহমেদৰ লগতে বিশিষ্ট অতিথি হিচাপে বিশিষ্ট সমাজ সেৱক জাবেদ আলী আহমেদ, জিলা আমছুৰ কাৰ্যকৰী সভাপতি এডভোকেট হাৰুণ অল ৰশিদৰ লগতে বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

# দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ মুখপত্ৰ 'দেশীকণ্ঠ'ৰ তৃতীয় সংস্ককৰণ প্ৰকাশৰ সম্পাদনা সমিতিৰ কাৰ্যকৰী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ বাৰ্ষিক মুখপত্ৰ তথা স্মৃতিগ্ৰন্থ 'দেশী কণ্ঠ'ৰ তৃতীয় সংস্কৰণ প্ৰকাশৰ বাবে গঠন হোৱা সম্পাদনা সমিতিৰ এখন কাৰ্যকৰী সভা আজি অনুষ্ঠিত হয়। সম্পাদনা সমিতিৰ সভাপতি নাছিৰ উদ্দিন আহমেদৰ সভাপতিত্বত মঞ্চৰ অস্থায়ী মুখ্য কাৰ্যালয় (গোৱালপাৰা টাউন) অনুষ্ঠিত হয় আৰু কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰি অনুমোদন জনায়। দেশীকণ্ঠৰ তৃতীয় সংস্কৰণত প্ৰকাশ পাব লগীয়া বিষয় বস্তু আৰু লিখনিসমূহৰ মৌলিকতাৰ ওপৰত সভাই গুৰুত্ব দি দেশী জনগোষ্ঠীৰ ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, শৈক্ষিক আৰু আৰ্থ-সামাজিক দিশ সম্পৰ্কে বিভিন্ন প্ৰবন্ধ, গল্প, কবিতা আদিৰ বাবে লেখক-লেখিকাসকলৰ পৰা লিখনিসমূহ বিচৰা হয়। আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে যে লিখনিসমূহ তথ্যগধুৰ আৰু ৰুচিসম্পন্ন হোৱাটো বাঞ্ছনীয়। দেশীকণ্ঠৰ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদনা সমিতিৰ সম্পাদক মইনুল হকে। উল্লেখ্য যে আলোচনীখনৰ বাবে লেখা পঠাবলৈ লেখক-লেখিকাসকললৈ আহ্বান জনোৱাৰ লগতে সহায়-সহযোগিতা কামনা কৰে। সভাখনত কে'বাগৰাকী সাহিত্যিক- লেখকৰ উপৰিও দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ সভাপতি শ্বেখ হেদায়েতুল্ল্যাহ আৰু সাধাৰণ সম্পাদক সহিদুল ইছলাম উপস্থিত থাকি দেশীকণ্ঠখন নিৰ্ধাৰিত সময়ত প্ৰকাশ হোৱাৰ কামনাৰে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়।

# ৰং মহোৎসৱৰ আয়োজন সন্দৰ্ভত কমলাবাৰীত ৰাজহুৱা সভা সম্পন্ন, প্ৰস্তুতি সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ** মাজুলীত অহা ৭ নৱেম্বৰৰ পৰা তিনি দিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ উদ্যোগত প্ৰথমবাৰৰ বাবে পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'ব 'ৰং মহোৎসৱ-২০২২'। থলুৱা পৰম্পৰাগত শিল্পকলা-কৃষ্টিৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে আয়োজন কৰা উক্ত মহোৎসৱৰ সন্দৰ্ভত আজি বিয়লি ৪ বজাৰ পৰা চিত্ৰকলা বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সমাজকৰ্মী জগত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰাই। উদ্দেশ্য ব্যাখ্যাত দীপু বৰাই মাজুলীৰ বিভিন্ন ক্ষেত্ৰত সিঁচৰতি হৈ থকা পৰম্পৰাগত শিল্প কলা, থলুৱা শিল্পীৰ সমাৱেশেৰে নতুন প্ৰজন্মক সেইসমূহ কলাৰ লগত পৰিচয় কৰোৱা, সত্ৰীয়া আৰু ৰাসলীলা মহোৎসৱৰ দৃশ্য অংকন কৰি বিশ্ববাসীৰ ওচৰলৈ মাজুলীৰ কলাসমূহ লৈ যোৱাৰ আদি পৰিকল্পনা হাতত লৈ ৰং মহোৎসৱৰ আয়োজন কৰা হৈছে বুলি কয়। সভাত বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি শিল্পী, সচেতন যুৱক প্ৰতাপ বৰুৱাই ৰাসলীলাৰ মহত্ত্বক ৰং-তুলিকাৰে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে হাতত লোৱা উক্ত কাৰ্যসূচীসমূহ পৰিকল্পিতভাৱে আগবাঢ়ি সফল কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ গায়ন, অভিভাৱক জীৱন দত্ত, ৰূপবৰণৰ শিক্ষক দিগন্ত বৰা, সঞ্জীৱ বৰুৱাই প্ৰেৰণামূলক ভাষণ দিয়ে। সভাই মহোৎসৱৰ প্ৰাক্‌কলন তৈয়াৰ কৰাৰ বাবে বিজয়শংকৰ গামক সভাপতি, প্ৰতাপ বৰুৱাক কাৰ্যকৰী সভাপতি, দীপু বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ ১৮গৰাকী সদস্যৰে প্ৰস্তুতি সমিতি গঠন কৰা হয়। সভাই আগন্তুক দহ দিনৰ ভিতৰত মাজুলীৰ সকলো অঞ্চলৰ প্ৰতিনিধিৰে এখন বৃহৎ ৰাজহুৱা সভা আয়োজন কৰি 'ৰং মহোৎসৱ' উদ্‌যাপন সমিতি গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# ৫১নং মাহতলী গাঁও পঞ্চায়তৰ পিএমএৱাই গৃহৰ পৰা বঞ্চিত হিতাধিকাৰীৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণতলী, ১৬ ছেপ্টেম্বৰ ঃ** বকো সমষ্টিৰ অন্তৰ্গত মাহতলী গাঁও পঞ্চায়ত কাৰ্যালয়ত কালি পি এম এ ৱাই গৃহৰ পৰা বঞ্চিত হিতাধিকাৰী ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সোণতলীৰ মাহতলী গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ পৰা বঞ্চিত প্ৰায় দুই শতাধিক হিতাধিকাৰীয়ে পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখত আজি হাতে হাতে অভিযোগ-পত্ৰ লৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ২০১৯ চনৰ পূৰ্বে পি এম এ ৱাই গৃহ তালিকাত নাম থকা প্ৰায় দুই শতাধিক হিতাধিকাৰীক মাইগ্ৰেট বুলি লিখি দিয়াৰ বাবেই কৰ্তৃপক্ষৰ বিৰুদ্ধে বঞ্চিত হিতাধিকাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে যিসকল হিতাধিকাৰীয়ে পূৰ্বৰ পৰা বৰ্তমানলৈ মাহতলী গাঁও পঞ্চায়তত বসবাস কৰি আছে, সেইসকলক কি কাৰণত হিতাধিকাৰীক বঞ্চিত (মাইগ্ৰেট) কৰিলে, সেয়া প্ৰশ্ন উত্থাপন কৰে। আনহাতে, মাহতলী গাঁও পঞ্চায়তৰ সভাপতি তাইজুদ্দিন আহমেদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়-যিসকল হিতাধিকাৰীৰ নাম মাইগ্ৰেট বুলি লিখি দিয়া হৈছে, সেইসকল আমাৰ কাৰ্যকলাৰ পূৰ্বৰ প্ৰতিনিধিসকলে দিছে। গতিকে এই সন্দৰ্ভত মোৰ বিৰুদ্ধে চক্ৰান্ত কৰা লোকৰ বিৰুদ্ধে এজাহাৰ দিয়া হ'ব বুলি কয়।

# মৰিগাঁৱৰ ইদ্ৰিছ আলীৰ পত্নী তথা ফকিৰগঞ্জৰ জীয়ৰী কহিনুৰ বেগম নিৰুদ্দেশ, থানাত গোচৰ ৰুজু

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ পৰা সন্ধানহীন দক্ষিণ শালমাৰাৰ জীয়ৰী। ফকিৰগঞ্জত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। সন্ধানহীন হোৱা জীয়ৰীজনী ফকিৰগঞ্জৰ নস্কৰা গাঁৱৰ কহিনুৰ বেগম। যোৱা ২৬ আগষ্টৰ পৰা সন্ধানহীন হৈ আছে কহিনুৰ বেগম। উল্লেখ্য যে এটা সন্তানৰ মাতৃ কহিনুৰ বেগমৰ বিয়া হৈছিল মৰিগাঁৱৰ ইদ্ৰিছ আলী নামৰ যুৱকৰ লগত। সংসাৰৰ অভাৱ-অনাটনৰ বাবেই দুয়ো স্বামী-স্ত্ৰীয়ে গুৱাহাটী মহানগৰীত দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰিছিল যদিও যোৱা ৪ আগষ্টত স্বামীয়ে বেৰুৱাৰী শংকৰপুৰস্থিত শৈলেন নাথৰ ভাৰা ঘৰত পত্নীক এৰি মৰিগাঁৱলৈ গৈছিল। কিন্তু ঘৰৰ পৰা গুৱাহাটীৰ ভাৰাঘৰালৈ উভতি আহি স্বামীয়ে ভাৰাঘৰত পত্নীক নাপাই বেৰুবাৰী আৰক্ষী চকীত এখন এজাহাৰ দিয়ে। ইপিনে, কহিনুৰ বেগমৰ নিৰুদ্দেশত হতভম্ব হৈ পৰিছে বেগমৰ পিতৃ পৰিয়াল। বিভিন্ন ঠাইত বিচাৰ- খোঁচাৰ কৰাৰ পাছতো আজিলৈকে সন্ধান উলিয়াব পৰা নাই বেগমৰ। কহিনুৰ বেগমৰ মাতৃয়ে জীয়েকৰ সন্ধান নোপোৱাত শোকত ভাগি পৰিছে।

# ডিমৌত ব্যস্ততা বাঢ়িছে মৃন্ময় শিল্পীৰ, গুৰু অবিহনে নিজে ঘৰতে মূৰ্তি নিৰ্মাণৰ চেষ্টা কৰিছে এগৰাকী যুৱ শিল্পীয়ে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৬ ছেপ্টেম্বৰ ঃ** বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজালৈ আৰু কেইটামান ক্ষণ। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ডিমৌৰ মৃন্ময় শিল্পীসকলৰো বাঢ়িছে সাংঘাতিক ব্যস্ততা। আৰু কিছু সময় অৰ্থাৎ কেইঘণ্টামানৰ পিছত মৃৎশিল্পীসকলে প্ৰতিখন বিশ্বকৰ্মা পূজা আয়োজক সমিতি পৰা লৈ থোৱা অৰ্ডাৰ অনুসৰি যোগান ধৰিব লাগিব প্ৰতিমা। যোৱা দুটা নিশা উজাগৰে অতিবাহিত কৰি প্ৰতিমাত বুলাইছে অন্তিম পৰশ। পূৰ্বতকৈ এইবাৰ প্ৰতিমা অৰ্ডাৰ কিছু বৃদ্ধি পাইছে যদিও সাংঘাতিক মূল্য বৃদ্ধিৰ বাবে আয়োজক সমিতিসমূহে নিয়ম-মাফিকভাৱেহে মাংগলিক ৰীতি-নিতিৰে পূজা উদ্‌যাপন কৰিব। এইবাৰ ডিমৌৰ দিহাজানৰ মৃন্ময় শিল্পীগৰাকীয়ে বিশ্বকৰ্মাৰ মূৰ্তিৰ লগতে দুৰ্গাৰ প্ৰতিমাও নিৰ্মাণ কৰিবলৈ লৈছে। তদুপৰি ডিমৌৰ ৰাজমাইৰ এজন কম বয়সীয়া যুৱ শিল্পীয়েও নিৰ্মাণ কৰিছে মূৰ্তি। মাত্ৰ বিছ বছৰ বয়সতে গুৰু অবিহনে নিজে ঘৰতে চেষ্টা কৰি কৰি নিপুণ শিল্পী হৈ পৰিছে কৃষ্ণ মুণ্ডা নামৰ শিল্পীগৰাকী।

# বিলাসীপাৰা মহকুমাক 'বিলাসীপাৰা জিলা'লৈ উন্নীত কৰাৰ দাবীৰে বিলাসীপাৰা ৰাজহুৱা প্ৰেক্ষাগৃহত জিলা দাবী সমিতিৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ১৬ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰা মহকুমাক অতিশীঘ্ৰে 'বিলাসীপাৰা জিলা'লৈ উন্নীত কৰিব লাগে। উল্লেখ্য যে ১৯৮৯ চনত গঠন হোৱা বিলাসীপাৰা মহকুমাক 'বিলাসীপাৰা জিলা' ঘোষণাৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলোবোৰ দিশ বিলাসীপাৰা মহকুমাত আছে। এখন ঠাইক জিলা ঘোষণাৰ বাবে চৰকাৰৰ নীতি অনুযায়ী জনসংখ্যা লাগে ১০ লাখ, কিন্তু বিলাসীপাৰা মহকুমাত জনসংখ্যা প্ৰায় ১২ লাখ। বিলাসীপাৰা মহকুমাক 'বিলাসীপাৰা জিলা'লৈ উন্নীত কৰাৰ বাবে বিলাসীপাৰা জিলা দাবী সমিতিয়ে বিভিন্ন ৰাজনৈতিক, অৰাজনৈতিক, দল-সংগঠন, সচেতন ৰাইজ, যুৱ সমাজ, শিক্ষক সমাজ, সকলো শ্ৰেণীৰ ৰাইজক আগবাঢ়ি আহিবলৈ অনুৰোধ জনায়। বিলাসীপাৰা জিলা দাবী সমিতিয়ে অহা ২৫ ছেপ্টেম্বৰত চাপৰত অনুষ্ঠিত কৰিব এখন অভিৱৰ্তন। সমান্তৰালভাৱে সাপটগ্ৰামতো অনুষ্ঠিত হ'ব এখন অভিৱৰ্তন। আৰু বিজয়া দশমীৰ পিছত বিলাসীপাৰাত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হ'ব বিশেষ অভিৱৰ্তন।




*মাটিৰ পট্টা প্ৰদান আৰু অবৈধ উচ্ছেদ বন্ধ কৰাৰ দাবীত কৰিমগঞ্জ জিলাৰ নাগৰিকৰ প্ৰতিবাদ, গুৱাহাটীত, শুকুৰবাৰে*


NO. PHEE/GLPA/JJM-195/2022-23/1443

**Advertisement Notice**

Application are ithiited froxril eligible Indian Citizens for Engagement on Contractual Basis for the post of 1 (one) No. Technical Officer-II in the 0/o the Executive Engineer (PHE), Goalpara Division, Goalpara under Jai Jeevan Mission, DWSM, Goalpara, as per terms & Conditions mention below:-

| SI No | Name of Post | Educational Qualification | Age Limit | Monthly Remuneration |
|---|---|---|---|---|
| 1 | Technical Officer- I1 | Diploma in Civil Engineering from a recognized University/Institution with Minimum 65% Marks. | Not More than 35 Years as on 1st August/2022. | The Proposed remuneration will be Rs.25,000.00 (Rupees Twenty Five Thousand) only per Month. |

**Terms and Condition:-**

1. **Experience:** 1 (One) year experience in rural development works related to supervision in construction is desirable.
2. Relevant Knowledge in areas of community driven rural/urban development projects (Water Supply, Roads, Buildings, Sanitation and other relevant areas).
3. Computer knowledge in MS office/OS and Internet.
4. Good social, analytical, communication, inter-personal and planning skills.
5. Knowledge of Assamese, English, Hindi and other local languages.
6. The applicant should attend the walk in interview on **27-09-2022** along with their Bio data, duly filled application form supported by the original testimonials along with self attested copies to submit it in the office.
7. To download the Application form Click : **https://tinyurl.com/2vfhy9tb**
8. Sendyour application form to **medwsmglpaggrnail.com** keeping the subject as application for the post of T.0-II.
9. No TA/DA admissible to the candidate for appearing the interview.
10. **(i) Last Date of application submission : 21th Sept. 2022.**
**(ii) Date of walk in interview : 27th Sept/2022.**
**(iii) Venue : 0/0 the Executive Engineer (PHE), Goalpara Division, Goalpara.**
**(iv) Time :- At 11.00 A.M. onwards.**

Member Secretary, DWSM
Cum
Executive Engineer[PHE]
Goalpara Division, Goalpara

*Janasanyog/D/12226/22*

## মুকালমুৱাত চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানী ফুটবল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থা(মাছা)ৰ সৌজন্যত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত দশম বাৰ্ষিক চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ আজিৰ খেলত দলৈতোলা নয়নজ্যোতি ক্লাবে গোৱালপাৰা এফ চিক ৩-২ গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। খেলৰ প্ৰথম অৰ্ধৰ ৫ মিনিট আৰু ৭ মিনিটত দলৈতোলাৰ হৈ টিকু আহমেদ আৰু জোচে এটাকৈ গ'ল দি দলক আগ্ৰগতি দিয়ে। প্ৰথম অৰ্ধৰে ৩২মিনিটত গোৱালপাৰাৰ হৈ ধনজিৎ ৰাভাই ১টা গ'ল পৰিশোধ কৰে। দ্বিতীয় অৰ্ধৰ ৭৫ মিনিটত দলৈতোলাৰ ৰিকিয়ে পুনৰ ১টা গ'ল দিয়ে। ৮০ মিনিটত গোৱালপাৰাৰ হৈ হালাং চাংমাই গ'ল ১টা পৰিশোধ কৰে যদিও দলটো বিজয় কৰাত ব্যৰ্থ হয়।

## ড° ভূপেন দাস সোঁৱৰণী সদৌ অসম ফুটবলত বৰনগৰ এফচিচিৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বৰপেটাৰোড, ১৬ ছেপ্টেম্বৰ ঃ** নামনি অসমৰ হাউলী ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় চণ্ডী বৰুৱা ষ্টেডিয়াম অনুষ্ঠিত হৈ থকা ড° ভূপেন দাস সোঁৱৰণী সদৌ অসম ভিত্তিত অনুষ্ঠিত ফুটবলত আজিৰ খেলত বৰনগৰ এফ চি চিয়ে অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত কয়াকুছিৰ লায়ন্স ক্লাৱ দলক বৰনগৰ এফ চি চি দলে ২-০ গলৰ ব্যৱধানত পৰাভূত কৰে।খেলখনৰ প্ৰথমাৰ্ধত বৰনগৰ এফ চি চিয়ে প্ৰথমটো গল দিয়াৰ উপৰিও খেলৰ দ্বিতীয়াৰ্দ্ধত পুনৰ বৰনগৰৰ এফ চি চিয়ে কয়াকুছি লায়ন্স ক্লাৱক গল দিয়াত বৰনগৰ দলে অগ্ৰগতি পায়।আজিৰ খেলৰ ৰেফাৰী আছিল টিকেন নাথ আৰু লাইনত সহায় কৰে খনিন নাথ,ছাৰফুল আলি। কাইলৈ খেল বিয়লি ৩ বজাত বঙাইগাঁও ফ্ৰীডমফাইটাৰ ড এন ডি এম এফ চি দল বনাম হাউলী স্পৰ্টছ এছচিয়েছন।



গুৱাহাটীত অনুষ্ঠিত খেলো ইণ্ডিয়া পূব মণ্ডল মহিলা বক্সিং প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ খেলুৰৈসকল

## খেলো ইণ্ডিয়া পূব মণ্ডল মহিলা বক্সিং প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** নখন ৰাজ্যৰ প্ৰায় দুশ নৱাগত বক্সাৰৰ অংশগ্ৰহণৰে গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত আৰম্ভ হৈছে খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাসী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা গুৱাহাটীত অনুষ্ঠিত হৈছে। আজি আবেলি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাবে মুকলি কৰা হয় আৰু নিশালৈ পাৰম্ভিক ৰাউণ্ডৰ খেল চলি আছে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰী, এছ এল এ চিৰ সদস্য সচিব গীতাৰ্থ গোস্বামী, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোৱৰ, ভাৰতীয় বক্সিং সন্থাৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতা, বাইৰ উপসভাপতি এন কে নিৰ্মান, ছাইৰ সঞ্চালক সতীশ ছাৰহাদি আদি। উল্লেখ্য যে প্ৰতিযোগিতাখনত অসমসহ অংশগ্ৰহণ কৰা নখন ৰাজ্য হ'ল অৰুণাচল প্ৰদেশ, বংগ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰা। প্ৰতিযোগিতাৰ জুনিয়ৰ ছোৱালীৰ ওজন শাখা থাকিব ১৩ টা। আনহাতে, যুৱ মহিলাৰ ওজন শাখা থাকিব ১২ টা। উল্লেখ্য যে গুৱাহাটীৰ এইপ্ৰতিযোগিতাৰ পাছতে ভূপাল, উত্তৰাখণ্ড আৰু কৰ্ণাটকতো মাণ্ডলিক পৰ্যায়ৰ একেই চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰিব ছাই আৰু বি এফ আয়ে। আনহাতে অহা ডিচেম্বৰক পুনৰ গুৱাহাটীতে হ'ব ফাইনেল প্ৰতিযোগিতাখন যত, অংশ ল'ব চাৰিটা মণ্ডলৰ পৰা প্ৰতিটো শাখাৰ চাৰিজনীকৈ ছোৱালীয়ে।

## পকোৱাৰ ফুটবলত মাদ্ৰাছা আঞ্চলিক ক্ৰীড়া সংঘ ছেমিত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** নিজ পকোৱা স্পৰ্টচ ক্লাবৰ উদ্যোগত, নিজ পকোৱা ফুটবল একাডেমীৰ সহযোগত পকোৱা হাইস্কুল খেলপথাৰত চলি থকা প্ৰয়াত মুনীন্দ্ৰ মল্ল বৰুৱা আৰু নগেন সাউদ সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ আজিৰ খেলত-মাদ্ৰাছা আঞ্চলিক ক্ৰীড়া সংঘই নিজ পকোৱা ফুটবল একাডেমীক ২-১ গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। খেলৰ প্ৰথম অৰ্ধৰ ১৩ মিনিট আৰু ২০ মিনিটত মাদ্ৰাছাৰ হৈ ইনতাজ আলীয়ে ২টা গ'ল দিয়ে। আনহাতে দ্বিতীয়াৰ্ধৰ ১৪মিনিট যোৱাৰ পিছত পকোৱাৰ হৈ বিপুল বড়োৱে একমাত্ৰ গ'লটো পৰিশোধ কৰে।

# এক কিংবদন্তি হিচাপে জিলিকি ৰ'ব ৰ'জাৰ ফেডাৰাৰ

**লণ্ডন, ১৬ ছেপ্টেম্বৰ ঃ** ৰ'জাৰ ফেডাৰাৰ। ক্ৰীড়াপ্ৰেমীৰ হৃদয়ত এক বিশেষ স্থান দখল কৰি থকা তাৰকা গৰাকীৰ নাম ৰ'জাৰ ফেডাৰাৰ । মূৰত এডাল ব্ৰেণ্ড, মুখত এক মিঠা হাঁহি, হাতত ৰেকেট লৈ টেনিচ কৰ্টত নিপুণ কলাত্মক ক্ৰীড়াশৈলীৰে বিশ্বৰ ক্ৰীড়াজগতৰ অগণন ক্ৰীড়াপ্ৰেমীৰ প্ৰিয় তাৰকাগৰাকীৰ নাম ৰ'জাৰ ফেডাৰাৰ। দুটাকৈ দশক ধৰি ক্ৰীড়াপ্ৰেমীক আলোড়িত কৰি ৰখা ৰ'জাৰ ফেডাৰাৰক আৰু দেখিবলৈ পোৱা নাযাব টেনিচ ক'ৰ্টত। ক্ৰীড়াবিশ্বক স্তব্ধ কৰি মহাতাৰকা ফেডাৰাৰে পেচাদাৰী টেনিচ জগতত নিজৰ বৰ্ণাঢ্য কেৰিয়াৰ সামৰণি পেলোৱাৰ কথা ঘোষণা কৰে। যোৱা প্ৰায় ২৫ টা বছৰে ক্ৰীড়া বিশ্বক মোহিত কৰা কিংবদন্তীগৰাকীয়ে আনুষ্ঠানিকভাৱে টেনিচক বিদায় দিয়াৰ কথা ঘোষণা কৰে। লণ্ডনত অনুষ্ঠিত হ'বলগীয়া আগন্তুক লেভাৰ কাপ টুৰ্ণামেণ্টতে অন্তিমবাৰৰ বাবে পেচাদাৰী জগতত হাতত ৰেকেট ল'ব ছুইচ তাৰকাগৰাকীয়ে। ক্ৰীড়া জগতখনৰে এক মহানায়ক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰা ২০ বাৰৰ গ্ৰেণ্ড শ্লেম চেম্পিয়নে ফেডাৰাৰৰ এই সিদ্ধান্তই বিচলিত কৰি তুলিছে ক্ৰীড়া প্ৰেমীসকলক। যোৱা বৰ্ষৰ উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হোৱাৰ পিছতে পেছাদাৰী টেনিচৰ পৰা আঁতৰি আছিল ৪১ বৰ্ষীয় ফেডাৰাৰ। চলিত বৰ্ষৰ আৰম্ভণিতে উইম্বলডন চেণ্টাৰ ক'ৰ্টৰ শতবাৰ্ষিকী অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ সময়ত ফেডাৰাৰে পুনৰ এবাৰ লণ্ডনত খেলাৰ ইচ্ছা প্ৰকাশ কৰিছিল। বাছেলত ঘৰুৱা প্ৰতিযোগিতাত তেওঁ পুনৰ পেছাদাৰী টেনিচলৈ প্ৰত্যাৱৰ্তন কৰিব বুলিও আশা কৰা হৈছিল। কিন্তু শেহতীয়াকৈ আঁঠুৰ আঘাতে জুৰুলা কৰাৰ পিছত অৱশেষত টেনিচৰ পৰা সন্যাস লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয় তাৰকাগৰাকী। কিংবদন্তী তাৰকাগৰাকীয়ে এক ইনষ্টাগ্ৰাম পোষ্ট যোগে অৱসৰৰ কথা ঘোষণা কৰি কয়, 'আপোনালোক সকলোৱে জানে, যোৱা তিনি বছৰে আঘাত আৰু কেইবাটাও অস্ত্ৰোপচাৰে মোৰ সমুখত যথেষ্ট প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। মই প্ৰতিযোগিতামূলক যুঁজলৈ ঘূৰি আহিবলৈ কঠোৰ পৰিশ্ৰম কৰিছো। কিন্তু মই মোৰ শৰীৰৰ সামৰ্থ্য আৰু সীমাৰ বিষয়ে জ্ঞাত। মই বিগত ২৪ বছৰত ১,৫০০ তকৈও অধিক মেচ খেলিছোঁ। টেনিছে মোক সকলোখিনি দিছে আৰু এতিয়া মই মোৰ প্ৰতিযোগিতামূলক কেৰিয়াৰ কেতিয়া সমাপ্ত কৰিম, সেই সময় চিনাক্ত কৰিব লাগিব। অহা সপ্তাহত লণ্ডনত অনুষ্ঠিত হ'বলগীয়া লেভাৰ কাপ মোৰ অন্তিম এটিপি ইভেণ্ট হ'ব। মই অৱশ্যে ভৱিষ্যতে অধিক টেনিছ খেলিম, কিন্তু এইয়া গ্ৰেণ্ড শ্লেম বা পেচাদাৰী ভ্ৰমণত নহয়। ফেডাৰাৰে কয়। উল্লেখ্য যে ফেডাৰাৰে ২০১৮ চনত অষ্ট্ৰেলিয়ান অপেনৰ ৰূপত নিজৰ কেৰিয়াৰৰ অন্তিম গ্ৰেণ্ড শ্লেম খিতাপ জয়ী হৈছিল। ২০১৯ চনত উইম্বলডনৰ ফাইনেলত উপনীত হৈছিল যদিও ছাৰ্বিয়াৰ তাৰকা নোভাক জকোভিচৰ হাতত পৰাজিত হৈছিল তাৰকাগৰাকী। টেনিচ জগতত ২০ টা গ্ৰেণ্ড শ্লেম খিতাপ জয় কৰা ইতিহাসৰ প্ৰথমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হৈছিল ফেডাৰাৰ। অৱশ্যে পিছত নাডাল আৰু জ'কভিচে ফেডাৰাৰৰ এই ৰেক'ৰ্ড অতিক্ৰম কৰিবলৈ সক্ষম হয়। 'গ্ৰাছ ক'ৰ্টৰ বাদশাহ' হিচাপে জনাজাত ফেডাৰাৰে কেৰিয়াৰত অভিলেখ ৮ টা উইম্বলডন খিতাপ অৰ্জন কৰিছিল। সেইদৰে ছটা অষ্ট্ৰেলিয়ান অপেন, ৫ টা ইউএছ অপেন আৰু ২০০৯ চনত একমাত্ৰ ফ্ৰেন্স অপেন খিতাপ দখল কৰিছিল তাৰকাগৰাকীয়ে। তদুপৰি তাৰকাগৰাকীয়ে নিজৰ কেৰিয়াৰত ১০০ টাকৈ চিংগলছ খিতাপ জয়েৰে আন এক অভিলেখ স্থাপন কৰিছে। ২০১২ চনৰ লণ্ডন অলিম্পিকৰ ব্যক্তিগত শাখাত ফেডাৰাৰে ৰূপৰ পদক অৰ্জন কৰাৰ লগতে ২০০৮ চনৰ বেইজিং অলিম্পিকৰ ডাবলছ শাখাত স্বৰ্ণ জয় কৰিছিল। টেনিচ জগতত বৰ্তমানৰ পাৱাৰ গেমৰ যুগত এক কলাত্মক ক্ৰীড়াশৈলীৰ প্ৰতিভূ হিচাপে নিজকে চিহ্নিত কৰা ফেডাৰাৰ টেনিচ ইতিহাসত সদায়ে এক কিংবদন্তী হিচাপে জিলিকি ৰ'ব।



## কোৱাৰ্টাৰ ফাইনেলত ফ্ৰেণ্ডছ ক্লাব, ভোটাইগাঁও বিজয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বড়মপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত চলি থকা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন কোৱাৰ্টাৰ ফাইনেল খেলত ফ্ৰেণ্ডছ ক্লাৱ-ভোটাইগাঁওয়ে ইটাপাৰা ফুটবল ক্লাৱক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। কাইলৈ অনুষ্ঠিত হ'বলগা অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত অংশগ্ৰহণ কৰিব ছাইনিং ষ্টাৰ ফুটবল ক্লাৱ- কাৰ্বি আংলং বনাম ফাইভ এফ চি-ভোটাইগাঁৱে।

হৰিশিঙাত ২২তম্ সৰ্বভাৰতীয় জৌহৌলাও বালিৰাম বড়ো স্বৰ্ণকাপ ফুটবল

# হৰিশিঙা আঞ্চলিক ক্ৰীড়া সংস্থা ফাইনেলত



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পানেৰী, ১৬ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত হৰিশিঙা আঞ্চলিক বড়ো ছাত্ৰ সন্হা আৰু হৰিশিঙা ক্ৰীড়া সংস্হাৰ যুটীয়া উদ্যোগত ৰবি কছাৰী মিনি ষ্টেডিয়ামত চলি থকা ২২সংখ্যক সৰ্বভাৰতীয় জৌহৌলাও বালিৰাম বড়ো স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ প্ৰথম খন ছেমিফাইনেলত হৰিশিঙা আঞ্চলিক ক্ৰীড়া সংস্হাই বিজনীৰ ফেৰেংগাদাও এফ চিক ৫-২ গলৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰবেশ কৰে। ফুটবল প্ৰশিক্ষক যোগেশ্বৰ দৈমাৰীয়ে আজিৰ খেলখন উদ্বোধন কৰাৰ পিছৰে পৰা দুয়োটা দলৰ মাজত তীব্ৰ প্ৰতিদন্দিতাত অৱতীৰ্ণ হয়। প্ৰথমৰে পৰা ঘৰুৱা দল হৰিশিঙা আঞ্চলিক ক্ৰীড়া সংস্হাই তীব্ৰ গতিৰে সুন্দৰ খেল প্ৰদৰ্শন কৰি খেলৰ ২২ মিনিটত ষ্ট্ৰাইকাৰ মাইকেল দৈমাৰীয়ে ১টা,ইৰাক দৈমাৰীয়ে ৫৮ আৰু ৬৬ মিনিটত ২টা আৰু কৌশিক দৈমাৰীয়ে ৭৮,৮৪ মিনিটত ২টাকৈ স্কৰ কৰি বিজনীৰ ফেৰেংগাদাও এফ চিক ধৰাশায়ী কৰে।ইয়াৰ বিপৰীতে ফেৰেংগাদাও এফ চিৰ ষ্ট্ৰাইকাৰ বিষ্ণু বৰদলৈয়ে ৩৫ মিনিটত ১ টা আৰু উত্তেজনাৰৰ মাজতে মহাদেৱ মুছাহাৰীয়ে ৯০ মিনিটত ১টা গল দিয়ে।ফলত হৰিশিঙা আঞ্চলিক ক্ৰীড়া সংস্হাৰ হাতত ফেৰেংগাদাও এফ চি ৫-২ গলত পৰাজিত হয়। আজিৰ খেল পৰিচালনা কৰে দেবেন কুমাৰ বড়োই। তেওঁক সহায় কৰে মৃদুল বসুমতাৰী,ইলিছ মুচাহাৰী আৰু বাবুৰাম দৈমাৰীয়ে। কাইলৈ ছিলংৰ ৰিভিউ এফ চি আৰু গোসাইগাওঁৰ গেবেল এফ চিৰ মাজত দ্বিতীয়খন ছেমিফাইনেল খেল অনুষ্ঠিত হব।

## কাছাৰৰ লেনৰোল ফুটবল ক্লাবৰ সম্পূৰ্ণ পইন্ট অৰ্জন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৪ সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তৃতীয়খন কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত কাচাৰৰ লেনৰোল ফুটবল ক্লাবে নগাঁৱৰ লীগ চেম্পিয়ন সঞ্জীৱন সমাজক ১-০ গ'লত পৰাস্ত কৰি লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। কাপউজানে ২৪ মিনিটতে দিয়া গ'লৰ সহায়ত লেনৰোল দল বিৰতিৰ সময়লৈ ১ - ০ গ'লত আগবাঢ়ি থাকে। সতীৰ্থ খেলুৱৈ পাউলিয়ানে মৰা কৰ্ণাৰ কিকত কাপউজানে বক্সৰ পৰা দৰ্শনীয় হেড যোগে বিজয়সূচক গ'লটো দিয়ে। বিৰতিৰ পাছত প্ৰতিদ্বন্দ্বিতা মূলক খেলখনত সঞ্জীৱন দলে সমতা স্থাপনৰ বাবে সুন্দৰ খেল প্ৰদৰ্শন যোগে বিপক্ষৰ হাফত উপৰ্যুপৰি চাপৰ সৃষ্টি কৰে যদিও বিপক্ষৰ ৰক্ষণ বিভাগক পৰাভূত কৰাত ব্যৰ্থ হয়। আজিৰ খেল : কেৰালা ইউনাইটেড ফুটবল ক্লাব বনাম অসম ৰাইফলছ।

## ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ ৰেজেক আলী ফুটবল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদোগত, ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰত চলি থকা ৫৬সংখক স্বৰ্গীয় ৰেজেক আলী সোঁৱৰণী প্ৰাইজমানী চলন্তট্ৰফী ফুটবল প্ৰতিযোগিতাত আজি অন্য এখন আকৰ্ষণীয় খেলত ডিমাকুছি ছানৰাইজে বৰমা উদাংশ্ৰীক ৬-২ গ'লৰ বৃহৎ ব্যাৱধানত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

### শুদ্ধিকৰণ পত্ৰ

এন আৰ কে. ৩১/২০২২/৬১= উপায়ুক্ত কাৰ্য্যলয়ৰ বিজ্ঞাপন নং এন আৰ কে. ৩১/২০২২/৫২, তাৰিখঃ ০৫-০৯-২০২২ যোগে নগাঁও জিলাৰ অন্তৰ্গত ৰাজহ চক্ৰৰ সমূহৰ অধীনত খালি হৈ থকা গাঁও প্ৰধান পদত নিযুক্তিৰ বাবে আবেদন পত্ৰ বিচাৰি দিয়া জাননীখনৰ আংশিকভাৱে (১) নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত শিঙ্গিয়াপোটনী মৌজাৰ পোটনীগোমুঠা (২) হাতীচুং মৌজাৰ ৰাইডঙ্গীয়া, (৩) ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত আলিটাঙণী মৌজাৰ পতিয়াচাপৰি (৪) চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত খাটোৱাল মৌজাৰ ৰূপহী টাউন আৰু (৫) চনচলি মৌজাৰ বামুনি এই কেইখনৰ নাম নিম্ন লিখিত ধৰণে শুদ্ধৰণী কৰা হ'ল।

| ক্ৰঃ নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | পূৰ্বৰ গাঁওৰ নাম (আংশিকভাৱে ভূল হৈ থকা গাঁও) | শুদ্ধিকৰণ গাঁওৰ নাম |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| ৯ | নগাঁও | শিঙ্গিয়াপোটনী | পোটনীগোমুঠা | পোটনীগোমোঠা- কমাৰগাঁও |
| ২৪ | নগাঁও | হাতীচুং | ৰাইডঙ্গীয়া, আটুৱাটিকা, কাৰৈমাৰি | ৰাইডঙ্গীয়া (অংশ)- আটুৱাটিকা পথাৰ আৰু কাৰৈমাৰী পাম |
| ৩৭ | ধিং | আলিটাঙ্গণী | পতিয়াচাপৰি | পতিয়াচাপৰি - জাৰামাৰি |
| ১২১ | চামগুৰি | খাটোৱাল | ৰূপহী টাউল | ৰূপহী ভকতগাঁও |
| ১২৩ | চামগুৰি | চলচলি | বামুণি | তপতজুৰি গ্ৰাণ্ট- মিকিৰগাঁও- বৰলালুংগাঁও |

ইয়াৰ লগতে উল্লেখ কৰা হয় যে, উক্ত বিজ্ঞাপনৰ (চ) নং ত উল্লেখ কৰা "আবেদন পত্ৰৰ লগত মৌজাদাৰৰ প্ৰমাণ পত্ৰ গাঠি দিয়া" টো আগ্ৰাহ্য কৰা হ'ল অৰ্থাৎ বিজ্ঞাপনৰ (চ) নং দাফটো বাতিল কৰা হ'ল।

বিঃদ্ৰঃ যদি কোনো আবেদনকাৰীয়ে আবেদন পত্ৰত পূৰ্ব্বৰ বিজ্ঞাপনত দিয়া গাঁওৰ নাম লিখি দিয়ে তাৰ বাবে তেওঁৰ আবেদন পত্ৰখন আগ্ৰহ্য কৰা নহ'ব

Janasanyog/D/12304/22

স্বাক্ষৰ
উপায়ুক্ত, নগাঁও

## বড়োলেণ্ড গেলান্টছ গ'ল্ড কাপ ফুটবলত দুলীয়াজান অইলৰ জয়লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ডিমাকুছি এবছু আৰু ডিমাকুছি ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত চলি থকা ৰূপালী জয়ন্তীবৰ্ষ বড়োলেণ্ড গেলান্টচ গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত দুলীয়াজান অইলে জয়লাভ কৰিছে। ভাৰত- ভূটান সীমান্তৱৰ্তী ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ খেলত দুলীয়াজান অইলে ডিমাকুছি উচু ক্লাৱক ৩-০ গ'লত পৰাস্ত কৰি অগ্ৰগতি লাভ কৰিছে। দুলীয়াজান অইলৰ হৈ গ'ল কেইটা স্ক'ৰ কৰে সুৱাগ চেত্ৰীয়ে ৩২ মিনিটত,মিলন বসুমতাৰীয়ে ৪৩ মিনিটত, গেৰেমচা বসুমতাৰীয়ে ৫৮ মিনিটত এটাকৈ গ'ল দিয়ে। আজিৰ খেলত মিলন বসুমতাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে।

## চলন্তাপাৰাত হৰেন্দ্ৰ কলিতা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, যোগীঘোপা, ১৬ ছেপ্টেম্বৰ ঃ** চলন্তাপাৰা আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত আজিৰে পৰা শুভাৰম্ভ হৈছে স্বাধীনতাৰ মুক্তি যুঁজাৰু হৰেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী ফুটবল প্ৰতিযোগিতা। চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আনুষ্ঠানিক ভাবে ফুটবল প্ৰতিযোগিতাখনৰ শুভাৰম্ভ কৰে অভয়াপুৰী উত্তৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ভুপেন ৰায়ে । প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত বকো এফচি দলে বৰপেটা আগাছা দলক পৰাজিত কৰে। নিৰ্ধাৰিত সময় পাৰ হোৱাৰ পিচত ২-২ গলত খেলখন অমীমাংসিত হোৱাত ট্ৰাইবেকাৰত বকো এফ চিয়ে জয়লাভ কৰে । সমিতিৰ সভাপতিয়ে জানিব দিয়া মতে, নামনি অসমৰ বিভিন্ন জিলাৰ ১৬ টা জনপ্ৰিয় দলৰ লগতে দুটা মহিলা দলো যোগদান কৰিছে প্ৰতিযোগিতাখনত । জনপ্ৰিয় দল সমূহৰ অংশগ্ৰহণত উৎফুল্ল হৈছে উদ্যোগতা আৰু অঞ্চলটিৰ ফুটবল প্ৰেমী ৰাইজৰ মাজত । আনহাতে কাইলৈ প্ৰতিযোগিতাৰ দ্বিতীয় খেলত বিজনীৰ ফেৰেঙ্গা ক্লাৱ আৰু গোৱালপাৰাৰ ব্ৰহ্মপুত্ৰ এফ চিৰ মাজত অনুষ্ঠিত হব।

## গজেন্দ্ৰ-পুলিনা ফুটবলৰ সামৰণি

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** কলিয়াবৰৰ মিছা আঞ্চলিক মিলন সংঘৰ ব্যৱস্থাপনাত মিছা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সপ্তম বৰ্ষৰ বাবে অনুষ্ঠিত গজেন্দ্ৰ নাথ বৰুৱা, পুলিনা বৰুৱা সোঁৱৰণি চলন্ত কাপ ফুটবল প্ৰতিযোগিতাখনিৰ সামৰণি পৰিছে। ঢেকিয়াজুলি টাউন ক্লাব আৰু বৰঘূলী যুৱক সংঘৰ মাজত হোৱা উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখনত ঢেকেয়াজুলি টাউন ক্লাবে ১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। প্ৰতিযোগিতাখনিৰ অন্তত খেল পৰিচালনা সমিতিৰ সভাপতি দিলীপ বৰুৱাৰ সভপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত উপস্থিত থাকে দাতা প্ৰাঞ্জিত বৰুৱা, আইৰিণা বৰুৱা, কলিয়াবৰৰ অতিৰিক্ত আয়ুক্ত তৰংগজিত বৰুৱা, মিচা হাইস্কুলৰ প্ৰধান শিক্ষক জিতেন বৰুৱাকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি। মিচা আঞ্চলিক মিলন সংঘৰ সম্পাদক জগত মেধিয়ে আঁত ধৰা বঁটা বিতৰণী সভাখনত বিজয়ী দলক ২৫ হেজাৰ, বিজিত দলক ১৫ হেজাৰ নগদ ধনৰ লগতে চলন্ত বঁটা প্ৰদান কৰা হয়। প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ঢেকীয়াজুলি টাউন ক্লাবৰ জেফলিন ভদাই।

## ইলেভেন ষ্টাৰ চেম্পিয়ন

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত বঙাইগাঁৱৰ এলেভেন ষ্টাৰে ১-০ গ'লৰ ব্যৱধানত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পৰাস্ত কৰি চেম্পিয়ন হয়। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বঙাইগাঁৱৰ বেংখাৰচেন চিমিলাংচেং। উল্লেখ্য যে ফাইনেল উদ্বোধন কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। আনহাতে, খেলত খেলৰ অন্তত মুকুট ঠাকুৰীয়াই পৰিচালনা কৰা বঁটা বিতৰণ সভাত প্ৰাক্তন মন্ত্ৰী তথা ট্ৰফীদাতা ডাঃ কমলাকান্ত কলিতা, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, উপ সভাপতি ৰাজ কাকতি, ছয়গাঁৱৰ সংলগ্ন চক্ৰ বিষয়া অম্বৰীশ বৰা, খণ্ড উন্নয়ন বিষয়া কাশ্যপী কাশ্যপ, ক্ৰীড়া সন্থাৰ সভাপতি অম্বিকা প্ৰদান দেৱ শৰ্মা, সম্পাদক ধীৰেন দাস প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



গুৱাহাটীত অনুষ্ঠিত খেলো ইণ্ডিয়া পূব মণ্ডল মহিলা বক্সিং প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী দুগৰাকী খেলুৱৈ

## অতুল গগৈ-মনাই গগৈ ফুটবল

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** চেপন ইউনাইটেড এফ.চিয়ে টিফুক ৰাজহুৱা খেলপথাৰত চলি থকা চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ অন্তিম আঠত স্থান নিশ্চিত কৰিছে। চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত অনুষ্ঠিত হৈ থকা প্ৰতিযোগিতাৰ গ্ৰুপ 'এ ৰ আজি চতুৰ্থ তথা অন্তিমখন প্ৰি-কোৱাৰ্টাৰত চেপন ইউনাইটেড এফ.চিয়ে শিৱসাগৰৰ নিতাইপুখুৰী ফুটবল ক'চিং চেণ্টাৰক টাইব্ৰেকাৰৰ জড়িয়তে সামগ্ৰিকভাৱে ৫-৩ গ'লৰ ব্যৱধানত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দিতামূলক খেলখনৰ প্ৰথমাৰ্ধৰ ১৮ মিনিটত নিতাইপুখুৰী ক'চিং চেণ্টাৰৰ দেবানন্দ টায়ে দিয়া গ'লৰ জড়িয়তে বিৰতিলৈকে প্ৰথমাৰ্ধৰ বিৰতিলৈকে দলটো ১-০ত আগবাঢ়ি থাকে। আনহাতে, দ্বিতীয়াৰ্ধৰ খেলৰ আৰম্ভণিৰ পৰাই চেপন ইউনাইটেড এফ.চিয়ে খেলৰ গতি সলনি কৰে আৰু খেলৰ ৫৫ মিনিটত দলটোৰ অধিনায়ক মুন গগৈয়ে সমতা ১-১ ত সমতা স্থাপন কৰিবলৈ সক্ষম হয়। অৱশ্যে খেলৰ অন্তিম ক্ষণলৈকে দুয়োটা দলে অধিক গ'লৰ বাবে চেষ্টা অব্যাহত ৰাখিছিল যদিও সফল হ'ব নোৱাৰিলে। পৰৱৰ্তী সময়ত পৰিচালকে খেলৰ ফলাফল নিৰূপণৰ বাবে টাইব্ৰেকাৰ পদ্ধতিৰ সহায় ল'ব লগা হয়। টাইব্ৰেকাৰত চেপনৰ হৈ মুন গগৈ, ৰোহন থাপা, অলি কুৰেচি আৰু সঞ্জীৱ গগৈয়ে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে নিতাইপুখুৰীৰ হৈ কেৱল জ্যোতিষ্মান বৰুৱা আৰু দীপজ্যোতি সন্দিকৈয়ে গ'ল স্ক'ৰ কৰাত চেপন ইউনাইটেডে সামগ্ৰিকভাৱে ৫-৩ গলৰ ব্যৱধানত বিজয় সাব্যস্ত কবিবলৈ সক্ষম হয়। খেলখন পৰিচালনা কৰে ৰাহুল মল্লিকে।। লাইনত সহায় কৰে মনোজ বড়া আৰু বিকাশ বৰগোহাঁয়ে। চতুৰ্থ গৌতম বড়া। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে চেপন ইউনাইটেড এফ.চিৰ ৰক্ষণ বিভাগৰ খেলুৱৈ বিজয় তাঁতীয়ে । খেলুৱৈগৰাকীকপুৰস্কাৰ প্ৰদান কৰে চৰাইদেউ জিলাৰ আৰক্ষী চক্ৰ পৰিদৰ্শক জ্যোৰ্তিময় গায়ন, মৰাণ অইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ দিবাকৰ শেনচোৱা, টিফুক গাঁৱৰ গাওঁ প্ৰধান মনেশ্বৰ খান্দাধৰা আৰু জ্যেষ্ঠ নাগৰিক প্ৰবীন বড়াই। কাইলৈ গ্ৰুপ 'বি' ৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। খেলখনত শিৱসাগৰৰ পানীবিল ফুটবল ক্লাৱে বিগত বৰ্ষৰ চেম্পিয়ন নাজিৰা বিহুবৰ এফ.চিৰ মুখামুখি হ'ব।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেঙ্গি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

রাষ্ট্রীয় স্বাস্থ্য মিশন
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

সত্যমেব জয়তে
অসম চৰকাৰ



# জ্বৰ, দাগ আৰু গাঁঠিৰ বিষক উপেক্ষা নকৰিব। শিশুৰ হাত, ভৰি আৰু মুখৰ ৰোগৰ (এইচ এফ এম ডি)ৰ পৰা সাৱধান হওক।

ভাইৰেল ৰোগ টমেটো ফ্লু হৈছে হাত, মুখ আৰু ভৰিৰ ৰোগ। বিলাহীৰ আকৃতিৰ স্পৰ্শ কৰিবলৈ অতি কোমল আৰু বেদনাদায়ক সৰু সৰু ফোঁহা শিশুৰ দেহত দেখা দিয়ে। এইচ এফ এম ডিৰ বিশেষত্ব হৈছে জ্বৰ, মুখত ঘা আৰু ছালত পৰা চেকোৰা।

**এই ৰোগ প্ৰতিৰোধৰ উৎকৃষ্ট সমাধান হৈছে সঠিক পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ছেনিটাইজেচন।**

## শিশুৰ ক্ষেত্ৰত দেখা দিয়া লক্ষণসমূহ

- জ্বৰ আৰু শৰীৰৰ বিষ
- মুখত দাগ আৰু ঘা
- গাঁঠি ফুলা আৰু বিষ
- ভাগৰ লগা
- ওকালি অহা
- বমি

স্বাস্থ্য সম্বন্ধীয় পৰামৰ্শৰ বাবে ১০৪ ডায়েল কৰক

এম্বুলেন্স সেৱাৰ বাবে ১০৮ ডায়েল কৰক

## প্ৰতিৰোধ পদ্ধতি

- আতংকিত নহ'ব কিয়নো এই ৰোগ স্ব-সীমিত।
- আপোনাৰ সন্তানক এই ৰোগৰ লক্ষণ আৰু ইয়াৰ সংক্ৰমণৰ পদ্ধতিৰ বিষয়ে সজাগ কৰক।
- জ্বৰ বা ছালত চেকোৰা পৰা লক্ষণ থকা শিশুক আলিঙ্গন বা স্পৰ্শ নকৰিবলৈ আপোনাৰ সন্তানক সতৰ্ক কৰক।
- আপোনাৰ সন্তানক পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ আৰু হাতৰ আঙুলি নুচুহিবলৈ উদ্‌গনি দিয়ক ।
- ৰোগ বিয়পাত বাধা দিবলৈ কাহ মাৰিলে আৰু নাকৰ পৰা পানী ওলাই থাকিলে আপোনাৰ সন্তানক ৰুমাল ব্যৱহাৰ কৰিবলৈ কওক ।
- ফোঁহাটো নখজুৱাব আৰু নঘঁহিব। ফোঁহা স্পৰ্শ কৰিলে আপোনাৰ হাত ভালদৰে ধুব।
- আপোনাৰ সন্তানৰ শৰীৰত তৰলৰ মাত্ৰা বজাই ৰাখিব।
- যদি আপোনাৰ সন্তানৰ এই ৰোগৰ লক্ষণ দেখা দিয়ে, ততালিকে শিশুটিক আন শিশুৰ পৰা পৃথক কৰক।
- সকলো বাচন-বৰ্তন, কাপোৰ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী (যেনে- বিছনা) নিয়মীয়াকৈ পৃথক আৰু ছেনিটাইজ কৰিব লাগে।
- ছাল পৰিষ্কাৰ কৰিবলৈ বা শিশুক গা ধুৱাবলৈ সদায় গৰম পানী ব্যৱহাৰ কৰিব।
- ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিবলৈ সদায় পুষ্টিকৰ আৰু সুষম আহাৰ প্ৰদান কৰিব।
- আৰোগ্যৰ বাবে পৰ্যাপ্ত বিশ্ৰাম আৰু টোপনি যোৱাটো অত্যাৱশ্যকীয়।

(NHM/D/2022-23/251)

সকলো সময়তে ক'ভিড সংক্ৰান্তীয় নীতি-নিয়ম মানি চলক | সঠিকভাৱে মাস্ক পৰিধান কৰক | ছেনিটাইজাৰ ব্যৱহাৰ কৰক | শাৰীৰিক ব্যৱধান মানি চলক | হাত ধোৱক | টিকাকৰণ কৰাওক

Help us to help you

স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ), অসম

সত্যমেব জয়তে
অসম চৰকাৰ

# দুটা টোপাল প্ৰতিবাৰ, পলিঅ'ৰ বিৰুদ্ধে বিজয় নিৰন্তৰ



পলিঅ' দেওবাৰ ১৮ ছেপ্টেম্বৰ ২০২২

৫ বছৰ পৰ্যন্ত প্ৰতিটো শিশুক প্ৰতিবাৰ পলিঅ' খালি দিয়ক



**শ্ৰীযুত কেশৱ মহন্ত**
মাননীয় মন্ত্ৰী
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসম

আপোনাৰ সন্তানটিৰ নিশ্চিত সুৰক্ষাৰ বাবে পলিঅ'ৰ প্ৰতিষেধক প্ৰতিবাৰ দিয়ক। পলিঅ'ৰ বিৰুদ্ধে দেশৰ বিজয় অটুট ৰখাত যোগদান কৰক।

নিম্নলিখিত ১৯খন জিলাত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ ব্যৱস্থা কৰা হৈছে ঃ

বাক্সা, বৰপেটা, বঙাইগাঁও, চৰাইদেউ, চিৰাং, দৰং, ডিব্ৰুগড়, ডিমা হাছাও, গোৱালপাৰা, গোলাঘাট, যোৰহাট, কাৰ্বি আংলং, কৰিমগঞ্জ, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, তিনিচুকীয়া, ওদালগুৰি

অধিক জানিবলৈ আশা/এ এন এম/অংগনৱাড়ী কৰ্মকৰ্তাৰ সৈতে যোগাযোগ কৰক

ক'ভিড-১৯ৰ নীতি-নিয়মসমূহ মানি চলক

Janasanyog /D/12257/22

Be Wise! Get your child fully immunized

www.mohfw.gov.in | www.pmindia.gov.in | www.mygov.in | YouTube mohfwindia | @MoHFW_INDIA